অধিবিদ্যা পৰিষদ, গোলাঘাটৰ উদ্যোগত 2022

ANSWER BANK

CLASS- X

SEBA

Social Science


WITH

SOLVED PAPERS (HSLC)

MCQ with answer key

AND

PRACTICE PAPERS



মুখ্য উপদেষ্টা ঃ
ড° সমীৰণ বৰা
বিদ্যালয়সমূহৰ পৰিদর্শক
গোলাঘাট জিলা

উপদেষ্টা ঃ
ফটিক গগৈ

সম্পাদনা ঃ উৎপল বৰুৱা, শিব প্রসাদ পৌডেল

Created by Universal Document Converter

সমাজ বিজ্ঞানৰ
প্ৰশ্নোত্তৰ মালিকা
দশম শ্ৰেণী

SEBA পাঠাক্ৰমৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ
সংকুচিত পাঠ্যক্ৰম অনুসৰি

সম্পাদকদ্বয়
উৎপল বৰুৱা
শিৱ প্ৰসাদ পৌডেল

Created by Universal Document Converter

সমাজ বিজ্ঞানৰ প্ৰশ্নোত্তৰ মালিকা: A booklet of Model Answers to the Questions from class X Social Science.

প্ৰথম প্ৰকাশ ঃ

২১ ফেব্ৰুৱাৰী ২০২২

সম্পাদনা সমিতি ঃ

মুখ্য উপদেষ্টা ঃ

ড° সমীৰণ বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক, গোলাঘাট জিলা সংমণ্ডল

উপদেষ্টা ঃ

ফটিক গগৈ (সম্পাদক, অধিবিদ্যা পৰিষদ, গোলাঘাট)

সম্পাদনা ঃ

উৎপল বৰুৱা

শিৱ প্ৰসাদ পৌডেল

সদস্য / সদস্যা ঃ

বগাই চিন্তে

বুবুল দাস	ৰাহুল দেৱ শৰ্মা
প্ৰণৱ হাজৰিকা	প্ৰাঞ্জল বৰা
বুলবুলি কলিতা	জোনমণি বৰুৱা
মনিকা বৰা	সমৰজ্যোতি গগৈ
দুৰ্গা চুতীয়া	চাজিদা বেগম
স্বপ্নালী কলিতা	ৰাবিয়া চুলতানা

প্ৰকাশক ঃ

অধিবিদ্যা পৰিষদ, গোলাঘাট জিলা

প্ৰচ্ছদ আৰু চিত্ৰ সম্পাদনা ঃ

সমীৰজ্যোতি মেধি

অক্ষৰ বিন্যাস ঃ

জুৰী ঢেকীয়াল ফুকন

* এই পুস্তিকাখনি সম্পূৰ্ণ বিনামূলীয়া

Created by Universal Document Converter

প্রস্তুতকর্তাসকল ঃ

ইতিহাস ঃ

অধ্যায় ১	বুলবুলি কলিতা	কছাৰীহাট হাইস্কুল
অধ্যায় ২	প্রাঞ্জল বৰা	দক্ষিণহেঙ্গেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়
অধ্যায় ৩	চাজিদা বেগম	বাতিপৰীয়া হাইস্কুল
অধ্যায় ৪	দুর্গা চুতীয়া	ফৰকাটিং গজানন জালান বালিকা বিদ্যালয়
অধ্যায় ৫	জোনমণি বৰুৱা	ইন্দ্রানী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়

ভূগোল ঃ

অধ্যায় ১	বুবুল দাস	বেতিয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়
অধ্যায় ২	মনিকা বৰা	গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়
অধ্যায় ৩	শিৱ প্রসাদ পৌডেল	টাউন হিন্দী হাইস্কুল, গোলাঘাট
অধ্যায় ৪	ৰাহুলদেৱ শর্মা	বাতিপৰীয়া হাইস্কুল

ৰাজনীতি বিজ্ঞান খণ্ড ঃ

অধ্যায় ১	প্রণৱ হাজৰিকা	বোকাখাট টাউন হাইস্কুল
অধ্যায় ২	উৎপল বৰুৱা	পুলিবৰ আদর্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়

অর্থনীতি খণ্ড ঃ

অধ্যায় ১	বগাই চিন্তে	ৰজাবাৰী হাইস্কুল
অধ্যায় ২	সমৰজ্যোতি গগৈ	ধোন্দাচাম হাইস্কুল

আর্হি প্রশ্ন কাকত ঃ শিৱ প্রসাদ পৌডেল, টাউন হিন্দী হাইস্কুল, গোলাঘাট

পুনৰীক্ষক ঃ

বগাই চিন্তে, স্বপ্নালী কলিতা, ৰাবিয়া চুলতানা

Created by Universal Document Converter

বিদ্যালয়সমূহৰ পৰিদর্শক
গোলাঘাট জিলা সংমণ্ডল, গোলাঘাট

শুভেচ্ছাবাণী

Covid-19 য়ে বর্তমান ছাত্র-ছাত্রীৰ শৈক্ষিক দিশত যথেষ্ট ক্ষতি কৰিছে। বিশেষকৈ দশম শ্রেণীৰ ছাত্র-ছাত্রীসকলৰ বাবে এক চিন্তণীয় বিষয় হিচাপে পৰিগণিত হোৱা দেখা গৈছে। এনে পৰিপেক্ষিতত গোলাঘাট জিলাৰ একাংশ মাধ্যমিক শিক্ষকে কিছু সম্ভাৱ্য প্রশ্নোত্তৰ সংকলনেৰে **'সমাজবিজ্ঞানৰ প্রশ্নোত্তৰ মালিকা'** নামৰ এখন ই-বুক প্রকাশ কৰিবলৈ যি মহান প্রচেষ্টা হাতত লৈছে তাক মই আন্তৰিকাৰে ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

আশা ৰাখিছো এই পুথিয়ে ছাত্র-ছাত্রীসকলক উপকৃত কৰিব।

ড° সমীৰণ বৰা
বিদ্যালয়সমূহৰ পৰিদর্শক
গোলাঘাট জিলা সংমণ্ডল, গোলাঘাট

Created by Universal Document Converter

প্ৰকাশকৰ একাষাৰ

জটিল সময়। দীৰ্ঘদিনীয়া লক ডাউন। এনে পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট ক্ষতি সাধন হোৱাতো সকলোৱেই অনুভৱ কৰিছে।

এই জটিল সময়চোৱাতো দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক কিছু সকাহ দিবলৈ গোলাঘাট জিলাৰ অধিবিদ্যা পৰিষদে একাংশ উদ্যমী শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত কিছু সম্ভাব্য প্ৰশ্নোত্তৰ সংকলনেৰে **'সমাজবিজ্ঞানৰ প্ৰশ্নোত্তৰ মালিকা'** নামৰ এখন ই-বুক প্ৰস্তুত কৰিবলৈ যি প্ৰচেষ্টা হাতত ল'লে তাক মই আন্তৰিকাৰে সহাঁৰি জনাইছো আৰু অধিবিদ্যা পৰিষদে প্ৰকাশ কৰিবলৈ পাই নথৈ আনন্দিত হৈছো। অনাগত দিনত তেওঁলোকৰ এই প্ৰচেষ্টা অব্যাহত থাকিব বুলি আশা কৰিলো।

এই পুথিখনিয়ে নিশ্চয়কৈ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব।

ফটিক গগৈ

সম্পাদক

গোলাঘাট জিলা অধিবিদ্যা পৰিষদ, গোলাঘাট

Created by Universal Document Converter

সম্পাদকীয়

"শিক্ষাই জ্ঞান, জ্ঞানেই জ্যোতি। শিকাই হৈছে এটা জাতিৰ মেৰুদণ্ড স্বৰূপ।"

বিগত সময়ত ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ পৃথিৱীত যি আতংকৰ সৃষ্টি কৰি মানৱ জাতিৰ জীৱন ব্যাহত কৰিছিল, বৰ্তমান এই শংকা আঁতৰি সূৰুযৰ হেঙুলী কিৰণে যেন আশাৰ বতৰা কঢ়িয়াই আনিছে। এনে দুৰূহ পৰিস্থিতিত আমাৰ শিক্ষক সমাজৰ বাবে এক বিৰাট প্ৰত্যাহ্বান আহি পৰিছে। এফালে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধন আৰু আনফালে তেওঁলোকৰ শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰস্তুতিকৰণ। এই সমগ্ৰ প্ৰক্ৰিয়াটো সুচাৰুৰূপে সমাধান কৰাৰ ক্ষেত্ৰত শিক্ষক হিচাপে আমাৰ বহুতো কৰণীয় আছে।

লক-ডাউনৰ সময়ত গোলাঘাট জিলাৰ পৰিদৰ্শক মহোদয়ৰ তৎপৰতা আৰু পৰামৰ্শ মৰ্মে আমি গোলাঘাট জিলাৰ বিভিন্ন বিদ্যালয়ৰ সমাজ বিজ্ঞান বিষয়ৰ শিক্ষাগুৰুসকলে অনলাইন পাঠ্যক্ৰম প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ত উপকৃত কৰাৰ প্ৰয়াস কৰিছিলো। তাৰোপৰি বিদ্যালয়সমূহ খোলাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাকৈ আমি কেনেদৰে, কি কাম কৰিব পাৰোঁ তাৰো চিন্তা-চৰ্চা কৰি আহিছোঁ। তেনে এক চিন্তাৰ প্ৰতিফলন হিচাপে ২০২২ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে সংকুচিত পাঠ্যক্ৰম অনুসৰি এখনি সমাজ বিজ্ঞানৰ প্ৰশ্নোত্তৰ (Answer-E-Book) প্ৰস্তুত কৰি উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। আমাৰ শিক্ষকসকলৰ সহযোগিতা তথা প্ৰচেষ্টাত এই সিদ্ধান্তক বাস্তৱত ৰূপায়িত কৰাত সক্ষম হৈছোহঁক। আমাৰ এই প্ৰচেষ্টাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ প্ৰশ্নসমূহৰ ধৰণ আৰু উত্তৰ লিখাৰ পদ্ধতি সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰি উপকৃত কৰিব বুলি আশা কৰিছোহঁক।

কৃতজ্ঞতা স্বীকাৰ ঃ

সামৰণিত 'সমাজ বিজ্ঞানৰ প্ৰশ্নোত্তৰ মালিকা' প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আমাক বিভিন্ন দিহা-পৰামৰ্শৰে কৃতাৰ্থ কৰা প্ৰত্যেক গৰাকী শিক্ষাগুৰুলৈ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ এই 'ই-বুক'খনি প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত আমাক বিশেষভাৱে উৎসাহ আৰু প্ৰেৰণা যোগোৱা গোলাঘাট জিলাৰ পৰিদৰ্শক মহোদয় ড° সমীৰণ বৰাদেৱক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সেইদৰে গোলাঘাট জিলাৰ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ সমন্বয়ক ৰুণা শইকীয়া বাইদেউ, অধিবিদ্যা পৰিষদৰ সম্পাদক ফটিক গগৈ ছাৰ, গোলাঘাট জিলা মাধ্যমিক আৰু কৰ্মচাৰী সংস্থাৰ শ্ৰীযুত লোকেন্দ্ৰনাথ বৰা আৰু শ্ৰী নিপন কুমাৰ দত্তৰ লগতে হাইস্কুল শিক্ষক সংস্থাৰ সম্পাদক শ্ৰী প্ৰাঞ্জল শৰ্মালৈও কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি পাঠ অনুযায়ী প্ৰশ্নৰ উত্তৰসমূহ প্ৰস্তুত কৰি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা চিন্তে ছাৰ প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। 'ই-বুক'ৰ আৰ্হি নিৰীক্ষণ কৰি শুদ্ধৰূপত ডি.টি.পি কৰি আমাক অশেষ সহায় কৰা জুৰী ঢেকিয়াল ফুকনলৈও ধন্যবাদ জ্ঞাপন কৰিলো।

পৰিশেষত খুব কম সময়তে সংকলন আৰু সম্পাদনা কৰি প্ৰস্তুত কৰা 'ই-বুক' খনিত থাকি যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনালো।

'সমাজ বিজ্ঞান প্ৰশ্নোত্তৰ মালিকা'ৰ দীৰ্ঘায়ু কামনাৰে

শিৱ প্ৰসাদ পৌডেল
সহঃ শিক্ষক
টাউন হিন্দী হাইস্কুল

উৎপল বৰুৱা
সহঃ শিক্ষক
পুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়

Created by Universal Document Converter

ইতিহাস

Created by Universal Document Converter

অধ্যায় - ১
বংগ বিভাজন (১৯০৫-১৯১১) আৰু স্বদেশী আন্দোলন

A. অতি চমু প্রশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

(a) কাৰ কার্যকালত 'বংগ বিভাজন আঁচনিখন' কার্যকৰী কৰা হৈছিল - (H.S.L.C. 14, 17)

(i) লর্ড কার্জন (ii) লর্ড উইলিয়াম বেণ্টিংক (iii) লর্ড ডেলহাউচী (iv) লর্ড মাউণ্টবেটেন

উঃ (i) লর্ড কার্জন

(b) ১৯০৬ চনত মুছলিম লীগ গঠনত সহায় কৰা বিট্রিছ প্রশাসক জন কোন আছিল? (H.S.L.C. 15, 17)

(i) লর্ড কার্জন (ii) লর্ড মিন্টো (iii) লর্ড ৰিপণ (iv) লর্ড কর্ণৱালিছ

উঃ (ii) লর্ড মিন্টো

(c) বিট্রিছ চৰকাৰে দিল্লীত দৰবাৰ পাতি বংগ ভংগ আঁচনি বাতিল কৰিছিল - (H.S.L.C. 16)

(i) ১৯০৫ চনৰ ২০ জুলাই তাৰিখে (ii) ১৯১১ চনৰ ১২ ডিচেম্বৰ তাৰিখে

(iii) ১৯০৮ চনৰ ১৩ ডিচেম্বৰ তাৰিখে (iv) ১৯০৬ চনৰ ১৫ আগষ্ট তাৰিখে।

উঃ (ii) ১৯১১ চনৰ ১২ ডিচেম্বৰ তাৰিখে।

2. 'বন্দে মাতৰম' গীতটো কোনে ৰচনা কৰিছিল ? (H.S.L.C. 11, 14)

উঃ বংকিমচন্দ্র চট্টোপাধ্যায়ে

3. 'লাল-বাল-পাল' কোন আছিল? (H.S.L.C. 12)

উঃ 'লাল-বাল-পাল' বংগদেশৰ তিনিজন প্রধান চিন্তানায়ক আৰু স্বদেশী আন্দোলনৰ গুৰিধৰোতা আছিল। লাল - লালা লাজপত ৰায়, বাল - বাল গংগাধৰ তিলক। পাল- বিপিনচন্দ্র পাল।

4. লর্ড মিন্টো কোন আছিল? (H.S.L.C. 13)

উঃ লর্ড মিন্টো আছিল লর্ড কার্জনৰ পিছৰজন ভাইচৰয়। তেওঁৰ প্রৰোচনাতে 'মুছলীম লীগ' গঠন হৈছিল।

চমু প্রশ্নাৱলী মূল্যাংক - 2

5. আগাখাঁৰ নেতৃত্বত মুছলমান সজাতি দলটোৰে ছিমলাত ব্রিটিছ ভাইচৰয়ৰ ওচৰত কি অনুৰোধ জনাইছিল? (H.S.L.C. 14)

উঃ আগাখাঁৰ নেতৃত্বত মুছলমান সজাতি দলটোৰে ছিমলাত ব্রিটিছ ভাইচৰয়ৰ ওচৰত (ক) প্রস্তাৱিত শাসন সংস্কাৰ আঁচনিত মুছলমানসকলৰ অধিকাৰ আৰু স্বার্থ সুৰক্ষিত কৰাৰ বাবে আৰু (খ) মুছলমানসকলৰ বাবে সাংবিধানিক সুকীয়া নির্বাচনী মণ্ডল গঠনৰ বাবে অনুৰোধ জনাইছিল।

6. বংগ ভংগ আন্দোলনৰ প্রাথমিক কার্যসূচী কি আছিল? (H.S.L.C. 16, 17)

উঃ বংগ ভংগ আন্দোলনৰ প্রাথমিক কার্যসূচী সমূহ এনেধৰণৰ আছিল - (ক) বংগদেশৰ বিখ্যাত চিন্তানায়ক সকল যেনে সু�ৰেন্দ্রনাথ বন্দোপাধ্যায়, বিপিন চন্দ্র পাল, ৰবীন্দ্রনাথ ঠাকুৰ, বাল গংগাধৰ তিলক আদিয়ে তেওঁলোকৰ লিখনি আৰু প্রতিবাদী সভা-সমিতিৰ মাধ্যমেৰে জনতাৰ মাজত বংগ বিভাজনৰ বিৰুদ্ধে প্রচাৰ চলাইছিল।

Created by Universal Document Converter

(খ) বংগ বিভাজনৰ বিৰুদ্ধে জনমত গঠনৰ হেতু আন্দোলনৰ নেতাসকলে জনতাৰ পৰা স্বাক্ষৰ সংগ্রহৰ অভিযান হাতত লৈছিল।

মূল্যাংক - 3

7. স্বদেশী আন্দোলন দমন কৰা উদ্দেশ্যে বৃটিছ চৰকাৰে কি কি আন্দোলন বিৰোধী কার্যসূচী গ্রহণ কৰিছিল ?(H.S.L.C. 17)

উঃ স্বদেশী আন্দোলন দমন কৰাৰ উদ্দেশ্যে বৃটিছ চৰকাৰে বিভিন্ন আন্দোলন বিৰোধী কার্যসূচী গ্রহণ কৰিছিল। যেনে - বৃটিছ চৰকাৰে জাতীয় কংগ্রেছৰ উদাৰপন্থী নেতাসকলৰ পৰা সহযোগিতা আশা কৰিছিল। এই নেতাসকলক হাতৰ মুঠিত ৰখাৰ উদ্দেশ্যে তেওঁলোকৰ বহুতকে বৃটিছ চৰকাৰ আৰোপিত উপাধি, পদক আৰু পদ প্রদান কৰিছিল।

উদাৰপন্থী কংগ্রেছ সদস্যক উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ পদ, বৃটিছ সংসদত সদস্য পদ, ভাইচৰয় পৰিষদৰ সদস্য পদ নতুবা প্রাদেশিক পর্যায়ৰ লোভনীয় সদস্য পদ যাচি বংগ ভংগ পৰিকল্পনাত তেওঁলোকৰ সমর্থন আশা কৰিছিল।

8. বংগ বিভাজনে সৃষ্টি কৰা 'পূর্ববংগ আৰু অসম' নামৰ প্রদেশখনৰ সৈতে সংলগ্ন হোৱা বংগদেশৰ প্রধান তিনিটা ভৌগোলিক সংমণ্ডল উল্লেখ কৰা। (H.S.L.C. 17)

উঃ বংগ বিভাজনে সৃষ্টি কৰা 'পূর্ববংগ আৰু অসম' নামৰ প্রদেশখনৰ সৈতে সংলগ্ন হোৱা বংগদেশৰ প্রধান তিনিটা সংমণ্ডল হ'ল - (ক) ৰাজশাহী, (খ) ঢাকা আৰু (গ) চট্টগ্রাম।

9. স্বদেশী আন্দোলনৰ সময়ছোৱাত বংগদেশৰ জাতীয় শিল্পৰ বিকাশ কেনেদৰে হৈছিল চমুকৈ লিখা। (H.S.L.C.18)

উঃ স্বদেশী আন্দোলনৰ সময়ত বংগদেশৰ জনতাৰ মাজত আত্মশক্তি বিকাশৰ মানসিকতা গঢ় লৈ উঠিছিল যাৰ ফলত বিভিন্ন কুটিৰ শিল্প আৰু কেইবাটাও ডাঙৰ শিল্প প্রতিষ্ঠান গঢ়ি উঠিছিল। সূতা কটা কল, ক্ষুদ্র আৰু মজলীয়া তাতঁ-শাল উদ্যোগ, সৰিয়হ তেল, চাবোন, চেনী, জুইশলা, বিস্কুট আদিৰ কাৰখানা গঢ়ি উঠিছিল। ইয়াৰ লগতে জাতীয় বেংক আৰু স্বদেশী বীমা কোম্পানীও গঢ়ি উঠিছল। কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰে প্রতিষ্ঠা কৰা স্বদেশী ভাণ্ডাৰ এটা জাকতজিলিকা বস্ত্র প্রতিষ্ঠানত পৰিণত হৈছিল। ইয়াৰ উপৰিও যোগেশচন্দ্র চৌধুৰী আৰু কৃষ্ণবিহাৰী সেনে বউবজাৰত প্রতিষ্ঠা কৰা 'ইণ্ডিয়ান ষ্টোৰ্ছ', ঠাকুৰ পৰিয়ালৰ কন্যা সৰলা দেৱীয়ে কর্ণৱালিছ ষ্ট্রীটত গঢ়ি তোলা 'লক্ষী ভাণ্ডাৰ' আৰু আব্দুল হালিম গজনবিয়ে লাল বজাৰত প্রতিষ্ঠা কৰা 'ইউনাইটেড বেংগল ষ্টোৰ্ছ' আদি উল্লেখযোগ্য। এই প্রতিষ্ঠান সমূহত সকলো প্রকাৰৰ স্বদেশী সামগ্রী বিক্রি কৰা হৈছিল।

স্বদেশী আন্দোলনৰ সময়ত বংগদেশত কেইবাটাও বৃহৎ উদ্যোগ গঢ়ি উঠিছিল। তাৰ ভিতৰত নীলৰতন চৰকাৰৰ উদ্যোগত 'বংগলক্ষী কটন মিল', আচার্য প্রফুল্ল ৰায়ৰ 'বেংগল কেমিকেলছ' নামৰ উদ্যোগ আৰু জামছেদজী টাটাৰ বিখ্যাত লৌহ শিল্প কাৰখানা উল্লেখযোগ্য।

এইদৰে স্বদেশী আন্দোলনে বংগবাসীৰ মনত আত্মশক্তি আৰু আত্মনির্ভৰশীলতাৰ বাতাৱৰণ গঢ়ি তুলি জাতীয় শিল্প বিকাশত অৰিহণা যোগাইছিল।

10. স্বদেশী আন্দোলনত মহিলাৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখা ঃ (H.S.L.C. 17, 20)

উঃ স্বদেশী আন্দোলনৰ সময়ত বংগদেশত নগৰীয়া নাৰী সমাজে পুৰুষৰ লগত সমানে আন্দোলনত অংশগ্রহণ কৰিছিল। বংগদেশৰ নাৰীৰ সাহসিকতাই বৃটিছ শাসকক স্তম্ভিত কৰি তুলিছিল। বংগৰ নাৰীৰ সাহসিকতা সম্পর্কে লণ্ডনৰ 'ডেইলী টেলিগ্রাফ' কাকতটো প্রকাশ পাইছিল। স্বদেশী আন্দোলনৰ অগ্রণী নাৰীসকলৰ ভিতৰত প্রধান আছিল

Created by Universal Document Converter

সৰলা দেৱী চৌধুৰীণী আৰু ভগিণী নিবেদিতা।

সৰলা দেৱীয়ে বিপ্লৱী ভাৱাদর্শেৰে স্বদেশী আন্দোলনক আগুৱাই নিবলৈ মহাৰাষ্ট্ৰাৰ শিৱাজী উৎসৱৰ অনুকৰণত বীৰষ্টমী ব্ৰত, প্ৰতাপাদিত্য উৎসৱ, উদয়াদিত্য উৎসৱ, ব্যায়াম সমিতি আদি উৎসৱ-অনুষ্ঠান বংগদেশৰ বিভিন্ন ঠাইত আয়োজন কৰি যুৱক-যুৱতীসকলক লাঠীখেল আৰু কুস্তিৰ প্ৰশিক্ষণ দিয়াইছিল। তাৰোপৰি 'ভাৰতী' নামৰ পত্ৰিকা এখন সম্পাদনা কৰি বংগৰ যুৱশক্তিক জাতীয় আন্দোলনত জপিয়াই পৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

নাৰী আৰু যুৱক-যুৱতীসকলৰ মাজত জাগৰণ সৃষ্টিত প্ৰচুৰ বৰঙণি যোগোৱা আন এগৰাকী নাৰী হ'ল আয়াৰলেণ্ডত জন্মগ্ৰহণ কৰা মাৰ্গাৰেট এলিজাবেথ নবোল যিগৰাকী ভগিনী নিবেদিতা নামে জনাজাত আছিল। এই গৰাকী মহীয়সীয়ে ইয়ংমেনছ হিন্দু ইউনিয়ন, বিবেকানন্দ ছ'চাইটি, ডন ছ'চাইটি আৰু অনুশীলন সমিতিৰ সৈতে জড়িত হৈ নাৰী আৰু যুৱক-যুৱতীসকলক দেশীয় শিল্পৰ যোগেদি স্বনির্ভৰশীল হ'বলৈ আহ্বান জনাইছিল।

11. লর্ড কার্জনে ঘোষণা কৰা বংগভংগৰ চাৰিদফীয়া আঁচনিখনৰ প্ৰথম দফাৰ আঁচনি সমূহ কি কি আছিল?

উঃ বংগ ভংগ আঁচনিৰ প্ৰথম দফা - (H.S.L.C. 18)

(ক) ৰাজশাহী, ঢাকা আৰু চট্টগ্ৰাম সংমণ্ডলৰ সৈতে অসমসংলগ্ন নতুন প্ৰদেশখনৰ নাম 'পূৰ্ববংগ আৰু অসম' হ'ব।

(খ) 'পূৰ্ববংগ আৰু অসম' প্ৰদেশৰ ৰাজধানী হ'ব ঢাকা।

(গ) 'পূৰ্ববংগ আৰু অসম' প্ৰদেশৰ শাসনৰ দায়িত্ব এজন লেফ্ টেনেন্ট গৱর্ণৰৰ হাতত অর্পণ কৰা হ'ব।

(ঘ) অসমৰ ৰাজধানী শ্বিলংৰ পৰা ঢাকালৈ স্থানান্তৰ হ'ব।

12. স্বদেশী আন্দোলন দুর্বল কৰাৰ বাবে বৃটিছ চৰকাৰে কি কি কর্মপন্থা লৈছিল? আন্দোলনৰ নেতাসকলৰ পৰা চৰকাৰে সঁহাৰি লাভ কৰিছিল নে? (H.S.L.C. 19)

উঃ স্বদেশী আন্দোলন দুর্বল কৰাৰ বাবে বৃটিছ চৰকাৰে বিভিন্ন আন্দোলন বিৰোধী কার্যসূচী গ্ৰহণ কৰিছিল। - যেনে - বৃটিছ চৰকাৰে জাতীয় কংগ্ৰেছৰ উদাৰপন্থী নেতাসকলৰ পৰা সহযোগিতা আশা কৰিছল. এই নেতাসকলক হাতৰ মুঠিত ৰখাৰ উদ্দেশ্যে তেওঁলোকৰ বহুতকে বৃটিছ চৰকাৰ আৰোপিত উপাধি পদক আৰু পদ প্ৰদান কৰিছিল। উদাৰপন্থী কংগ্ৰেছ সদস্যক উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ পদ, বৃটিছ সংসদত সদস্য পদ, ভাইচৰয় পৰিষদৰ সদস্য পদ নতুবা প্ৰাদেশিক পর্যায়ৰ লোভনীয় সদস্য পদ যাচি বংগ ভংগ পৰিকল্পনাত তেওঁলোকৰ সমর্থন আশা কৰিছিল।

আন্দোলনৰ নেতাসকলৰ পৰা চৰকাৰে সঁহাৰি লাভ কৰা নাছিল।

13. স্বদেশী আন্দোলনৰ প্ৰাৰম্ভিক কার্যসূচীবোৰ কি কি আছিল? প্ৰতিবিধ কার্যসূচী চমুকৈ উল্লেখ কৰা। (H.S.L.C.19)

উঃ স্বদেশী আন্দোলনৰ প্ৰাৰম্ভিক কার্যসূচীবোৰ হ'ল - (ক) বিদেশী বস্তু বর্জন আৰু (খ) স্বদেশী বস্তু গ্ৰহণ।

(ক) বিদেশী বস্তু বর্জন ঃ প্ৰথম অৱস্থাত বিদেশী বস্তু বর্জনতে সীমাবদ্ধ আছিল যদিও পিছলৈ বৃটিছ প্ৰশাসন, চৰকাৰী শিক্ষানুষ্ঠান, বিচাৰালয় আদিও আন্দোলনকাৰীয়ে বর্জন কৰিছিল।

(খ) স্বদেশী বস্তু গ্ৰহণ ঃ স্বদেশী আন্দোলনৰ ফলত স্বদেশী সামগ্ৰীৰ আদৰ বাঢ়িছিল। স্বদেশীয়ে স্বদেশী কাৰিকৰৰ দ্বাৰা প্ৰস্তুত কৰা সামগ্ৰী ক্ৰয় কৰি জাতীয় স্বাৱলম্বীতা বৃদ্ধি কৰাত গুৰুত্ব দিয়াৰ লগতে স্বদেশী বজাৰ অর্থনীতিৰ বুনিয়াদ গঢ়ি তোলাত সহায়ৰ হাত আগবঢ়াইছিল।

14. স্বদেশী আন্দোলনৰ তিনিটা অৱদান আলোচনা কৰা। (H.S.L.C. 19)

Created by Universal Document Converter

উঃ (ক) স্বদেশী আন্দোলনে ভাৰতবসীক গণ-আন্দোলন সম্পর্কে এটা ৰাজনৈতিক শিক্ষা দি যাবলৈ সক্ষম হৈছিল। দেশৰ বেছিভাগ মানুহেই আন্দোলনত সমবেত হ'লে যে গণ-আন্দোলনত জয়যুক্ত হোৱাটো সুনিশ্চিত, সেই কথা ভাৰতীয়ই স্বদেশী আন্দোলনৰ যোগেদি আয়ত্ত কৰিব পাৰিছিল।

(খ) স্বদেশী আন্দোলনৰ মাজেৰে ভাৰতীয়ই বৃটিছ চৰকাৰৰ ওচৰত স্বৰাজ দাবী কৰাৰ সুযোগ লাভ কৰিছিল।

(গ) স্বদেশী আন্দোলনৰ মাজেৰে ভাৰতীয় নাৰীৰ আান্দোলনৰ প্ৰৱণতা গঢ়ি উঠিছিল। হাজাৰ হাজাৰ নাৰীয়ে পুৰুষৰ লগত সমানে আন্দোলনত ভাগ ল'বলৈ সাজু হৈছিল।

15. ভাৰতত স্বদেশী আন্দোলন কেতিয়া আৰম্ভ হৈছিল? স্বদেশী শিল্প উদ্যোগৰ বিকাশত ইয়াৰ অৰিহনা কি আছিল? (H.S.L.C. 20)

উঃ ভাৰতত স্বদেশী আন্দোলন ১৯০৫ চনত আৰম্ভ হৈছিল। স্বদেশী আন্দোলনৰ পটভূমিত আত্মশক্তি বিকাশৰ মানসিকতাই বংগদেশত জাতীয় শিল্প-কাৰখানা গঢ়ি তোলাৰ অনুকূল পৰিৱেশ সৃষ্টি কৰিছিল, যাৰ ফলত বিভিন্ন কূটিৰ শিল্প আৰু কেইবাটাও ডাঙৰ শিল্প প্ৰতিষ্ঠান গঢ়ি উঠিছিল। সূতা কটা কল, ক্ষুদ্ৰ আৰু মজলীয়া তাঁত-শাল উদ্যোগ, সৰিয়হৰ তেল, চাবোন, চেনী, জুইশলা, বিস্কুট আদিৰ কাৰখানা গঢ়ি উঠিছিল।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বিখ্যাত বস্ত্ৰ প্ৰতিষ্ঠান 'স্বদেশী ভাণ্ডাৰ', যোগেশচন্দ্ৰ চৌধুৰী আৰু কৃষ্ণবিহাৰী সেনৰ বউবজাৰৰ 'ইণ্ডিয়ান ষ্টোৰছ', ঠাকুৰ পৰিয়ালৰ কন্যা সৰলা দেৱীৰ কৰ্ণৱালিছ ষ্ট্ৰীটৰ 'লক্ষী ভাণ্ডাৰ', আব্দুল হালিম গজনবিৰ লাল বজাৰৰ 'ইউনাইটেড বেংগল ষ্টোৰছ' আদি স্বদেশী আন্দোলনৰ সময়ত গঢ়ি উঠা স্বদেশী সামগ্ৰী বিক্ৰি কৰা প্ৰতিষ্ঠান আছিল।

ইয়াৰ উপৰিও স্বদেশী আন্দোলনৰ সময়ত বংগ দেশত কেইবাটাও বৃহৎ উদ্যোগ গঢ়ি উঠে। ইয়াৰ ভিতৰত নীলৰতন চৰকাৰৰ 'বংগলক্ষী কটন মিল' আচার্য প্ৰফুল্ল ৰায়ৰ 'বেংগল কেমিকেলছ, জামছেদজী টাটাৰ লৌহ শিল্প কাৰখানা আদি প্ৰধান। এনেদৰে দেশী শিল্প' উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত স্বদেশী আন্দোলনৰ ভূমিকা আছিল উল্লেখনীয়।

16. 'বংগ বিভাজন' কি আছিল? ইয়াৰ দুটা গুৰুত্বপূৰ্ণ ফলাফল উল্লেখ কৰা। (H.S.L.C. 20)

উঃ বিশাল বংগদেশক দ্বিখণ্ডিত কৰি খণ্ডিত একাংশ অসমৰ সৈতে সংলগ্ন কৰা প্ৰক্ৰিয়াটোৰেই আছিল 'বংগ বিভাজন'। বংগ বিভাজনৰ দুটা গুৰুত্বপূৰ্ণ ফলাফল হ'ল -

(ক) বৃটিছ চৰকাৰে যদিও হিন্দু আৰু মুছলিমৰ মাজত সাম্প্ৰদায়িক বিভেদ সৃষ্টিৰ বাবে বংগ বিভাজন আঁচনি গ্ৰহণ কৰিছিল, কিন্তু হিন্দু মুছলিম উভয়ে বংগ বিভাজনৰ তীব্ৰ বিৰোধিতা কৰিছিল। বিশেষকৈ পশ্চিম বংগত হিন্দু মুছলীমৰ মাজত সম্প্ৰীতি গঢ়ি উঠিছিল।

(খ) বংগ-বিভাজনৰ ফলস্বৰূপে স্বদেশী আন্দোলন গঢ়ি উঠিছিল। যাৰ ফলত বংগদেশত জাতীয় সাহিত্য, জাতীয় শিক্ষা, স্বদেশী শিল্প উদ্যোগ আদিৰ প্ৰভূত বিকাশ সাধন হৈছিল।

17. 'বংগ বিভাজন'ৰ অন্তর্নিহিত উদ্দেশ্য কি আছিল চমুকৈ লিখা।

উঃ লৰ্ড কার্জনে শাসনৰ সুবিধার্থে বংগ প্ৰদেশৰ আয়তন সৰু কৰাৰ যুক্তি দাঙি ধৰিছিল যদিও ইয়াৰ অন্তর্নিহিত উদ্দেশ্য আছিল হিন্দু মুছলমানৰ মাজত একতা ভাঙি দিয়া।

বংগ ভংগ আঁচনিৰ যোগেদি ভাৰতীয় জাতীয়তাবাদৰ প্ৰাণকেন্দ্ৰ বংগ প্ৰদেশক দ্বিখণ্ডিত কৰি হিন্দু বঙালী আৰু বুদ্ধিজীৱী সকলক দুয়োখন প্ৰদেশতে সংখ্যালঘুত পৰিণত কৰিব বিচাৰিছিল।

Created by Universal Document Converter

18. ভাৰতবৰ্ষত স্বদেশী আন্দোলনৰ কালছোৱাত মুছলীমলীগৰ উত্থান সম্পৰ্কে চমুকৈ লিখা। (H.S.L.C. 12)

উঃ বৃটিছ শাসকে ভাৰতবৰ্ষত একত্রিত বিশাল ভাৰতীয় জাতি গঠন হোৱাটো বিচৰা নাছিল। সাম্রাজ্যবাদ অক্ষুন্ন ৰখাৰ স্বাৰ্থত ইংৰাজ শাসকে ধৰ্ম, জাতি, ভাষা, অঞ্চল আদিৰ ভিত্তিত ভাৰতবাসীৰ মাজত বিভেদ অনাৰ প্রয়াস চলাইছিল। বৃটিছ চৰকাৰৰ বংগ বিভাজনো আছিল সাম্প্রদায়িক ভেদাভেদ সৃষ্টি কৰাৰ এপাট চোকা অস্ত্র।

লৰ্ড কার্জনে ঢাকাৰ নবাব ছলিমউল্লা খানৰ যোগেদি পূৰ্ব বংগৰ মুছলমান জনতাক বৃটিছ চৰকাৰৰ ওচৰ চপাই অনাৰ প্রচেষ্টা হাতত লৈছিল। এই উদ্দেশ্যে তেওঁ নবাবগৰাকীক ১৪ লাখ টকা অতি নগণ্য সুতৰ বিনিময়ত ধাৰলৈ দিয়াৰ লগতে ইছলাম ধৰ্মীয় ভূ-স্বামীসকলক বিশেষ সা-সুবিধা দিয়াৰ প্রতিশ্রুতি প্রদান কৰিছিল। চৰকাৰৰ কথাত পতিয়ন গৈ ভালেসংখ্যক মুছলমান নেতাই চৰকাৰৰ বংগ-ভংগ পৰিকল্পনাক আদৰণি জনাইছিল।

লৰ্ড কার্জনৰ পিছৰজন ভাইচৰয় লৰ্ড মিন্টোৱেও মুছলমান জনগণক সুকীয়া ৰাজনৈতিক সা-সুবিধা প্রদান কৰাৰ ইংগিত বহন কৰিছিল। সেয়েহে আগাখাঁৰ নেতৃত্বত ৩৫ জনীয়া সঁজাতি দল এটাই ছিমলাত বৃটিছ ভাইচৰয় লৰ্ড মিন্টোক লগ ধৰি প্রস্তাৱিত শাসন সংস্কাৰ আঁচনিত মুছলমান সকলৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে আৰু মুছলমানসকলৰ বাবে সাংবিধানিক সুকীয়া নিৰ্বাচনী মণ্ডল গঠনৰ বাবে অনুৰোধ জনায়। ভাইচৰয়ে তেওঁলোকৰ দাবীসমূহ সহানুভূতিৰে বিবেচনা কৰাৰ আশ্বাস দিয়ে। এই আশ্বাসৰ ফলতে ১৯০৬ চনৰ ৩০ ডিচেম্বৰ তাৰিখে ঢাকাৰ নবাব ছলিমউল্লাৰ আহ্বান ক্রমে ঢাকাৰ ৰাজদৰবাৰত একাংশ শিক্ষিত মুছলমান ৰৰমূৰীয়াৰ উপস্থিতিত সৰ্বভাৰতীয় 'মুছলিম লীগ' নামৰ ৰাজনৈতিক অনুষ্ঠানটোৰ জন্ম হয়।

মূল্যাংক - ৫

19. বৃটিছ শাসন কালত হোৱা বংগ বিভাজনৰ কাৰণ আৰু ইয়াৰ ফলাফলসমূহ চমুকৈ উল্লেখ কৰা। (H.S.L.C.11)

উঃ বৃটিছ সাম্রাজ্যবাদী চৰকাৰৰ মতে বিশাল বংগ প্রদেশক এজন লেফটেনেন্ট গৱৰ্ণৰে সুচাৰুৰূপে শাসন কৰিব নোৱাৰাৰ বাবে দ্বিখণ্ডিত অর্থাৎ বিভাজন কৰা হৈছিল। প্রদেশখনৰ উত্তৰ আৰু পূব বংগৰ ১৫ খন জিলা অসমৰ সৈতে সংলগ্ন কৰি 'পূৰ্ববংগ আৰু অসম' আৰু পশ্চিমখণ্ডৰ সৈতে বিহাৰ, উৰিষ্যা আৰু ছোটানাগপুৰক সংযোগ ঘটাই বংগপ্রদেশ বৰ্তাই ৰখাৰ আঁচনি কৰিছিল।

বংগ বিভাজনৰ ফলাফল ঃ

(ক) বৃটিছ চৰকাৰে যদিও হিন্দু আৰু মুছলিমৰ মাজত সাম্প্রদায়িক বিভেদ সৃষ্টিৰ বাবে বংগ বিভাজন আঁচনি গ্রহণ কৰিছিল, কিন্তু হিন্দু-মুছলিম উভয়ে বংগ বিভাজনৰ তীব্র বিৰোধিতা কৰিছিল। বিশেষকৈ পশ্চিমবংগত হিন্দু-মুছলিমৰ মাজত সম্প্রীতি গঢ়ি উঠিছিল।

(খ) বংগ-বিভাজনৰ ফলস্বৰূপে বংগদেশত বিশাল গণসংগ্রাম গঢ়ি উঠিছিল য'ত জাতি-বৰ্ণ নিৰ্বিশেষে সকলো মানুহেই জপিয়াই পৰিছিল।

(গ) বংগবিভাজনৰ ফলস্বৰূপে স্বদেশী আন্দোলন গঢ়ি উঠিছিল যাৰ ফলত বংগদেশত জাতীয় সাহিত্য, জাতীয় শিক্ষা, স্বদেশী শিল্প-উদ্যোগ আদিৰ প্রভূত বিকাশ সাধন হৈছিল।

ooooooooooooooooooo

Created by Universal Document Converter

অধ্যায় - ২
মহাত্মা গান্ধী আৰু ভাৰতৰ স্বাধীনতা সংগ্রাম

অতি চমু উত্তৰৰ প্রশ্ন ঃ (নম্বৰ - ১)

(১) কোন চনত মহাত্মা গান্ধী আইন অধ্যয়ন কৰিবলৈ লণ্ডনলৈ গৈছিল?

উ ঃ ১৮৮৮ চনত।

(২) কোন চনত মহাত্মা গান্ধী দক্ষিণ আফ্রিকাৰ নাটাললৈ গৈছিল?

উ ঃ ১৮৯৩ চনত।

(৩) গান্ধীজীয়ে নাটালত প্রতিষ্ঠা কৰা সংগঠনটোৰ নাম কি?

উ ঃ নাটাল ইণ্ডিয়াল কংগ্রেছ।

(৪) গান্ধীজীয়ে দক্ষিণ আফ্রিকাত প্রচাৰ কৰা বাতৰি কাকতখনৰ নাম কি?

উঃ ইণ্ডিয়ান অপিনিয়ন।

(৫) গান্ধীজীৰ মতে সত্যাগ্রহৰ ভিত্তি কি?

উঃ অহিংসা।

(৬) কোন চনত ৰাওলাট আইন প্রণয়ন কৰা হৈছিল?

উঃ ১৯১৯ চনত।

(৭) জালিৱানৱালাবাগৰ হত্যাকাণ্ড কেতিয়া সংঘটিত হৈছিল?

উঃ ১৯১৯ চনৰ ১৩ এপ্রিল তাৰিখে।

(৮) ভাৰতবর্ষত খিলাফৎ আন্দোলনৰ নেতা কোন আছিল?

উঃ মৌলানা চৌকত আলি আৰু মহম্মদ আলি।

(৯) গান্ধীজীয়ে অসহযোগ আন্দোলন কিয় বন্ধ কৰিছিল?

উঃ ১৯২২ চনৰ ৫ ফেব্রুৱাৰীত সংঘটিত চৌৰীচৌৰাৰ ঘটনাৰ বাবে।

(১০) ছাইমন কমিছনৰ মুখ্য উদ্দেশ্য কি আছিল?

উঃ ভাৰতবর্ষত মণ্টেগো চেমচফর্ড সংস্কাৰৰ কৃতকার্যতাৰ বিষয়ে অনুসন্ধান কৰা।

(১১) ভাৰতবর্ষৰ ৰাজনৈতিক দল আৰু সংগঠনসমূহে ছাইমন কমিছন কিয় বর্জন কৰিছিল?

উঃ ছাইমন কমিছনত এজনো ভাৰতীয় সদস্য নথকাৰ বাবে।

(১২) ভাৰতীয় জাতীয় কংগ্রেছৰ কোনখন অধিৱেশনত "পূর্ণ স্বৰাজ"ৰ দাবী উত্থাপন কৰা হৈছিল?

উঃ ১৯২৯ চনৰ লাহোৰ অধিৱেশনত।

(১৩) কাক সীমান্ত গান্ধী বুলি কোৱা হয়?

উঃ খান আব্দুল গফুৰ খানক।

(১৪) গান্ধী আৰউইন চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

উঃ ১৯৩১ চনৰ ৫ মার্চত।

(১৫) দ্বিতীয় ঘূৰণীয়া মেজমেলত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিনিধি কোনে যোগদান কৰিছিল?

উঃ জাতিৰ পিতা মহাত্মা গান্ধীয়ে।

(১৬) দ্বিতীয় বিশ্বযুদ্ধ কেতিয়া আৰম্ভ হৈছিল?

উঃ ১৯৩৯ চনৰ ছেপ্তেম্বৰ মাহত।

Created by Universal Document Converter

(১৭) ভাৰত ত্যাগ আন্দোলনক আৰু কি নামেৰে জনা যায়?

উঃ আগষ্ট বিপ্লৱ।

(১৮) "কৰিম কিম্বা মৰিম" বাণীটো কাৰ?

উঃ জাতিৰ পিতা মহাত্মা গান্ধীৰ।

(১৯) ভাৰত আৰু পাকিস্তানৰ মাজৰ সীমাৰেখাৰ নাম কি?

উঃ ৰেডক্লিফ লাইন।

(২০) ৰবীন্দ্রনাথ ঠাকুৰে "নাইট" উপাধি কিয় ত্যাগ কৰিছিল?

উঃ জালিৱানৱালাবাগৰ হত্যাকাণ্ডৰ প্রতিবাদত।

(২১) কোন চনত ৰাছিয়াত বিপ্লৱ সংঘটিত হৈছিল?

উঃ ১৯১৭ চনত।

চমু উত্তৰৰ প্রশ্ন ঃ (নম্বৰ - ২-৩)

(১) গান্ধী-আৰউইন চুক্তিৰ চর্ত কি আছিল?

উঃ (ক) ভাৰতীয় জাতীয় কংগ্রেছে আইন অমান্য আন্দোলন সাময়িকভাৱে প্রত্যাহাৰ কৰিব।

(খ) ব্রিটিছ চৰকাৰে হিংসাত্মক ঘটনাত দোষী সাব্যস্ত নোহোৱা সকলো বন্দীক মুকলি কৰি দিব।

(গ) চৰকাৰে অসংগ্রহীত জৰিমনা মাফ কৰিব।

(ঘ) সত্যাগ্রহীৰ পৰা বাজেয়াপ্ত কৰা যিবোৰ মাটি বিক্রী কৰা নাছিল সেইবোৰ মাটি ঘূৰাই দিব।

(ঙ) চৰকাৰে সাগৰৰ পা�ৰৰ গাঁওবাসীক নিমখ প্রস্তুত কৰিবলৈ অনুমতি দিব।

(২) ভাৰতলৈ উভতি আহি গান্ধীজীয়ে কোন তিনিটা বিবাদত অংশ লৈ সত্যাগ্রহ কার্যসূচীৰে সফল হৈছিল চমুকৈ লিখা।

উঃ ভাৰতলৈ উভতি আহি গান্ধীজীয়ে অংশ লোৱা বিবাদ তিনিটা সংঘটিত হৈছিল উত্তৰ বিহাৰৰ চম্পাৰণ, গুজৰাটৰ খেড়া আহমেদাবাদত। গান্ধীজীয়ে তিনিওটা বিবাদতে সত্যাগ্রহৰ কৌশল গ্রহণ কৰি সফল হৈছিল। চম্পাৰণত তেওঁ মাটিৰ মালিকসকলৰ বিৰুদ্ধে কৃষক সকলৰ নেতৃত্ব লৈছিল। খেড়াত খেতি নষ্ট হোৱাৰ পাছতো চৰকাৰে অত্যাধিক কৰ আৰোপ কৰিছিল; গান্ধীজীয়ে কৃষকসকলক নেতৃত্ব দিছিল। আহমেদাবাদত গান্ধীজীয়ে মিল মালিকসকলৰ বিৰুদ্ধে মিল শ্রমিকসকলৰ পক্ষত আন্দোলন কৰিছিল।

(৩) অসহযোগ আন্দোলনৰ ইতিবাচক আৰু নেতিবাচকত দিশ উল্লেখ কৰা।

উঃ অসহযোগ আন্দোলনৰ ইতিবাচক দিশ -

(ক) হাতেৰে সূতা কটা আৰু তাঁতবোৱা শিল্পৰ উন্নতি।

(খ) অস্পৃশ্য দূৰীকৰণৰ প্রচেষ্টা।

(গ) মাদকদ্রব্য নিবাৰণৰ কার্যসূচী।

নেতিবাচক দিশ হ'ল বিধান মণ্ডল, আদালত আৰু চৰকাৰী শিক্ষানুষ্ঠান বর্জন।

(৪) অসহযোগ আন্দোলনৰ নেতিবাচক দিশে কি কি ইতিবাচক সংস্কাৰ সাধন কৰিছিল?

উঃ অসহযোগ আন্দোলনৰ নেতিবাচক দিশে কৰা ইতিবাচক সংস্কাৰ হৈছে -

(ক) ৰাজহুৱা বিচাৰ সভাৰ ব্যৱস্থা।

(খ) দেশত জাতীয়তাবাদী ভাৱধাৰাৰ বিদ্যালয়-মহাবিদ্যালয় প্রতিষ্ঠা হৈছিল।

(গ) বস্ত্র শিল্পৰ উন্নয়ন হৈছিল।

Created by Universal Document Converter

(৫) গান্ধীজীয়ে সত্যাগ্রহৰ ধাৰণাটো গ্রহণ কৰোঁতে কোন দুজন ব্যক্তিৰ ৰচনাৰ দ্বাৰা প্রভাৱিত হৈছিল?

উঃ লিও টলষ্টয় আৰু থৰোৰ ৰচনাৰ দ্বাৰা।

(৬) ভাৰত স্বাধীন আইন, ১৯৪৭ চনৰ দফাসমূহ কি আছিল?

উঃ ভাৰত স্বাধীন আইন ১৯৪৭ চনৰ দফাসমূহ আছিল -

(ক) ভাৰত আৰু পাকিস্তানে ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিব।

(খ) ভাৰত আৰু পাকিস্তান নামেৰে দুখন স্ব-শাসিত দেশ হ'ব।

(গ) ভাৰত আৰু পাকিস্তান দুয়োখন দেশতে ইংলেণ্ডৰ ৰজাই একোজনকৈ গৱর্ণৰ জেনেৰেল নিযুক্তি দিব।

(ঘ) ভাৰত আৰু পাকিস্তানৰ বিধানমণ্ডলে নিজাববীয়াকৈ আইন প্রণয়ন কৰিব পাৰিব।

ৰচনাধর্মী প্রশ্ন ঃ (নম্বৰ - ৪)

(১) অসহযোগ আন্দোলন কিয় আৰম্ভ হৈছিল? ইয়াৰ কার্যসূচী কি আছিল? গান্ধীজীয়ে এই আন্দোলন কিয় বন্ধ কৰিছিল?

উঃ জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত ১৯২০-২২ চনত ভাৰতবর্ষত অসহযোগ আন্দোলন হৈছিল। অসহযোগ আন্দোলনৰ কাৰণসমূহ হ'ল -

(ক)প্রথম বিশ্বযুদ্ধৰ ভাৰতৰ অর্থনীতি আৰু মানৱ সম্পদত নেতিবাচক প্রভাৱ পৰিছিল। কিন্তু ব্রিটিছসকলে যুদ্ধৰ পাছত পৰিস্থিতি উন্নয়নৰ কোনো ব্যৱস্থা গ্রহণ নকৰাত ভাৰতীয়সকল অসন্তুষ্ট হৈছিল।

(খ) ব্রিটিছ চৰকাৰৰ দ্বাৰা ভাৰতবর্ষৰ বিদ্রোহী কার্যকলাপ ৰোধ কৰিবৰ বাবে ১৯১৯ চনত কুখ্যাত ৰাওলাট আইন প্রণয়ন।

(গ) ১৯১৯ চনৰ ১৩ এপ্রিল তাৰিখে সংঘটিত জালিৱানৱালাবাগৰ হত্যাকাণ্ড।

(ঘ) ব্যৱসায়ীক হিচাবে ব্রিটিছসকলৰ ভাৰতবর্ষত অর্থনৈতিক শোষণ।

(ঙ) মৌলানা চৌকত আলি আৰু মহম্মদ আলিৰ নেতৃত্বত ভাৰতবর্ষত আৰম্ভ হোৱা খিলাফৎ আন্দোলন।

গান্ধীজীয়ে অহিংস পথেৰে আৰম্ভ কৰা অসহযোগ আন্দোলনৰ কার্যসূচী আছিল -

(ক)আন্দোলনকাৰীয়ে বিদেশী বস্ত্র বর্জন কৰিছিল আৰু বিদেশী বস্ত্র জ্বলাই দিছিল।

(খ) ভাৰতবর্ষৰ সকলো ঠাইত বিদেশী বস্তু আৰু সুৰা বিক্রী কৰা দোকানবোৰ বর্জন কৰা হৈছিল।

(গ) ব্রিটিছ চৰকাৰৰ অধীনত থকা বিভিন্ন পর্যায়ৰ শিক্ষানুষ্ঠানসমূহ ভাৰতবর্ষৰ ছাত্র-ছাত্রীসকলে ত্যাগ কৰিছিল। দেশত জাতীয়তাবাদী ভাৱধাৰাৰ বিদ্যালয় প্রতিষ্ঠা হৈছিল।

(ঘ) চৰকাৰী বিচাৰ ব্যৱস্থা ত্যাগ কৰা হৈছিল আৰু উকীলসকল প্রত্যক্ষভাৱে আন্দোলনত জড়িত হৈ পৰিছিল। সমগ্র ভাৰতবর্ষত ৰাজহুৱা বিচাৰ ব্যৱস্থাৰ প্রচলন হৈছিল।

(ঙ) অসহযোগ আন্দোলন চলোৱাত সহায় হোৱাকৈ তিলক স্বৰাজ পুঁজি গঠন কৰা হৈছিল।

গান্ধীজীৰ নেতৃত্বত সমগ্র ভাৰতবর্ষত অসহযোগ আন্দোলন প্রবলভাৱে পৰিচালিত হৈ থকাৰ মাজতে ১৯২২ চনৰ ৫ ফেব্রুৱাৰীত উত্তৰ প্রদেশৰ চৌৰীচৌৰা নামৰ ঠাইত উত্তেজিত আন্দোলনকাৰী আৰু পুলিচৰ মাজত ভয়াৱহ সংঘর্ষ হয়। সংঘর্ষত তিনিজন আন্দোলনকাৰীৰ মৃত্যু হোৱাৰ বাবে ক্ষোভিত আন্দোলনকাৰীয়ে পুলিচ থানা জ্বলাই দিয়ে আৰু তাৰ ফলত ২২ জন পুলিচ মৃত্যুমুখত পৰে। অহিংস আন্দোলনত হিংসা সংঘটিত হোৱাত মর্মাহত হৈ গান্ধীজীয়ে আন্দোলন বন্ধ কৰিছিল। ১৯২২ চনৰ ১২ ফেব্রুৱাৰী তাৰিখে অসহযোগ আন্দোলনৰ সামৰণি পৰে।

Created by Universal Document Converter

(২) আইন অমান্য আন্দোলনৰ পটভূমিৰ বিষয়ে চমুকৈ লিখা। জাতিৰ পিতা মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলন কেনেদৰে আৰম্ভ কৰিছিল?

উঃ আইন অমান্য আন্দোলনৰ পটভূমি ছাইমন কমিচনৰক ভাৰত আগমনৰ পৰাই আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ১৯১৯ চনৰ ভাৰত শাসন আইনৰ (মন্টেগো চেমচফৰ্ড সংস্কাৰ) কাৰ্যকাৰিতা সম্পৰ্কে অনুসন্ধান কৰিবলৈ ১৯২৮ চনত ছাইমন কমিচন ভাৰতবৰ্ষত উপস্থিত হৈছিল। কিন্তু ছাইমন কমিচনত এজনো ভাৰতীয় সদস্য নথকাত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু আন ৰাজনৈতিক সংগঠনসমূহে ইয়াৰ বিৰোধিতা কৰিছিল। এই কমিচনৰ বিৰুদ্ধে ১৯২৮ চনৰ ৩ ফেব্ৰুৱাৰীত বংগদেশত হৰতাল পালন কৰা হৈছিল।

১৯২৮ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশন বহিছিল কলিকতাত আৰু এই অধিৱেশনত ব্ৰিটিছ চৰকাৰক দাবী কৰা হৈছিল যে ভাৰতক ডমিনিয়ন ব্যৱস্থা নিদিলে আইন অমান্য আন্দোলন আৰম্ভ কৰা হ'ব।

১৯২৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ লাহোৰত বহা অধিৱেশনে "পূৰ্ণ স্বৰাজ"ৰ দাবী তোলে। ইয়াৰ সমান্তৰালভাৱে ১৯৩০ চনৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষত পূৰ্ণ স্বৰাজ দিৱস পালন কৰা হয়।

১৯৩০ চনৰ ৩১ জানুৱাৰী তাৰিখে গান্ধীজীয়ে তদানীন্তন ভাইচৰয় লৰ্ড আৰ উইনলৈ ১১ দাবী সম্বলিত এখন পত্ৰ প্ৰেৰণ কৰিছিল আৰু দাবীসমূহ মানী নল'লে ভাৰতবৰ্ষত আইন অমান্য আন্দোলন আৰম্ভ কৰিব বুলি ভাইচৰয়ক জনাইছিল।

১৯৩০ চনৰ ১২ মাৰ্চত জাতিৰ পিতা মহাত্মা গান্ধীয়ে আহমিদাবাদৰ সবৰমতী আশ্ৰমৰ পৰা বিখ্যাত "দাণ্ডি যাত্ৰা" আৰম্ভ কৰিছিল। সাগৰৰ পা�ৰৰ গাঁও দাণ্ডিত উপস্থিত হৈ গান্ধীজীয়ে লোণ আইন অমান্য কৰি লোণ প্ৰস্তুত কৰে। এনেদৰেই আনুষ্ঠানিকভাৱে আইন অমান্য আন্দোলন আৰম্ভ হয়।

(৩) ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

উঃ দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল ১৯৩৯ চনত। ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতা গান্ধীজী আৰু পণ্ডিত নেহৰুৱে ব্ৰিটিছসকলে সম্পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে তেওঁলোকক যুদ্ধত সহায় কৰিব বুলি কথা দিছিল। ব্ৰিটিছ চৰকাৰে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ প্ৰতিবাদত ১৯৩৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মন্ত্ৰীসকলে পদত্যাগ কৰিছিল।

১৯৪২ চনত ইংলেণ্ডৰ চৰকাৰে ভাৰতলৈ ক্ৰিপছ মিছন্ক পঠিয়াইছিল। ছাৰ ষ্টাফৰ্ড ক্ৰিপছৰ নেতৃত্বত অহা এই মিছনৰ উদ্দেশ্য আছিল ইউৰোপত চলি থকা যুদ্ধত ভাৰতীয়সকলৰ সমৰ্থন লাভ কৰা। কিন্তু ক্ৰিপছ মিছনে তেনেক্ষেত্ৰত কোনো সফলতা লাভ নকৰিলে। এই মিছন ব্যৰ্থ হোৱাৰ পাছত জাতিৰ পিতা মহাত্মা গান্ধীয়ে "ভাৰত ত্যাগ" আন্দোলন আৰম্ভ কৰিবলৈ সিদ্ধান্ত লয়।

সেই সময়তে জাপানে ভাৰত আক্ৰমণ কৰাৰ ভাবুকি দিছিল আৰু ভাৰতীয়সকলৰ মনত আশংকা হৈছিল যে ব্ৰিটিছে ভাৰতবৰ্ষক ৰক্ষা কৰিব নোৱাৰিব। কিন্তু ব্ৰিটিছসকল ভাৰতৰ পৰা উভতি গ'লে সেই ভয় নাথাকিব। ই ভাৰত ত্যাগ আন্দোলনৰ অন্যতম প্ৰধান কাৰণ আছিল।

নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ১৯৪২ চনৰ আগষ্ট মাহত "ভাৰত ত্যাগ" আন্দোলন আৰম্ভ কৰে। উল্লেখযোগ্য

Created by Universal Document Converter

যে আগষ্ট মাহত আৰম্ভ হোৱা বাবে ভাৰত ত্যাগ আন্দোলনক "আগষ্ট বিপ্লৱ" বুলি কোৱা হয়। গান্ধীজীয়ে বোম্বাইৰ গোৱালিয়া টেংকত (আগষ্ট ক্রান্তি মৈদান) অনুষ্ঠিত আগষ্ট সভাত আন্দোলন সম্পর্কে তেওঁৰ বিখ্যাত বক্তৃতা দিছিল। তেওঁৰ "কৰিম কিম্বা মৰিম" ধ্বনিয়ে ভাৰতীয়সকলক আন্দোলনত যোগদান কৰিবলৈ অনুপ্রাণিত কৰিছিল।

সমগ্র ভাৰতবর্ষত আৰম্ভ হোৱা ভাৰত ত্যাগ আন্দোলনক দমন কৰিবলৈ ব্রিটিছ চৰকাৰে ব্যাপক আন্দোলন বিৰোধী কার্যকলাপ আৰম্ভ কৰিছিল। তেওঁলোকে ভাৰতীয় জাতীয় কংগ্রেছক নিষিদ্ধ ঘোষণা কৰে আৰু গান্ধীজীকে ধৰি অন্যান্য নেতাসকলক গ্রেপ্তাৰ কৰে। কিন্তু তেওঁলোকে আন্দোলনত নিয়ন্ত্রণ কৰিব নোৱাৰিলে। আন্দোলনকাৰীয়ে গোটেই দেশতে চৰকাৰৰ অধীনৰ আদালত, পুলিচ থানা, ৰেল ষ্টেচন আদিত আক্রমণ কৰে; বিদেশী সামগ্রী বিক্রী কৰা দোকানবোৰ ধ্বংস কৰে। ভাৰতবর্ষৰ বিভিন্ন ঠাইত স্বাধীন চৰকাৰো গঠন কৰিছিল।

সমগ্র ভাৰতবর্ষতে স্বাধীনতা প্রয়াসী জনতাৰ অংশগ্রহণে ভাৰত ত্যাগ আন্দোলনক অনন্য কৰি তুলিছিল। এই আন্দোলনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল দেশৰ ছাত্র, মহিলা, কৃষক আৰু শ্রমিকসকলে। "ভাৰত ত্যাগ আন্দোলনে" ব্রিটিছক ভাৰতক স্বাধীনতা দিবলৈ বাধ্য কৰিলে বুলি ক'ব পাৰি।

ooooooooooooooo

Created by Universal Document Converter

অধ্যায় - ৩
অসমত বৃটিছ বিৰোধী জাগৰণ আৰু কৃষক বিদ্রোহ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

(a) অসমত চিপাহী বিদ্রোহৰ নেতৃত্ব দিছিল -

(i) কন্দপেৰ্শ্বৰ সিংহ (ii) মণিৰাম দেৱান (iii) পিয়লি বৰুৱা (iv) বাহাদুৰ গাঁওবুঢ়া

উঃ মণিৰাম দেৱান।

(b) মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল -

(i) শিৱসাগৰ কাৰাগাৰত (ii) যোৰহাট কাৰাগাৰত

(iii) তালিপুৰ কাৰাগাৰত (iv) কলিকতা কাৰাগাৰত

উঃ যোৰহাট কাৰাগাৰত।

(c) ব্রিটিছে টিকট কৰ প্রৱর্তন কৰিছিল -

(i) ১৮৪৮ চনত (ii) ১৮৭৮ চনত (iii) ১৮৫৮ চনত (iv) ১৮৬৭ চনত

উঃ ১৮৫৮ চনত।

(d) মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ৰাজহুৱাকৈ ফাঁচী দিয়া হৈছিল -

(i) ১৮৫৮ চনত ২৬ ফেব্রুৱাৰী (ii) ১৮৫৭ চনত ২৫ ফেব্রুৱাৰী

(iii) ১৮৫৯ চনত ২৪ ফেব্রুৱাৰী (iv) ১৮২৮ চনত ২৬ ফেব্রুৱাৰী

উঃ ১৮৫৮ চনত ২৬ ফেব্রুৱাৰী।

(e) অসমত ১৮৪৩ চনত ইংৰাজে বিলুপ্তি ঘটাইছিল -

(i) টিকট কৰ (ii) আয়কৰ (iii) ৰাইজমেলৰ (iv) দাস প্রথা

উঃ দাস প্রথা।

(f) কলিকতাৰ মুখ্য ন্যায়াধীশ মফট মিলচ চাহাব অসমলৈ আহিছিল -

(i) ১৮৫৭ চনত (ii) ১৮৪৩ চনত (iii) ১৮৬১ চনত (iv) ১৮৫৩ চনত

উঃ ১৮৫৩ চনত।

(g) বৃটিছ চৰকাৰে আফু খেতি সম্পূর্ণৰূপে বন্ধ কৰিছিল -

(i) ১৮৬১ চনত (ii) ১৮৫৯ চনত (iii) ১৮৬০ চনত (iv) ১৮৬৪ চনত

উঃ ১৮৬১ চনত।

(h) কন্দপেৰ্শ্বৰ সিংহৰ পিতৃৰ নাম -

(i) গদাধৰ সিংহ (ii) পুৰন্দৰ সিংহ (iii) কামেশ্বৰ সিংহ (iv) প্রতাপ সিংহ

উঃ কামেশ্বৰ সিংহ

(i) বৃটিছৰ বিৰুদ্ধে ভাৰতীয় সৈন্যই প্রথম বিদ্রোহ ঘোষণা কৰিছিল -

(i) কাণপুৰত (ii) মিৰাটত (iii) ঝান্সীত (iv) দিল্লীত

উঃ মিৰাটত।

(j) ফুলগুৰি কৃষক বিদ্রোহ সংঘটিত হৈছিল -

(i) ১৮৬২ চন, যোৰহাট জিলাত। (ii) ১৮৬০ চন, শিৱসাগৰ জিলাত।

Created by Universal Document Converter

(iii) ১৮৬৪ চন, গোলাঘাট জিলাত। (iv) ১৮৬১ চন, নগাঁও জিলাত।

উঃ ১৮৬১ চন, নগাঁও জিলাত।

(k) মণিৰাম দেৱানৰ লগত আৰু কাক ফাঁচীকাঠত ওলমোৱা হৈছিল -

(i) জিউৰাম দুলীয়া বৰুৱাক (ii) পিয়লি বৰুৱাক

(iii) গোমধৰ কোঁৱৰক (iv) দুতিৰাম বৰুৱাক।

উঃ পিয়লি বৰুৱাক।

2. অসমত ঊনবিংশ শতিকাত সংঘটিত কৃষক বিদ্রোহসমূহৰ নেতৃত্ব কোনে প্রদান কৰিছিল?

উঃ ৰাইজ মেলসমূহে।

3. বৃটিছে কেতিয়া আয়কৰ প্রৱর্তন কৰিছিল?

উঃ ১৮৬০ চনত।

চমু প্রশ্নাৱলী ঃ মূল্যাংক 3

1. অসমৰ প্রথম কৃষক বিদ্রোহ কেতিয়া সংঘটিত হৈছিল? এই বিদ্রোহৰ দুটা কাৰণ লিখা।

উঃ ১৮৬১ চনত অসমৰ প্রথম কৃষক বিদ্রোহ ফুলগুৰিৰ ধাৱা সংঘটিত হৈছিল। এই বিদ্রোহৰ দুটা কাৰণ হ'ল -

(ক) আফু খেতি কৰি পেট প্রৱর্তোৱা ফুলগুৰি অঞ্চলৰ কৃষকসকলৰ আফু খেতি বৃটিছ চৰকাৰে সম্পূর্ণৰূপে বন্ধ কৰি দিয়াৰ বাবে।

(খ) তামোল-পাণৰ ওপৰত চৰকাৰে কৰ লগোৱা চিন্তা কৰাৰ বাবে।

2. অসমত ইংৰাজে প্রৱর্তন কৰা ৰাজহ ব্যৱস্থা সম্পর্কে চমুকৈ লিখা।

উঃ বৃটিছসকলে অসমত এক শক্তিশালী প্রশাসনিকৰ গাঁথনিৰ সৃষ্টি কৰি এক সম্পূর্ণ নতুন ৰাজহ ব্যৱস্থাৰে অর্থনীতিও তেওঁলোকৰ আয়ত্তলৈ আনিবলৈ সক্ষম হৈছিল। এই ৰাজহ ব্যৱস্থাত বিদেশী চৰকাৰখনে কৰ-কাটল সংগ্রহতহে বেছি গুৰুত্ব প্রদান কৰিছিল। দৰিদ্র প্রজা তথা কৃষকৰ দুখ-দুর্দশা মোচন কৰাৰ ক্ষেত্রত চৰকাৰে একো ব্যৱস্থা গ্রহণ কৰা নাছিল। ইংৰাজে প্রৱর্তন কৰা টকাৰ মাধ্যমত মাটিৰ খাজনা আৰু অন্যান্য কৰ কাটল সংগ্রহৰ ব্যৱস্থাই অসমীয়া প্রজাৰ অৱস্থা শোচনীয় কৰি তুলিছিল আৰু বৃটিছ চৰকাৰৰ শোষণ দিনে দিনে বৃদ্ধি পাই আহিছিল।

বৃটিছ চৰকাৰৰ নতুন ভূমি ৰাজহ বৃদ্ধিৰ নীতি আৰু মুদ্রা অর্থনীতিয়ে অসমীয়া সর্বসাধাৰণ মানুহৰ মনত তীব্র অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। এই মুদ্রা অর্থনীতিয়ে অসমত সুদখোৰ মহাজন শ্রেণীৰ সৃষ্টি কৰিছিল আৰু অসমীয়া প্রজাই এই সুদখোৰ মহাজন শ্রেণীৰ পৰা টকা ধাৰলৈ লৈ হ'লেও ভূমি ৰাজহ চৰকাৰক দিবলৈ বাধ্য হৈছিল। এই মহাজন শ্রেণীটো আছিল বহিৰাগত বেপাৰী, মাৰোৱাৰী আৰু বঙালী মহাজন। ভূমিৰ খাজনা বৃদ্ধিয়ে অসমীয়া মানুহৰ ককাল ভাঙিছিল কিয়নো বৃটিছে প্রৱর্তন কৰা ভূমি ৰাজহ কৃষকে দিব পৰাতকৈ বহু বেছি আছিল।

তদুপৰি ইংৰাজে ঊনবিংশ শতিকাৰ আগভাগতে উজনি অসমত চাহ বাগিচা স্থাপন কৰিছিল। চাহ খেতিয়কক উৎসাহিত কৰিবলৈ চাহ বাগিচাৰ অন্তর্গত ভূমিৰ ৰাজহ ৰেহাই দিছিল। ফলস্বৰূপে ভূমি ৰাজহৰ বোজা দুখীয়া সাধাৰণ কৃষকে বহন কৰিবলগীয়া হৈছিল।

3. বৃটিছৰ দিনত অসমৰ কৃষকৰ দুৰৱস্থাৰ তিনিটা কাৰণ লিখা।

উঃ বৃটিছৰ দিনত অসমৰ কৃষকৰ দুৰৱস্থাৰ তিনিটা কাৰণ হ'ল -

(১) কৃষিৰ ওপৰত বৃটিছ সকলে বিভিন্ন কৰ-কাটল লগাইছিল। প্রচলিত অন্যান্য কৰ-কাটল বাহাল ৰখাৰ উপৰি নতুনকৈ আৰু ভালমোন কৰ-কাটল বহুওৱাৰ ব্যৱস্থা কৰা হৈছিল। কৰ বৃদ্ধিৰ হাৰ ১৮৫৪ চনৰ পৰা ১৮৭০ চনৰ ভিতৰত ১০০ শতাংশ হৈছিল।

Created by Universal Document Converter

(২) বৃটিছ চৰকাৰে চৰণীয়া পথাৰত গ্ৰেজিং কৰ, আবকাৰী কৰ, টিকট কৰ, আয়কৰ, আমদানী কৰ, হাবিৰ কাঠ, বাঁহ খেৰ আদি ব্যৱহাৰৰ বাবদ অনুজ্ঞা কৰ, চৰণীয়া পথাৰত গ্ৰেজিং কৰ, আবকাৰী কৰ আদি লগোৱাৰ উপৰিও সোণ কমোৱা নৈ, মাছ ধৰা নৈ আদি ডাকত দিয়াত খেতিয়কৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল।

(৩) বৃটিছ চৰকাৰৰ ৰাজহ সংগ্ৰহৰ ব্যৱস্থাই আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত কৰিছিল সাধাৰণ প্ৰজা তথা কৃষকসকলক। আনহাতে কৃষকৰ পৰা কৰ-কাটল সংগ্ৰহ কৰিলেও, কৃষি তথা কৃষকৰ উন্নতিৰ অৰ্থে চৰকাৰে কোনো ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰা নাছিল। বৃটিছ চৰকাৰে প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আনকি দুৰ্ভিক্ষৰ সময়তো কৃষক ৰাইজক কৰ-কাটলৰ পৰা ৰেহাই দিয়া নাছিল। ফলস্বৰূপে কৃষকৰ অৱস্থা দিনে দিনে শোচনীয় হৈ পৰিছিল।

4. ৰাইজমেল বুলিলে কি বুজা? অসমত ঊনবিংশ শতিকাত ৰাইজমেল সমূহৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা।

উঃ অসমত ঊনবিংশ শতিকাত সংঘটিত হোৱা কৃষক বিদ্ৰোহসমূহৰ নেতৃত্ব প্ৰদান কৰিকছিল ৰাইজমেল সমূহে। ৰাইজমেলসমূহ আধুনিক ধৰণৰ কোনো ৰাজনৈতিক সংগঠন নাছিল। কৃষক তথা সৰ্বসাধাৰণক ৰাজনৈতিকভাৱে সচেতন কৰি তুলিবলৈ এই ৰাইজ মেলসমূহে অহোপুৰুষাৰ্থ কৰিছিল। ৰাইজমেলসমূহ গাঁওবুঢ়া, দলৈ, গোঁসাই আদি সমাজৰ মুখীয়াল লোকসকলৰ তত্ত্বাৱধানত গঢ়ি উঠিছিল আৰু তেখেতসকলৰ দ্বাৰাই পৰিচালিত হৈছিল। ৰাইজমেল কেইবাখনো গাঁও সামৰি গঠন হৈছিল। জাত-পাত সম্প্ৰদায় নিৰ্বিশেষে সকলোৱেই ৰাইজমেলসমূহত অংশগ্ৰহণ কৰিব পাৰিছিল। যি ৰাইজ মেলসমূহক এক অনন্য বৈশিষ্ট প্ৰদান কৰিছিল।

অসমত ঊনবিংশ শতিকাত ৰাইজমেল সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ৰাইজে সমূহীয়াভাৱে লোৱা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছিল। এই ৰাইজমেলসমূহে আহেমো শাসনৰ দিনৰে পৰা বৃটিছ শাসনলৈকে অসমীয়া গ্ৰাম্য জনজীৱনৰ লগত বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত আছিল। বৃটিছ শাসনৰ শোষণ নীতিৰ বিৰুদ্ধে এই ৰাইজ মেলসমূহে কৃষকৰ মাজত জাগৰণৰ সৃষ্টি কৰি নগাঁও, কামৰূপ আৰু দৰঙৰ বিভিন্নন স্থানত বৃটিছ চৰকাৰক স্থানীয়ভাৱে অচল কৰি দিবলৈ সমৰ্থ হৈছিল।

5. অসমত ১৮৫৭-৫৮ চনৰ বিদ্ৰোহ সংঘটিত হোৱাৰ কাৰণসমূবহব বিশ্লেষণ কৰা।

উঃ অসমত ১৮৫৭-৫৮ চনৰ বিদ্ৰোহৰ কাৰণসমূহ হ'ল -

(১) মুদ্ৰা অৰ্থনীতি ঃ ইংৰাজে প্ৰৱৰ্তন কৰা টকাৰ মাধ্যমত মাটিৰ খাজনা আৰু অন্যান্য কৰ-কাটল সংগ্ৰহৰ ব্যৱস্থাই অসমীয়া প্ৰজাৰ অৱস্থা শোচনীয় কৰি তুলিছিল। মুদ্ৰা অৰ্থনীতিয়ে গাঁওসমূহৰ স্বাভাৱিক অৰ্থনীতিত বাৰুকৈয়ে প্ৰভাৱ পৰিছিল।

(২) অভিজাত শ্ৰেণীৰ বিদ্ৰোহ ঃ অসমৰ অভিজাত শ্ৰেণীৰ ডা-ডাঙৰীয়াসকলে বৃটিছ শাসনৰ লগত নিজকে জড়িত কৰিবলৈ চেষ্টা কৰিও আধুনিক শিক্ষাৰে শিক্ষিত নোহোৱাৰ বাবে বিফল হ'ব লগীয়া হৈছিল। ইংৰাজে শাসনত প্ৰশাসন চলাবলৈ বংগদেশৰ পৰা শিক্ষিত ব্যক্তি আনি অসমৰ অফিচৰ কাছাৰীত নিয়োগ কৰা হৈছিল। ফলত অসমৰ অভিজাত শ্ৰেণীৰ ডা-ডাঙৰীয়াসকলে কৰ্মসংস্থাপন হেৰুৱাবলগীয়া হৈছিল। কিছুসংখ্যকে মৌজাদাৰ আৰু ৰাজহ সংগ্ৰহৰ দায়িত্ব পাইছিল যদিও বংগদেশ আৰু পশ্চিম ভাৰতৰ পৰা অহা বঙালী আৰু মাৰোৱাৰী সম্প্ৰদায়ৰ লোকক বেছিভাগ দায়িত্ব অৰ্পন কৰা হৈছিল বৃটিছৰ এনে কাৰ্যই অভিজাত শ্ৰেণীটোক বঞ্চিত কৰাৰ লগতে বিদ্ৰোহী কৰি তুলিছিল।

(৩) দাস প্ৰথাৰ নিষিদ্ধকৰণ ঃ ১৮৪৩ চনত অসমত পূৰ্বাপৰ প্ৰচলিত দাস প্ৰথাৰ নিষিদ্ধকৰণ কাৰ্যইও এক শ্ৰেণীলোকৰ মাজতক ক্ষোভৰ সৃষ্টি কৰিছিল। দাস প্ৰথাৰ বিলুপ্তি ঘটোৱাত ব্ৰাহ্মণ, পুৰোহিত বা অন্যান্য অভিজাত শ্ৰেণীৰ ব্যক্তিসকললৈ তেওঁলোকৰ কৃষিকৰ্মত শাৰীৰিক শ্ৰম কৰা মানুহৰ অভাৱ অনুভৱ কৰিবলৈ লৈছিল আৰু এই অভিজাত শ্ৰেণীটোৱে নিজৰ কৃষিকৰ্মত লগুৱা লিকছৌৰ দৰেই কায়িক শ্ৰম কৰিবলগীয়া হোৱাত অপমান অনুভৱ কৰিছিল।

Created by Universal Document Converter

(৪) ব্রাহ্মণ পুৰোহিতৰ বিদ্রোহ ঃ বৃটিছ চৰকাৰে ব্রাহ্মণ, পুৰোহিত সকলে পূর্বৰে পৰা ভোগ কৰি অহা লাখেৰাজ তথা নিষ্কৰ ভূমিসমূহৰ অতিৰিক্ত খিনি কাঢ়ি লৈছিল আৰু বাকীখিনিৰ ওপৰত খাজনা বহুৰাইছিল। ফলস্বৰূপে এই শ্রেণীৰ লোকসকল চৰকাৰৰ বিৰুদ্ধে বিক্ষুব্ধ হৈ পৰিছিল।

এইদৰে দেখা যায় যে ১৮৫৭ চনৰ বিদ্রোহৰ আগৰ প্রায় ডেৰকুৰি বছৰীয়া কোম্পানীৰ শাসনে অসমৰ জনসাধাৰণৰ কোনোটো অংশক সন্তুষ্ট কৰিব নোৱাৰিলে আৰু তাৰ ফলশ্রুতিতে ১৮৫৭-৫৮ চনৰ বিদ্রোহ সংঘটিত হৈছিল।

6. অসমত ১৮৫৭-৫৮ চনৰ বিদ্রোহত মণিৰাম দেৱানৰ ভূমিকা সম্পর্কে আলোচনা কৰা।

নাইবা

১৮৫৭ চনৰ বিদ্রোহ মণিৰাম দেৱানৰ নেতৃত্বত কিদৰে বিফল হৈছিল লিখা।

উঃ অসমত ১৮৫৭ চনৰ বিদ্রোহৰ নেতৃত্ব দিছিল মণিৰাম দেৱানে। অসমৰ মানুহৰ সামাজিক আৰু অর্থনৈতিক বিলাই বিপত্তিৰ গুৰিতে যে দেশৰ ৰাজনৈতিক পৰাধীনতা তাক বৃটিছৰ প্রত্যক্ষ সংস্পর্শলৈ অহা মণিৰাম দেৱানে সুন্দৰভাৱে উপলব্ধি কৰিব পাৰিছিল। সেয়েহে তেওঁ বুজি পাইছিল যে বৃটিছৰ বিৰুদ্ধে বিদ্রোহ কৰাৰ বাহিৰে অইন উপায় নাই। তেওঁ যিকোনো পৰিস্থিতিতে প্রাক্তন আহোম ৰজা পুৰন্দৰ সিংহৰ নাতি কন্দর্পেশ্বৰ সিংহক সিংহাসনত প্রতিষ্ঠা কৰি আহোম ৰাজতন্ত্রৰ পুনৰ প্রতিষ্ঠা কৰাৰ সপোন দেখিছিল।

১৮৫৭ চনৰ আদি ভাগত মণিৰাম দেৱানে কলিকতালৈ গৈ তেওঁ কোম্পানী চৰকাৰৰ উর্ধ্বতম কর্তৃপক্ষৰ ওচৰত নিজৰ আৰু কন্দর্পেশ্বৰ সিংহৰ পূর্বৰ খিতাপ, মান, সা-সুবিধা, সম্পত্তি ঘুৰাই দিয়াৰ বাবে আবেদন কৰিছিল। কিন্তু সেই কামত তেওঁ সফল নহ'ল।

কলিকতাত থাকোতেই মণিৰাম দেৱানে মিৰাটত সংঘটিত হোৱা বিদ্রোহৰ সন্ধেদ পায়। কলিকতাত মণিৰাম দেৱানে মধুমল্লিক নামৰ এজন বঙালী মুক্তিয়াৰৰ লগ লাগি অসমৰ পৰা ইংৰাজক খেদোৱাৰ ষড়যন্ত্র ৰচনা কৰিছিল। আহোম কোঁৱৰ কন্দর্পেশ্বৰ সিংহৰ অধিনত অসমৰ চিপাহীসকলে বিদ্রোহ কৰিব আৰু মণিৰাম দেৱানে অস্ত্র-শস্ত্রসহ কলিকততাৰ পৰা আহি সহায়ৰ হাত আগবঢ়াব।

তেওঁ কলিকতাৰ পৰা কিছু গোপন পত্র যোৰহাটত থকা কন্দর্পেশ্বৰ সিংহ আৰু অন্যান্য বিশ্বাসী লোকলৈ প্রেৰণ কৰিছিল। সেই পত্রসমূহত তেওঁ ডিব্রুগড় আৰু গোলাঘাটত অৱস্থান কৰা ভাৰতীয় সৈন্যসকলৰ লগত যোগাযোগ কৰি বিদ্রোহ আৰম্ভ কৰিবলৈ উপদেশ দিছিল। এই আলোচনা মর্মে তেওঁলোক ঠিৰাং কৰিছিল যে আগন্তুক দুর্গাপূজাৰ সময়তে মণিৰাম দেৱান কলিকতাৰ পৰা আহি পোৱাৰ লগে লগেই বিদ্রোহ আৰম্ভ কৰিব। কিন্তু দুর্ভাগ্যক্রমে এই সকলো গোপন ষড়যন্ত্র উল্লেখ থকা পত্র শিৱসাগৰ জিলাৰ বিষয়া কেপ্তেইন হলৰইডে ধৰা পেলাবলৈ সক্ষম হয় আৰু মণিৰাম দেৱানক লগে লগে কলিকতাত গ্রেপ্তাৰ কৰা হয় আৰু আলিপুৰ জেইলত বন্দী কৰি ৰাখে। যোৰহাট আৰু শিৱসাগৰত তেওঁক সহযোগ কৰা পিয়লি বৰুৱা আৰু কন্দর্পেশ্বৰ সিংহকে আদি কৰি অন্যান্যক গ্রেপ্তাৰ কৰা হয়। মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ১৮৫৮ চনৰ ২৬ ফেব্রুৱাৰীত ফাঁচি দি হত্যা কৰা হৈছিল আৰু সহযোগীসকলক দ্বীপান্তৰিত, সম্পত্তি বাজেয়াপ্ত আদি কৰি শাস্তি দিয়া হৈছিল।

এইদৰেই বৃটিছক ওফৰাই আহোম ৰাজতন্ত্রক পুনৰ প্রতিষ্ঠা কৰাৰ বাবে ১৮৫৭ চনত মণিৰাম দেৱানে কৰা চেষ্টাৰ বিফল পৰিণতি ঘটে।

7. ফুলগুৰি ধাৱাৰ ওপৰত এটি টোকা লিখা।

উঃ বৃটিছৰ অর্থনৈতিক শোষণৰ বিৰুদ্ধে শোষিত কৃষক ৰাইজে কৰা অসমৰ প্রথম বিদ্রোহটোৱেই হৈছে ফুলগুৰিৰ ধাৱা। নগাঁৱৰ পৰা কিছু নিলগৰ ফুলগুৰি আছিল তিৰা জনবসতিপূর্ণ প্রধান গাওঁ য'ত জনসাধাৰণে আফু খেতি বৃহৎ পৰিমাণত কৰিছিল আৰু ইয়াৰ দ্বাৰাই তেওঁলোকে জীৱিকা নির্বাহ কৰিছিল। বৃটিছ চৰকাৰে নিজাববীয়াকৈ কানি বিক্রি কৰিবলৈ লোৱাত আফু খেতি কৰি পেট প্রৱর্তোৱা ফুলগুৰি অঞ্চলৰ কৃষকসকল বিক্ষুব্ধ হৈছিল। ১৮৬১ চনত

Created by Universal Document Converter

বৃটিছ চৰকাৰে আফু খেতি কৰা সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত সমগ্ৰ তিৰা জনজাতিৰ লোকসকল অতিশয় অসন্তুষ্ট হৈ পৰে, কিয়নো চৰকাৰী কানিৰ প্ৰচলন বন্ধ হোৱা নাছিল। তদুপৰি তামোল-পাণৰ ওপৰতো ব্ৰিটিছ চৰকাৰে কৰ লগোৱাৰ কথা চিন্তা-চৰ্চা কৰা জানিবলৈ পাই তেওঁলোক বিদ্ৰোহী হৈ পৰিছিল।

চৰকাৰে আফু খেতি বন্ধ কৰাৰ লগে লগে ১৮৬১ চনৰ ১৭ ছেপ্তেম্বৰ তাৰিখে প্ৰায় ১৫০০ কৃষকে ইয়াৰ প্ৰতিবাদ কৰিবলৈ বিভিন্ন অঞ্চলৰ পৰা আহি ফুলগুৰিত ৰাইজমেল অনুষ্ঠিত কৰে। মেলত কৃষকসকলে আফু খেতি বন্ধ কৰা নিৰ্দেশ বাতিল কৰিবলৈ আৰু তামোল-পাণৰ ওপৰত যাতে কোনো কৰ নলগায় সেই কথা উপায়ুক্তক জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উপায়ুক্ত হাৰ্বাট স্কন্সে ৰাইজৰ আবেদনৰ প্ৰতি কোনো সঁহাৰি নজনালে। ক্ষোভিত ৰাইজে এই অপমানৰ প্ৰতিবাদ কৰিবলৈ ১৫ অক্টোবৰৰ পৰা পাঁচদিন ধৰি ফুলগুৰিত ৰাইজমেল পাতিলে। ১৮ অক্টোবৰ তাৰিখে মেলত প্ৰায় চাৰি হেজাৰ ৰাইজ সমবেত হৈছিল। উপায়ুক্ত হাৰ্বাট স্কন্সে সহকাৰী উপায়ুক্ত লেফটেনেন্ট ছিংগাৰক সভাস্থলীলৈ পঠিয়ালে। ছিংগাৰে সভাৰ উদ্দেশ্যজানি ৰাইজক সেই স্থান ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে পুলিচ বাহিনীক ৰাইজৰ হাতৰ পৰা লাঠীবোৰ কাঢ়ি আনিবলৈ নিৰ্দেশ দিলে। লাঠীৰ বাবে টনা আজোৱা কৰি থাকোতে ৰাইজৰ মাজৰে এজন কৃষকে ছিংগাৰৰ মুৰত লাঠীৰে কোবাই মাটিত বগৰাই দিয়ে। আন কৃষকসকলেও ছিংগাৰক আক্ৰমণ কৰাত থিতাতে তেওঁৰ মৃত্যু হয়। ছিংগাৰৰ মৃতদেহটো কলং নৈত দলিয়াই পেলাই দিয়া হয়। ছিংগাৰৰ লগত যোৱা পুলিচ বাহিনী ভয়তে পলাই পত্ৰং দিয়ে। এই ঘটনাকে ইতিহাসৰ পাতত ফুলগুৰি ধাৰা নামেৰে অভিহিত কৰা হয়।

8. ইতিহাসত ফুলগুৰি ধাৰাৰ গুৰুত্ব সম্পৰ্কে লিখা।

উঃ অসমৰ ইতিহাসত ফুলগুৰি বিদ্ৰোহৰ এক সুদূৰপ্ৰসাৰী প্ৰভাৱ দেখা যায়।

প্ৰথমতে, ফুলগুৰি কৃষক বিদ্ৰোহত ঘাইকৈ লালুং (তিৰা) জনজাতি আৰু মাছমৰীয়া সম্প্ৰদায়ৰ আন্তৰিক যোগদানে ইয়াক গণভিত্তি প্ৰদান কৰে। কিয়নো মাটিৰ খাজনা বৃদ্ধিৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা শিক্ষিত আৰু আঢ্যৱন্ত অসমীয়া মধ্যবিত্ত শ্ৰেণী, ব্যৱসায়ী, মৌজাদাৰ কিছুমানে পৰোক্ষভাৱে হ'লেও বিদ্ৰোহীসকলক সহায়-সমৰ্থন কৰিছিল। সামগ্ৰিকভাৱে এই বিদ্ৰোহ সফল হৈছিল বুলি ক'ব পাৰি, কিয়নো বিদ্ৰোহৰ পিছত চৰকাৰে আৰু কেতিয়াও তামোল-পাণ খেতিৰ ওপৰত কৰ বহুওৱা নাছিল।

দ্বিতীয়তে, ফুলগুৰি বিদ্ৰোহ ব্ৰিটিছ সাম্ৰাজ্যবাদৰ কৱলৰ পৰা মুক্ত হোৱা সাধাৰণ জনগণৰ প্ৰয়াসৰ এক নিদৰ্শন আছিল। ফুলগুৰিৰ বিদ্ৰোহে সমাজৰ প্ৰতিটো শ্ৰেণীৰ মানুহৰ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু ফুলগুৰিৰ ৰাইজৰ কৰ নিদিয়াৰ সিদ্ধান্তক অসহযোগ আন্দোলনৰ আৰম্ভণি বুলি ক'ব পাৰি।

তৃতীয়তে, ফুলগুৰি কৃষক বিদ্ৰোহে অসমৰ অন্যান্য অঞ্চলৰ কৃষকসকলকো তেওঁলোকৰ দুৰ্দশাৰ কথা সাংগঠনিকভাৱে ভাবিবলৈ অনুপ্ৰেৰণা যোগাইছিল। ইয়াৰ কিছু বছৰৰ পিছতে সেয়েহে দৰং আৰু কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ কৃষকে বৃটিছ চৰকাৰৰ শোষণ তথা বঞ্চনাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি এলানি কৃষক বিদ্ৰোহৰ সূচনা কৰিছিল।

9. কি কি কাৰণত অসমত ১৮৫৭-৫৮ চনৰ বিদ্ৰোহ ব্যৰ্থ হৈছিল আলোচনা কৰা।

উঃ ১৮৫৭-৫৮ চনৰ বিদ্ৰোহ বিফল হোৱা কাৰণসমূহ হ'ল -

(১) অসমৰ বিদ্ৰোহীসকলৰ সংখ্যা অতি তাকৰীয়া আছিল। মণিৰাম দেৱানৰ সমৰ্থকসকল যোৰহাট আৰু শিৱসাগৰতে সীমাবদ্ধ আছিল। নগাঁও, কামৰূপ আৰু গুৱাহাটীত বিশেষ সমৰ্থন লাভ কৰা নাছিল।

(২) বিদ্ৰোহৰ নেতাসকলৰ সময় জ্ঞান নাছিল কিয়নো তেওঁলোকে প্ৰস্তুতি সম্পূৰ্ণ কৰিও সময়ত কাৰ্যকৰী কৰা নাছিল। যাৰ ফলত ইংৰাজ চৰকাৰে প্ৰতিৰক্ষাৰ প্ৰস্তুতিৰ বাবে যথেষ্ট সময় লাভ কৰিছিল।

(৩) বিদ্ৰোহৰ মুখ্য সংগঠক মণিৰাম দেৱান বিদ্ৰোহস্থলীৰ পৰা বহুযোজন দূৰৈত অৱস্থান কৰিছিল। সেইসময়ৰ

Created by Universal Document Converter

পৰিপ্ৰেক্ষিতত কলিকতা অসমৰ পৰা বহু দূৰৈত আছিল আৰু তাৰ পৰা চিঠি-পত্ৰৰ যোগেদি বা আদেশ পঠিয়াই বিদ্ৰোহ পৰিচালিত কৰাটো বাস্তৱসন্মত নাছিল। মণিৰাম দেৱান সিমান সোনকালে পাৰে কলিকতাৰ পৰা উভতি আহিব লাগিছিল। প্ৰশাসনিক অভিজ্ঞতা থাকিলেও বিদ্ৰোহৰ নেতৃত্বৰ বাবে প্ৰয়োজনীয় দক্ষতা দেৱানৰ নাছিল।

(৪) সমাজৰ প্ৰতিটো শ্ৰেণীৰ মানুহকে বিদ্ৰোহত জড়িত কৰিবলৈ মণিৰাম দেৱান তথা তেখেতৰ সহযোগীসকলে কোনো প্ৰচেষ্টা হাতত লোৱা নাছিল। নগাঁও আৰু গুৱাহাটীত অসমৰ নতুন মধ্যবিত্ত শ্ৰেণীৰ লোকসকল বিদ্ৰোহৰ প্ৰতি অলপো সহানুভূতিশীল নাছিল। ফলত অসমত বিদ্ৰোহৰ বুৰবুৰণিহে হৈছিল, বিস্ফোৰণ ঘটিবলৈ পোৱা নাছিল।

(৫) অসমৰ বিদ্ৰোহীসকলে তেওঁলোকৰ কাৰ্যপন্থাৰ গোপনীয়তা ৰক্ষা কৰাত ব্যৰ্থ হৈছিল। ফলস্বৰূপে সমগ্ৰ পৰিকল্পনা বৃটিছ চৰকাৰৰ অৱগত হৈছিল আৰু বিদ্ৰোহ নিৰ্মূল কৰাত চৰকাৰ সফল হৈছিল।

(৬) অসমৰ বিদ্ৰোহীসকলে প্ৰয়োজন অনুযায়ী অস্ত্ৰ-শস্ত্ৰৰ যোগান পোৱা নাছিল। মণিৰাম দেৱানে যদিও অস্ত্ৰৰ যোগান দিয়াৰ কথা আছিল, কিন্তু তাৰ আগতেই তেওঁ ধৰা পৰিছিল।

(৭) ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো বৃটিছ সৈন্য বাহিনীত থকা ভাৰতীয় সৈন্যই মূল চালিকাশক্তি হিচাপে বিদ্ৰোহত অংশ লোৱা নাছিল। অসমৰ বিদ্ৰোহীসকলে মিৰাট, দিল্লী, লক্ষ্ণৌ আদিৰ দৰে চিপাহীসকলৰ সমৰ্থন আদায় কৰিব পৰা নাছিল।

10. অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ গুৰুত্ব সম্পৰ্কে লিখা।

উঃ অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ গুৰুত্ব হ'ল -

(১) ১৮৫৭ চনৰ বিদ্ৰোহ যদিও বৃটিছ চৰকাৰে কঠোৰ হাতেৰে দমন কৰিবলৈ সক্ষম হৈছিল, অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে এক সৰ্বভাৰতীয় ঐতিহাসিক ঘটনাৰ লগত অসম জড়িত আছিল।

(২) ১৮৬১ চনৰ পৰা অসমত আৰম্ভ হোৱা কৃষক বিদ্ৰোহসমূহ ১৮৫৭ চনৰ বিদ্ৰোহৰ দ্বাৰা কিছু পৰিমাণে অনুপ্ৰাণিত হৈছিল।

(৩) অসমতো হিন্দু আৰু মুছলমানে এই দুটা প্ৰধান সম্প্ৰদায়ে একগোট হৈ বিদ্ৰোহত অংশগ্ৰহণ কৰি জাতীয়তাবোধৰ বিকাশত ইন্ধন যোগাইছিল।

ooooooooooooooooo

Created by Universal Document Converter

অধ্যায় - ৪
ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমত জাতীয় জাগৰণ

অতি চমু উত্তৰৰ প্ৰশ্ন ঃ

(১) য়াণ্ডাবু সন্ধি কেতিয়া হৈছিল?

উঃ ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰী তাৰিখে য়াণ্ডাবু সন্ধি হৈছিল।

(২) কোম্পানীৰ আমোল বুলিলে কোনটো সময়ক বুজোৱা হয়?

উঃ ১৮২৬ চনৰ পৰা ১৮৫৮ চনলৈ এই সময়ছোৱাক কোম্পানীৰ আমোল বা কোম্পানীৰ দিন বুলি কোৱা হয়।

(৩) অসমত বাংলা ভাষাৰ প্ৰচলন কেতিয়া হৈছিল?

উঃ ১৮৩৬ চনত অসমত বাংলা ভাষাৰ প্ৰচলন হৈছিল।

(৪) বাংলা ভাষাৰ ঠাইত অসমত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন কেতিয়া হৈছিল?

উঃ ১৮৭৩ চনত অসমত বাংলা ভাষাৰ ঠাইত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হৈছিল।

(৫) অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?

উঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰথম সভাপতি আছিল কুলধৰ চলিহা আৰু সম্পাদক আছিল - নবীন চন্দ্ৰ বৰদলৈ।

(৬) অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ আনুষ্ঠানিকভাৱে নিৰ্বাচিত প্ৰথমজন সভাপতি কোন আছিল?

উঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ আনুষ্ঠানিকভাৱে নিৰ্বাচিত প্ৰথমজন সভাপতি আছিল বিষ্ণুৰাম মেধি।

(৭) অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী কোন আৰু কেতিয়া নিৰ্বাচিত হৈছিল?

উঃ ১৯৪৬ চনত গোপীনাথ বৰদলৈ অসমৰ প্ৰথম প্ৰধান মন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছিল।

চমু উত্তৰৰ প্ৰশ্ন ঃ

(১) অসমীয়া লিটাৰেৰী ছ'চাইটী'ৰ বিষয়ে চমুকৈ লিখা।

উঃ দেৱীচৰণ বৰুৱা আৰু গুণগোৱিন্দ ফুকনৰ নেতৃত্বত ১৮৭২ চনত কলিকতাত অসমীয়া লিটাৰেৰী ছ'চাইটি গঠন হৈছিল। অসমীয়া লিটাৰেৰী ছ'চাইটিৰ প্ৰধান উদ্দেশ্য আছিল সাহিত্যচৰ্চা। সেই সময়ত কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যোৱা অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা সাহিত্য উন্নয়নৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল।যদিও এই অনুষ্ঠানৰ উদ্দেশ্য আছিল সাহিত্য চৰ্চা ইয়াত ৰাজনৈতিক চিন্তাৰো প্ৰকাশ ঘটিছিল। ১৮৭২ চনচত এই সংগঠনৰ সদস্য জগন্নাথ বৰুৱা আৰু মাণিক চন্দ্ৰ বৰুৱাই সেই সময়ৰ ভাইচৰয় লৰ্ড নৰ্থব্ৰুকক স্মাৰক পত্ৰ প্ৰদান কৰি অসমৰ প্ৰাকৃতিক সম্পদৰ উন্নয়ন আৰু অসম আৰু বংগৰ মাজত ৰেল সংযোগ স্থাপনৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছিল। ১৮৮৫ চনলৈকে এই সংগঠনটো সক্ৰিয় হৈ আছিল।

(২) জোনাকী যুগৰ উল্লেখযোগ্য জাতীয়তাবাদী উত্তৰণৰ এটা চমু আভাষ দিয়া।

উঃ ১৮৮৮ চনত কলিকতাত গঠিত হোৱা অসমীয়া ভাষা উন্নতি সাধিনী সভাই প্ৰকাশ কৰা জোনাকীয়ে সেই সময়ৰ বহু প্ৰতিভাৱান সাহিত্যিকৰ জন্ম দিছিল। জোনাকীত প্ৰকাশিত কবিতা, প্ৰবন্ধ-নিবন্ধসমূহত লেখকসকলৰ জাতীয়তাবাদী চিন্তাৰ প্ৰতিফলন ঘটিছিল। জোনাকীৰ প্ৰথম সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা।

জোনাকীয়ে অসমৰ সুধী সমাজত এক নতুন আলোড়ন সৃষ্টি কৰিকবলৈ সক্ষম হৈছিল। বিশেষকৈ বৃটিছৰ আগমনৰ ফলত অসমৰ থলুৱা উদ্যোগ আৰু বাণিজ্যত যি নেতিবাচক প্ৰভাৱ পৰিছিল সেই বিষয়ে জোনাকী কাকতে সচেতনতা সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। কনকলাল বৰুৱা আৰু কমলাকান্ত ভট্টাচাৰ্যই নিয়মীয়াকৈ অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা

Created by Universal Document Converter

আৰু প্ৰগতিৰ ধাৰা সম্পৰ্কীয় নিবন্ধ প্ৰকাশ কৰি সমাজত সচেতনতা সৃষ্টি কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ "মোৰ দেশ", অসম সংগীত, বীণ ব'ৰাগী আদি আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৰচনাই দেশপ্ৰেম জাগ্ৰত কৰি জাতীয়তাবাদী উত্তৰণত বৰঙণি যোগাইছিল। মুঠ কথাত জোনাকী কাকতে এক সাহিত্যিক তথা সামাজিক চেতনা জাগ্ৰত কৰাত সফল হৈছিল।

(৩) আছাম এছ'চিয়েছনে বৃটিছ চৰকাৰৰ ওচৰত উত্থাপন কৰা বিষয়সমূহ কি আছিল?

উঃ আছাম এছ'চিয়েছনে বৃটিছ চৰকাৰৰ ওচৰত উত্থাপন কৰা বিষয়সমূহ আছিল -

(ক) বংগ বিভাজনৰ বিৰোধিতা কৰি অসমক পূব বংগৰ পৰা পৃথক কৰিবলৈ ১৯০৭ চনত এছ'চিয়েছনে বৃটিছ চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰিছিল।

(খ) আছাম এছ'চিয়েছনে বিধানসভাত প্ৰতিনিধিত্বৰ দাবী উত্থাপন কৰিছিল।

(গ) ১৯১৮ চনৰ মন্টেগ'-ছেমছফ'ৰ্ড ৰিপৰ্টৰ আধাৰত প্ৰস্তাৱিত শাসন সংস্কাৰত অসমকো সামৰি লোৱাৰ দাবী তুলিছিল। এছ'চিয়েছনৰ হেঁচাত অসম মন্টেগ'সংস্কাৰ আঁচনিৰ অন্তৰ্ভুক্ত হৈছিল।

(ঘ) ১৯২০ চনত অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবেও দাবী জনাইছিল।

(৪) অসমত অসহযোগ আন্দোলনত নেতৃত্ব দিয়া অসমীয়া নেতাসকলৰ বিষয়ে উল্লেখ কৰা।

উঃ অসমত অসহযোগ আন্দোলনত নেতৃত্ব দিয়া অসমীয়া নেতাসকল আছিল - চন্দ্ৰনাথ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, মহিবুদ্দিন আহমেদ, লক্ষীধৰ শৰ্মা, ৰোহিনীকান্ত হাতীবৰুৱা, বিমলাকান্ত বৰুৱা, কনক চন্দ্ৰ বৰুৱা, বেনুধৰ শৰ্মা, তিলক শৰ্মা, নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, তৰুণৰাম ফুকন, কামিনী কুমাৰ চন্দ, বিষ্ণুৰাম মেধি আদি।

দীঘল উত্তৰৰ প্ৰশ্ন ঃ

(১) অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ ভূমিকা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰা।

উঃ ১৮৮৮ চনত কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যোৱা অসমৰ ছাত্ৰসকলে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে "অসমীয়া ভাষা উন্নতি সাধিন" (অঃ ভাঃ উঃসাঃ) সভা গঠন কৰিছিল। এই সভা গঠনত মূখ্য ভূমিকা লোৱা ছাত্ৰসকল আছিল - হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, কনকলাল বৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা আৰু ৰমাকান্ত বৰকাকতী। এইসভাই অসমীয়া ভাষাৰ এক শক্তিশালী বিজ্ঞানসন্মত উত্তৰণৰ লগতে অসমৰ সকলো পাঠশালাত পৰিশুদ্ধ আৰু উন্নতমানৰ ব্যাকৰণ প্ৰয়োগৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল। অসমীয়া সকলৰ মাজত একতা আৰু জাতীয়তাবাদৰ ভাব গঢ়ি তুলিবলৈও সক্ষম হৈছিল। ইয়াৰউপৰি, এই সভাই অসমৰ এক সৰ্বাত্মক সামাজিক ইতিহাস সংকলন আৰু সংস্কৃত বা অন্যান্য ভাষাৰ উল্লেখনীয় পুথিসমূহ অসমীয়া ভাষালৈ অনুবাদ কৰা কামো অতি তৎপৰতাৰে হাতত লৈছিল। অঃ ভাঃ উঃ সাঃ সভাৰ চেষ্টাতে চৰকাৰে হেমচন্দ্ৰ বৰুৱাৰ অত্যুৎকৃষ্ট কৃতি "হেমকোষ" প্ৰকাশৰ কাম হাতত লৈছিল।

অসমীয়া ভাষা উন্নতি সাধিনী সভাই বুৰঞ্জী, সংস্কৃতি, সাহিত্য আৰু ভাষা সম্পৰ্কে নিজৰ মাজতে বৌদ্ধিক আলোচনা অব্যাহত ৰাখিছিল আৰু অসমৰ বিভিন্ন প্ৰান্তত ইয়াৰ শাখা প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলাইছিল। বহুতো অসমীয়া ছাত্ৰই কলিকতাত শিক্ষা সমাপ্ত কৰি অসমলৈ ঘূৰি আহি ক'হিমা, তেজপুৰ, শিৱসাগৰ, ডিব্ৰুগড়, নগাঁও, যোৰহাট, বৰপেটা, গোৱালপাৰা আৰু গুৱাহাটীত অঃ ভাঃউঃ সাঃ সভাৰ শাখা গঠনৰ বাবে অগ্ৰণী ভূমিকা লৈছিল। উল্লেখযোগ্য যে এই সভাই প্ৰকাশ কৰা আলোচনী 'জোনাকীয়ে অসমত এক নতুন সাহিত্য যুগৰ সূচনা কৰিছিল।

(২) আছাম এছ'ছিয়েচনৰ বৃটিছ শাসনাধীন অসমত সমাজ সংস্কাৰৰ বাবে আগবঢ়োৱা অৱদান সম্পৰ্কে লিখা।

Created by Universal Document Converter

উঃ অসমৰ কথা সামগ্রিকভাৱে চিন্তা কৰিবলৈ আৰু অসমৰ জনসাধাৰণৰ ইচ্ছা আকাংক্ষাক চৰকাৰৰ ওচৰত নিবেদন কৰাৰ বাবে মানিক চন্দ্র বৰুৱাৰ নেতৃত্বত ১৯০৩ চনত আছাম এছ'চিয়েছন নামৰ অনুষ্ঠানৰ জন্ম হৈছিল। আছাম এছ'চিয়েছনৰ প্রথম সভাপতি আছিল প্রভাতচন্দ্র বৰুৱা আৰু সম্পাদক আছিল মাণিক চন্দ্র বৰুৱা। আছাম এছ'চিয়েছনে অসমৰ ৰাইজৰ মুখপাত্র হিচাপে সেৱা আগবঢ়াইছিল। অৱশ্যে ই প্রত্যক্ষ আৰু সক্রিয়ভাৱে চৰকাৰৰ বিৰুদ্ধে কার্যপন্থা লোৱা নাছিল। শান্তিপূর্ণভাৱে আৰু সাংবিধানিক আৰু প্রশাসনিক সংস্কাৰৰ মাধ্যমেৱেহে ৰাইজৰ সমস্যাসমূহ সমাধানৰ পোষকতা কৰিছিল। এছ'চিয়েছনৰ কেইবাজনো সদস্য আইন সভাৰো সদস্য হোৱাৰ বাবে সভাৰ প্রস্তাৱসমূহ আইন সভাত কার্যকৰী কৰোৱাৰ সুবিধা পাইছিল। আছাম এছ'চিয়েছনে সম্পাদন কৰা কার্যসমূহ হ'ল -

(ক) পৌৰসভাত চৰকাৰী বিষয়া আৰু লোকেল বর্ডত চাহ খেতিয়কৰ আধিপত্যৰ বিৰোধিতা কৰিছিল।

(খ) এছ'চিয়েছনে স্থানীয় সমিতিসমূহৰ গণতান্ত্রিকীকৰণৰ দাবী উত্থাপন কৰিছিল।

(গ) বর্ধিত কৰ, চৰকাৰৰ শুল্ক ব্যৱস্থা আৰু কানিৰ প্রচলনৰ বিৰোধিতা কৰিছিল।

(ঘ) শিক্ষাৰ দিশত অসমক আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল। এছ'চিয়েছনে কটন কলেজত অসমীয়া শিক্ষকৰ নিযুক্তি আৰু অসমত কা�ৰিকৰী শিক্ষানুষ্ঠান স্থাপনৰ হকে মাত মাতিছিল।

বংগ বিভাজনৰ বিৰোধিতা কৰি অসমক পূর্ব বংগৰ পৰা পৃথক কৰিবলৈ ১৯০৭ চনত চৰকাৰৰ ওচৰত স্মাৰক পত্র দিছিল। এছ'চিয়েছনে বিধানসভাত প্রতিনিধিত্বৰ দাবী উত্থাপন কৰিছিল। ১৯১৮ চনৰ মণ্টেগ' ছেমছ ফর্ড ৰিপর্টৰ আধাৰত প্রস্তাৱিত শাসন সংস্কাৰত অসমকো সামৰি লোৱাৰ দাবী তুলিছিল। সেই উদ্দেশ্যেৰে ১৯১৭ চনত কলিকতালৈ এটি সাতজনীয়া সঁজাতী দল পঠিওৱা হৈছিল। এছ'চিয়েছনৰ হেঁচাত অসম মণ্টেগ' সংস্কাৰ আঁচনিৰ অন্তর্ভুক্ত হৈছিল। ১৯২০ চনত অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবেও এছ'চিয়েছনে দাবী জনাইছিল।

(৩) অসম প্রদেশ কংগ্রেছ কমিটিৰ জন্ম আৰু মূখ্য ভূমিকা সম্পর্কে সংক্ষিপ্ত বিৱৰণ দিয়া।

উঃ ভাৰতীয় জাতীয় কংগ্রেছৰ নেতৃত্বত হোৱা ১৯২১ চনত অসহযোগ আন্দোলনত 'আছাম এছ'চিয়েছনে' অংশগ্রহণ কৰি লাহে লাহে সর্বভাৰতীয় ৰাজনীতিলৈ অগ্রসৰ হৈছিল। এই সুযোগতে সংগঠনটোৰ একাংশ নেতা কর্মীয়ে এছ'চিয়েছনক কংগ্রেছৰ প্রাদেশিক কমিটিলৈ ৰূপান্তৰিত কৰাৰ চেষ্টা কৰিছিল। এই উদ্দেশ্যেৰে ছবিলাল উপাধ্যায়ৰ পৌৰোহিত্যত ১৯২১ চনৰ ১৮ এপ্রিলত যোৰহাটত এখন বিশেষ অধিৱেশন অনুষ্ঠিত কৰা হৈছিল। সেই বছৰে জুন মাহত নবীন চন্দ্র বৰদগলৈ, ছবিলাল উপাধ্যায়, কৃষ্ণকান্ত ভট্টাচার্যৰ উদ্যোগত "অসম প্রদেশ কংগ্রেছ কমিটি" গঠন কৰা হয় আৰু আনুষ্ঠানিকভাৱে অসমত কংগ্রেছৰ ৰাজনীতিৰ পাতনি মেলে।

অসম প্রদেশ কংগ্রেছ কমিটিৰ প্রথম সভাপতি আছিল কুলধৰ চলিহা আৰু সম্পাদক আছিল নবীনচন্দ্র বৰদলৈ। অসম প্রদেশ কংগ্রেছ কমিটিৰ তত্বাৱধানত ১৯২১ চনত মহাত্মা গান্ধীক অসমত অসহযোগ আন্দোলন প্রচাৰ কৰিবলৈ নিমন্ত্রণ কৰি অনা হৈছিল। সেই বছৰৰ আগষ্ট মাহত গান্ধীৰ অসম ভ্রমণে নৱগঠিত কংগ্রেছৰ কর্মীসকলৰ মাজত এক নতুন উৎসাহৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে অসহযোগ আন্দোলন অসমত অতি সক্রিয় হৈ পৰিছিল। অসম প্রাদেশিক কংগ্রেছ সমিতিয়ে ১৯২৬ চনত গুৱাহাটীৰ পাণ্ডুত জাতীয় কংগ্রেছৰ ৪১ তম বার্ষিক অধিৱেশন আয়োজন কৰিছিল।

বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শর্মা, মৌলানা তৈয়বুল্লা, অম্বিকাগিৰী ৰায়চৌধুৰী আৰু আন আন নেতাসকলে কংগ্রেছৰ পৰিকল্পনাসমূহ কার্যকৰী কৰিবলৈ অহোপুৰুষার্থ কৰিছিল। অসমত প্রদেশ কংগ্রেছ কমিটিৰ আনুষ্ঠানিকভাৱে নির্বাচিত হোৱা প্রথমজন সভাপতি আছিল বিষ্ণুৰাম মেধি। ১৯৪৬ চনৰ সাধাৰণ নির্বাচনত বৃহৎ জয়েৰে কংগ্রেছে সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল আৰু গোপীনাথ বৰদলৈ অসম প্রদেশৰ প্রথমজন প্রধামমন্ত্রী (মূখ্যমন্ত্রী) হিচাবে নির্বাচিত হৈছিল। যেতিয়া কেবিনেট মিছনে অসম আৰু উত্তৰ পূর্বক পূর্ববংগৰ লগত সাঙুৰি গোট 'গ' (Group C) ত সন্নিৱিষ্ট কৰাৰ বাবে আগবাঢ়িছিল তেতিয়া বৰদলৈৰ মন্ত্রীসভাই তাৰ তীব্র প্রতিবাদ কৰিছিল। গান্ধীৰ সমর্থন আৰু বৰদলৈৰ নেতৃত্বত হোৱা আন্দোলনৰ বাবে অসম 'গ' গোটত অন্তর্ভুক্ত নহ'ল।

Created by Universal Document Converter

(৪) স্বদেশী আন্দোলনত অসমৰ ভূমিকা বিষয়ে সংক্ষিপ্ত বিৱৰণ দিয়া।

উঃ বংগদেশত বঙালী জাতীয়তাবাদক ধ্বংস কৰি হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ বৃটিছ চৰকাৰে ১৯০৫ চনৰ ১৬ অক্টোবৰ তাৰিখে বংগভংগ কার্যকৰী কৰিছিল। ফলত বংগ-বিভাজনৰ বিৰুদ্ধে সমগ্ৰ বংগদেশত বিশাল জাতীয় আন্দোলনৰ সূচনা হৈছিল। এই আন্দোলন সময়ত স্বদেশী আন্দোলন নামে জনাজাত হয়। স্বদেশী আন্দোলনৰ কেন্দ্ৰভূমি অবিভক্ত বংগদেশ আছিল যদিও ই বংগদেশৰ ভৌগোলিক সীমা অতিক্ৰম কৰি সর্বভাৰতীয় ৰূপ পৰিগ্ৰহণ কৰিছিল।

ভাৰতবর্ষৰ অন্যান্য ৰাজ্যৰ লগতে স্বদেশী আন্দোলনৰ প্ৰতিক্ৰিয়া অসমলৈও বিস্তাৰিত হৈছিল। অসমত পদ্মনাথ গোহাঞিবৰুৱা অম্বিকাগিৰী ৰায়চৌধুৰী, ত্ৰিগুনা বৰুৱা, ৰক্তিম বৰা আদিয়ে অসমবাসীৰ মাজত বংগভংগৰ বিৰুদ্ধে প্ৰচাৰ চলাইছিল। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবুৰী, গৌৰীপুৰ, গোৱালপাৰা, গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড় আদি নগৰ অঞ্চলত এই আন্দোলনৰ প্ৰভাৱ পৰিছিল। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু গোবিন্দ লাহিড়ীয়ে গুৱাহাটী ছাত্ৰসকলৰ মাজত বিদ্ৰোহী সংগঠন গঢ়ি তুলিছিল। তেওঁলোকে অসমৰ জিলাসমূহত স্বদেশীবস্তু ব্যৱহাৰৰ বাবে প্ৰচাৰ চলাইছিল। পৰিণতি স্বৰূপে অসমৰ মানুহে নিমখৰ পৰিৱর্তে খাৰ, বিদেশী চেনিৰ সলনি বেনাৰসৰ চেনি, বিদেশী বস্ত্ৰৰ বিপৰীতে থলুৱা এড়ী, মুগা, কপাহী আৰু খাদ্যবস্তু ব্যৱহাৰ কৰিছিল। গুৱাহাটীৰ এদল ছাত্ৰই সপ্তাহত দুদিন জাহাজঘাটত কুলীৰ কাম কৰি উপার্জন কৰা ধন স্বদেশী আন্দোলনৰ পুঁজিলৈ দান দিছিল। অম্বিকাগিৰীয়ে "বন্দিনী ভাৰত" নামৰ এখন বিদ্ৰোহাত্মক নাটক ৰচনা কৰি মঞ্চস্থ কৰিছিল। পুলিছে নাটকখনৰ পাণ্ডুলিপি বাজেয়াপ্ত কৰিছিল। ক্ষুদিৰাম বসু, বাৰীন্দ্ৰ ঘোষ, উল্লাসকৰ দত্তৰ লগত যোগাযোগ কৰি অম্বিকাগিৰীয়ে "সেৱা সংঘ" নামৰ এটা বিপ্লৱী সংগঠন গঢ়ি তুলিছিল। বৃটিছ চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাবাসীক স্বদেশী আন্দোলনৰ প্ৰভাৱৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিল।

সুৰমা ভেলী এছ'চিয়েছনৰ নেতৃত্বত সুৰমা উপত্যকাত স্বদেশী আন্দোলনে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছিল। ইয়াৰ ফলস্বৰূপে শ্ৰীহট্ট, হৰিগঞ্জ, শ্ৰীমংগল, লখাই , বনিয়াচংগ, কৰিমগঞ্জ, শিলচৰ আদি ঠাইত বহুতো জাতীয় বিদ্যালয় স্থাপন কৰা হৈছিল।

(৫) অসহযোগ আন্দোলনত অসমৰ ভূমিকা সম্পর্কে এটি খতিয়ান দাঙি ধৰা।

উঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত অসহযোগ আন্দোলন ১৯২০ চনৰ পৰা ১৯২২ চনলৈ চলিছিল। মহাত্মা গান্ধীৰ সবল নেতৃত্বত দেশবাসীয়ে ভাৰতবর্ষক বৃটিছ শাসনৰ পৰা মুক্ত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল। মহাত্মাগান্ধীৰ আহ্বানত সমগ্ৰ দেশৰ লগতে অসমেও অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন কৰি এই আন্দোলনত জপিয়াই পৰিছিল।

১৯২১ চনত মহাত্মা গান্ধীৰ অসম আগমনে এই আন্দোলন অধিক জনপ্ৰিয় কৰি তুলিছিল। গান্ধীজীয়ে ভাষণ প্ৰদান কৰা আৰু অংশ গ্ৰহণ কৰা সভাত বৃহৎ সংখ্যক জনসাধাৰণে অংশগ্ৰহণ কৰিছিল। গান্ধীৰ আহ্বানক্ৰমে অসমৰ জনসাধাৰণে বিদেশী বস্তুসমূহৰ মেজি সাজি জুই লগাই দি ইয়াক বিসর্জন দিছিল। চন্দ্ৰনাথ শর্মা, হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, মহিবুদ্দিন আহমেদ আদিৰ নেতৃত্বত অসমৰ যুৱক সকলেও চৰকাৰী শিক্ষানুষ্ঠানসমূহ বর্জন কৰি অসহযোগ আন্দোলনত যোগ দিছিল। সেইসকলৰ অগ্ৰগণ্য কেইজন হ'ল - লক্ষীধৰ শর্মা, ৰোহিনীকান্ত হাতীবৰুৱা, বিমলাকান্ত বৰুৱা, কনক চন্দ্ৰ বৰুৱা, বেনুধৰ শর্মা, তিলক শর্মা আদি। ছাত্ৰসকলক অনুসৰণ কৰি নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, তৰুণৰাম ফুকন, কামিনী কুমাৰ চন্দ বিষ্ণুৰাম মেধি আদি উকীলসকলেও ওকালতি বাদ দি আন্দোলনত অংশ লৈছিল। বহুতো চৰকাৰী বিষয়া আৰু শিক্ষকেও তেওঁলোকৰ দায়িত্ব এৰি দিছিল। আন্দোলনৰ বর্দ্ধিত প্ৰভাৱৰ ফলতেই গুৱাহাটী, নলবাৰী, যোৰহাট, তেজপুৰ, শিৱসাগৰ, নগাওঁ, কৰিমগঞ্জ মৌলবী বজাৰ আদি ঠাইত জাতীয় শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল। ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত গুৱহাটীত প্ৰথম জাতীয় শিক্ষানুষ্ঠান বাল গংগাধৰ তিলকৰ স্মৃতিত "তিলক সোঁৱৰণী স্কুল" প্ৰতিষ্ঠা কৰা হৈছিল। এই আন্দোলনৰ নেতৃবৃন্দই গঠণমূলক কার্যপন্থাও গ্ৰহণ কৰিছিল।

Created by Universal Document Converter

অসমত এই আন্দোলনৰ উল্লেখযোগ্য প্ৰভাৱ পৰিছিল। কানিৰ প্ৰচলন বন্ধ হৈছিল। কংগ্ৰেছ কৰ্মীসকলে কাণিৰ প্ৰচলন বন্ধ কৰিবৰ বাবে গ্ৰহণ কৰা কাৰ্যপন্থাৰ ফলত কানি বিক্ৰিৰ পৰা উপাৰ্জিত ৰাজহৰ পৰিমান ১৯ লাখ টকা পৰ্যন্ত কমি গৈছিল। এই আন্দোলনৰ আন এটা গঠনমূলক কাম আছিল - খাদী প্ৰচলন জনপ্ৰিয় কৰি তোলাৰ লগতে ইয়াৰ উৎপাদন বৃদ্ধি কৰা। বাগিচাৰ বনুৱাসকলেও অসহযোগ আন্দোলনলৈ পূৰ্ণ সমৰ্থন দিছিল। বৃহৎ সংখ্যক চাহ বাগিচাৰ বনুৱাই এই আন্দোলনৰ দ্বাৰা তেওঁলোকৰ ওপৰত চলা ঔপনিৱেশেক শোষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। মজুৰি বৃদ্ধিৰ দাবী জনোৱাৰ লগতে 'গান্ধী মহাৰাজৰ জয়' ধ্বনি দি তেওঁলোক বাগিচাৰ পৰা ওলাই আহিছিল। মালিক সকলে জিলা প্ৰশাসনৰ সহযোগত বল প্ৰয়োগ কৰি বনুৱাসকলক বাগিচালৈ ওভতাই নিবলৈ চেষ্টা কৰোতে বহুতো বনুৱাৰ মৃত্যু হৈছিল।

এইদৰেই অসম জাতীয় কংগ্ৰেছ কমিটিৰ নেতৃত্বত অসমে গান্ধীজীৰ আহ্বানক্ৰমে অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰিছিল।

অতিৰিক্ত চমু প্ৰশ্ন উত্তৰ ঃ

(১) কিমান চনত প্ৰথম ইংগো-ব্ৰহ্মী যুদ্ধৰ সমাপ্তি ঘটে?

উঃ ১৮২৫ চনত।

(২) কিমান চনত ভাৰতৰ শাসন বৃটিছ ৰাজমুকুটৰ অধীন হৈছিল?

উঃ ১৮৫৮ খৃঃত ইংলেণ্ডৰ ৰাণী ভিক্তোৰীয়াৰ ঘোষণা অনুসৰি।

(৩) জ্ঞান প্ৰদায়িনী সভা কেতিয়া আৰু কাৰ উদ্যোগত প্ৰতিষ্ঠা হৈছিল?

উঃ ১৮৫৭ চনত আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাৰ উদ্যোগত।

(৪) 'অসমীয়া লিটাৰেৰী ছ'চাইটী' কোনে, কেতিয়া প্ৰতিষ্ঠা কৰিছিল?

উঃ দেৱীচৰণ বৰুৱা আৰু গুণগোৰিন্দ ফুকনৰ নেতৃত্বত ১৮৭২ চনত প্ৰতিষ্ঠা কৰা হৈছিল।

(৫) অসমীয়া উন্নতি সাধিনী সভা কেতিয়া প্ৰতিষ্ঠা হৈছিল?

উঃ ১৮৮৮ চনত কলিকতাত প্ৰতিষ্ঠা কৰা হৈছিল।

(৬) জোনাকী আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

উঃ চন্দ্ৰ কুমাৰ আগৰৱালা।

(৭) জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলিলে কাক বুজায়?

উঃ জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলিলে - হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰ কুমাৰ আগৰৱালা এই তিনিজনক বুজায়।

(৮) আছাম এছ'চিয়েছন অনুষ্ঠানটো কেতিয়া জন্ম হৈছিল?

উঃ ১৯০৩ চনত।

(৯) আছাম এছ'চিয়েছনৰ প্ৰথম সভাপতি আৰু সম্পাদক কোন আছিল?

উঃ প্ৰথম সভাপতি আছিল - প্ৰভাত চন্দ্ৰ বৰুৱা আৰু সম্পাদক আছিল - মাণিক চন্দ্ৰ বৰুৱা।

(১০) ভাৰতীয় জাতীয় কংগ্ৰেছ কেতিয়া প্ৰতিষ্ঠা হৈছিল?

উঃ ১৮৮৫ চনত।

(১১) গুৱাহাটীৰ পাণ্ডুত জাতীয় কংগ্ৰেছৰ অধিৱেশন কেতিয়া অনুষ্ঠিত হৈছিল?

উঃ ১৯২৬ চনত জাতীয় কংগ্ৰেছৰ ৪১ তম বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল।

(১২) 'বন্দিনী ভাৰত' নামৰ নাটকখনৰ ৰচক কোন?

Created by Universal Document Converter

উঃ অম্বিকাগিৰী ৰায়চৌধুৰী।

(১৩) অসমৰ প্ৰথম জাতীয় শিক্ষানুষ্ঠানৰ "তিলক সোঁৱৰণী স্কুল" কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

উঃ ১৯২১ চনত গুৱাহাটীত।

ooooooooooooooooooooooo

Created by Universal Document Converter

অধ্যায় - ৫
ভাৰত আৰু উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্য

চমু প্ৰশ্নোত্তৰ (১ নম্বৰ থাকিব)

১) ডনিপ'ল উত্তৰ পূৰ্বাঞ্চলৰ কোনখন ৰাজ্যৰ জনপ্ৰিয় দেৱতা?

উঃ অৰুণাচল প্ৰদেশৰ জনপ্ৰিয় দেৱতা।

২) 'হৰ্ণবিল' উৎসৱ ক'ত উদ্‌যাপন কৰা হয়?

উঃ নগালেণ্ডত ।

৩) নগালেণ্ডৰ হৰ্ণবিল উৎসৱ কি জীৱৰ নামত উৎসৰ্গিত?

উঃ ধনেশ পক্ষী।

৪) হেৰাকা আন্দোলন কি?

উঃ স্বাধীনতা সংগ্ৰামী ৰাণী গাইডালুৱে নগালেণ্ডৰ পৰম্পৰাগত ধৰ্মবিশ্বাস তথা সংস্কৃতি সংৰক্ষণ তথা পুনৰ প্ৰৱৰ্তন কৰাৰ উদ্দেশ্যে 'হেৰাকা' নামৰ এক আন্দোলন গঢ়ি তুলিছিল।

৫) 'মিজো' শব্দৰ অৰ্থ কি?

উঃ 'মিজো' শব্দৰ অৰ্থ হ'ল - পাহাৰৰ বাসিন্দা।

৬) 'চপচৰ কূট' কোন ৰাজ্যৰ পৰম্পৰাগত উৎসৱ?

উঃ 'চপচৰ কূট' মিজোৰামৰ পৰম্পৰাগত উৎসৱ।

৭) উত্তৰ পূৰ্বাঞ্চলৰ কোনখন ৰাজ্যত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰচলিত?

উঃ মেঘালয়ত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰচলিত থকা দেখা যায়।

৮) অসমৰ প্ৰাচীন নাম কি?

উঃ প্ৰাগজ্যোতিষপুৰ।

৯) 'চৰ্যাপদ' কি?

উঃ চৰ্যাপদ হৈছে - কেইটামান সহজযান পন্থীয় গীত।

১০) চৰ্যাপদ কেতিয়া ৰচিত হৈছিল?

উঃ চৰ্যাপদ খ্ৰীষ্টিয় দশম শতিকাৰ পৰা চতুদৰ্শ শতিকাৰ ভিতৰত ৰচিত হৈছিল।

১১) মাধৱ কন্দলীয়ে কাৰ পৃষ্ঠপোষকতাত সপ্তকাণ্ড ৰামায়ণ অনুবাদ কৰিছিল?

উঃ বৰাহী ৰজা মহামাণিক্যৰ।

১২) শংকৰদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ কি?

উঃ কীৰ্তন।

১৩) অসমৰ গদ্য সাহিত্যৰ সূচনা কোনে কৰিছিল?

উঃ ভট্টদেৱ।

১৪) জিকিৰ আৰু জাৰি কোনে ৰচনা কৰিছিল?

উঃ আজানপীৰে ৰচনা কৰিছিল।

১৫) আজানপীৰ আচল নাম কি আছিল?

উঃ চাহ মিৰান।

Created by Universal Document Converter

১৬) আজানপীৰ অসমলৈ কেতিয়া আহিছিল?

উঃ আজানপীৰ স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত অসমলৈ আহিছিল।

১৭) হস্তীবিদ্যার্ণৱ পুথিখন কোনে ৰচনা কৰিছিল?

উঃ সুকুমাৰ বৰকাইথে ৰচনা কৰিছিল।

১৮) চাংৰুং ফুকনক কি দায়িত্ব অর্পণ কৰা হৈছিল?

উঃ আহোম শাসন ব্যৱস্থাত মঠ-মন্দিৰ, ৰাস্তা-ঘাট, প্ৰাসাদ, ঘৰ-দুৱাৰ আদিৰ নিৰ্মাণ কাৰ্য জোখ-মাখ আদি চোৱা-চিতা কৰিবলৈ চাংৰুং ফুকনক দায়িত্ব অর্পণ কৰা হৈছিল।

চমু উত্তৰ (২/৩ নম্বৰৰ বাবে)

১) মণিপুৰী নৃত্য কি মূল বিষয়বস্তুক আলম কৰি গঢ়ি উঠিছে?

উঃ মণিপুৰী নৃত্য চৈতন্য মহাপ্ৰভুৰ শৈশৱ, কৃষ্ণলীলা আদি বিষয়ক কেন্দ্ৰ কৰি গঢ়ি উঠিছে।

২) অসমৰ প্ৰাচীন নাম কামৰূপ আৰু প্ৰাগজ্যোতিষৰ উল্লেখ থকা তিনিখন গ্ৰন্থৰ নাম লিখা।

উঃ অসমৰ প্ৰাচীন নাম কামৰূপ আৰু প্ৰাগজ্যোতিষৰ উল্লেখ থকা তিনিখন গ্ৰন্থৰ নাম হ'ল -

(ক) ৰামায়ণ, (খ) কালিকা পূৰাণ (গ) মহাভাৰত

৩) আহোম শাসন কালত ৰচিত দুখন বুৰঞ্জীৰ নাম লিখা।

উঃ আহোম শাসন কালত ৰচিত দুখন বুৰঞ্জী হ'ল - দেওধাই বুৰঞ্জী আৰু তুংখুঙীয়া বুৰঞ্জী।

৪) হস্তীবিদ্যার্ণৱ গ্ৰন্থখনৰ চিত্ৰকাৰ দুগৰাকীৰ নাম লিখা।

উঃ দিলবৰ আৰু দোচাই।

৫) ক্ষুদ্ৰাকাৰ চিত্ৰযুক্ত অসমৰ দুখন সাঁচিপতীয়া পুথিৰ নাম লিখা।

উঃ ক্ষুদ্ৰাকাৰ চিত্ৰ যুক্ত অসমৰ দুখন সাঁচিপতীয়া পুথিৰ নাম হ'ল - আনন্দলহৰী আৰু চিত্ৰ ভাগৱত।

৬) অসমৰ মন্দিৰসমূহত দেখা পোৱা মূল নিৰ্মাণ শৈলীসমূহ কি কি?

উঃ অসমৰ মন্দিৰসমূহ সাধাৰণতে নাগৰ অথবা ৱেচৰ শৈলী বৈশিষ্ট্য যুক্ত।

৭) ব'হাগ বিহুৰ সমধৰ্মী হিচাপে নামনি অসমত উদ্‌যাপিত হোৱা দুটা স্থানীয় উৎসৱৰ নাম লিখা।

উঃ ব'হাগ বিহুৰ সমধৰ্মী হিচাপে দৰং জিলাত দেউল আৰু গোৱালপাৰা জিলাত বাঁসপূজা আদি উৎসৱ উদ্‌যাপন কৰা হয়।

৮) ৰঙালী বিহুৰ সাতদিনক কি কি নামেৰে জনা যায়?

উঃ ৰঙালী বিহুৰ সাতদিনক ক্ৰমে গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, কুটুম বিহু, চেনেহী বিহু, মেলা বিহু আৰু চেৰা বিহু বুলি কোৱা হয়।

৯) কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতৰ মূল বিষয়বস্তু কি?

উঃ কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতৰ মূল বিষয়বস্তু হ'ল - জীৱনৰ সুখ-দুখ, জীৱনত ঈশ্বৰ চিন্তাৰ গুৰুত্ব, দেহৰ ক্ষণভংগুৰতা, আৰু দেৱ-দেৱীৰ প্ৰশস্তি ইত্যাদি।

১০) দৰঙৰ দুবিধ লোক নৃত্যৰ নাম লিখা।

উঃ দৰঙৰ দুবিধ লোক নৃত্যৰ নাম হ'ল - (ক) ঢেপাঢুলীয়া নৃত্য, (খ) বৰঢুলীয়া নৃত্য।

১১) ঝুম খেতি বুলিলে কি বুজা?

উঃ পাহাৰীয়া অঞ্চলত হাবি বন কাটি জুই লগাই মাটি মুকলি কৰি পৰম্পৰাগত সা-সঁজুলীৰে যি খেতি কৰা হয়, তাকে ঝুম খেতি বুলি কোৱা হয়।

Created by Universal Document Converter

১২) ওজাপালিৰ দুটা ভাগৰ নাম লিখা।

উঃ ওজাপালিৰ দুটা ভাগৰ নাম হৈছে - (ক) ব্যাসৰ ওজা, (খ) সুকনান্নী ওজা।

১৩) ব্যাসৰ ওজা আৰু সুকনান্নী ওজা পালিৰ বিষয়বস্তু কি?

উঃ ব্যাসৰ ওজাত মূলতঃ ৰামায়ণ আৰু মহাবাৰতৰ কাহিনীক লৈ বৈষ্ণৱী গীত গোৱা হয় আৰু সুকনান্নী ওজাপালিত মনসা দেৱীৰ তুষ্টিৰ বাবে গীত গোৱা হয়।

দীঘল প্ৰশ্নোত্তৰ (৪/৫ নম্বৰৰ বাবে) ঃ

১) উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্য কেইখনৰ তুলনাত অসমত সাংস্কৃতিক বিবিধতা, সংমিশ্ৰণ আৰু বিৱৰ্তন কিয় অধিকতৰ হৈছে?

উঃ উত্তৰ-পূৰ্বাঞ্চল শব্দটোৱে সামৰি লোৱা অৰুণাচল প্ৰদেশ, নগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়, চিকিম আৰু অসম প্ৰত্যেকতে সাংস্কৃতিক বিবিধতা, সংমিশ্ৰণ আৰু বিৱৰ্তন অহৰহ ঘটিয়ে আছে। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্য কেইখনৰ তুলনাত অসমত সাংস্কৃতিক বিবিধতা, সংমিশ্ৰণ আৰু বিৱৰ্তন অধিকতৰ হোৱা পৰিলক্ষিত হয়। ইয়াৰ অন্তৰালত থকা বিভিন্ন কাৰণসমূহ হ'ল -

(ক) অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাৱঁৰা কৃষিভূমি আৰু ইয়াত উপলব্ধ প্ৰাকৃতিক সম্পদৰাজিয়ে সকলোকে বিভিন্ন সময়ত অসমৰ প্ৰতি আকৰ্ষিত কৰি আহিছে।

(খ) অসমৰ প্ৰাকৃতিক সৌন্দৰ্য তথা নিৰ্জনতা আদিৰ বাবে সুদূৰ অতীতৰ পৰা বিভিন্ন নৃগোষ্ঠীয় লোক স্বাভাৱিক প্ৰব্ৰজনকাৰী হিচাপে, আক্ৰমণকাৰী হিচাপে, ব্যৱসায় বাণিজ্য কৰিবলৈ আৰু তীৰ্থ ভ্ৰমণ, আধ্যাত্মিক সাধনা আদি বিভিন্ন উদ্দেশ্যেৰে আহি অসমত স্থায়ীভাৱে থাকিবলৈ লৈ অসমত সাংস্কৃতিক বিবিধতাৰ সৃষ্টি কৰিছে।

(গ) অসমত বাকী উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ তুলনাত সৰ্বাধিক সংখ্যক নৃগোষ্ঠীয় লোকে বসবাস কৰি থকা দেখা যায়।

(ঘ) চীন দেশৰ পৰা ৰোমান সাম্ৰাজ্যলৈ যোৱা মহাৰেচমী পথৰ এটা শাখা অসম হৈ আগবাঢ়িছিল, যাৰ ফলস্বৰূপে উত্তৰ পূৰ্বাঞ্চলৰ বাকী ৰাজ্যৰ তুলনাত অসমত অধিকতৰ ভাৱে সাংস্কৃতিক সমন্বয় ঘটিবলৈ সুবিধা পাইছিল।

২) অসমৰ চিত্ৰকলাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখা।

উঃ অসমত সপ্তদশ শতিকাৰ পৰা উত্তৰ ভা�ৰতৰ ক্ষুদ্ৰাকৃতিৰ পুথি চিত্ৰসমূহৰ আৰ্হিত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আৰু সত্ৰীয়া সৃষ্টিৰে চিত্ৰকলাৰ পৰম্পৰা আৰম্ভ হয়। সেইসময়ৰ কেইখনমান সচিত্ৰ সাঁচিপতীয়া পুথি হৈছে - আনন্দলহৰী, হস্তীবিদ্যাৰ্ণৱ, চিত্ৰ ভাগৱত, গীত গোৱিন্দ, কুমাৰ হৰণ, শংখচূড় বধ, লৱ-কুশৰ যুদ্ধ আদি।

পুথিসমূহৰ চিত্ৰ অংকণ কৰিবলৈ স্থানীয় ভাৱে আহৰণ কৰা প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰা হৈছিল। প্ৰথমতে চিত্ৰৰ পটভূমিত একোটা নিৰ্দিষ্ট ৰং বোলাই লৈ, তাৰ ওপৰত চিত্ৰসমূহ আঁকা হৈছিল। চিত্ৰসমূহত বিশেষকৈ ৰজা, ৰাজদৰবাৰ, দেৱী মূৰ্ত্তি, যুদ্ধৰ চিত্ৰ, হাতী, জীৱ-জন্তু আদি সংশ্লিষ্ট পুথিৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি আঁকা হৈছিল। খালী ঠাইবোৰত ফুল, লতা আদি আঁকি দিয়া হৈছিল।

চিত্ৰসমূহত প্ৰধানকৈ ৰঙা, সেউজীয়া, হালধীয়া আৰু ক'লা ৰঙৰ পয়োভৰ দেখা যায়। অৱশ্যে চিত্ৰসমূহত চিত্ৰ অংকণৰ সূক্ষ্ম কৌশল প্ৰয়োগ কৰাৰ দক্ষতা দেখা নাযায় যদিও চিত্ৰবোৰ দৃষ্টি নন্দন আছিল বুলি ক'ব পৰা যায়।

৩) অসমৰ বিহু উৎসৱৰ বিষয়ে চমুকৈ লিখা।

উঃ বিহু অসমৰ এক অতি আদৰৰ উৎসৱ। ব'হাগ মাহ, কাতিমাহ আৰু মাঘ মাহত ক্ৰমে ৰঙালী বিহু, কঙালী বিহু আৰু ভোগালী বিহু নামেৰে বছৰৰ তিনিটা সময়ত পৃথক নীতি নিয়মেৰে বিহু উৎসৱ পালন কৰা হয়।

চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰা ব'হাগ মাহৰ প্ৰথম ছয় দিনলৈ ব'হাগ বা ৰঙালী বিহু পালন কৰা হয়। সংক্ৰান্তিৰ

Created by Universal Document Converter

দিনটো গৰু বিহু হিচাপে উদযাপন কৰা হয়। কৃষিজীৱি সমাজৰ অতি মৰমৰ গৰুক এই দিনটোত তেল-হালধীৰে গা-পা ধুৱাই ন-পঘা দিয়া হয়। ব'হাগৰ প্রথম দিনটো মানুহ বিহু বুলি হয়। এই দিনটোত সকলোৱে নতুন কাপোৰ পৰিধান কৰি সৰুৱে ডাঙৰ চৰণ চুই আশীৰ্বাদ লয়। ইয়াৰ পিছৰ দিনকেইটা ক্রমে গোঁসাই বিহু, কুটুম বিহু, চেনেহী বিহু, মেলা বিহু আৰু চেৰা বিহু বুলি কোৱা হয়। এই সময়ছোৱাত ঘৰে ঘৰে গৈ হুঁচৰি গোৱা হয়। উজনি অসমৰ মহিলাসকলে নির্জন স্থানত গৈ পুৰুষে নেদেখাকৈ জেং বিহু পাতে।

আহিন মাহৰ শেষৰ দিনটোত কাতি বিহু পালন কৰা হয়। এই বিহুত আধ্যাত্মিক পবিত্রতাৰে তুলসী তলত আৰু ধাননি পথাৰত চাকি বত্তি জ্বলাই মংগল কামনা কৰা হয়।

মাঘ বা ভোগালী বিহুত উৰুকাৰ দিনা সমূহীয়াকৈ ভোজ-ভাতৰ আয়োজন কৰা হয়। এই বিহুত মেজি জ্বলাই অগ্নি দেৱতাৰ পৰা আশীৰ্বাদ গ্রহণ কৰে। এই সময়ছোৱাত খাদ্য সামগ্রী উভৈনদী হয় আৰু খোৱা-বোৱাৰ প্রাধান্য থকাৰ বাবে মাঘ বিহুক ভোগালী বিহু বুলি কোৱা হয়।

৪) অসমৰ ধর্মীয় বিবিধতা আৰু সংহতিৰ বিষয়ে চমুকৈ লিখা।

উঃ অসম ৰাজ্যখন বিভিন্ন সাংস্কৃতিক আৰু ধর্মীয় বৈচিত্র্যতাৰে পৰিপূর্ণ। ইয়াৰ ভিন্ন জনগোষ্ঠীয় ভিন্ ভিন্ ধর্ম অনুসৰণ কৰে। অধিকাংশ লোক হিন্দু ধর্মৰ যদিও ইছলাম, খ্রীষ্টান, জৈন বৌদ্ধ আৰু শিখ ধর্মাৱলম্বী লোকেও অসমৰ বিভিন্ন ঠাইত বসবাস কৰি থকা দেখা যায়।

অসমৰ হিন্দু ধর্মীয় লোকৰ মাজতো বিভিন্ন হিন্দু ধর্মীয় পন্থা অৱলম্বন কৰা দেখা যায়। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল শাক্ত, শৈৱ, বৈষ্ণৱ আৰু সৌৰপন্থী। অসমৰ আটাইতকৈ উল্লেখযোগ্য শক্তিপীঠ হৈছে কামৰূপত অৱস্থিত কামাখ্যা মন্দিৰ।

অসমৰ অন্য এক উল্লেখযোগ্য ভক্তিমার্গ হৈছে বৈষ্ণৱ ধর্ম। এই ভক্তিমার্গৰ প্রধান পৃষ্ঠপোষক হৈছে মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ আৰু মাধৱদেৱ। অসমৰ এক বৃহৎ সংখ্যক লোকে বৈষ্ণৱ ধর্ম অৱলম্বন কৰে।

ত্রয়োদশ শতিকাৰ পৰাই অসমত ইছলাম ধর্মৰ প্রচলন আৰম্ভ হয়। সম্প্রতি অসমত ইছলাম ধর্মৰ লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। অসমৰ ইছলাম ধর্মাৱলম্বী লোকৰ এখন পবিত্র তীর্থস্থান হৈছে হাজোত অৱস্থিত পোৱামক্কা। আজানপীৰৰ দ্বাৰা ৰচিত জিকিৰ আৰু জাৰি হৈছে জনপ্রিয় ধর্মীয় গীত।

অসমত বাস কৰা অন্য এটা ধর্মীয় গোট হৈছে শিখসকল। চন্দ্রকান্ত সিংহৰ দিনতে হোৱা মানৰ অসম আক্রমণৰ সময়ত আহোম সৈন্যক সহায় কৰিবলৈ পঞ্জাৱৰ ৰঞ্জীত সিংহৰ নির্দেশক্রমে এটা শিখ সৈন্যদল অসমলৈ আহিছিল। ইয়াৰে কিছু অংশই অসমত নিগাজিকৈ বসতি স্থাপনেৰে অসমত শিখ ধর্মৰ ভেটি স্থাপন কৰে।

৫) উত্তৰ পূর্বাঞ্চলৰ ধর্মীয় বাতাবৰণৰ বিষয়ে চমু বর্ণনা দিয়া।

উঃ উত্তৰ পূর্বাঞ্চলৰ প্রায় কেইখন ৰাজ্যতে অতি প্রাচীন কালৰে পৰাই হিন্দু ধর্মই প্রসাৰ লাভ কৰা দেখিবলৈ পোৱা যায়। অৱশ্যে মন কৰিবলগীয়া যে পাহাৰীয়া জনজাতিসকলৰ মাজত এতিয়াও প্রকৃতি প্রাণবাদী তথা ৰীতি-নীতি সমান্তৰালভাৱে চলি থকা দেখা যায়।

অৰুণাচল প্রদেশত বহুসংখ্যক লোক হিন্দু, খ্রীষ্টান তথা বৌদ্ধ ধর্মাৱলম্বী যদিও বিভিন্ন স্থানীয় দেৱ-দেৱীৰ লগতে ড'নিপ'ল অর্থাৎ চন্দ্র-সূর্যকো উপাসনা কৰা দেখা যায়।

নগালেণ্ডত সম্প্রতি নগালেণ্ড চৰকাৰে 'হর্ণবিল' নামেৰে এক উৎসৱ য'ত ধনেশ পক্ষীক ত্রাণকর্তা জীৱ হিচাপে উপাসনা কৰা হয়, উদ্‌যাপিত কৰি আহিছে। নগালেণ্ডৰ এই উৎসৱত সকলো নগাগোষ্ঠীৰ লোকে অংশগ্রহণ কৰে।

মণিপুৰৰ মেইটেই সম্প্রদায়টোৰ অধিকাংশ লোক চৈতন্যপন্থী বৈষ্ণৱ ধর্মাৱলম্বী। বৈষ্ণৱ ধর্মৰ দ্বাৰা প্রভাৱিত গীত, বাদ্য আৰু নৃত্য এওঁলোকৰ মাজত দেখা যায়। চৈতন্য মহাপ্রভুৰ শৈশৱ, কৃষ্ণলীলা আদিৰ আলমত গঢ়ি উঠা মণিপুৰী নৃত্য ভাৰতৰ সংগীত নাটক অকাডেমীৰ দ্বাৰা স্বীকৃত প্রাপ্ত এটা ধ্রুপদী নৃত্য।

Created by Universal Document Converter

ত্রিপুৰাৰ অধিকাংশ লোকেই হিন্দু ধর্মাৱলম্বী আৰু বংগীয় সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত। বিভিন্ন জনগোষ্ঠীয় উপাদানেৰে ত্রিপুৰাত এক সংমিশ্রিত সংস্কৃতি দেখা যায়।

মেঘালয়ৰ পূৰ্বৰ প্ৰকৃতি প্ৰাণবাদী উপাসকসকলৰ সৰহ সংখ্যকেই বৰ্তমান খ্ৰীষ্টান ধর্মাৱলম্বী। মিজোৰামৰ গৰিষ্ঠ সংখ্যক লোকেই খ্ৰীষ্টান ধর্মাৱলম্বীৰ লগতে কিছু সংখ্যক বৌদ্ধ আৰু হিন্দু ধর্মাৱলম্বী লোকো আছে। গতিকে দেখা গ'ল পূৰ্বৰ প্ৰকৃতি প্ৰাণবাদী উপাসকসকলে সময়ৰ সোঁতত বিভিন্ন ধর্মলৈ ধর্মান্তৰিত হ'লেও নিজা নিজা কৃষ্টি-সংস্কৃতি অক্ষুন্ন ৰাখিছে।

৬) উত্তৰ পূৰ্বাঞ্চলৰ এক উমৈহতীয়া সুকীয়া পৰিচয় কেনেকৈ সৃষ্টি হৈছে?

উঃ ভাৰতবর্ষৰ উত্তৰ-পূবত থকা অসম, মণিপুৰ, নগালেণ্ড, মিজোৰাম, ত্রিপুৰা, অৰুণাচল, মেঘালয় আৰু ছিক্কিমক লৈ উত্তৰ-পূৰ্বাঞ্চল গঠিত হৈছে। এই সমগ্ৰ অঞ্চলটোৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্যৰ বাবে অঞ্চলটোৱে এক উমৈহতীয়া পৰিচয় লাভ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলে এক উমৈহতীয়া পৰিচয় লাভ কৰাৰ মূলতে হ'ল ইয়াৰ ভৌগোলিক অৱস্থিতি। উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যই পাহাৰীয়া। ব্রহ্মপুত্র আৰু বৰাক নদীৰ উপত্যকাই সৃষ্টি কৰা সমতল অংশ মাজভাগত লৈ অসমখনক উত্তৰ, পূব আৰু দক্ষিণ দিশত আন ৰাজ্য কেইখনে আৱৰি আছে। ইয়াৰ উপৰিও অসমকে ধৰি আটাইকেইখন ৰাজ্যৰ চাৰিওফালে আগুৰি আছে চীন, ম্যানমাৰ আৰু বাংলাদেশে। অসমেই হ'ল চাৰিওফালে থকা ৰাজ্য কেইখনৰ কেন্দ্রস্থল।

ইয়াৰ উপৰিও খৃষ্টীয় চতুর্থ শতিকাত অসমত বর্মন বংশৰ প্রতিষ্ঠা হোৱাৰে পৰা পাহাৰ-ভৈয়ামৰ লোকসকলৰ মাজত বৈবাহিক সম্পর্ক স্থাপনেৰে এক উমৈহতীয়া পৰিচয় গঢ়ি উঠে।

ooooooooooooooooo

Created by Universal Document Converter

ভূগোল খণ্ড

Created by Universal Document Converter

অধ্যায় - ১
অর্থনৈতিক ভূগোল - বিষয়বস্তু আৰু সম্পদ

১) অর্থনৈতিক ভূগোল কাক বোলে? ১

উঃ ভূগোলৰ যিটো শাখাত সম্পদৰ উৎপাদন, বিতৰণ, উপভোগ, বিনিময় আৰু ইয়াৰ লগত জড়িত মানুহৰ কার্যকলাপসমূহ স্থান আৰু কাল সাপেক্ষে অধ্যয়ন কৰা হয়, তাকে অর্থনৈতিক ভূগোল বোলা হয়।

২) মানুহৰ জীৱন প্রণালী আৰু অর্থনৈতিক কার্যকলাপ সকলো ঠাইতে একে নহয় কিয়? ১

উঃ ভূ-পৃষ্ঠৰ প্রাকৃতিক আৰু মানৱসৃষ্ট পৰিৱেশৰ উপাদানবোৰৰ বিভিন্নতা কাৰণে মানুহৰ জীৱন-প্রণালী আৰু অর্থনৈতিক কার্যকলাপ সকলো ঠাইতে একে নহয়।

৩) আধুনিক অর্থনৈতিক ভূগোলৰ পিতৃস্বৰূপ কাক কোৱা হয়? ১

উঃ জর্জ ছিজহ'মক আধুনিক অর্থনৈতিক ভূগোলৰ পিতৃস্বৰূপ কোৱা হয়।

৪) সম্পদ কাক বোলে? ১

উঃ মানুহৰ জীৱন ধাৰণৰ বাবে প্রয়োজনীয় সকলোবোৰ বস্তুকেই সম্পদ বোলা হয়।

৫) অর্থনীতিবিদ জিম্মাৰমানৰ মতে সম্পদৰ গুণ দুটা কি? ২

উঃ বস্তুটোৰ কার্যকাৰিতা আৰু উপকাৰিতা।

৬) মানুহ সম্পদৰ লগত কি হিচাপে জড়িত? ২

উঃ মানুহৰ সম্পদৰ লগত দুই ধৰণে জড়িত -

(ক) সম্পদৰ উৎপাদক হিচাপে

(খ) সম্পদৰ উপভোক্তা হিচাপে।

৭) নিৰপেক্ষ বা নিষ্ক্রিয় সামগ্রী কাক বোলে? ১

উঃ যিবিলাক সামগ্রীয়ে মানুহৰ কোনোধৰণে উপকাৰ বা অপকাৰ সাধন নকৰে সেইবোৰক নিৰপেক্ষ বা নিষ্ক্রিয় সামগ্রী বোলা হয়।

৮) প্রতিৰোধক সামগ্রী কাক বোলে? ১

উঃ যিবিলাক সামগ্রীৰ বা পৰিঘটনাই মানুহৰ অপকাৰ সাধন কৰে, তেনে সামগ্রীক প্রতিৰোধক বোলা হয়।

৯) সম্পত্তি কাক বোলে? ১

উঃ অর্থনীতিৰ সূত্র অনুযায়ী যিবিলাক বিনিময় মূল্য আছে। সেইবিলাকক সম্পত্তি বোলা হয়।

১০) জীৱীয় আৰু অজীৱীয় সম্পদ কাক বোলে? ২

উঃ প্রাকৃতিক গঠন অনুসৰি যিবিলাক সম্পদৰ জীৱীয় সম্পদ বোলা হয়। যেনে - উদ্ভিদ, প্রাণী, শস্য ইত্যাদি। অন্যহাতে যিবিলাক সম্পদ নির্জীৱ সেইবোৰক অজীৱীয় সম্পদ বোলে। যেনে - মাটি, পানী, বায়ু ইত্যাদি।

১১) নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদ কাক বোলে? ২

উঃ যিবোৰ সম্পদ অনবৰত ব্যৱহাৰ কৰি থকাৰ পিছতো নবীকৰণ প্রক্রিয়াৰে নিঃশেষ নোহোৱাকৈ ৰাখিব পাৰি। তেনে সম্পদক নবীকৰণযোগ্য বা পুনঃ পূর্ণীকৃত বা পুনঃ সৃষ্টিক্রম সম্পদ বোলা হয়। যেনে - সূর্যৰ ৰশ্মি, বায়ু, পানী ইত্যাদি। অন্যহাতে, যিবোৰ সম্পদ ব্যৱহাৰৰ পিছত নবীকৰণ কৰিব নোৱাৰি আৰু একেবাৰে নিঃশেষ হৈ যায় সেইবোৰক অনবীকৰণযোগ্য সম্পদ বোলে। যেনে - কয়লা, খনিজ তেল ইত্যাদি।

Created by Universal Document Converter

১২) ব্যক্তিগত সম্পদ কাক বোলে? ২

উঃ মানুহৰ নিজ নিজ দখল বা অধিকাৰত থকা ভূমি, সা-সম্পত্তি আৰু নিজা ভাল গুণ যেনে - ভাল চৰিত্ৰ, শিক্ষা, কৰ্মদক্ষতা আদিক ব্যক্তিগত সম্পদ বোলা হয়।

১৩) জাতীয় সম্পদ কাক বোলে? ২

উঃ এখন দেশৰ তত্ত্বাৱধানত থকা সম্পদ যেনে - ৰাস্তা-ঘাট, নদী, দলং, শিক্ষানুষ্ঠান, অভয়াৰণ্য আদিক জাতীয় সম্পদ বোলা হয়। উদাহৰণস্বৰূপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান।

১৪) আন্তর্জাতিক সম্পদ কাক বোলে? ২

উঃ বিশ্বৰ সকলো দেশৰ জাতীয় সম্পদ আৰু সমগ্ৰ বিশ্বৰ অধীনত থকা সম্পদ যেনে - সাগৰ-মহাসাগৰ, খনিজ সম্পদ, বায়ুমণ্ডল, জীৱ-জন্তু আদিক একেলগে আন্তর্জাতিক বা বিশ্ব সম্পদ বোলা হয়।

১৫) স্থানিক সম্পদ কাক বোলে? ২

উঃ যিবিলাক প্ৰাকৃতিক সম্পদ পৃথিৱীৰ কিছুমান বিশেষ স্থানতহে উপলভ্য তেনে সম্পদবোৰক স্থানিক সম্পদ বোলা হয়। যেনে - কয়লা, লো, পেট্ৰ'লিয়াম ইত্যাদি।

১৬) সম্পদ সংৰক্ষণ কাক বোলে? ২

উঃ সম্পদৰ কোনোধৰণৰ বিনাশ আৰু অপব্যৱহাৰ নোহোৱাকৈ সম্ভাব্যপূৰ্ণ ব্যৱহাৰ কৰা কাৰ্য তথা ধাৰণাকে সম্পদ সংৰক্ষণ বোলা হয়।

১৭) IUCN ৰ সম্পূৰ্ণ অৰ্থ কি? ২

উঃ International Union for Conservation of Nature. (আন্তৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা)।

১৮) বিশ্ব পৰিৱেশ দিৱস কোন তাৰিখে পালন কৰা হয়? ১

উঃ ৫ জুন তাৰিখে।

১৯) IUCN সংস্থাটোৰ মূল উদ্দেশ্য কি? ২

উঃ বিশ্বৰ প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ তথা জৈৱ-বৈচিত্ৰ সম্পৰ্কে অধ্যয়ন, গৱেষণা আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ খৰা।

২০) সম্পদ সংৰক্ষণ ফলপ্ৰসূ কৰিবলৈ কি কি ব্যৱস্থা লোৱা প্ৰয়োজন? ৩

উঃ (ক) বিকল্প সম্পদৰ সন্ধান (খ) পুনৰাবৰ্তন (গ) অভিযোজন (ঘ) বৰ্জিত দ্ৰব্যৰ পৰিমাণ হ্ৰাস (ঙ) জ্ঞান আৰু শিক্ষাৰ সম্প্ৰসাৰণ (চ) সংৰক্ষণ সম্পৰ্কীয় আইনৰ কাৰ্যকৰীকৰণ ইত্যাদি।

২১) সম্পদ সংৰক্ষণ বুলিলে কি বুজায়? ইয়াৰ প্ৰয়োজনীয়তা কি? ১+৩=৪

উঃ সাধাৰণতে কোনো ধৰণৰ বিনাশ আৰু অপব্যৱহাৰ নোহোৱাকৈ সম্পদৰ সম্ভাব্য পূৰণ ব্যৱহাৰ কৰা কাৰ্য তথা ধাৰণাকে সম্পদ সংৰক্ষণ বোলা হয়। অৰ্থাৎ সম্পদ সংৰক্ষণৰ অৰ্থ হ'ল আমি প্ৰকৃতিৰ পৰা আমাৰ প্ৰয়োজনীয় সম্পদবোৰ এনেদৰে আহৰণ কৰি ব্যৱহাৰ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা আমি সকলোৱে বহু সময় ধৰি উপকৃত হওঁ।

বৰ্তমান সময়ত সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তা সমগ্ৰ বিশ্বৰ বাবে এটা চৰচাৰ বিষয় হৈ পৰিছে। সম্পদসমূহ বিশেষকৈ প্ৰাকৃতিক সম্পদ পৃথিৱীৰ সকলো ঠাইতে সমানে পোৱা নাযায়। ইয়াৰ বহু প্ৰাকৃতিক সম্পদ আকৌ অনবীকৰণযোগ্য বা ক্ষয়শীল অৰ্থাৎ সীমিত। জনসংখ্যা বৃদ্ধিকে আদি কৰি মানৱ সভ্যতাৰ বিকাশৰ লগে লগে এনেবোৰ প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ সমগ্ৰ পৃথিৱীতে দ্ৰুতগতিত বৃদ্ধি পাইছে। এনে পৰিস্থিতিৰ বাবে সমগ্ৰ বিশ্বতে প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন হৈ পৰিছে।

উন্নত দেশবোৰত উচ্চ মাত্ৰাত হোৱা প্ৰাকৃতিক সম্পদৰ ব্যৱহৰ আৰু উন্নয়নশীল দেশবোৰত জনবিস্ফোৰণৰ

Created by Universal Document Converter

ফলত বৃদ্ধি পোৱা প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰে সমগ্ৰ বিশ্বজুৰি বহু প্ৰাকৃতিক সম্পদ বিশেষকৈ অনবীকৰণযোগ্য সম্পদ নিঃশেষ হৈ যোৱাৰ এক ভয়াৱহ ইংগিত দিছে। এনে পৰিস্থিতিৰ পৰা হাত হাৰিবলৈ এক উপায় হিচাপে সমগ্ৰ বিশ্বতে সমগ্ৰ সংৰক্ষণৰ কাৰ্যসূচী হাতত হোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

প্ৰাকৃতিক সম্পদৰ উদঘাটন আৰু ব্যৱহাৰে প্ৰাকৃতিক পৰিৱেশৰ অৱস্থাত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে, এনে পৰিস্থিতিৰ বাবেই সমগ্ৰ বিশ্বতে সম্পদৰ সংৰক্ষণ আৰু ইয়াৰ যুক্তিপূৰ্ণ ব্যৱহাৰ অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। অন্যথা এই পৃথিৱীত মানুহ আৰু মানৱ সভ্যতা বৰ্তি থকাটো টান হৈ পৰিব। সেয়ে সম্প্ৰতি প্ৰকৃতি সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে।

২২) সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা আৰু সেইবোৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা। ৪

উঃ সমগ্ৰ বিশ্বজুৰি দেখা দিয়া দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু প্ৰাকৃতিক পৰিৱেশৰ সমস্যা তথা বহু প্ৰাকৃতিক সম্পদ নিঃশেষ হ'বলৈ ধৰা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ বিশ্বতে বিভিন্ন পৰ্য্যায়ত পৰিৱেশ সুৰক্ষা আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বিশ্বৰ প্ৰাকৃতিক পৰিৱেশৰ সমস্যা তথা প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ কাৰ্য্য সম্পাদনৰ বাবে আন্তঃৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় আঞ্চলিক তথা স্থানীয় পৰ্য্যায়ত বহু চৰকাৰী-বেচৰকাৰী সংস্থা আৰু সংগঠনৰ জন্ম হৈছে। এই ক্ষেত্ৰত ৰাষ্ট্ৰ সংঘৰ অন্তৰ্গত আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা (IUCN) বিশেষভাৱে উল্লেখযোগ্য। ১৯৪৮ চনতে UNESCO অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ প্ৰথম সঞ্চালকপ্ৰধান জুলিয়ান হাক্সলেৰ (বৃটিছ জীৱবিজ্ঞানী) প্ৰচেষ্টাত ফ্ৰান্সত IUCN প্ৰতিষ্ঠিত হৈছিল। এই সংস্থাটোৰ মূল উদ্দেশ্য হৈছে সমগ্ৰ বিশ্বৰ প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ তথা জৈৱ বৈচিত্ৰ সম্পৰ্কে অধ্যয়ন, গৱেষণা আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা। IUCN ৰ নেতৃত্বতে WWF for Nature ()World Wide Fund for Nature) আৰু বিশ্ব সংৰক্ষণ নিৰীক্ষণ কেন্দ্ৰৰ (World Conservation Monitoring Centre) স্থাপিত হৈছে। এইদৰে বিশেষ জীৱ-জন্তু আৰু উদ্ভিদ শ্ৰেণী তথা সামগ্ৰিকভাৱে প্ৰাকৃতিক পৰিৱেশৰ সংৰক্ষণৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বহু সংস্থা-সংগঠনে কাম কৰি আছে।

ভাৰতবৰ্ষত এনে কাৰ্যৰ বাবে চৰকাৰীভাৱে পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন নামেৰে এটি মন্ত্ৰণালয় গঠন কৰা হৈছে। এনে চৰকাৰী সংস্থাই প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষা সম্পকীয় আইনো প্ৰণয়ন কৰে। এই মন্ত্ৰণালয়ৰ অন্তৰ্গত স্বতন্ত্ৰভাৱে ১৯৮৬ চনত ভাৰতীয় বন গৱেষণা আৰু শিক্ষা সংস্থা গঠন কৰা হৈছে। ইয়াৰ উপৰি বেচৰকাৰীভাৱে বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰ, গ্ৰীণপিচ ইণ্ডিয়া (Greenpeace India), ৱাইল্ড লাইফ ট্ৰাষ্ট অব্ ইণ্ডিয়া (Wildlife Trust of India) আদিৰ দৰে বহু সংগঠনে পৰিৱেশ সুৰক্ষাৰ বাবে অজস্ৰ কাম কৰি আছে. অসমতো অসম বিজ্ঞান সমিতি, আৰণ্যকৰ দৰে কেইবাটাও বেচৰকাৰী সংগঠনে পৰিৱেশ সুৰক্ষা, জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আদিৰ বাবে কাম-কাজ কৰি আছে। ৰাষ্ট্ৰ সংঘৰ আহ্বানত সাধাৰণ মানুহৰ মাজত পৰিৱেশ সম্প্ৰকীয় সজাগতা বৃদ্ধিৰ বাবে সমগ্ৰ বিশ্বজুৰি প্ৰতি বছৰে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰি অহা হৈছে।

২৩) সম্পদ আৰু সম্পত্তিৰ মাজৰ পাৰ্থক্য কি? ২

Ans : সম্পদ আৰু সম্পত্তিৰ মাজৰ উল্লেখযোগ্য পাৰ্থক্য কেইটা হ'ল -

(ক) সম্পত্তি হস্তান্তৰযোগ্য কিন্তু সকলো সম্পদ হস্তান্তৰযোগ্য নহয়। উদাহৰণস্বৰূপে সূৰ্যৰ ৰশ্মি, বায়ু আদি সম্পদক হস্তান্তৰ কৰিব নোৱাৰি।

(খ) সাধাৰণতে সকলোবোৰ সম্পত্তিয়েই সম্পদ কিন্তু সকলো সম্পদ সম্পত্তি নহ'বও পাৰে। অৱশ্যে মানুহৰ বাবে অপকাৰী দ্ৰব্য যেনে বিষ, কীটনাশক দ্ৰব্য আদি সম্পত্তি হ'লেও সম্পদ নহয়।

Created by Universal Document Converter

২৪) নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ মাজৰ পার্থক্য লিখা। ২

Ans : নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ মাজৰ পার্থক্য হ'ল -

(ক) যিবোৰ সম্পদ পৃথিৱীৰ পৰা একেবাৰে নিঃশেষ হৈ নাযায় তেনে সম্পদ নবীকৰণযোগ্য আনহাতে যিবোৰ সম্পদ ব্যৱহাৰৰ ক্রমে নিঃশেষ হৈ যায়, তেনে সম্পদক অনবীকৰণযোগ্য বোলা হয়।

(খ) নবীকৰণযোগ্য সম্পদবোৰ পুনঃপুনৰ্নীকৃত বা পুনঃসৃষ্টিক্ষম কিন্তু অনবীকৰণযোগ্য সম্পদ পুনঃসৃষ্টিক্ষম নহয়। উদাহৰণস্বৰূপে সূৰ্যৰ ৰশ্মি, বায়ু, গছ-গছনি আদি নবীকৰণযোগ্য আৰু কয়লা, খনিজ পদার্থ আদি অনবীকৰণযোগ্য।

Created by Universal Document Converter

অধ্যায় - ২
পৰিৱেশ আৰু পৰিৱেশৰ সমস্যা

(ক) অতি চমু প্ৰশ্নাৱলী ঃ

শুদ্ধ উত্তৰটো বাচি উলিওৱা -

(১) সেউজগৃহ গেছবোৰৰ ভিতৰত তলৰ কোনটো গেছ গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে দায়ী - ১

(ক)অক্সিজেন (খ) কাৰ্বন ডাই অক্সাইড (গ) নাইট্ৰ'জেন (ঘ) আৰ্গন

উঃ কাৰ্বন ডাই অক্সাইড।

(২) এছিড বৰষুণৰ সৃষ্টি হয় - ১

(ক) মেৰু অঞ্চলত (খ) অৰণ্য অঞ্চলত (গ) উদ্যোগিক অঞ্চলত (ঘ) ঘাঁহনি অঞ্চলত

উঃ উদ্যোগিক অঞ্চলত।

(৩) বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইডৰ পৰিমান কিমান - ১

(ক) ০.০০৩৫% (খ) ০.০৩৫% (গ) ৩.৩৫% (ঘ) ০.৩৫%

উঃ ০.০৩৫%

(৪) পিটাৰ হেগেট এজন ---

(ক)বতৰ বিজ্ঞানী (খ) ভূগোল বিজ্ঞানী (গ) ভূ বিদ (ঘ) পৰিৱেশ বিজ্ঞানী

উঃ ভূগোল বিজ্ঞানী।

(৫) স্থলমণ্ডলে ভূপৃষ্ঠৰ কিমান শতাংশ আগুৰি আছে - ১

(ক)৭১% (খ) ২৯% (গ) ৫০% (ঘ) ৩০%

উঃ ২৯% ।

(৬) জলমণ্ডলে ভূপৃষ্ঠৰ কিমান শতাংশ আগুৰি আছে - ১

(ক)৭১% (খ) ২৯% (গ) ৫০% (ঘ) ৩০%

উঃ ৭১% ।

(৭) ভূপৃষ্ঠৰ পৰা কিমান কিলোমিটাৰ উচ্চতালৈকে বায়ুমণ্ডল প্ৰসাৰিত হৈ আছে - ১

(ক) ৫০কি.মি. (খ) ১০,০০০ কি.মি. (গ) ৭১ কি.মি. (ঘ) ২০ কি.মি.

উঃ ১০,০০০ কি.মি.।

(৮) মাউণ্ট পিনাটুবু আগ্নেয়গিৰি অৱস্থিতি - ১

(ক)ফিলিপিনচত (খ) ভাৰতবৰ্ষত (গ) চীনত (ঘ) নেপালত

উঃ ফিলিপিনচত।

(৯) গোলকীয় উত্তাপ বৃদ্ধি এটা - ১

(ক) স্থানীয় সমস্যা (খ) আঞ্চলিক সমস্যা (গ) আন্তঃৰাষ্ট্ৰীয় সমস্যা (ঘ) ব্যক্তিগত সমস্যা

উঃ আন্তৰাষ্ট্ৰীয় সমস্যা।

(১০) এছিড বৰষুণৰ কাৰক গেছ দুটা হ'ল -

(ক) অক্সিজেন ডাই অক্সাইড আৰু ছালফাৰ ডাই অক্সাইড।

(খ) অক্সিজেন আৰু নাইট্ৰজেন।

(গ) কাৰ্বন ডাই অক্সাইড আৰু ছালফাৰ ডাই অক্সাইড।

Created by Universal Document Converter

(ঘ) ছালফাৰ ডাই অক্সাইড আৰু নাইট্ৰ'জেন ডাই অক্সাইড।

উঃ ছালফাৰ ডাই অক্সাইড আৰু নাইট্ৰ'জেন ডাই অক্সাইড।

(খ) চমু প্ৰশ্নাৱলী ঃ

(১) পৃথিৱীৰ পৰিৱেশৰ প্ৰধান মণ্ডল চাৰিটাৰ মাজৰ সম্বন্ধৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২

উঃ পৃথিৱীৰ পৰিৱেশৰ চাৰিটা মণ্ডলে পৰিৱেশ নিৰূপন কৰে। সেই কেইটা হ'ল - (ক) স্থলমণ্ডল (খ) জলমণ্ডল (গ) বায়ুমণ্ডল আৰু (ঘ) জীৱমণ্ডল। এই চাৰিটা মণ্ডলৰ পাৰস্পৰিক সম্পৰ্কৰ যোগেদি সম্পৰ্কিত হৈ আছে। এই সম্পৰ্কৰ মাধ্যমেদিয়েই পৃথিৱীৰ পৰিৱেশৰ সৃষ্টি হৈছে। শিল, বালি, মাটি, মণিক আদিৰ দ্বাৰা গঠিত পৃথিৱীৰ স্থলভাগকে স্থলমণ্ডল বোলা হয়। স্থলমণ্ডলৰ গুনাগুণ আৰু পৰিৱৰ্তন পৃথিৱীৰ পৰিৱেশতন্ত্ৰৰ অন্য তিনিটা মণ্ডলৰ ওপৰত নিৰ্ভৰশীল।

পৃথিৱীৰ সাগৰ মহাসাগৰবোৰে জলমণ্ডল গঠন কৰিছে। জলমণ্ডলৰ স্থিতি আৰু পৰিৱৰ্তন স্থলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডলৰ ওপৰত নিৰ্ভৰশীল। ভূপৃষ্ঠৰ পৰা ক্ৰমে ওপৰলৈ বিয়পি থকা অক্সিজেন, নাইট্ৰ'জেন, হাইড্ৰ'জেন, কাৰ্বন ডাই অক্সাইড, আৰ্গন আদি গেছৰ দ্বাৰা গঠিত গেছীয় তৰপটোক বায়ুমণ্ডল বোলে। বায়ুমণ্ডলৰ গুণাগুন আৰু পৰিৱৰ্তন পৰিৱেশতন্ত্ৰৰ অন্য তিনিটা মণ্ডলৰ ওপৰত নিৰ্ভৰশীল।

পৃথিৱীৰ জীৱ অৰ্থাৎ উদ্ভিদ আৰু প্ৰাণী সামৰি জীৱমণ্ডল গঠিত হৈছে। জীৱমণ্ডল পৰিৱেশৰ আনকেইটা মণ্ডলৰ ওপৰত নিৰ্ভৰশীল। এই মণ্ডলকেইটাৰ মাজত চলি থকা আন্তঃক্ৰিয়াৰ ফলতেই পৃথিৱীৰ পৰিৱেশ গঢ়ি উঠিছে।

(২) মৰুকৰণৰ প্ৰধান কাৰণসমূহ চমুকৈ লিখা। ২

উঃ মৰুকৰণ এনে এটা প্ৰক্ৰিয়া যিয়ে ভূমিৰ জৈৱিকৰ সম্ভাৱনা বা ক্ষমতা বিনষ্ট কৰি অৱশেষত মৰুসদৃশ অৱস্থাৰ সৃষ্টি কৰে। মৰুকৰণৰ প্ৰধান কাৰণসমূহ দুটা ভাগত ভাগ কৰা হৈছে। ইয়াৰে এটা প্ৰাকৃতিক কাৰক আনটো মানৱসৃষ্ট কাৰক।

প্ৰাকৃতিক কাৰকৰ ভিতৰত খৰাং বতৰ গোলকীয় উত্তাপ বৃদ্ধিয়েই প্ৰধান। বৃষ্টিপাতৰ অভাৱত মৰুভূমিত খৰাং অৱস্থাৰ সৃষ্টি হয়। গোলকীয় উত্তাপ বৃদ্ধিয়ে মৰুকৰণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰে। বৰ্তমান আগৰ অধঃমৰু অঞ্চলসমূহ মৰুভূমিলৈ পৰিৱৰ্তন হোৱা দেখা গৈছে।

মানৱসৃষ্ট কাৰকৰ ভিতৰত অত্যাধিক পশুচাৰণ, কৃষিৰ প্ৰসাৰ আৰু বননি ধ্বংসই প্ৰধান। বৰ্তমান সময়ত দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে মৰু আৰু মৰুপ্ৰায় অঞ্চলবোৰত মানুহৰ হেঁচা বঢ়াইছে আৰু মৰুভূমিৰ প্ৰসাৰ ঘটাত এই হেঁচাই যথেষ্ট সহায় কৰিছে।

(৩) পানী প্ৰদূষণ কেনেকৈ হয়? ২

উঃ পানীৰ লগত কোনো ৰাসায়নিক পদাৰ্থ, অনুজীৱ, বিকিৰণ আদি মিহলি হৈ পানীৰ স্বাভাৱিক গুণৰ পৰিৱৰ্তন ঘটায়। সাধাৰণতে পানীৰ উৎসত মানুহৰ বসতি, উদ্যোগ, কৃষি আদি থাকিলে তাৰ পৰা নিৰ্গত অপদ্ৰব্য পানীত মিহলি হৈ পানী প্ৰদূষিত কৰে।

উদ্যোগিক আৰ্বজনা আৰু নগৰৰ পেলনীয়া পদাৰ্থই নগৰ অঞ্চলৰ মাজেদি বা কাষেদি প্ৰৱাহিত নদ-নদীৰ পানী প্ৰদূষিত কৰে। উত্তৰ ভাৰতৰ মাজেদি বৈ যোৱা গংগা নদীক এই ক্ষেত্ৰত বিশেষ উদাহৰণ হিচাবে ল'ব পাৰি।

এই নদীৰ পাৰত অৱস্থিত ডাঙৰ-ডাঙৰ নগৰ-মহানগৰ আৰু উদ্যোগবোৰে সেইবোৰত উৎপন্ন হোৱা আৰ্বজনা আৰু অপদ্ৰব্যবোৰ নদীখনত পেলাই অহাৰ ফলত গংগা নদীৰ পানী বৰ্তমান বেয়াকৈ প্ৰদূষিত হৈছে। বৃহত উদ্যোগিক অঞ্চলৰ আশে-পাশে থকা জলাশয়ৰ পানীভাগত এছিডৰ পৰিমান বৃদ্ধি পালেও পানী প্ৰদূষিত হয়।

সাগৰ-মহাসাগৰত তৈলবাহী জাহাজ দুৰ্ঘটনাগ্ৰস্ত হ'লেও সাগৰৰ পানী প্ৰদূষিত হয়।

Created by Universal Document Converter

(৪) প্রদূষণ কি? বায়ু কেনেকৈ প্রদূষিত হয় লিখা। ১+২=৩

উঃ অনিষ্টকাৰী দ্রব্যই পৰিৱেশ বিনষ্ট কৰা প্রক্রিয়াকে সহজ অর্থত প্রদূষণ বোলে। বায়ু দূষিতকাৰী প্রাকৃতিক কাৰকৰ ভিতৰত আগ্নেয়গিৰি উদ্‌গি�ৰণেই প্রধান। আগ্নেয়গিৰি উদগিৰণৰ সময়ত নির্গত হোৱা ধোৱা, ছাঁই আৰু গেছীয়া পদার্থই বায়ু প্রদূষিত কৰে। পৃথিৱীৰ বিশেষ কিছুমান অঞ্চলত প্রায়ে সংঘটিত বনজুয়ে বায়ুমণ্ডল দূষিত কৰে।

মানৱসৃষ্ট কাৰকৰ ভিতৰত শিল্প উদ্যোগৰ প্রসাৰ, নগৰীকৰণ, যান বাহনৰ বর্ধিত ব্যৱহাৰ, আনৱিক বিস্ফোৰণ আদি উল্লেখযোগ্য। বর্ধিত হাৰত হোৱা জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰৰ ফলত বায়ুমণ্ডলত কার্বন মন অক্সাইড, নাইট্রে'জেন ডাই অক্সাইড, হাইড্রকার্বন, ছালফাৰ ডাই অক্সাইড আদি বিষাক্ত গেছ সংযোগ কৰে। এইবোৰ গেছে বায়ুমণ্ডল প্রদূষিত কৰে।

(৫) গোলকীয় উত্তাপ বৃদ্ধিৰ তিনিটা ফলাফল লিখা। ৩

উঃ গোলকীয় উত্তাপ বৃদ্ধিৰ তিনিটা ফলাফল তলত উল্লেখ কৰা হ'ল -

(ক) গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত মেৰু অঞ্চলৰ বিশাল বৰফ স্তুপবোৰ গলিবলৈ ধৰিছে। অনুমান কৰা হৈছে যে বায়ুমণ্ডলৰ উত্তাপ ২-৩ ডিগ্রী ছেলছিয়াছ বৃদ্ধি পালে উত্তৰ আৰু দক্ষিণ মেৰুত জমা হৈ থকা বৰফবোৰ গলিব আৰু ইয়াৰ ফলত সাগৰ মহাসাগৰত পানীৰ পৰিমান বৃদ্ধি পাব। সমুদ্রপৃষ্ঠ ক্রমে ওপৰলৈ উঠি আহিব।

(খ) গোলকীয় উত্তাপ বৃদ্ধিৰ পোনপটীয়া ফলাফল হ'ব কৃষিৰ ব্যাপক পৰিবর্তন, বহু ঠাইত শস্যৰ উৎপাদন হ্রাস আৰু দুর্ভিক্ষ। উত্তাপ বৃদ্ধিয়ে শুকান পৰিৱেশৰ সৃষ্টি কৰি শস্যৰ উৎপাদন বেয়াকৈ হ্রাস কৰিছে।

(গ) বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধিয়ে উদ্ভিদজগতৰ ওপৰত প্রত্যক্ষ প্রভাৱ পেলাইছে। ভূপৃষ্ঠত উদ্ভিদৰ যি বিতৰণ তাৰ লক্ষণীয় পৰিৱর্তন ঘটিছে। বিশেষকৈ মৰুভূমিৰ কাষৰীয়া এলেকাবোৰত উদ্ভিদৰ পৰিমান হ্রাস পাইছে।

(৬) গোলকীয় উত্তাপ বৃদ্ধি কি? গোলকীয় উত্তাপ বৃদ্ধি কি দৰে ৰোধ কৰিব পাৰি? ১+৩=৪

উঃ বর্তমানৰ যিবোৰ পৰিৱেশিক সমস্যাই মানৱজাতিক অতি উদ্বিগ্ন আৰু শংকিত কৰি তুলিছে। তাৰ ভিতৰত বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধি সমস্যাটোক সর্বপ্রধান বুলি ক'ব পাৰি। বিশেষকৈ মানুহৰ প্রকৃতিবিৰোধী কার্যাৱলীৰ ফলত বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধি ঘটা পৰিঘটনাটোকে সামগ্রিকভাৱে গোলকীয় উত্তাপ বৃদ্ধি বোলা হয়।

গোলকীয় উত্তাপ বৃদ্ধি ৰোধৰ বাবে ল'ব পৰা পদক্ষেপবোৰ তলত উল্লেখ কৰা হ'ল -

(ক) গোলকীয় উত্তাপ বৃদ্ধিৰ পৰা হ'ব পৰা সমস্যা আৰু এইবোৰ প্রতিৰোধৰ বাবে প্রতিজন জনগন সজাগ আৰু সচেতন হ'ব লাগিব।

(খ) বননি ধ্বংসৰ পৰিমান ৰোধ কৰি গছ-গছনি ৰোপনৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব।

(গ) পৰিৱেশ সংৰক্ষণৰ বাবে চৰকাৰে কিছুমান ব্যৱস্থা গ্রহণ কৰিব লাগিব যাতে সেউজগৃহ গেছবোৰ সমতুল্য অৱস্থাত থাকে আৰু বায়ুমণ্ডলৰ গোলকীয় উষ্ণতাৰ ভাৰসাম্যতা ৰক্ষা হয়।

(ঘ) C.N.G. জাতীয় পৰিষ্কাৰ ইন্ধন ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্রদান কৰিব লাগে।

(ঙ) জীৱাশ্ম ইন্ধনৰ সলনি নৱীকৰণযোগ্য সম্পদৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্রদান কৰিব লাগে।

(৭) পৰিৱেশ পৰিৱর্তনৰ তিনিটা কাৰণ উল্লেখ কৰা। ৩

উঃ পৰিৱেশ পৰিবর্তনৰ কাৰণবোৰ হৈছে -

(ক) আগ্নেয়গিৰি উদ্‌গিৰণৰ ফলত নির্গত হোৱা ধোৱা, চাই, গেছীয় পদার্থই বায়ু প্রদূষিত কৰে পৰিৱেশৰ পৰিৱর্তন ঘটায়।

(খ) দ্রুত হাৰত বৃদ্ধি হোৱা জনসংখ্যাই পৰিৱেশৰ পৰিৱর্তন ঘটাইছে। বর্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰিবলৈ সম্পদৰ আহৰণ আৰু ব্যৱহাৰ দ্রুত হাৰত বৃদ্ধি পাই অহাত প্রাকৃতিক পৰিৱেশৰ ভাৰসাম্য, ক্রমে বিনষ্ট হৈ আহিছে।

(গ) শিল্পবিপ্লৱৰ পৰৱর্তী কালছোৱাত ঘটা উদ্যোগৰ অভূতপূর্ব বিকাশে তাৰ পৰা নির্গমন ঘটা গেছ, ধোৱা আদিৰ পৰিমান বৃদ্ধি পাইছে আৰু পৰিৱেশৰ পৰিৱর্তন ঘটাইছে।

Created by Universal Document Converter

(৮) পৰিৱেশিক সমস্যা কি? পৰিৱেশিক সমস্যাৰ ভৌগোলিক ভাগবোৰ ব্যাখ্যা কৰা। ১+৩=৪

উঃ সম্প্রতি পৃথিৱীৰ প্রাকৃতিক পৰিৱেশ আৰু ইয়াৰ বাসিন্দাসকল নানা ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে। এহাতে অৰণ্যভূমি হ্রাস আৰু আনহাতে বায়ুমণ্ডলৰ কার্বন ডাই অক্সাইডৰ পৰিমান বৃদ্ধি পোৱাৰ ফলত পৰিৱেশত ন ন সমস্যাৰ সৃষ্টি হৈছে। পৰিৱেশৰ লগত জড়িত এই সমস্যাবোৰক পাৰিৱেশিক সমস্যা বোলে।

ভৌগোলিক দিশৰ পৰা পৰিৱেশৰ সমস্যাসমূহক তিনিধৰণে ভাগ কৰিব পাৰি -

(ক) স্থানীয় সমস্যা (খ) আঞ্চলিক সমস্যা (গ) গোলকীয় সমস্যা।

স্থানীয় সমস্যাবোৰ একো একোটা সৰু এলেকাত সীমাবদ্ধ হৈ থাকে। যেনে - কোনো ঠাইৰ খোৱা পানীৰ সমস্যা।

আঞ্চলিক সমস্যাবোৰ একো একোটা অঞ্চল জুৰি হয়। অসমৰ বানপানীৰ সমস্যা এটা আঞ্চলিক সমস্যা। কিছুমান পৰিৱেশিক সমস্যাই সমগ্র পৃথিৱীত সামৰি লয়, এইবোৰেই গোলকীয় সমস্যা। গোলকীয় সমস্যাৰ কোনো ভৌগোলিক সীমা নাথাকে। গোলকীয় উত্তাপ বৃদ্ধি গোলকীয় পৰিৱেশিক সমস্যা।

(৯) এছিড বৰষুণৰ সৃষ্টি কিদৰে হয়? ২

উঃ সাধাৰণতে বায়ুমণ্ডলত অত্যাধিক পৰিমানে ছালফাৰ ডাই অক্সাইড আৰু নাইট্র'জেন ডাই অক্সাইড জমা হ'লে এছিড বৰষুণৰ সৃষ্টি হয়। পশ্চিম ইউৰোপ, পূব কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ উদ্যোদিক অঞ্চলবোৰত এই সমস্যাই ভয়াৱহ ৰূপ লৈছে। এছিড বৰষুণে গছ-গছনি, কৃষি আদি বিনষ্ট কৰাৰ লগতে নদ-নদী, বিল-খাপৰ পানী প্রদূষিত কৰিছে।

(১০) সেউজ গৃহ গেছ কাক বোলে? ২

উঃ বায়ুমণ্ডলত থকা বিশেষ কিছুমান গেছে ভূ-পৃষ্ঠৰ পৰা প্রতিফলিত সৌৰশক্তি শোষণ কৰি ৰাখিব পাৰে। এনে গেছবোৰৰ ভিতৰত কার্বন ডাই অক্সাইড, মিথেন, নাইট্রাছ অক্সাইড, জলীয় বাষ্প আদিয়েই প্রধান। এই গেছবোৰে পৃথিৱীৰ পৰা প্রতিফলিত শক্তি শোষন কৰি বায়ুমণ্ডলৰ উত্তাপ নিয়ন্ত্রণত সহায় কৰে। এই গেছ বিলাককে সেউজগৃহ গেছ বোলে।

ooooooooooooooooooo

Created by Universal Document Converter

অধ্যায় - ৩
পৃথিৱীৰ ভূগোল

শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ **(নম্বৰ - 1)**

1. পৃথিৱীৰ ক্ষুদ্রতম মহাদেশ কোনখন?

(a) উত্তৰ আমেৰিকা মহাদেশ (b) ইউৰোপ মহাদেশ

(c) এণ্টার্কটিকা মহাদেশ (d) ওছেনিয়া মহাদেশ

Ans : ওছেনিয়া মহাদেশ।

3. প্রশান্ত মহাসাগৰ মুঠ মাটিকালি -

(a) 165.2 নিযুত বর্গ কিঃমিঃ (b) 164.2 নিযুত বর্গ কিঃমিঃ

(c) 163.2 নিযুত বর্গ কিঃমিঃ (d) 162.2 নিযুত বর্গ কিঃমিঃ

Ans : 165.2 নিযুত বর্গ কিঃমিঃ

4. ভূ-পৃষ্ঠৰ স্থলভাগৰ মুঠ মাটিকালি -

(a) 129 নিযুত বর্গ কিঃমিঃ (b) 139 নিযুত বর্গ কিঃমিঃ

(c) 149 নিযুত বর্গ কিঃমিঃ (d) 159 নিযুত বর্গ কিঃমিঃ

Ans : 149 নিযুত বর্গ কিঃমিঃ

5. পৃথিৱীৰ ক্ষুদ্রতম মহাসাগৰখন হ'ল -

(a) দক্ষিণ মহাসাগৰ (b) ভাৰত মহাসাগৰ (c) আটালান্টিক মহাসাগৰ (d) উত্তৰ মহাসাগৰ

Ans : উত্তৰ মহাসাগৰ।

6. ভূ-পৃষ্ঠৰ জলভাগৰ মুঠ মাটিকালি -

(a) 331 নিযুত বর্গ কিঃমিঃ (b) 341 নিযুত বর্গ কিঃমিঃ

(c) 351 নিযুত বর্গ কিঃমিঃ (d) 361 নিযুত বর্গ কিঃমিঃ

Ans: 361 নিযুত বর্গ কিঃমিঃ।

7. ভূ-পৃষ্ঠৰ স্থলমণ্ডলটো কোন চাৰিটা বৃহত অংশত বিভাজিত হৈ আছে? 2

Ans : ভূ-পৃষ্ঠৰ স্থলমণ্ডলটো বিভাজিত হৈ থকা চাৰিটা বৃহৎ অংশ হ'ল -

(ক) প্রথম অংশটো হৈছে এছিয়া, ইউৰোপ আৰু আফ্রিকা মহাদেশ।

(খ) দ্বিতীয় অংশটো হৈছে উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা মহাদেশ।

(গ) তৃতীয় অংশটো হৈছে অষ্ট্রেলিয়া বিভিন্ন দ্বীপসমূহ লগলাগি গঠন হোৱা ওছেনিয়া মহাদেশ আৰু

(ঘ) চতুর্থ অংশটো হৈছে এণ্টার্কটিকা মহাদেশ।

8. মহীসোপান আৰু মহীঢালৰ মাজৰ পার্থক্য কি? 2

Ans : মহীসোপান আৰু মহীঢালৰ মাজৰ পার্থক্য হ'ল - প্রায় 200 মিটাৰ পর্য্যন্ত সাগৰ-মহাসাগৰৰ অগভীৰ অংশকে মহীসোপান বোলে আনহাতে মহীসোপানৰ পিছৰ প্রায় 2000 মিটাৰ পর্য্যন্ত যথেষ্ট গভীৰ অংশটোক মহীঢাল বোলা হয়।

9. পৃথিৱীৰ বৃহত্তম মহাসাগৰখন কি? এই মহাসাগৰখনৰ মুঠ মাটিকালি কিমান? 2

Ans : পৃথিৱীৰ বৃহত্তম মহাসাগৰখনৰ নাম হ'ল - প্রশান্ত মহাসাগৰ। এই মহাসাগৰৰ মুঠ মাটিকালি 165.2 নিযুত বর্গ কিঃমিঃ।

Created by Universal Document Converter

10. মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সূত্রটো চমুকৈ বৰ্ণনা কৰা। 5

Ans : পৃথিৱীৰ মহাদেশ আৰু মহাসাগৰৰ গঠন বা সৃষ্টিৰ সন্দৰ্ভত বিভিন্ন সূত্ৰ উদ্ভাৱন হৈছে যদিও সৰ্বসন্মত সূত্রটো হৈছে মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সুত্র।

মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সূত্র অনুসৰি আদিতে পুৰাজীৱিয় কল্পৰ পানমিয়ান যুগত, অর্থাৎ আজিৰ পৰা প্রায় 300 নিয়ত বছৰ পূর্বে পৃথিৱীখনৰ স্থলমণ্ডল একত্রিত হৈ আছিল আৰু ইয়াৰ চাৰিওফালে জলমণ্ডলে আগুৰি আছিল। পৃথিৱীৰ এই অৱস্থাত থকা স্থলমণ্ডলটোক পেঞ্জিয়া আৰু পেঞ্জিয়াৰ চাৰিওফালে আগুৰি থকা জলমণ্ডলটোক পান্থালাছা বোলা হয়। কিছুকাল অতিক্রম কৰাৰ পিছত পেঞ্জিয়াৰ প্রায় সোমাজেৰে পূর্ব-পশ্চিমাকৈ ফাট মেলি এটা সংকীর্ণ আৰু দীঘল সাগৰৰ সৃষ্টি হৈছিল। ইয়াক টেথিছ সাগৰ বোলা হয়। এই টেথিছ সাগৰৰ সৃষ্টিয়ে পেঞ্জিয়াটোক উত্তৰা-দক্ষিণাকৈ দুটা ভাগত বিভক্ত কৰিছিল। ইয়াৰ উত্তৰ অংশটোক আঙ্গাৰালেণ্ড অথবা লৰেছিয়া আৰু দক্ষিণ অংশটোক গণ্ডোৱানালেণ্ড বোলা হয়। মধ্যজীৱিয় কল্পৰ সময়ত ভূত্বকৰ ফাটন ক্রিয়া আৰু মহাদেশীয় সঞ্চাৰণৰ ফলত লৰেছিয়া আৰু গণ্ডোৱানালেণ্ড পুনৰ বিভাজিত হৈ বিষুৱ আৰু পশ্চিম দিশত গতি কৰি বর্তমান অৱস্থাত থকা মহাদেশসমূহৰ সৃষ্টি হৈছিল।

মহাদেশীয় সঞ্চাৰণ সূত্র অনুসৰি লৰেছিয়া বিভাজিত হৈ উত্তৰ আমেৰিকা, গ্রীণলেণ্ড আৰু ভাৰত উপমহাদেশৰ উত্তৰে থকা ইউৰোপ আৰু এছিয়া মহাদেশৰ সৃষ্টি হৈছিল। আনহাতে, গণ্ডোৱানালেণ্ড বিভাজিত হৈ দক্ষিণ আমেৰিকা, আফ্রিকা, মাদাগাস্কাৰ; ভাৰতবর্ষ, আৰব অঞ্চল, মালয়েছিয়া আৰু অন্যান্য দ্বীপসমূহ, অষ্ট্রেলিয়া, এন্টার্কটিকা আদিৰ সৃষ্টি হৈছিল।

11. পৃথিৱীৰ স্থলমণ্ডল আৰু জলমণ্ডলৰ বিষয়ে আলোচনা কৰা। 5

Ans : মানুহৰ একমাত্র বাসভূমি পৃথিৱী বিশাল। এই বিশাল পৃথিৱীখন ঘাইকৈ তিনিটা মণ্ডলত বিভক্ত হৈ আছে - স্থলমণ্ডল, জলমণ্ডল আৰু বায়ুমণ্ডল। প্রশ্নৰ লগত সংগতি ৰাখি তলত পৃথিৱীৰ জলমণ্ডল আৰু স্থলমণ্ডলৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

ভূ-পৃষ্ঠৰ সাগৰ-মহাসাগৰকে ধৰি নদ-নদী, হ্রদ আদিৰ পানীৰে আগুৰি থকা বৃহৎ অংশকে জলমণ্ডল বোলা হয়। ভূপৃষ্ঠৰ প্রায় 71 শতাংশ, অর্থাৎ 361 নিযুত বর্গ কিলোমিটাৰ জলভাগে আৱৰি আছে। আনহাতে, সাগৰপৃষ্ঠৰ কিছু ওপৰত মাটিৰে আগুৰি থকা ভূ-পৃষ্ঠৰ আন এটা বৃহৎ অংশক স্থলমণ্ডল বোলে। ভূ-পৃষ্ঠৰ কেৱল প্রায় 29 শতাংশ, অর্থাৎ 149 নিযুত বর্গ কিলোমিটাৰ স্থলভাগে আৱৰি আছে। উল্লেখযোগ্য যে পৃথিৱীৰ এই বৃহৎ জলমণ্ডল আৰু স্থলমণ্ডল দুটা সুকীয়াভাৱে একেলগে থুপ মাৰি থকা নাই। অর্থাৎ জলমণ্ডল আৰু স্থলমণ্ডল দুয়োটা অংশই ইটোৱে সিটোক বিভাজিত কৰি মাজে মাজে সোমাই আছে।

পৃথিৱীৰ স্থলমণ্ডলটো পানীৰে চাৰিওফালে আগুৰি আছে আৰু চাৰিটা বৃহৎ অংশত বিভাজিত হৈ আছে। স্থলমণ্ডলৰ প্রথম অংশটো এছিয়া, ইউৰোপ আৰু আফ্রিকা মহাদেশৰে গঠিত; দ্বিতীয় অংশটো উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা মহাদেশৰে গঠিত; তৃতীয় অংশটো অষ্ট্রেলিয়া আৰু বহু দ্বীপ লগ লাগি সৃষ্টি হোৱা ওছেনিয়া মহাদেশৰে গঠিত আৰু চতুর্থ অংশটো এন্টার্কটিকা মহাদেশৰে গঠিত।

পৃথিৱীৰ থকা আটাইকেইখন মহাসাগৰেই ইখনে সিখনৰ লগত সংযোগ হৈ থকাৰ বাবে মহাসাগৰসমূহৰ সঠিক সীমা নির্ধাৰণ কৰাটো সম্ভৱ নহয়। তথাপি ভূ-বিজ্ঞানীসকলে অধ্যয়নৰ সুবিধার্থে থুলমূলভাৱে মহাসাগৰসমূহৰ বিস্তৃতি নির্ধাৰণ কৰিছে। পৃথিৱীৰ সংযোজিত হৈ থকা আৰু মহাদেশসমূহৰ চাৰিওফালে আগুৰি থকা পৃথিৱীৰ পাঁচোটা মহাসাগৰৰ প্রশান্ত মহাসাগৰ এছিয়া মহাদেশ আৰু উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা মহাদেশৰ মাজত অৱস্থিত; আটলান্টিক মহাসাগৰ উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা মহাদেশ আৰু ইউৰোপ আৰু আফ্রিকা মহাদেশৰ মাজত অৱস্থিত; ভাৰত মহাসাগৰ এছিয়া মহাদেশৰ দক্ষিণত, আফ্রিকা মহাদেশৰ পূবত এছিয়া মহাদেশৰ উত্তৰে অৱস্থিত আৰু দক্ষিণ মহাসাগৰ দক্ষিণ আমেৰিকা, আফ্রিকা আৰু ওছেনিয়া মহাদেশৰ দক্ষিণে অৱস্থিত।

Created by Universal Document Converter

12. মহাসাগৰ তলিভাগৰ ভূ-অৱয়ব সম্পৰ্কে বৰ্ণনা কৰা। 5

Ans : পৃথিৱীত থকা মহাসাগৰসমূহৰ দ্বাৰাই ঘাইকৈ জলমণ্ডল গঠিত। মহাসাগৰৰ জলপৃষ্ঠ যদিও অতি মসৃণ, ইয়াৰ তলিভাগৰ ভূ-প্ৰকৃতি অসমান অৰ্থাৎ ওখোৰা-মোখোৰা। স্থলমণ্ডলত যিদৰে পৰ্বত-পাহাৰ, মালভূমি, সমভূমি আদি অৱয়বে ভূ-পৃষ্ঠক অসমান কৰি ৰাখিছে, ঠিক তেনেদৰে সাগৰ-মহাসাগৰৰ তলিভাগো শৈলসিৰা, দ্রোণী, সামুদ্রিক টিলা, খাত আদিয়ে ওখোৰা-মোখোৰা কৰি ৰাখিছে।

স্থলমণ্ডল আৰু জলমণ্ডলৰ সংযোগৰেখাৰ পৰা মহাসাগৰৰ মাজভাগলৈ ক্ৰমান্বয়ে গভীৰতা বৃদ্ধি পায় আৰু বিভিন্ন প্ৰকাৰৰ অৱয়ব পোৱা যাব। সাধাৰণতে উপকূলৰ পৰা সাগৰ-মহাসাগৰৰ মাজভাগলৈ যথাক্ৰমে মহীসোপান, মহীঢাল, গভীৰ সমুদ্ৰতল, সমুদ্ৰতলীয় দ্রোমী, সামুদ্রিক শৈলসিৰা আৰু দ্বীপ আৰু গভীৰ সমুদ্ৰখাত পোৱা যায়। উপকূলৰ পৰা প্ৰায় 200 মিটাৰ পৰ্য্যন্ত অংশক মহীসোপান, প্ৰায় 2000 মিটাৰ পৰ্য্যন্ত অংশক মহীঢাল, প্ৰায় 4000 মিটাৰ পৰ্য্যন্ত অংশক সমুদ্ৰতলীয় দ্রোণী আৰু প্ৰায় 8000 মিটাৰ পৰ্যন্ত অংশক সামুদ্রিক খাত বোলা হয়। তদুপৰি সিঁচৰিতভাৱে অ'ত ত'ত সমুদ্ৰপৃষ্ঠৰ ওপৰলৈ বহু শৈলসিৰা, দ্বীপ আদি অৱসব দেখা যায়। উল্লেখযোগ্য যে সমুদ্ৰ খাতসমূহৰ ভিতৰত প্ৰশান্ত মহাসাগৰৰ তলিত থকা মেৰিয়ানা বা চেলেঞ্জাৰ খাতেই পৃথিৱীৰ গভীৰতম খাত যাৰ গভীৰতা 11,022 মিটাৰ।

ooooooooooooooooo

Created by Universal Document Converter

অধ্যায় - ৪
অসমৰ ভূগোল

শুদ্ধ উত্তৰ বাছি উলিওৱা ঃ **(নম্বৰ - ১)**

1. অসম ৰাজ্যখন ইয়াৰ পশ্চিম দিশৰ ঠেক ভূখণ্ডৰ দ্বাৰা ..... ৰ সৈতে ভাৰত ভূখণ্ডৰ লগত সংলগ্ন হৈ আছে।

(a) ত্রিপুৰা (b) পশ্চিমবংগ (c) বাংলাদেশ (d) মণিপুৰ

Ans : (b) পশ্চিমবংগ

2. অসম ৰাজ্যৰ উত্তৰ দিশে পৰিৱেষ্টিত হৈ থকা বিদেসী ৰাষ্ট্রখন -

(a) চীন (b) ম্যানমাৰ (c) ভূটান (d) নেপাল

Ans : (c) ভূটান

3. অসমৰ দক্ষিণ দিশত থকা বিদেশী ৰাষ্ট্রখন -

(a) বাংলাদেশ (b) ত্রিপুৰা (c) ম্যানমাৰ (d) শ্রীলংকা

Ans : (a) বাংলাদেশ

4. অসমে ভাৰতবর্ষৰ মুঠ মাটিকালিৰ ..... শতাংশ সামৰি লৈছে।

(a) 2.1 শতাংশ (b) 2.3 শতাংশ (c) 2.2 শতাংশ (d) 2.4 শতাংশ

Ans : (d) 2.4 শতাংশ।

5. 2011 চনৰ তথ্যমতে, অসমৰ মুঠ জনসংখ্যা প্রায় ..... শতাংশ লোকে গাঁৱত বাস কৰে।

(a) 88 শতাংশ (b) 87.90 শতাংশ (c) 86.90 শতাংশ (d) 85.90 শতাংশ

Ans : (d) 85.90 শতাংশ।

6. অসমৰ আটাইতকৈ জনবহুল নগৰী .....।

(a) ধুবুৰী (b) ডিব্রুগড় (c) গুৱাহাটী (d) শিলচৰ

Ans : (c) গুৱাহাটী।

7. অসমৰ ছয়খন দ্বিতীয় শ্রেণীৰ নগৰৰ ভিতৰত আটাইতকৈ জনবহুল নগৰখন হৈছে .....।

(a) ধুবুৰী নগৰ (b) শিলচৰ নগৰ (c) ডিফু নগৰ (d) তেজপুৰ নগৰ।

Ans : (a) ধুবুৰী নগৰ।

8. 1901 চনত অসমৰ জনসংখ্যা আছিল আৰু ভাৰতৰ মুঠ জনসংখ্যাৰ ..... শতাংশ।

(a) 1.03 শতাংশ (b) 1.18 শতাংশ (c) 1.38 শতাংশ (d) 1.58 শতাংশ

Ans : (c) 1.38 শতাংশ।

9. কুৰি শতিকাৰ আৰম্ভণিতে 1901 চনত অসমত জনসংখ্যা ঘনত্ব আছিল প্রতি বর্গ কিলোমিটাৰত ..... জন।

(a) 36 জন (b) 42 জন (c) 55 জন (d) 58 জন

Ans : (b) 42 জন

10. 2011 চনত অসমত জনসংখ্যা ঘনত্ব প্রতিবর্গ কিলোমিটাৰত ..... জন।

(a) 198 জন (b) 288 জন (c) 308 জন (d) 398 জন

Ans : (iv) 398 জন

Created by Universal Document Converter

11. ব্ৰহ্মপুত্ৰ উপত্যকাত অসমৰ মুঠ জনসংখ্যাৰ কিমান অংশ লোকে বসবাস কৰে?

(a) 65 শতাংশ (b) 75 শতাংশ (c) 85 শতাংশ (d) 95 শতাংশ

Ans : (c) 85 শতাংশ

12. জনসংখ্যাৰ হিচাপত অসমত কোন ধৰ্মালম্বী লোকৰ সংখ্যা আটাইতকৈ বেছি?

(a) মুছলমান ধৰ্মাৱলম্বী (b) হিন্দু ধৰ্মালম্বী (c) খ্ৰীষ্টান ধৰ্মাৱলম্বী (d) এটাও নহয়।

Ans : (b) হিন্দু ধৰ্মালম্বী

13. জনংসখ্যাৰ ভিত্তিত অসমৰ দ্বিতীয় বৃহৎ জনজাতিটো হ'ল .....

(a) বড়ো (b) মিছিং (c) কাৰ্বি (d) ৰাভা

Ans : (b) মিছিং

14. জনংসখ্যাৰ ফালৰ পৰা অসমৰ বৃহৎ জনজাতিটো হৈছে .....

(a) বড়োসকল (b) মিছিংসকল (c) কাৰ্বিসকল (d) ৰাভাসকল

Ans : (a) বড়োসকল

15. জেমি নগাসকলে (Zeme Naga) অসমৰ কোন ঠাইত বসতি কৰা দেখা যায়।

(a) ডিমা হাছাও জিলাত (b) কোকৰাঝাৰ জিলাত

(c) কাৰ্বিআংলং জিৱাত (d) কৰিমগঞ্জ জিলাত

Ans : (a) ডিমা হাছাও জিলাত

16. অসমৰ পথ পৰিবহণ ব্যৱস্থাৰ ভিতৰত মুঠি কেইপ্ৰকাৰৰ পথ আছে?

(a) সাতপ্ৰকাৰৰ (b) ছয় প্ৰকাৰ (c) পাঁচ প্ৰকাৰৰ (d) চাৰি প্ৰকাৰৰ

Ans : (a) সাতপ্ৰকাৰৰ

17. অসমৰ ৰেল পৰিবহণ ব্যৱস্থাৰ দায়িত্বত থকা ৰেল মণ্ডলটো .....।

(a) মধ্য ৰেলমণ্ডল (b) উত্তৰ-পূব সীমান্ত ৰেলমণ্ডল

(c) দক্ষিণ-পশ্চিম সীমান্ত ৰে'ল মণ্ডল। (d) দক্ষিণ-পূৰ্ব সীমান্ত ৰেল মণ্ডল

Ans : (b) উত্তৰ-পূব সীমান্ত ৰেলমণ্ডল

18. উত্তৰ-পূব সীমান্ত ৰেল মণ্ডলৰ মুখ্য কাৰ্যালয়. ..... অৱস্থিত।

(a) গোৰক্ষপুৰত (b) চেন্নাইত (c) গুৱাহাটীৰ মালিগাঁৱত (d) নতুন দিল্লীত

Ans : (c) গুৱাহাটীৰ মালিগাঁৱত

19. ভাৰতৰ মুঠ জলসম্পদৰ কিমান শতাংশ অসমে জলপথখ সৃষ্টি কৰিছে?

(a) প্ৰায় 22 শতাংশ (b) প্ৰায় 30 শতাংশ

(c) প্ৰায় 32 শতাংশ (d) প্ৰায় 42 শতাংশ

Ans : (c) প্ৰায় 32 শতাংশ

20. ব্ৰহ্মপুত্ৰৰ নাব্য জলপথটোৰ দৈৰ্ঘ্য -

(a) 871 কি.মি. (b) 891 কি.মি. (c) 895 কি.মি. (d) 897 কি.মি.

Ans : (b) 891 কি.মি.

21. বৰাকৰ নাব্য জলপথটোৰ দৈৰ্ঘ্য -

(a) 271 কি.মি. (b) 261 কি.মি. (c) 155 কি.মি. (d) 121 কি.মি.

Ans : (d) 121 কি.মি.

Created by Universal Document Converter

22. ভাৰত চৰকাৰে 2013 চনত দেশৰ ষষ্ঠ ৰাষ্ট্ৰীয় জলপথ হিচাপে স্বীকৃতি দিয়া নাব্য জলপথটো কি?

(a) ব্ৰহ্মপুত্ৰৰ নব্য জলপথ (b) বৰাকৰ নব্য জলপথ

(c) শোৱণশিৰিৰ নব্য জলপথ (d) এটাও নহয়।

Ans: (b) বৰাকৰ নব্য জলপথ

23. ভাৰত চৰকাৰে 1988 চনত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় জলপথ হিচাপে স্বীকৃতি দিয়া নব্য জলপথটো হ'ল -

(a) ব্ৰহ্মপুত্ৰৰ নাব্য জলপথ (b) বৰাকৰ নাব্য জলপথ

(c) শোৱণশিৰিৰ নাব্য জলপথ (d) গংগাৰ নাব্য জলপথ

Ans: (a) ব্ৰহ্মপুত্ৰৰ নাব্য জলপথ

24. 2009-10 চনৰ তথ্য মতে অসমৰ মুঠ মাটিকালি ..... শতাংশ মাটিত খেতি কৰা হৈছে।

(a) প্ৰায় 30 শতাংশ (b) প্ৰায় 35 শতাংশ

(c) প্ৰায় 40 শতাংশ (d) প্ৰায় 45 শতাংশ

Ans: (b) প্ৰায় 35 শতাংশ

25. ভাৰতৰ মুঠ চাহ উৎপাদনৰ আধাতকৈ বেছি উৎপাদন কৰা ৰাজ্যখন কি?

(a) পশ্চিমবংগ (b) অসম (c) তামিলনাড়ু (d) এটাও নহয়।

Ans: (b) অসম

26. ভাৰতৰ আটাইতকৈ পুৰণি তৈলক্ষেত্ৰ কি?

(a) ডিগবৈ (b) বোম্বে (c) বাৰাউনি (d) দুলীয়াজান

Ans: (a) ডিগবৈ

27. ভাৰতবৰ্ষৰ মুঠ মুগা সূতা উৎপাদনৰ অসমে উৎপাদন কৰে .....।

(a) 56 শতাংশতকৈও অধিক (b) 77 শতাংশতকৈও অধিক

(c) 89 শতাংশতকৈও অধিক (d) 97 শতাংশতকৈও অধিক

Ans: (d) 97 শতাংশতকৈও অধিক

28. খাছিয়া আৰু জয়ন্তীয়াসকল .....

(a) অষ্ট্ৰিক (b) দ্ৰাবিড় (c) আৰ্য্য (d) মংগোলীয় জনগোষ্ঠীয় লোক।

Ans: (a) অষ্ট্ৰিক

29. বড়ো, মিছিং, ৰাবা, তিৰা ইত্যাদি জনগোষ্ঠীসকল কোন জনগোষ্ঠীৰ লোক?

(a) অষ্ট্ৰিক (b) দ্ৰাবিড় (c) আৰ্য্য (d) মংগোলীয়

Ans: (d) মংগোলীয়

30. অসমৰ আহোম লোকসকল ..... জনগোষ্ঠীৰ লোক।

(a) ক'কেছীয় (b) দ্ৰাবিড় (c) মংগোলীয় (d) আৰ্য্য

Ans: (c) মংগোলীয়

চমু / দীঘল প্ৰশ্নোত্তৰ ঃ

1. দেউৰীসকলে প্ৰধানকৈ অসমৰ কোন ঠাইত বসবাস কৰিছে? 1

উত্তৰ ঃ দেউৰীসকলৰ বসতি প্ৰধানকৈ লখিমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ আৰু যোৰহাট জিলাত দেখা যায়।

Created by Universal Document Converter

2. মেচসকলে অসমৰ কোন ঠাইত বসবাস কৰিছে? 1

উত্তৰ ঃ মেচসকল জনসংখ্যাত কম আৰু এওঁলোকে গোৱালপাৰা জিলাৰ দক্ষিণ শালমৰা আৰু ডিব্রুগড় জিলাৰ খোৱাং আৰু কার্বি আংলং জিলাৰ পাৰখোৱা অঞ্চলত বসবাস কৰি আছে।

3. কার্বিসকলে প্রধানকৈ অসমৰ কোন ঠাইত বসবাস কৰে? 1

উত্তৰ ঃ জনসংখ্যাৰ ফালৰ পৰা কার্বি অসমৰ তৃতীয় বৃহৎ জনজাতি। সমগ্র কার্বি আংলং জিলাখন হৈছে কার্বিসকলৰ বাসভূমি। কার্বি আংলং জিলাখনৰ বাহিৰেও কিছু সংখ্যক কার্বিলোকে কামৰূপ, নগাঁও, শোণিতপুৰ আৰু ডিমা হাচাও জিলাত বসতি কৰা দেখা যায়।

4. ডিমাছা কছাৰী জনজাতিৰ লোকসকলে অসমৰ কোন ঠাইত বসবাস কৰে? 1

উত্তৰ ঃ ডিমাছা কছাৰী জনজাতিৰ লোকসকলে সমগ্র ডিমা হাচাও জিলাখনৰ উপৰিও কার্বি আংলং আৰু কাছাৰ জিলাৰ কোনো কোনো অঞ্চল বসবাস কৰি আছে।

5. অসমৰ কোন ঠাইত গাৰো জনজাতিৰ লোকসকলে বসবাস কৰে? 1

উত্তৰ ঃ গাৰোসকলে মেঘালয়ৰ গাৰো পাহাৰৰ সীমামুৰীয়া ধুবুৰী, গোপালপাৰা আৰু কামৰূপ জিলাৰ দক্ষিনাংশত প্রধানকৈ বসতি কৰা দেখা যায়।

6. হাজং জনজাতিৰ লোকসকলৰ বসতিস্থল ক'ত? 1

উত্তৰ ঃ হাজং সকলে প্রধানকৈ কার্বি আংলং আৰু ডিমা হাচাও পার্বত্য জিলা দুখনত বসবাস কৰে। অৱশ্যে মেঘালয়ৰ সীমাৰ গোলপাৰা জিলাত কিছু সংখ্যক হাজংলোকৰ বসতি আছে।

7. জেমি নগা জনজাতিৰ লোকসকলে অসমৰ কোন ঠাইত বসবাস কৰে? 1

উত্তৰ ঃ জেমি নগাসকলে (Zermie Naga) ডিমা হাচাও জিলাৰ উত্তৰ-পূব অংশত আৰু দক্ষিণ মাইবঙত বসতি কা দেখা যায়।

8. অসমত বর্তমান বাস কৰা সৰহ সংখ্যক অজনজাতীয় লোকেই কোনটো জনগোষ্ঠী? কেইটামান উদাহৰণ দিয়া। 2

উত্তৰ ঃ অসমত বর্তমান বাস কৰা সৰহ সংখ্যক অজনজাতীয় লোকেই ককেছীয় জনাগোষ্ঠীয়। কলিতা, কায়স্থ, ব্রাহ্মণ আদি জাতিৰ লোকসকল এই জনগোষ্ঠীৰ অন্তর্গত।

9. আহোমসকল কোন জনগোষ্ঠীৰ লোক? এই জনগোষ্ঠীৰ লোকসকলে অসমৰ কোন ঠাইত বসবাস কৰে? 2

উত্তৰ ঃ আহোমসকল মূলতঃ মংগোলীয় লোক। সম্প্রতি আহোমসকলে উজনি অসমৰ তিনিচুকীয়া, ডিব্রুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, লখিমপুৰ আৰু ধেমাজী জিলাৰ উপৰিও মধ্য অসমৰ মৰিগাঁও, নগাঁও আৰু শোনিতপুৰ জিলাত প্রধানকৈ বসতি কৰি আছে।

10. চাহ জনজাতিসকল মূলতঃ কোনটো জনগোষ্ঠীৰ লোক? এওঁলোকক ক'ৰ পৰা কোনে অসমলৈ আনে? 2

উত্তৰ ঃ ব্রিটিছসকলে মধ্য ভাৰতৰ চোটনাগপুৰ মালভুমি অঞ্চলৰ জনজাতিসকলক চাহ বনুৱা হিচাপে অসমলৈ আনে। চাহ জনজাতিসকল মুণ্ডাৰী (Mundari) ভাষা কোৱা মূলতঃ অষ্ট্রিক জনগোষ্ঠীৰ লোক। বর্তমান এই লোকসকল উজনি আৰু মধ্য অসমৰ চাহ খেতি অধ্যুষিত জিলাসমূহত বসবাস কৰি আছে।

11. ব্রহ্মপুত্র উপত্যকা আৰু বৰাক উপত্যকাৰ প্রধান কথিত ভাষা দুটা কি কি? 2

উত্তৰ ঃ ব্রহ্মপুত্র উপত্যকাৰ প্রধান কথিত ভাষা হৈছে অসমীয়া আৰু বৰাক উপত্যকাৰ প্রধান কথিত ভাষা হৈছে বালী।

12. অসমত মুঠ জনসংখ্যাৰ কিমান শতাংশ নেপালীভাষীৰ লোকে বসবাস কৰে আৰু এই লোকসকলৰ প্রধানকৈ ক'ত বসতি কৰে? 2

উত্তৰ ঃ অসমত 2.30 শতাংশ নেপালীভাষী লোক আছে। এই লোকসকল অন্যান্য জিলাত সিঁচৰতি হৈ আছে যদিও প্রধানকৈ শোণিতপুৰ, নগাঁও আৰু তিনিচুকীয়া জিলাত বসবাস কৰি আছে।

Created by Universal Document Converter

13. "ভাল পৰিবহণ-যাতায়ত ব্যৱস্থাই হৈছে দেশ এখনৰ জীৱন বেখা"। --- কথাষাৰৰ তাৎপর্য চমুকৈ লিখা। 3

উত্তৰ ঃ পৰিবহণ বর্তমান সময়ৰ অর্থনৈতিক উন্নয়নৰ অপৰিহার্য্য উপাদান। ভাল পৰিবহণ ব্যৱস্থাৰ যোগেদি বিভিন্ন অঞ্চলৰ মাজত সংযোগ স্থাপন হোৱাৰ উপৰিও সম্পদ, জ্ঞান আৰু সভ্যতা-সংস্কৃতিৰ আদান-প্রদান হয়। সুপৰিবহণ ব্যৱস্থাৰ ফলত এখন দেশৰ সর্বাংগীন উন্নতিৰ লগতে নিয়োগৰ সৃষ্টি হয়। স্থলপথ, জলপথ আৰু আকাশীপথৰ ভাল যাতায়াত ব্যৱস্থাই হৈছে দেশ এখনৰ জীৱন বেখা। কৃষি, শিল্প, বাণিজ্য, যোগাযোগ আদি অর্থনৈতিক খণ্ডসমূহৰ বিকাশ নির্ভৰ কৰে দক্ষ পৰিবহণ ব্যৱস্থাৰ ওপৰত। অর্থনৈতিক ক্ষেত্রৰ উপৰি দেশ এখনৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্রৰ উন্নয়ণত পৰিবহণ ব্যৱস্থাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। উন্নত পৰিবহণ ব্যৱস্থাই দেশৰ বৈষম্য, ভিন্নতা আৰু বৈচিত্রৰ মাজতে ৰাষ্ট্রীয় সংহতি আৰু ঐক্য স্থাপন কৰে।

14. অসমৰ পৰিবহণ ব্যৱস্থাবোৰ কি কি? 2

উত্তৰ ঃ অসমৰ পৰিবহণ ব্যৱস্থাবোৰ হৈছে পথ পৰিবহণ, ৰে'ল পৰিবহণ, জল পৰিবহণ, আৰু বিমান পৰিবহণ।

15. অসমৰ অর্থনীতিত পথ পৰিবহণ ব্যৱস্থাৰ প্রধান সুবিধাবোৰ কি কি উল্লেখ কৰা। 4

উত্তৰ ঃ অসমৰ গ্রাম্য অর্থনীতিত পথ পৰিবহণ ব্যৱস্থাৰ গুৰুত্বপূর্ণ অৰিহণা আছে। পথ পৰিবহণ ব্যৱস্থাৰ প্রধান সুবিধাবোৰ হৈছে -

(ক) পথ পৰিবহণ সুচল, বেগী আৰু নির্ভৰযোগ্য।

(খ) ই সৰু আৰু ভিতৰুৱা ঠাইসমূহৰ লগত সহজে সংযোগ স্থাপন কৰিব পাৰে।

(গ) পাহাৰ, মালভূমি আৰু সমভূমিৰ মাজত পথ পৰিবহণে সুন্দৰকৈ যাতায়াত সুবিধা দিব পাৰে।

(ঘ) কৃষি, শিল্প আদিৰ উৎপাদিত সামগ্রীসমূহৰ পৰিবহণৰ ক্ষেত্রত পথ পৰিবহণ ব্যৱস্থা বিশেষভাৱে উপযোগী।

(ঙ) পথ পৰিবহণ ব্যৱস্থাৰ মেৰামতি, নির্মাণ আদিৰ ক্ষেত্রত অন্য পৰিবহণ ব্যৱস্থাৰ তুলনাত খৰচ কম হয়।

(চ)বিভিন্ন পর্যটন কেন্দ্রৰ মাজত বালদৰে সংযোগ স্থাপন কৰি ৰাজ্যখনৰ পর্যটন উদ্যোগক আগুৰাই নিয়াত পথ পৰিবহণ ব্যৱস্থাই প্রত্যক্ষভাৱে সহায় কৰে।

16. অসমৰ পথ পৰিবহণ ব্যৱস্থাৰ ভিতৰত কি কি প্রকাৰৰ পথ আছে উল্লেখ কৰা। 3

উত্তৰ ঃ অসমৰ পথ পৰিবহণ ব্যৱস্থাৰ ভিতৰত মুঠ সাত প্রকাৰৰ পথ আছে, যেনে - পকীপথ, পকী নোহোৱা পথ, ৰাষ্ট্রীয় ঘাই পথ, ৰাজ্যিক পথ, জিলাৰ প্রধান পথ, গাঁৱলীয়া পথ আৰু নগৰৰ পথ।

17. অসমৰ প্রেক্ষাপটত ৰেল পৰিবহণ ব্যৱস্থাৰ সুবিধাবোৰ কেনেধৰণৰ? 4

উত্তৰ ঃ পথ পৰিবহণৰ দৰে ৰেল পৰিবহণ ব্যৱস্থাৰো কেতবোৰ সুবিধা আছে, সেইবোৰ হৈছে ---

(ক) দীর্ঘ দূৰত্বৰ ক্ষেত্রত যাত্রী আৰু বয়-বস্তু কঢ়িয়াই নিয়াৰ বাবে ৰেল পৰিবহণ ব্যৱস্থা সুচল আৰু নির্ভৰযোগ্য।

(খ) অসমৰ অর্থনৈতিক উন্নয়নৰ লগতে আন্তঃগাঠনি আৰু উদ্যোগিক বিকাশৰ ক্ষেত্রত প্রয়োজনীয় সম্পদ পৰিবহণৰ বাবে ৰেল পৰিবহণ ব্যৱস্থাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে।

(গ) ৰেল পৰিবহণ ব্যৱস্থাৰ সম্প্রসাৰণৰ ফলত অসমত নিয়োগ সৃষ্টি হৈছে।

(ঘ) এই পৰিবহণ ব্যৱস্থাই দূৰ-দূৰণিৰ ৰাজ্যসমূহৰ লগত অসমক সংযোগ কৰি ৰাষ্ট্রীয় ঐক্য গঢ়ি তোলাত অৰিহণা যোগাইছে।

(ঙ) ৰে'ল পৰিবহণ ব্যৱস্থা পথ-পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ ক্ষেত্রত বিশেষ সহায়ক হৈছে।

Created by Universal Document Converter

18. উত্তৰ-পূব সীমান্ত ৰেল মণ্ডলৰ মুখ্য কার্যালয় ক'ত আছে? 1

উত্তৰ ঃ অসমৰ ৰেল পৰিবহণ ব্যৱস্থাৰ দায়িত্বত থকা উত্তৰ-পূব সীমান্ত ৰে'ল মণ্ডলৰ মুখ্য কার্যালয় গুৱাহাটীৰ মালিগাঁৱত অৱস্থিত।

19. 2012-13 চনৰ তথ্য অনুসৰি অসমৰ ৰেল পথৰ মুঠ দৈর্ঘ্য কিমান? 1

উত্তৰ ঃ উত্তৰ-পূব সীমান্ত ৰেল মণ্ডলৰ 2012-13 তথ্য অনুসৰি অসমৰ ৰে'ল পথৰ মুঠ দৈর্ঘ্য হৈছে 2,458.93 কিলোমিটাৰ। ইয়াৰে 1,470.06 কিলোমিটাৰ ৰেল পথ হৈছে ব্ৰডগজ আৰু 988.87 কিলোমিটাৰ ৰেলপথ হৈছে মিটাৰগজ।

20. ব্ৰহ্মপুত্ৰ নাব্য জলপথটোৰ দৈর্ঘ্য কিমান আৰু ইয়াক কেতিয়া ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰিছিল? 1

উত্তৰ ঃ ব্ৰহ্মপুত্ৰ নাব্য জলপথটো (891 কি.মি.) 1988 চনত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰা হৈছিল।

21. বৰাক নদীৰ নাব্য জলপথটোৰ দৈর্ঘ্য কিমান আৰু ইয়াক কেতিয়া ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰিছিল? 1

উত্তৰ ঃ বৰাক নদীৰ লখিমপুৰৰ পৰা ভাংগালৈ মুঠ 121 মি.মি. নাব্য জলপথছোৱাক ভাৰত চৰকাৰে 2013 চনত দেশৰ ষষ্ঠ ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰিছিল।

22. অসমত জলপৰিবহণ ব্যৱস্থাৰ উন্নতিৰ হকে প্ৰচেষ্টা চলাই থকা চৰকাৰী সংস্থা দুটা কি কি আৰু সংস্থা দুটাৰ প্ৰধান কাম কি? 2

উত্তৰ ঃ অসমত জলপৰিবহণ ব্যৱস্থাৰ উন্নতিৰ হকে দুটা চৰকাৰী সংস্থাই প্ৰচেষ্টা চলাই আছে। এই সংস্থা দুটা হৈছে -- কেন্দ্ৰীয় আভ্যন্তৰীণ জলপৰিবহণ নিগম আৰু আভ্যন্তৰীণ জল পৰিবহণ সঞ্চালকালয়। এই সংস্থা দুটাৰ প্ৰধান দায়িত্ব হৈছে - জলপৰিবহণৰ ক্ষেত্ৰত জলসম্পদৰ উপযুক্ত ব্যৱহাৰ কৰা, সস্তীয়া জলপৰিবহণৰ সহায়ত যাত্ৰী আৰু বয়বস্তু অনা-নিয়া কৰা, ব্যৱসায়িক ভিত্তিত অঞ্চলটোৰ জলপথসমূহ সঠিকভাৱে ব্যৱহাৰ কৰা আদি।

23. অসমৰ আভ্যন্তৰীণ জল পৰিবহণৰ সুবিধাসমূহ কি কি? 4

উত্তৰ ঃ অসমৰ আভ্যন্তৰীণ জল পৰিবহণৰ সুবিধাসমূহ হৈছে -

(ক) অসম নদীমাতৃক ৰাজ্য হোৱাৰ বাবে ইয়াত জলপৰিবহণ ব্যৱস্থাৰ প্ৰসাৰৰ বাবে অনেক সুযোগ আৰু সুবিধা আছে ।

(খ) অন্য পৰিবহণৰ তুলনাত জলপৰিবহণত ইন্ধনৰ খৰচ কম।

(গ) গধু�ৰ মাল-বস্তুৰ পৰিবহণৰ ক্ষেত্ৰত জল পৰিবহণ ব্যৱস্থা অতি উপযোগী।

(ঘ) আভ্যন্তৰীণ জল পৰিবহণে ৰাজ্যখনৰ ভিতৰতে মানুহ আৰু মালবস্তু পৰিবহণৰ ক্ষেত্ৰত সুবিধা আগবঢ়াই আহিছে।

(ঙ) পথ পৰিবহণৰ দৰে জল পৰিবহণত বায়ু প্ৰদূষণৰ সমস্যা নাথাকে।

(চ)পথ পৰিবহণৰ ক্ষেত্ৰত পিছ পৰা ঠাইসমূহৰ জনসাধাৰণৰ যাতায়াত আৰু মালবস্তু অনা-নিয়াৰ বাবে জল পৰিবহণ ব্যৱস্থাই সহায় কৰি আহিছে।

(ছ) অসমৰ প্ৰাকৃতিক দুৰ্যোগ বিশেষকৈ বানপানীৰ সময়ত জল পৰিবহণ ব্যৱস্থাই উল্লেখযোগ্য ভূমিকা পালন কৰা দেখা যায়।

(জ) প্ৰাকৃতিক নদ-নদীৰ জলপথসমূহ ব্যৱহাৰ কৰাৰ বাবে জল পৰিবহণ ব্যৱস্থাত মেৰামতি, পথ নিৰ্মাণ আদি সমস্যাবোৰ নাথাকে।

24. অসমৰ ৰাজহুৱা খণ্ডৰ বিমান বন্দৰকেইটাৰ নাম উল্লেখ কৰা। 2

উত্তৰ ঃ বৰঝাৰ (গুৱাহাটী), মোহনবাৰী (ডিব্ৰুগড়), লীলাবাৰী (উত্তৰ লখিমপুৰ), ঘোৰামাৰী (তেজপুৰ), ৰৌৰেয়া (যোৰকহাট), কুম্ভীৰ গ্ৰাম (শিলচৰ), ৰূপসী (ধুবুৰী)।

Created by Universal Document Converter

25. সম্পদ বুলিলে কি বুজা? 2

উত্তৰ ঃ সম্পদ বুলিলে আমাৰ পৰিৱেশত থকা সেইবিলাক দ্ৰব্য বা বস্তুকে বুজায় যিবিলাক ব্যৱহাৰ কৰি আমি আমাৰ অভাৱ (need) আৰু অভিলাষ (desire) পূৰণ কৰিব পাৰোঁ।

26. অসমৰ জনসংখ্যা বৃদ্ধিৰ ধাৰা সম্পৰ্কে আলোচনা কৰা। 5

উত্তৰ ঃ জনসংখ্যা বৃদ্ধি সাম্প্ৰতিক পৃথিৱীৰ এটা উল্লেখযোগ্য বিষয়। পৰিৱৰ্তনশীল জনসংখ্যাৰ লগতে ইয়াৰ বিতৰণ আৰু গঠনৰ পৰিৱৰ্তন অহৰহ হ'ব লাগিছে। জন্মৰ হাৰ, মৃত্যুৰ হাৰ আৰু প্ৰব্ৰজন - এই তিনি প্ৰকাৰে জনসংখ্যা বৃদ্ধি আৰু পৰিৱৰ্তন হয়। পৃথিৱীৰ সকলো দেশ আৰু ৰাজ্যত জনসংখ্যা বৃদ্ধি হৈছে। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহত জনসংখ্যা বৃদ্ধিৰ হাৰ সাধাৰণতে বেছি। ভাৰতবৰ্ষৰ আন আন ৰাজ্যবিলাকৰ দৰে অসমতো জনসংখ্যা বৃদ্ধি হৈছে।

যোৱা 1901 চনৰ পৰা 2011 চনলৈকে অসমৰ জনসংখ্যা বৃদ্ধিৰ তথ্য লক্ষ্য কৰিলে দেখা যায় প্ৰতিটো দশকত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ বেলেগ বেলেগ। 1901 চনত অসমৰ জনসংখ্যা আছিল 3,289,680 আৰু এই জনসংখ্যা আছিল ভাৰতৰ মুঠ জনসংখ্যাৰ 1.38 শতাংশ। ৰাজ্যখনত 1901 চনৰ পৰা প্ৰতি দশকতে জনসংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি হৈ 1941 চনত মুঠ জনসংখ্যা হয়গৈ 66,94,790 জন। মন কৰিবলগীয়া যে 1901 চনৰ পৰা 1941 চনলৈ চাৰিটা দশকৰ ভিতৰত অসমৰ জনসংখ্যা দুগুণতকৈও অধিক বৃদ্ধি পাইছে। 1941 চনত ভাৰতৰ জনসংখ্যাৰ 2.10 শতাংশ লোকে অসমত বসবাস কৰিছিল। অসমত 1901-11 দশকত জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল 16.11 শতাংশ। ইয়াৰ পিছৰ দশকত অৰ্থাৎ 1911-21 দশকত 20.48 শতাংশলৈ বৃদ্ধি হয়। পৰৱৰ্তী তিনিটা দশকত যেনে - 1921-31 দশকত (19.90 শতাংশ), 1931-41 দশকত (20.40 শতাংশ) আৰু 1941-51 দশকত (19.93 শতাংশ) জনসংখ্যা বৃদ্ধিৰ হাৰ মোটামুটিভাৱে প্ৰায় একে থাকে। কিন্তু স্বাধীনোত্তৰ কালত অৰ্থাৎ 1951 চনৰ পৰা অসমৰ জনসংখ্যা দ্ৰুত হাৰত বৃদ্ধি পোৱা দেখা গৈছে। বিশেষকৈ 1951-61 আৰু 1961-71 দশক দুটাত ৰাজ্যখনৰ জনসংখ্যা পূৰ্বৰ 19 হা 20 শতাংশ বৃদ্ধিৰ তুলনাত ক্ৰমে 34.98 শতাংশ আৰু 34.95 শতাংশলৈ বৃদ্ধি পাইছিল। অৱশ্যে ইয়াৰ পৰৱৰ্তী দশকবিলাকত জনসংখ্যা বৃদ্ধি ক্ৰমশঃ নিম্নগামী হৈছে। জনসংখ্যা বৃদ্ধিৰ এনে হ্ৰাসৰ কাৰণ হিচাপে বাজাখনত লাহে লাহে হ্ৰাস পোৱা জন্মৰ হাৰ আৰু লগতে জনসাধাৰণ আৰু চৰকাৰৰ সজাগতাৰ ফলত বাংলাদেশৰ পৰা হোৱা প্ৰজনন কিছু পৰিমাণে হ্ৰাস হোৱাৰ কথাকে উল্লেখ কৰিব পাৰি।

27. অসমৰ জনসংখ্যাৰ বিতৰণৰ সম্পৰ্কে আলোচনা কৰা। 5

উত্তৰ ঃ 2011 চনৰ ভাৰতৰ লোকপিয়লৰ তথ্যমতে অসমৰ মুঠ জনসংখ্যা হৈছে 312.05 লাখ। দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় 2.6 শতাংশ লোকে অসমত বাস কৰি আছে। ইয়াৰে 159.39 লাখ পুৰুষ আৰু 152.66 লাখ মহিলা। 2011 চনত ৰাজ্যখনত শিক্ষিতৰ হাৰ 72.19 শতাংশ। লিংগ অনুপাত হ'ল প্ৰতি 1000 পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা 958 গৰাকী।

2011 চনৰ তথ্য মতে, অসমৰ মুঠ জনসংখ্যা প্ৰায় 85.90 শতাংশ লোকে গাঁৱত বাস কৰে। ইয়াৰ বিপৰীতে নগৰীয়া জনসংখ্যা 2011 চনত 14.09 শতাংশ। উল্লেখ্য যে ৰাজ্যত গাঁৱৰ পৰা নগৰলৈ জনপ্ৰব্ৰজন ঘটাৰ ফলত গাঁৱত বাস কৰা লোকৰ সংখ্যা কমিছে আৰু নগৰত বাস কৰা লোকৰ সংখ্যা ক্ৰমে বৃদ্ধি পাইছে। আনহাতে, 2001 আৰু 2011 চনত অনুসূচীত জাতি আৰু জনজাতিৰ শতাংশ প্ৰায় একে আছে, অৰ্থাৎ ৰাজ্যখনত অনুসূচীত জাতি আৰু জনজাতিৰ জনসংখ্যা প্ৰায় সমান হাৰত বৃদ্ধি পাইছে।

2011 চনৰ তথ্যমতে 2,826,006 জনসংখ্যাৰে নগাওঁ জিলাখন অসমৰ ভিতৰত অধিক জনসংখ্যাৰ জিলা হিচাপে স্বীকৃত হৈছে। ইয়াৰ পিছত দ্বিতীয় স্থানত থকা ধুবুৰী জিলাৰ জনসংখ্যা 1,948,632। সেইদৰে তৃতীয় আৰু চতুৰ্থ স্থানত আছে ক্ৰমে শোণিতপুৰ (জনসংখ্যা 1925975) আৰু কাছাৰ (1,736,319) জিলা। আটাইতকৈ কম জনসংখ্যাৰ জিলা হিচাপে স্বীকৃত ডিমা হাচাও জিলাখনৰ জনসংখ্যা 213,529। অসমৰ আটাইতকৈ জনবহুল নগৰী হিচাবে পৰিগণিত

Created by Universal Document Converter

গুৱাহাটীৰ জনসংখ্যা 9,68,549জন। গুৱাহাটীৰ পিছতে জনসংখ্যাৰ হিচাপত দ্বিতীয় স্থানত আছে বৰাক উপত্যকাৰ শিলচৰ নগৰ আৰু তৃতীয় স্থানত আছে উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড় নগৰ। আনহাতে, অসমৰ 6 খন দ্বিতীয় শ্ৰেণীৰ নগৰৰ ভিতৰত আটাইতকৈ জনবহুল নগৰ হৈছে নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবুৰী নগৰ (জনসংখ্যা 64,759)। ধুবুৰীৰ পিছতে আছে পাৰ্বত্য নগৰী ডিফু (জনসংখ্যা 63,654)।

28. অসমৰ জনসংখ্যাৰ ঘনত্বৰ বিষয়ে আলোচনা কৰা। 5

উত্তৰ ঃ ভাৰতৰ লোকপিয়ল 2011 চনৰ তথ্যমতে ভাৰতৰ মুঠ জনসংখ্যা প্ৰায় 2.6 শতাংশ লোকে অসমত বাস কৰি আছে। অসমৰ মুঠ জনসংখ্যা হৈছে 312.05 লাখ আৰু ইয়াৰে 159.39 লাখ পুৰুষ আৰু 152.66 লাখ মহিলা। 2011 চনৰ লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যা ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত 398 জন। কিন্তু, অঞ্চল নিৰ্বিশেষে এই ঘনত্ব একে নহয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমতল ভূমি, সাৰুৱা মাটি, সুচল কৃষিকাৰ্য্য আৰু যাতায়াত ব্যৱস্থাৰ বাবে তাত জনবসতি ঘন। ব্ৰহ্মপুত্ৰ উপত্যকাত অসমৰ মুঠ জনসংখ্যাৰ 85 শতাংশ লোক বসবাস কৰে। ইয়াত জনসংখ্যাৰ ঘনত্ব 2011 চনত প্ৰতি বৰ্গ কিলোমিটাৰত 1,502 জন। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি, মধ্য আৰু নামনি অঞ্চলত জনসংখ্যা ঘনত্বৰ তাৰতম্য আছে। উজনি অঞ্চলতকৈ মধ্য অঞ্চলত আৰু মধ্য অঞ্চলতকৈ নামনি অঞ্চলত জনসংখ্যাৰ ঘনত্ব বেছি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইয়াৰ উজনি অংশত উপত্যকাটোৰ মুঠ জনসংখ্যাৰ প্ৰায় 21 শতাংশ লোকে বসবাস কৰে। 2011 চনৰ তথ্যমতে উজনি অংশটোত জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত 371 জন। আনহাতে, মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত উপত্যকাটোৰ মুঠ জনসংখ্যাৰ প্ৰায় 27 শতাংশ লোকে বাস কৰে। 2011 চনত এই অঞ্চলত জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত 500 জন। সেইদৰে, নামনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় 36 শতাংশ লোকে বাস কৰে। ইয়াত জনসংখ্যা ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত 631 জন। ইয়াত জনসংখ্যাৰ ঘনত্ব তুলনামূলকভাৱে কিছু বেছি।

2011 চনৰ তথ্যমতে কামৰূপ (মেট্ৰো) জিলাত জনসংখ্যাৰ ঘনত্ব ৰাজ্যখনৰ ভিতৰতে সৰ্বাধিক, প্ৰতি বৰ্গকিলোমিটাৰত 2010 জন। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি, মধ্য আৰু নামনি অঞ্চলত অৱস্থিত জিলাসমূহৰ জনবসতিৰ ক্ষেত্ৰত দেখা যায় যে, 2011 চনৰ লোকপিয়ল অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা কেইখনৰ ভিতৰত লখিমপুৰ, শিৱসাগৰ, মৰিগাওঁ, নগাঁও, দৰং, ওদালগুৰি, ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা, বৰপেটা, নলবাৰী, বাক্সা, কামৰূপ আৰু কামৰূপ মেট্ৰো জিলাৰ জনসংখ্যাৰ ঘনত্ব অসমৰ গড় ঘনত্ব (প্ৰতি বৰ্গ কিলোমিটাৰত 398 জন) তুলনাত বেছি। ইয়াৰে ধুবুৰী জিলাই (প্ৰতি বৰ্গ কিলোমিটাৰত 1171 জন) ৰাজ্যখনৰ দ্বিতীয় ঘন জনবসতিৰ জিলা হিচাপে চিহ্নিত হৈছে। আকৌ, বৰাক উপত্যকাৰ কৰিমগঞ্জ, হাইলাকান্দি আৰু কাছাৰ জিলা- এই তিনিওখন জিলাত জনসংখ্যাৰ ঘনত অসমৰ গড় ঘনত্বতকৈ বেছি। 2011 চনৰ তথ্য অনুসৰি অসমৰ পাৰ্বত্য জিলা ক্ৰমে কাৰ্বি আংলং আৰু ডিমা হাচাও আটাইকেইখন জিলাৰ ভিতৰত সেৰেঙা জনবসতিৰ জিলা হিচাপে পৰিগণিত হৈছে। প্ৰতি বৰ্গ কিলোমিটাৰত মাত্ৰ 44 জন লোকে বাস কৰা ডিমা হাছাও পাৰ্বত্য জিলাখন আটাইতকৈ সেৰেঙা বসতিৰ জিলা হিচাপে চিহ্নিত হৈছে।

29. অসমত কি কি কাৰণত উচ্চ হাৰত জনসংখ্যা বৃদ্ধি হৈছে? জনসংখ্যা বৃদ্ধিৰ কাৰকসমূহৰ বিষয়ে চমুকৈ লিখা। 5

উত্তৰ ঃ অসমত উচ্চ হাৰত হোৱা জনসংখ্যা বৃদ্ধিৰ কাৰণ হৈছে মূলতঃ দুটা। ইয়াৰে এটা হৈছে জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধি আৰু আনটো হৈছে বাহিৰৰ পৰা ৰাজ্যখনলৈ অধিক মাত্ৰাত হোৱা জনপ্ৰব্ৰজন। তলত এই কাৰক কেইটাৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল -

(ক) জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধি ঃ জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধি দৰাচলতে জন্ম আৰু মৃত্যুৰ হাৰৰ ওপৰত নিৰ্ভৰশীল। অসমৰ জনসংখ্যাৰ জন্ম আৰু মৃত্যুৰ হাৰ ভাৰতৰ গড় হাৰৰ মাজত বেছি পাৰ্থক্য নাই। অসমৰ জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধিৰ ফলত ৰাজ্যখনত যি হাৰত জনসংখ্যা বাঢ়িছে সেই প্ৰায় একেই হাৰত ভাৰতবৰ্ষৰ জনসংখ্যাও বৃদ্ধি

Created by Universal Document Converter

পাইছে। আধুনিক চিকিৎসা পদ্ধতিৰ প্ৰয়োগৰ ফলত হ্ৰাস পোৱা মৃত্যুৰ হাৰৰ প্ৰভাবতো জনসংখ্যা কিছু পৰিমাণে বৃদ্ধি পাইছে।

(খ) বাহিৰৰ পৰা ৰাজ্যখনলৈ অধিক মাত্ৰাত হোৱা জনপ্ৰব্ৰজন ঃ জনপ্ৰব্ৰজন অসমৰ জনসংখ্যা বৃদ্ধি এটা প্ৰধান কাৰণ বুলি চিহ্নিত হৈছে। ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধিতকৈ জনপ্ৰব্ৰজনৰ অৰিহণা অধিক। বৰ্তমান সময়ত অধিক মাত্ৰাত হোৱা জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত এই কথা প্ৰতিপন্ন হৈছে যে যদি অসমলৈ বুজন পৰিমাণে জনপ্ৰব্ৰজন নঘটিলহেঁতেন, তেনেহ'লে অসমৰ জনসংখ্যা স্বাভাৱিকভাৱেই বৃদ্ধি হৈ থাকিলহেঁতেন।

ব্ৰিটিছে দেশৰ শাসনভাৰ লোৱাৰ সময়ৰ পৰা অৰ্থাৎ 1826 চনৰ পৰা অসমলৈ কম পৰিমাণে জনপ্ৰব্ৰজন হৈ আছিল। কিন্তু যোৱা শতিকাৰ আ�ৰম্ভণিৰ পৰা অধিক সক্ৰিয় ৰূপত ৰাজ্যখনলৈ জনপ্ৰব্ৰজন হ'বলৈ ধৰিলে। 1947 চনত দেশ বিভাজনৰ সময়ত বহু সংখ্যক হিন্দু শৰণাৰ্থী তেতিয়াৰ পূব পাকিস্তান (এতিয়া বাংলাদেশৰ পৰা অসমলৈ প্ৰব্ৰজন কৰে। আকৌ ভাৰতৰ স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত (1951-2001) অসমৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰে। এই কালছোৱাত দেশৰ জনসংখ্যাৰ 185 শতাংশ বৃদ্ধিৰ বিপৰীতে অসমৰ জনসংখ্যা প্ৰায় 232 শতাংশ বৃদ্ধি পাইছিল। জনসংখ্যাৰ এই অস্বাভাৱিক বৃদ্ধিৰ মূল কাৰণ হৈছে বাংলাদেশৰ পৰা অসমলৈ অবাধ গতিত হোৱা অনুপ্ৰবেশ।

30. অসমৰ জনসংখ্যাৰ অসমান বিতৰণৰ কাৰণবোৰৰ বিষয়ে তথ্যসহকাৰে বুজাই লিখা।

উত্তৰ ঃ অসমৰ সকলো অঞ্চলতে জনসংখ্যাৰ বিতৰণ (disiribution) একে ধৰণৰ নহয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ভূ-প্ৰকৃতি, জলবায়ু, ভূমি উৰ্বৰতা, পানীৰ উপলব্ধতা, খনিজ পদাৰ্থ প্ৰাচুৰ্য, উদ্যোগ, পৰিবহন আদি ব্যৱস্থাবোৰ একে নোহোৱা বাবে আমি ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ ভিন্ন জনবসতিৰ বিতৰণ দেখিবলৈ পাওঁ। আৰ্থিক কাম-কাজৰ সুচলতা অনুসৰি অসমৰ ভিন্ ভিন্ পৰিৱেশৰ অঞ্চলবোৰত জনসংখ্যাৰ বিতৰণৰ প্ৰতিৰূপৰ পাৰ্থক্য সৃষ্টি হোৱা দেখা যায়। অসমৰ বিভিন্ন অঞ্চলৰ ভিন্ন প্ৰাকৃতিক পৰিৱেশ অনুসৰি ৰাজ্যখনৰ জনসংখ্যা সকলো অঞ্চলতে সমান নহয়। সেয়ে অঞ্চলভেদে জনসংখ্যা ঘনত্বও একে নহয়। ৰাজ্যখনৰ ভিন্ ভিন্ এলেকাত যথাক্ৰমে মালভূমি, ভংগিল পৰ্বত আৰু নদী গঠিত সমভূমি অঞ্চলৰ ভিন্নধৰ্মী ভূপ্ৰাকৃতিক অবয়ব পোৱা যায়। এনে ভিন্ন ভূ-প্ৰাকৃতিক অঞ্চলত আৰ্থিক কাম-কাজো ভিন্ন হয়। অসমৰ মুঠ ভৌগোলিক এলেকাৰ 20 শতাংশ আৱৰি ৰখা পৰ্বত অথবা মালভূমি সমূহৰ অধিকৃত এলেকাসমূহৰ অনুৰ্বৰ আৰু অতিশয় বন্ধুৰ প্ৰকৃতিৰ এলেকাত কৃষিকাৰ্য সুচল নোহোৱা হেতুকে ৰাজ্যখনৰ সমগ্ৰ পাৰ্বত্য ভূমিত জনবসতি সেৰেঙা হোৱা দেখা যায়।

সাধাৰণতে যিবিলাক অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ অনুকুল নহয়, যাতায়াত আৰু অৰ্থনৈতিক অৱস্থা উন্নত নহয়, সেইবিলাক অঞ্চলত জনবসতি সেৰেঙা আৰু জনসংখ্যা কম হয়। ইয়াৰ বিপৰীতে, অনুকূল প্ৰাকৃতিক আৰু অৰ্থনৈতিক অৱস্থা বিৰাজ কৰা অঞ্চলবোৰত জনবসতি ঘন হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমতল ভূমি, সাৰুৱা মাটি, সুচল কৃষিকাৰ্য্য আৰু যাতায়াত ব্যৱস্থাৰ বাবে তাত জনবসতি ঘন। সেয়েহে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমৰ মুঠ জনসংখ্যাৰ 85 শতাংশ লোকে বসবাস কৰে। ইয়াত জনসংখ্যাৰ ঘনত্ব 2011 চনত প্ৰতি বৰ্গকিলোমিটাৰত 1,502 জন। সেইদৰে বৰাক উপত্যকাৰ সাৰুৱা সমভূমি অঞ্চলটো কৃষিকৰ্ম আৰু যাতায়াতৰ বাবে সুচল হোৱাৰ কাৰণে এই অঞ্চলটো জনবসতি ঘন। 2011 চনৰ তথ্যমতে ইয়াত জনসংখ্যাৰ ঘনত্ব হৈছে প্ৰতি বৰ্গ কিলোমিটাৰত 545 জন আৰু অসমৰ মুঠ জনসংখ্যা প্ৰায় 11 শতাংশ লোকে এই বৰাক উপত্যকাত বসবাস কৰে। বৰাক আৰু ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকা সমতলৰ মাটি উৰ্বৰ আৰু মানুহৰ জীৱনযাত্ৰাৰ ভৌতিক তথা সাংস্কৃতিক পটভূমিও সাধাৰণ অৰ্থত অনুকূল। সেয়েহে সমগ্ৰ ৰাজ্যখনৰ বৃহত্তম অংশটোৱেই এই দুই নদী উপত্যকাত সিঁচৰতি হৈ আছে। ইয়াৰ বিপৰীতে, ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত অৱস্থিত কাৰ্বি আংলং আৰু ডিমা হাচাও পাৰ্বত্য জিলা দুখনক সামৰি লোৱা পাৰ্বত্য অঞ্চলটোৰ প্ৰতিকুল ভূপ্ৰাকৃতিক অবস্থাৰ কাৰণে তাত জনবসতি পাতল আৰু জনসংখ্যাও কম। এই পাৰ্বত্য অঞ্চলটোত অসমৰ মুঠ জনসংখ্যা প্ৰায় 3.75 শতাংশ লোকে

Created by Universal Document Converter

বাস কৰে। ইয়াত জনসংখ্যাৰ ঘনত্ব অসমৰ আনকেইটা অঞ্চলৰ তুলনাত নিচেই কম। 2011 চনৰ লোকপিয়ল তথ্যমতে পার্বত্য অঞ্চলটোত জনসংখ্যা ঘনত্ব প্রতি বর্গ কিলোমিটাৰত মাত্র 68 জন।

31. মানৰ সম্পদ বুলিলে কি বুজা? অসমৰ প্রেক্ষাপটত মানৰ সম্পদক উপযুক্তভাৱে গঢ়ি তোলাৰ সম্ভাৱনীয়তা সম্পর্কে আলোচনা কৰা। 5

উত্তৰ ঃ প্রাকৃতিক সম্পদসমূহক মানুহৰ ব্যৱহাৰোপযোগী কৰিবলৈ মানুহৰ কার্যদক্ষতা, শিক্ষা, প্রযুক্তি আৰু আগ্রহৰ প্রয়োজন হয়। এনেবোৰ গুণ থকাৰ বাবে মানুহক মানৰ সম্পদ বোলা হয়। দৰাচলতে মানুহেই সম্পদৰ সৃষ্টিকর্তা। মানুহৰ আর্থিক, সামাজিক আৰু সাংস্কৃতিক সমস্যাবোৰৰ সমাধানৰ উদ্দেশ্যে ব্যৱস্থা গ্রহণ কৰা কার্যাৱলীবোৰক এক কথাত মানৰ উন্নয়ন বুলি ক'ব পাৰি। মানৰ সম্পদৰ দ্রুত বিকাশৰ বাবেই জাপান, ছুইজাৰলেণ্ড, টাইৱান, ছিংগাপুৰ, দক্ষিণ কোৰিয়া আদি দেশবোৰ প্রয়োজনীয় বহু প্রাকৃতিক সম্পদ তথা উদ্যোগৰ বাবে প্রয়োজনীয় নিজা কেঁচা সামগ্রীৰ অভাৱতো আজি পৃথিৱীৰ একো একোখন অগ্রণী আৰু সমৃদ্ধশালী দেশ হিচাপে পৰিগণিত হৈছে। কিন্তু ইয়াৰ বিপৰীতে অসমৰ দ্রুতগতিৰে বাঢ়ি অহা জনসংখ্যা ৰাজ্যখনৰ বাবে বোজা হৈ পৰিছে। জনসংখ্যাৰ সমস্যাই ৰাজ্যখনত আন বহু সমস্যাৰ সৃষ্টি কৰিছে। সেয়েহে জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণ নকৰিলে আৰু বৃহৎ জনসংখ্যাক মানৰ সম্পদ হিচাপে গঢ়ি তুলিব নোৱাৰিলে জনসংখ্যাৰ সমস্যাই ৰাজ্যখনত ব্যাপক ৰূপ ধাৰণ কৰিব। বয়সৰ ভিত্তিত দেখা যায় যে জাপান বা চীন দেশৰ দৰে ভাৰতৰ আৰু অসমৰ জনসংখ্যা বয়সস্থ লোকৰ দ্বাৰা ভাৰাক্রান্ত নহয়। মন কৰিবলগীয়া যে অসমৰ মুঠ জনসংখ্যাৰ 35 শতাংশ লোক অর্থাৎ 10 নিযুততকৈ অধিক লোক 15 বছৰৰ পৰা 34 বছৰ বয়সৰ ভিতৰত আছে। ই এক আশাৰ বতৰা, কিয়নো অসমৰ জনসংখ্যাত যুৱ-প্রজন্মৰ পয়োভৰ ঘটিছে। অফু�ৰন্ত কর্মদক্ষতাৰ সম্ভাৱনা থকা এই বয়সৰ যুৱচামে ৰাজ্যখনৰ জনসংখ্যাৰ এক তৃতীয়াংশতকৈ অধিক অংশই প্রতিনিধিত্ব কৰিছে। এই বৃহৎ যুৱশক্তিক সঠিকভাৱে পৰিচালিত কৰি শিক্ষা-দীক্ষা, বুদ্ধিবৃত্তি, কাৰিকৰী দক্ষতা আদিৰ ক্ষেত্রত উপযুক্ত কৰি গঢ়ি তুলিব লাগিব। আনহাতে, সমাজৰ দুর্বল শ্রেণীৰ লোকসকল, বিশেষকৈ দৰিদ্র জনসাধাৰণ, দৈহিকভাৱে অক্ষম লোকসকল আৰু মহিলাসকলৰ সৱলীকৰণৰ বাবে কার্যকৰী ব্যৱস্থা গ্রহণ কৰিলেহে প্রকৃতার্থত মানৰ সম্পদ উন্নয়ন সম্ভৱ হ'ব। অসমৰ বৃহৎ জনসংখ্যা হৈছে ৰাজ্যখনৰ মানৰ সম্পদৰ আধাৰ। অসমৰ জনসংখ্যাক গুণগতভাৱে সমৃদ্ধ কৰিব পাৰিলেহে মানৰ সম্পদ সৃষ্টি হ'ব। অসমৰ বৃহৎ জনসংখ্যাক ৰাজ্যখনৰ বাবে বোজা হ'বলৈ নিদি কিদৰে সম্পদ হিচাপে গঢ়ি তুলিব পাৰি তাৰেই পৰিকল্পনা কৰাৰ সময় আহি পৰিছে। আমাৰ সন্মুখত এতিয়া এইটোৱেই এক ডাঙৰ প্রত্যাহ্বান হৈ থিয় দিছে।

32. অসমৰ প্রাকৃতিক সম্পদসমূহৰ ওপৰত পৰা সংকট আৰু ফলপ্রসু সমাধান সম্পর্কে লিখা। 5

উত্তৰ ঃ প্রাকৃতিক সম্পদত চহকী অসম ৰাজ্যখনৰ প্রাকৃতিক সম্পদৰাজি বর্তমান সুৰক্ষিত অৱস্থাত নাই। দিনে দিনে প্রাকৃতিক সম্পদবোৰ ক্ষয় হ'বলৈ ধৰিছে। বর্তমান প্রাকৃতিক কাৰকতকৈ মানৱজনিত কাৰকবোৰ বেছি প্রভাৱশালী ৰূপত সক্রিয় হৈ পৰিছে।

সম্প্রতি অসমৰ জনসংখ্যা দ্রুতগতিৰে বৃদ্ধি পোৱাৰ ফলস্বৰূপে প্রাকৃতিক পৰিৱেশৰ ওপৰত জনসংখ্যাৰ হেঁচা বাঢ়ি গৈছে। ফলশ্রুতিত জনবসতিৰ প্রসাৰ ঘটিছে। সমান্তৰালভাৱে খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰিবলগীয়া হৈছে। এইসকল লোকে কোনো ঠাইত হাবি-জংঘল পৰিষ্কাৰ কৰি, আকৌ কোনো ঠাইত জলাশয় আদি পুতি মানুহে বসতি কৰিবলৈ লৈছে। আনকি সাৰুৱা পলসুৱা কৃষিভূমি বসতিৰ বাবে ব্যৱহাৰ কৰা হৈছে। এইদৰে জনবসতি সম্প্রসাৰণৰ ফলত বনাঞ্চল, জলাশয়, আর্দ্রভূমি, কৃষিভূমি আদি মূল্যবান সম্পদবোৰ ক্রমে হ্রাস পাই আহিছে। জনসংখ্যাৰ হেঁচাত ভূমিৰ ব্যৱহাৰৰ পৰিৱর্তন হৈছে আৰু অনুচিতভাৱে ভূমি ব্যৱহাৰ কৰা হৈছে. ইয়াৰ ফলত ভূমি ক্ষয়, ভূমিৰ উর্বৰতা হ্রাস, মৃত্তিকা প্রদূষণ আদি সমস্যাৰ সৃষ্টি হৈছে. আনহাতে, বর্ধিত জনসংখ্যাৰ বাবে অধিক খাদ্য শস্য উৎপাদনত গুৰুত্ব দিবলগীয়া হোৱাত কৃষিভূমিৰ প্রয়োজন হৈছে। কিন্তু জনবসতিৰ বাবেও কৃষিভূমি ব্যৱহাৰ হোৱাত বাবেও কৃষিভূমি হ্রাস হ'ব ধৰিছে। সেয়েহে মানুহে অৰণ্যভূমি আৰু আর্দ্রভূমি কৃষিভূমিলৈ পৰিৱর্তন কৰি কৃষিকার্যৰ সম্প্রসাৰণ

Created by Universal Document Converter

ঘটাইছে। আকৌ অধিক শস্য উৎপাদনৰ উদ্দেশ্যে কৃষিভূমিত অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ ফলতো কৃষিভূমিৰ প্ৰাকৃতিক গুণাগুণ নষ্ট হৈ পৰিছে।

ভূমি সম্পদৰ দৰে অসমৰ বন সম্পদো মানুহৰ কাৰ্যকলাপৰ দ্বাৰা আক্ৰান্ত হৈছে। বৰ্তমান চলি থকা বন ধ্বংস কাৰ্য যদি এতিয়াই ৰোধ কৰিব পৰা নাযায়, তেন্তে অচিৰেই অসমৰ বনসম্পদ নিঃশেষ হৈ যাব। ৰাজ্যখনত পাৰিবেশিক ভাৰসাম্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় বনাঞ্চলৰ অভাৱ ঘটি গুৰুতৰ পাৰিবেশিক সমস্যাৰ সৃষ্টি হ'ব। সেইদৰে ৰাজ্যখনৰ বিশেষকৈ পৰিবহণ, উদ্যোগ আৰু শক্তি খণ্ডৰ উন্নয়নৰ অৰ্থে খনিজ সম্পদবোৰৰ ব্যৱহাৰ ক্ৰমশঃ বৃদ্ধি পাইছে আৰু নিশ্চিতভাৱে এদিন এই অনবীকৰণীয় সম্পদৰাজিৰ ভাণ্ডাৰ উদং হৈ পৰিব।

বৰ্তমান সময়ত মানুহৰ অৰ্থনৈতিক কাম-কাজৰ পৰিসৰ বৃদ্ধি পাইছে। অসমত নগৰীকৰণ আৰু ঔদ্যোগীকৰণ প্ৰক্ৰিয়া ক্ৰমশঃ অগ্ৰসৰ হৈছে আৰু ফলত প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত ইয়াৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ পৰিছে। উপযুক্ত পৰিকল্পনা অবিহনে নগৰীকৰণ আৰু ঔদ্যোগীকৰণ প্ৰক্ৰিয়া অব্যাহত থাকিলে ৰাজ্যখনৰ বায়ু, ভূমি আৰু জলসম্পদ প্ৰদূষিত হ'ব। যি কি নহওক, এই কথা ঠিক যে প্ৰাকৃতিক সম্পদৰ উচিত আৰু বিবেচনাপূৰ্ণ ব্যৱহাৰ হ'ব লাগে আৰু ইয়াৰ বাবে সম্পদ পৰিকল্পনাৰ (Resource Planning) অতি আৱশ্যক। উপযুক্ত পৰিকল্পনাৰ দ্বাৰা সম্পদ সংৰক্ষণ কৰি সম্পদৰ অপচয় ৰোধ কৰিব লাগিব আৰু তেতিয়াহে অসমৰ সামগ্ৰিক উন্নতি আশা কৰিব পাৰি।

33. অসমৰ ধান উৎপাদনৰ বিষয়ে আলোচনা কৰা। 5

উত্তৰ ঃ ধান অসমৰ প্ৰধান শস্য। ৰাজ্যখনৰ আটাইকেইটা কৃষি-জলবায়ৱীয় অঞ্চলত অৰ্থাৎ সকলো জিলাতে ধান খেতি কৰা হয়। অসমৰ মুঠ কৃষিক্ষেত্ৰৰ 66.13 শতাংশ এলেকাত ধান খেতি কৰা হয়। শস্য চপোৱাৰ ঋতুভিত্তিক অসমত তিনি প্ৰকাৰৰ ধানৰ খেতি কৰা দেখা যায়। শৰৎকালীন, শীতকালীন আৰু গ্ৰীষ্মকালীন ধানৰ খেতি। অসমত তিনি প্ৰকাৰৰ ধানৰ খেতি কৰা হয়, যেনে আহু ধান, শালি ধান আৰু বড়ো ধান।

আহু খেতি সমভূমিৰ সাৰুৱা মাটিত কৰা হয় আৰু বিশেষকৈ নামনি অসমত এই খেতি বিস্তৃতভাৱে কৰা হয়। আহু খেতি ৰোপণ আৰু সিচন দুই প্ৰকাৰে হয়। ফেব্ৰুৱাৰী-মাৰ্চ মাহত আৰম্ভ কৰি জুন-জুলাই মাহত চপোৱা হয়।

অসমৰ মুঠ ধান খেতি কৰা মাটিৰ প্ৰায় 70 শতাংশ মাটিত শালি ধানৰ খেতি বিস্তৃতভাৱে কৰা হয়। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সাৰুৱা পলসুৱা মাটিত শালি খেতি ভাল হয়। বৰ্তমান সময়ত অধিক উৎপাদনক্ষম জয়া, পুসা, আই. অৰ-8, পাইজুং প্ৰভৃতি সংকৰ প্ৰজাতিৰ ধানবোৰহে অসমৰ পথাৰত অধিক পৰিমাণে দেখা যায়। ইয়াৰ উপৰি বৰা, চকোৱা, কণজহা প্ৰভৃতি কিছু সংখ্যক উচ্চ মানবিশিষ্ট পৰম্পৰাগত প্ৰজাতিৰ ধানৰ উৎপাদন ৰাজ্যখনত এতিয়াও অব্যাহত আছে। এই খেতি ৰোপণ পদ্ধতিৰে জুলাই-আগষ্ট মাহত আৰম্ভ কৰি নৱেম্বৰ-ডিচেম্বৰ মাহত চপোৱা হয়।

বড়ো ধানো কম-বেছি পৰিমাণে অসমৰ আটাইকেইখন জিলাত উৎপাদন কৰা হয়। এই ধানৰ খেতি সাধাৰণতে দ' ঠাই বিলাকত শীতকালত আৰম্ভ কৰি বাৰিষা জুন-জুলাই মাহত বানপানী অহাৰ আগে আগে চপোৱা হয়। বানপীড়িত অঞ্চলৰ কৃষকসকলৰ মাজত বড়ো ধানৰ খেতি বৰ্তমান জনপ্ৰিয় হৈ পৰিছে, কাৰণ বানপানীয়ে সালি খেতি নষ্ট কৰি পেলায়।

34. অসমৰ পাহাৰীয়া অঞ্চলৰ লোকে কৰা খেতিৰ বিষয়ে আলোচনা যুগুত কৰা। 5

উত্তৰ ঃ অসমৰ পাৰ্বত্য এলেকাসমূহত বছৰি প্ৰায় 700 বৰ্গ কিঃমিঃ অৰ্থাৎ 70,000 হেক্টৰ অৰণ্যভূমি অন্তৰণ কৃষি অথবা ঝুম খেতিৰ কাৰণে মুকলি কৰা হয়। সাধাৰণতে পাহাৰৰ সুচল ঢালত হাবি-জংঘল পুৰি খেতিৰ ঠাই মুকলি কৰি পৰম্পৰাগত পদ্ধতিৰে জনজাতীয় লোকসকলে ঝুম খেতি কৰে। একেডোখৰ মাটিতে কেইবাবছৰ ঝুম খেতি কৰাৰ পিছত মাটিৰ উৰ্বৰা হ্ৰাস পালে আন এডোখৰ ঠাই নিৰ্বাচন কৰি তাত ঝুম খেতি নতুনকৈ আৰম্ভ

Created by Universal Document Converter

কৰে। এনেদৰে ঠাই সলাই কৰা ঝুম খেতি জনজাতীয় লোকসকলৰ সমাজ-সংস্কৃতি আৰু জীৱন ধাৰণ প্ৰণালীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। অসমৰ পাৰ্বত্য জিলা দুখন যেনে - কাৰ্বি আংলং আৰু ডিমা হাচাওক সামৰি লোৱা পাৰ্বত্য কৃষি-জনবায়ৱীয় অঞ্চলটোত ঝুম খেতিয়ে প্ৰাধান্য লাভ কৰিছে। কাৰ্বি আংলং আৰু ডিমা চাহাও জিলা বাণিজ্যিক পৰিসৰত মাটি কঠাল উৎপাদনকাৰী অসমৰ দুখন জিলা। কাৰ্বি আংলং জিলাৰ মুঠ মাটিকালিৰ 66 শতাংশ অঞ্চল পাহাৰে আবৃত হৈ থকাৰ সমান্তৰালভাৱে ডিমা হাচাও জিলাৰ 85 শতাংশ অঞ্চল পাহাৰে আবৃত হৈ আছে। এই পাহাৰীয়া অঞ্চলতে ঝুম খেতি কৰা হয়। কাৰ্বি আংলং জিলাত প্ৰায় 5,452 বৰ্গ কিলোমিটাৰ আৰু ডিমা হাচাও জিলাত প্ৰায় 2,597 বৰ্গ কিলোমিটাৰ মাটিত ঝুম খেতি কৰা হয়। ঝুম খেতি একপ্ৰকাৰৰ মিশ্ৰিত কৃষি পদ্ধতি হ'লেও ইয়াৰ পৰা ভাল উৎপাদন পোৱা নাযায়। এই খেতিৰ ফলত বন ধ্বংস, ভূমি ক্ষয়, মাটিৰ উৰ্বৰতা হ্ৰাস আদি পাৰিবেশিক সমস্যাৰ সৃষ্টি হৈছে। সেয়েহে ঝুম খেতি পৰিৱেশ সন্মতভাৱে কৰাৰ প্ৰয়োজন হৈছে আৰু জনজাতীয় লোকসকলৰ মাজত ঝুম খেতিৰ পৰিৱৰ্তে বেদিকা কৃষি পদ্ধতি জনপ্ৰিয় কৰি তুলিবলৈ প্ৰচেষ্টা হাতত ল'ব লাগে।

35. অসমৰ ঔদ্যোগিক বিকাশ এতিয়াও মন্থৰ হৈ থকাৰ কাৰণসমূহ কি? 5

উত্তৰ ঃ অসমত কৃষিভিত্তিক উদ্যোগ আৰু ঔদ্যোগিক বিকাশৰ বাবে প্ৰচুৰ সম্ভাৱনা থকা সত্বেও ঔদ্যোগীকৰণ প্ৰক্ৰিয়া এতিয়াও লেহেমীয়া হৈ আছে। ৰাজ্যখনত দুৰ্বল আন্তঃগাঁথনি আদি সমস্যাৰ বাবে উদ্যোগৰ আশানুৰূপ উন্নতি হোৱা নাই। তলত ইয়াৰ কাৰণসমূহ উল্লেখ কৰা হ'ল -

(ক) ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে ঔদ্যোগিক উন্নয়ন কৰিবলৈ সুসংহত পৰিকল্পনাৰ অভাৱ।

(খ) ৰাজ্যখনত শক্তিৰ চাহিদা অনুপাতে ইয়াৰ যোগান আৰু বিতৰণ নিয়মীয়া আৰু পৰ্যাপ্ত নহয়।

(গ) মূলধন অভাৱৰ উপৰিও স্থানীয় লোকৰ মাজত উদ্যোগী স্পৃহা বঢ়াবলৈ উপযুক্ত পৰিকল্পনাৰ অভাৱ। উদ্যোগীকৰণৰ বাবে লাগতিয়াল আন্তঃগাঁথনিৰ অভাৱ।

(ঘ) অনুন্নত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উপৰি উদ্যোগ স্থাপনৰ বাবে সৰল আৰু শিথিল উদ্যোগ নীতিৰ অভাৱ।

(ঙ) সহজে পচনশীল কৃষিজাত শস্যৰ সংৰক্ষণৰ বাবে উপযুক্ত ভঁৰালৰ অভাৱত খাদ্য প্ৰস্তুতকৰণ উদ্যোগে আশা কৰা মতে উন্নতি লাভ কৰিব পৰা নাই।

(চ)প্ৰচুৰ সম্ভাৱনা থকা সত্বেও ৰাজ্যখনত পৰ্যটন খণ্ডত অপৰ্যাপ্ত মূলধন বিনিয়োগ, অনুন্নত পৰিবহণ ব্যৱস্থা, বিদেশী পৰ্যটক আকৰ্ষণ কৰিব পৰা পৰিৱেশন অভাৱ, পৰ্যটনস্থলীসমূহৰ দুৰ্বল আন্তঃগাঁথনি আদি সমস্যাৰ বাবে পৰ্যটন উদ্যোগৰ আশানুৰূপ উন্নতি হোৱা নাই।

(ছ) বিশেষকৈ ৰাজ্যখনত উদ্ভৱ হোৱা বিদ্ৰোহী সমস্যাৰ বাবে অসমত বিনিয়োগ কৰিবলৈ বাহিৰৰ বিনিয়োগকাৰীসকল আগ্ৰহী নহয়। সেয়েহে বিনিয়োগ সন্তোষজনক নহয়।

36. অসমৰ অৰ্থনীতিত ঔদ্যোগীকৰণৰ প্ৰভাৱ আৰু ইয়াৰ বিকাশ আৰু সম্ভাৱনা সম্বন্ধে আলোচনা কৰা। 5

উত্তৰ ঃ অসমৰ অৰ্থনীতিত উদ্যোগ খণ্ডৰ গুৰুত্ব অধিক। কিন্তু ওদ্যোগিক বিকাশৰ বাবে প্ৰচুৰ সম্ভাৱনা থকা সত্বেও অসমত ঔদ্যোগীকৰণ প্ৰক্ৰিয়া এতিয়াও মন্থৰ হৈ আছে। স্বাধীনতাৰ আগলৈকে অসমত চাহ উদ্যোগ আৰু একমাত্ৰ ডিগবৈ তেল শোধনাগাৰৰ বাহিৰে তেনে কোনো উল্লেখযোগ্য উদ্যোগ নাছিল। কিন্তু যোৱা দুই-তিনি দশক ধৰি ৰাজ্যখনত ঔদ্যোগীকৰণৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। ফলস্বৰূপে কিছুমান উদ্যোগ গঢ় লৈ উঠিছে। এই উদ্যোগসমূহৰ ভিতৰত তেল শোধনাগাৰ, পেট্ৰ'ৰাসায়নিক উদ্যোগ, সাৰ কাৰখানা, কাগজ কল, চিমেণ্ট উদ্যোগ, চেনি কল, কপাহ আৰু মৰাপাট কল আদিয়েই প্ৰধান। বৰ্তমান অসমত 100

Created by Universal Document Converter

তকৈ অধিক মধ্যমীয়া বিধৰ আৰু প্ৰায় 17,500 টা সৰু উদ্যোগ আছে। আনহাতে, হস্ততাত আৰু হস্ত শিল্প, যেনে - এৰি, মুগা আৰু পাট শিল্প, বাঁহ-বেতৰ শিল্প, কাহ-পিতল শিল্পৰ ক্ষেত্ৰত অসম আগবঢ়া। মুগা সুতাৰ উৎপাদন অসমৰ এটা একচেতিয়া উদ্যোগ।

খনিজ সম্পদ যেনে - কয়লা, তেল, প্ৰাকৃতিক গেছ আৰু চুণশিল আদি সম্পদৰাজিৰ পৰা অসমে ভালেখিনি ৰাজহ (Royalty) লাভ কৰে. পৰ্যটন খণ্ডৰ পৰা কিছু ৰাজহ লাভ কৰা ৰাজ্যখনে অৱশ্যে পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে ৰাজ্যখনত যথেষ্ট সম্ভাৱনা আছে। ৰাজ্যখনৰ মাটিৰ গুণাগুণৰ ভিত্তিত উপযুক্ত ভূমি ব্যৱহাৰৰ পৰিকল্পনা এতিয়াও হোৱা নাই। এই কথা ঠিক যে, ভূমি সম্পদৰ উপযুক্ত ব্যৱহাৰে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰিব পাৰে। আনহাতে, ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইহঁতৰ অসংখ্য উপনৈৰ প্ৰচুৰ জলসম্পদ বৰ্তমান সময়ত আশা কৰা মতে ব্যৱহাৰ হোৱা নাই। উপযুক্ত পৰিকল্পনাৰে কৃষি, উদ্যোগ, শক্তি আৰু পৰিবহন খণ্ডত সম্পদৰাজি ব্যৱহাৰ কৰিলেহে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ আশা কৰিব পাৰি।

উল্লেখযোগ্য যে, বৰ্তমান সময়ত উপযুক্ত বজাৰ, পৰ্যাপ্ত মুলধন বিনিয়োগ, আন্তঃগাঁঠনি আৰু আধুনিক প্ৰযুক্তিৰ অভাৱত এই স্থানীয় উদ্যোগসমূহ ৰাজ্যৰ বাহিৰৰ পৰা আমদানি হোৱা শিল্পজাত আধুনিক সামগ্ৰীৰ সৈতে প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগা হৈছে।

ৰাজ্যখনৰ কৃষি আৰু উদ্যোগ খণ্ডৰ বিকাশ এতিয়াও মন্থৰ হৈ আছে আৰু অসমৰ অৰ্থনীতিৰ এই দুই প্ৰধান খণ্ডৰ সমস্যাবোৰ দূৰ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অসমৰ অৰ্থনৈতিক উন্নয়নৰ ভালেমান সমস্যা আৰু ইয়াৰ বিপৰীতে উন্নয়নৰ প্ৰচুৰ সম্ভাৱনাও আছে। এই সমস্যাবোৰ দূৰ কৰি সম্ভাৱনাবোৰত গুৰুত্ব দিব লাগে। ৰাজ্যখনৰ সামগ্ৰিক উন্নতিৰ বাবে কৃষি, উদ্যোগ, শক্তি, পৰিবহণ, সেৱা খণ্ড আদি অৰ্থনৈতিক খণ্ডসমূহৰ মাজত সুসমন্বয় স্থাপন কৰি আগবাঢ়িব লাগিব।

Created by Universal Document Converter

ৰাজনীতি খণ্ড

Created by Universal Document Converter

অধ্যায় - ১
ভাৰতীয় গণতন্ত্ৰ

অতি চমু উত্তৰৰ প্ৰশ্ন ঃ **(নম্বৰ - ১)**

১) ১৯৪৫ চনত অনুষ্ঠিত হোৱা নিৰ্বাচনত ইংলেণ্ডত কোনটো দল জয়ী হৈছিল?

উঃ ১৯৪৫ চনত অনুষ্ঠিত হোৱা নিৰ্বাচনত ইংলেণ্ডত শ্ৰমিক দল জয়ী হৈছিল।

২) 'কেবিনেট মিছন' ভাৰতলৈ কেতিয়া আহিছিল?

উঃ 'কেবিনেট মিছন' ভাৰতলৈ ১৯৪৬ চনৰ মাৰ্চ মাহত আহিছিল।

৩) সংবিধান সভাৰ প্ৰথম সভাপতি কোন আছিল?

উঃ সংবিধান সভাৰ প্ৰথম সভাপতি আছিল - ড° সচ্ছিদানন্দ সিনহা।

৪) খচৰা সমিতিৰ অধ্যক্ষজনৰ নাম কি?

উঃ খচৰা সমিতিৰ অধ্যক্ষজনৰ নাম ড° বি আৰ আম্বেদকাৰ।

৫) 'সমাজবাদী' আৰু 'ধৰ্ম নিৰপেক্ষ' শব্দ দুটা সংবিধানৰ কিমান তম সংশোধনী মতে প্ৰস্তাৱনাত সন্নিৱিষ্ট হৈছিল?

উঃ 'সমাজবাদী' আৰু 'ধৰ্ম নিৰপেক্ষ' শব্দ দুটা সংবিধানৰ ৪২ তম সংশোধনী মতে প্ৰস্তাৱনাত সন্নিৱিষ্ট হৈছিল।

৬) ইংৰাজী Federation শব্দটো কোনটো লেটিন শব্দৰ পৰা আহিছে?

উঃ ইংৰাজী Federation শব্দটো 'Foedus' লেটিন শব্দৰ পৰা আহিছে।

৭) 'যুক্তৰাষ্ট্ৰৰ গৃহভূমি' বুলি কাক কোৱা হয়?

উঃ 'যুক্তৰাষ্ট্ৰৰ গৃহভূমি' বুলি আমেৰিকা যুক্তৰাষ্ট্ৰক কোৱা হয়।

৮) ভাৰতবৰ্ষত দ্বৈত নাগৰিকত্বৰ ব্যৱস্থা আছেনে?

উঃ ভাৰতবৰ্ষত দ্বৈত নাগৰিকত্বৰ ব্যৱস্থা নাই।

৯) ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ ধাৰণাটো কোনখন দেশৰ সংবিধানৰ পৰা অনুকৰণ কৰা হৈছে?

উঃ ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ ধাৰণাটো ইংলেণ্ডৰ সংবিধানৰ পৰা অনুকৰণ কৰা হৈছে।

১০) কাৰ তৎপৰতাত সংবিধান সভা গঠন হৈছিল?

উঃ 'কেবিনেট মিছন'ৰ তৎপৰতাত সংবিধান সভা গঠন হৈছিল।

১১) 'কেবিনেট মিছন' কি?

উঃ 'কেবিনেট মিছন' আছিল ইংলেণ্ডৰ তিনিজন কেবিনেট মন্ত্ৰীৰে গঠিত এটা গোট।

১২) সংবিধান সভাৰ প্ৰথমখন বৈঠক কেতিয়া হৈছিল?

উঃ সংবিধান সভাৰ প্ৰথমখন বৈঠক ১৯৪৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে বহিছিল।

১৩) সংবিধানখন প্ৰস্তুত কৰা সম্পৰ্কত সংবিধান সভাৰ মুঠ কিমানখন বৈঠক বহিছিল?

উঃ সংবিধানখন প্ৰস্তুত কৰা সম্পৰ্কত সংবিধান সভাৰ মুঠ ১১ খন বৈঠক বহিছিল।

১৪) সংবিধান খচৰা কমিটি কেতিয়া গঠন হৈছিল?

উঃ সংবিধান খচৰা কমিটি ১৯৪৭ জনৰ ২৯ আগষ্টত গঠন হৈছিল।

Created by Universal Document Converter

১৫) 'ছাৰকাৰিয়া আয়োগ' কেতিয়া গঠন হৈছিল?

উঃ 'ছাৰকাৰিয়া আয়োগ' ১৯৮৩ চনত গঠন হৈছিল।

১৬) আমেৰিকা যুক্তৰাষ্ট্ৰত শাসনৰ সৰ্বোচ্ছ ক্ষমতা অৰ্পণ কৰা জনপ্ৰতিনিধিৰ সংস্থাটোক কি নামেৰে জনা যায়?

উঃ আমেৰিকা যুক্তৰাষ্ট্ৰত শাসনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা জনপ্ৰতিনিধিৰ সংস্থাটোক কংগ্ৰেছ (Congress) নামেৰে জনা যায়।

১৭) ভাৰতবৰ্ষ আৰু ইংলেণ্ডত শাসনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা জনপ্ৰতিনিধিৰ সংস্থাটোক কি নামেৰে জনা যায়?

উঃ ভাৰতবৰ্ষ আৰু ইংলেণ্ডত শাসনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা জন প্ৰতিনিধিৰ সংস্থাটোক সংসদ (Perliament) নামেৰে জনা যায়।

১৮) ভাৰতবৰ্ষৰ সংসদ কেইখন সদনেৰে গঠিত?

উঃ ভাৰতৰ সংসদ দুখন সদনেৰে গঠিত।

১৯) ভাৰতবৰ্ষৰ সংসদৰ সদন দুখনৰ নাম কি কি?

উঃ ভাৰতবৰ্ষৰ সংসদৰ সদন দুখন হ'ল ৰাজ্যসভা আৰু লোকসভা।

২০) ভাৰতবৰ্ষৰ সংসদৰ উচ্চ সদনখনৰ নাম কি?

উঃ ভাৰতবৰ্ষৰ সংসদজৰ উচ্চ সদনখনৰ নাম হ'ল ৰাজ্যসভা।

২১) ভাৰতবৰ্ষৰ সংসদৰ নিম্নসদনখনৰ নাম কি?

উঃ ভাৰতবৰ্ষৰ সংসদৰ নিম্নসদনখনৰ নাম হ'ল লোকসভা।

২২) পৰাধীন ভাৰতবৰ্ষত সংসদীয় পদ্ধতিৰ চৰকাৰ কেতিয়া আৰম্ভ কৰিছিল?

উঃ পৰাধীন ভাৰতবৰ্ষত সংসদীয় পদ্ধতিৰ চৰকাৰ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনে সীমিত ৰূপত আৰম্ভ কৰিছিল।

চমু উত্তৰৰ প্ৰশ্ন ঃ **(নম্বৰ - ২)**

১) ব্ৰিটিছ চৰকাৰে 'কেবিনেট মিছন'ক কিয় ভাৰতলৈ পঠাইছিল?

উঃ ভাৰতবৰ্ষৰ বাবে এখন সংবিধান ৰচনাৰ কাৰণে প্ৰয়োজনীয় পৰিৱেশ আৰু প্ৰস্তুতি চলাবৰ অৰ্থে ব্ৰিটিছ চৰকাৰে ১৯৪৬ চনৰ মাৰ্চ মাহত 'কেবিনেট মিছন'ক ভাৰতবৰ্ষলৈ পঠাইছিল।

২) ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ১৯৫০ চনৰ ২৬ জানুৱাৰীলৈ ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা কি আইনৰ ভিত্তিত চলিছিল আৰু আইনখন কোনে প্ৰস্তুত কৰিছিল?

উঃ ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ১৯৫০ চনৰ ২৬ জানুৱাৰীলৈ ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ ভিত্তিত চলিছিল আৰু আইনখন ব্ৰিটিছ সংসদে প্ৰস্তুত কৰিছিল।

৩) প্ৰস্তাৱনাত 'আমি ভাৰতীয় জনসাধাৰণে' বুলি কিয় উল্লেখ কৰা হৈছে?

উঃ প্ৰস্তাৱনাত 'আমি ভাৰতীয় জনসাধাৰণে' বুলি উল্লেখ কৰি সংবিধান প্ৰণেতাসকলে স্পষ্ট কৰিছে যে সংবিধানখনৰ ৰচক ভাৰতীয় জনগণ, সংবিধানখন ভাৰতীয় জনগণৰ আৰু ভাৰতীয় জনগণেই সংবিধানৰ আঁৰত থকা বৃহৎ শক্তি।

Created by Universal Document Converter

৪) 'সার্বভৌম' মানে কি বুজা?

উঃ 'সার্বভৌম' মানে হৈছে বাহ্যিকভাৱে এখন দেশ কোনো বিদেশী শক্তিৰ তলতীয়া নোহোৱা আৰু আভ্যন্তৰীণভাৱেও সেইদেশখন কোনো বিশেষ শক্তিৰ দ্বাৰা পৰিচালিত নোহোৱা, ই ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা।

৫) কোন চনৰ কিমান সংখ্যক সংশোধনী অনুসৰি সংবিধানৰ প্ৰস্তাৱনাত 'সমাজবাদী' আৰু 'ধৰ্মনিৰপেক্ষ' শব্দ দুটা সন্নিবিষ্ট কৰা হৈছে?

উঃ ১৯৭৬ চনৰ ১৮ ডিচেম্বৰ তাৰিখে হোৱা সংবিধানৰ ৪২ তম সংশোধনী অনুসৰি সংবিধানৰ প্ৰস্তাৱনাত 'সমাজবাদী' আৰু 'ধৰ্মনিৰপেক্ষ' শব্দ দুটা সন্নিবিষ্ট কৰা হৈছে।

৬) 'অৰ্ধ যুক্তৰাষ্ট্ৰ' কাক বোলে?

উঃ যি ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাত যুক্তৰাষ্ট্ৰীয় আৰু এককেন্দ্ৰীয় দুয়ো চৰকাৰৰ বৈশিষ্ট্য দেখা পোৱা যায় তেনে ৰাষ্ট্ৰকে 'অৰ্ধ যুক্তৰাষ্ট্ৰ' বোলে।

৭) কোনকেইখন আইনে পৰাধীন ভাৰতবৰ্ষত সীমিত সংসদীয় পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল?

উঃ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে পৰাধীন ভাৰতবৰ্ষত সীমিত সংসদীয় পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল।

৮) ভাৰতবৰ্ষৰ প্ৰস্তাৱনাক কি কি বুলি অভিহিত কৰা হয়?

উঃ ভাৰতবৰ্ষৰ প্ৰস্তাৱনাক সংবিধানৰ আত্মা (soul), বিবেক (conscience), দুৱাৰদলি (threshold) আৰু চাবি-কাঠি (keys) বুলি অভিহিত কৰা হয়।

৯) সংবিধান খচৰা কমিটিৰ সদস্যসকলৰ নাম কি?

উঃ সংবিধান খচৰা কমিটিৰ সদস্যসকল হ'ল - ড° বি আৰ আম্বেদকাৰ (সভাপতি), এন গোপালস্বামী আয়েংগাৰ, আলাদি কৃষ্ণস্বামী আয়াৰ, কে এম মুন্সি, চৈয়দ মহম্মদ চাদুল্লা, এন মাধৱ ৰাও আৰু ডি পি খৈটান।

১০) 'ছাৰকাৰিয়া আয়োগ' কিয় গঠন কৰা হৈছিল?

উঃ ভাৰতবৰ্ষ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটোত সংশোধন আনি অংগৰাজ্যসমূহক স্বতন্ত্ৰতা প্ৰদানৰ দাবী সময়ে সময়ে উত্থাপিত হৈ আহিছে। এনে দাবীৰ বাবেই ১৯৮৩ চনত 'ছাৰকাৰিয়া আয়োগ' গঠন কৰা হৈছিল।

১১) ব্যতিক্ৰম ধৰ্মী যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ভাৰতবৰ্ষত প্ৰবৰ্তন কৰাৰ মূল কাৰণটো কি আছিল?

উঃ ব্যতিক্ৰম ধৰ্মী যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ভাৰতবৰ্ষত প্ৰবৰ্তন কৰাৰ মূল কাৰণটো আছিল - দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাক সুৰক্ষিত কৰা।

১২) কোন চনৰ কোন তাৰিখে ভাৰতবৰ্ষৰ সৰ্বোচ্চ আইন অৰ্থাৎ ভাৰতীয় সংবিধানখন গহীত হৈছিল? (H.S.L.C.17)

উঃ ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে ভাৰতবৰ্ষৰ সৰ্বোচ্চ আইন অৰ্থাৎ ভাৰতীয় সংবিধানখন গৃহীত হৈছিল।

দীঘল উত্তৰৰ প্ৰশ্ন ঃ **(নম্বৰ - ৪)**

১) ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত সংবিধানৰ আদৰ্শ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

উঃ ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনা হ'ল সংবিধানৰ পাতনি। কোনো এখন গ্ৰন্থৰ পাতনিত যেনেকৈ গ্ৰন্থখনৰ বিষয়ে চমুকৈ সকলো কথা উল্লেখ থাকে, ঠিক তেনেধৰণে আমাৰ দেশৰ সংবিধানৰ প্ৰস্তাৱনাটো সংবিধানৰ মূল বিষয়বস্তু (আদৰ্শ আৰু লক্ষ্য) সম্পৰ্কে বিৱৰণ আছে। সেইবাবেই বহুতে প্ৰস্তাৱনাক ভাৰতৰ সংবিধানৰ আত্মা (soul), বিবেক

Created by Universal Document Converter

(conscience), দুৱাৰদলি (threshold) আৰু চাবি-কাঠি (keys) বুলি অভিহিত কৰে।

'আমি ভাৰতীয় জনসাধাৰণ' (we the people of India) বুলি আৰম্ভ হোৱা প্ৰস্তাৱনাত থকা প্ৰতিটো শব্দত নিৰ্দিষ্ট আদৰ্শ নিহিত হৈ আছে। আনহাতে ইয়াৰ দ্বাৰা সংবিধান প্ৰণেতাসকলে স্পষ্ট কৰিছে যে সংবিধানখনৰ ৰচক ভাৰতীয় জনগণ, সংবিধানখন ভাৰতীয় জনগণৰ আৰু ভাৰতীয় জনগণেই সংবিধানৰ আঁৰত থকা বৃহৎ শক্তি।

'সাৰ্বভৌম' (Sovereign), সমাজবাদী (Socialist), 'ধৰ্মনিৰপেক্ষ' (secular), 'গণতান্ত্ৰিক' (Democratic) আৰু 'প্ৰজাতন্ত্ৰ' (Republic) আদি গুৰুত্বপূৰ্ণ শব্দৰ মাজত সংবিধানৰ আদৰ্শ প্ৰতিফলিত হৈছে। ইয়াৰোপৰি ভাৰতৰ জনগণই দেশখনত ন্যায় (justice), স্বাধীনতা (Liberty), সমতা (equality) আৰু ভাতৃত্ববোধ (fraternity) প্ৰতিষ্ঠা কৰিব বুলি প্ৰস্তাৱনাত উল্লেখ কৰি সংবিধান প্ৰণেতাসকলে সমবিধানৰ আদৰ্শ আৰু লক্ষ্যক বিশেষভাৱে প্ৰতিফলিত কৰিছে।

২) 'সাৰ্বভৌম', 'সমাজবাদী', 'ধৰ্মনিৰপেক্ষ', 'গণতান্ত্ৰিক' আৰু 'গণৰাজ্য' বুলিলে কি বুজা বহলাই লিখা।

উঃ 'সাৰ্বভৌম', 'সমাজবাদী', 'ধৰ্মনিৰপেক্ষ', 'গণতান্ত্ৰিক' আৰু 'গণৰাজ্য' শব্দকেইটাৰ মাজত সংবিধানৰ আদৰ্শ প্ৰতিফলিত হৈছে।

সাৰ্বভৌম ঃ ভাৰতবৰ্ষ এখন সাৰ্বভৌম ৰাষ্ট্ৰ। সাৰ্বভৌমত্ব হৈছে ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা। অৰ্থাৎ বাহ্যিকভাৱে ভাৰতবৰ্ষ কোনো বিদেশী শক্তিৰ তলতীয়া নহয় আৰু আভ্যন্তৰীণভাৱেও ভাৰতবৰ্ষ কোনো বিশেষ শক্তিৰ দ্বাৰা পৰিচালিত নহয়।

সমাজবাদী ঃ ভাৰতবৰ্ষ এখন সমাজবাদী ৰাষ্ট্ৰ। সংবিধানৰ ৪২ নং সংশোধনী আইনৰ জৰিয়তে ১৯৭৬ চনত এই শব্দটো প্ৰস্তাৱনাত সংযোজন কৰা হৈছে। ভাৰতবৰ্ষত মানুহৰ মাজত আয়, মৰ্যাদা আৰু জীৱন ধাৰণৰ মানদণ্ডৰ বিষয়ত বৈষম্য অথবা অসমতা নাথাকিব। উৎপাদনৰ আহিলাসমূহ জাতীয়কৰণ হ'ব। জাতীয় আয়ৰ সমবিতৰণৰ ব্যৱস্থাৰে আৰু মিশ্ৰ অৰ্থনীতিৰ জৰিয়তে সমাজবাদ প্ৰতিষ্ঠা হ'ব। দেশৰ অৰ্থনীতি জনসাধাৰণে নিৰ্ধাৰণ কৰিব। কোনো পুঁজিপতিৰ দ্বাৰা দেশৰ অৰ্থনীতি নিৰ্ধাৰণ নহ'ব।

ধৰ্মনিৰপেক্ষ ঃ ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হ'ব। ইয়াত চৰকাৰী ধৰ্ম বুলি কোনো ধৰ্ম নাথাকিব। চৰকাৰৰ দৃষ্টিত সকলো ধৰ্ম সমান আৰু ধৰ্মৰ নামত কোনো বৈষম্য নাথাকিব। লগতে চৰকাৰে কোনো ধৰ্মৰ প্ৰতি বিশেষ অনুগ্ৰহ প্ৰদৰ্শন নকৰিব। উল্লেখযোগ্য যে এই শব্দটো প্ৰস্তাৱনাত ৪২ নং সংশোধনী মতে সন্নিবিষ্ট হৈছে।

গণতান্ত্ৰিক ঃ ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। দেশৰ শাসন ব্যৱস্থা জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা পৰিচালিত হ'ব। জনসাধাৰণে দেশৰ শাসন নিজৰ বাবে নিজেই চলাব আৰু প্ৰশাসন জনসাধাৰণৰ ওচৰত দায়বদ্ধ হ'ব।

গণৰাজ্য ঃ ভাৰতবৰ্ষ এখন গণৰাজ্য। দেশখনৰ ৰাষ্ট্ৰপ্ৰধানজন (ৰাষ্ট্ৰপতি) জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত ব্যক্তি হ'ব। ৰাষ্ট্ৰ প্ৰধান পদবীটো বংশানুক্ৰমিক নহ'ব অথবা কোনোবাই বাচনি কৰা ব্যক্তি নহ'ব।

৩) নেহৰুৰ উদ্দেশ্য সম্পৰ্কিত প্ৰস্তাৱকেইটা আলোচনা কৰা।

উঃ সংবিধান সভাৰ বৈঠকত ১৯৪৬ চনৰ ১৩ ডিচেম্বৰ তাৰিখে নেহৰুৱে উল্লেখ কৰা উদ্দেশ্য সম্পৰ্কিত প্ৰস্তাৱৰ মূল বিষয়সমূহ হ'ল -

(ক) সংবিধান সভাই ভাৰতবৰ্ষক 'স্বাধীন, সাৰ্বভৌম, গণৰাজ্য' হিচাপে ঘোষণা কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ। (পিছলৈ স্বাধীন শব্দটো বাদ দিয়া হয়)।

Created by Universal Document Converter

(খ) ব্রিটিছ শাসিত ভাৰতবৰ্ষৰ ভূ-খণ্ড আৰু ভাৰতৰ অন্তৰ্ভুক্ত হ'ব বিচৰা দেশীয় ৰাজ্যবিলাকক লৈ ৰাজ্যসমূহৰ সংঘ গঠিত হ'ব।

(গ) ভাৰতবৰ্ষৰ জনসাধাৰণৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, সমতা, ধৰ্মীয় স্বাধীনতা ৰক্ষা, চিন্তা আৰু মতামত প্ৰকাশৰ স্বাধীনতাক স্বীকৃতি প্ৰদান কৰা হ'ব।

(ঘ) অনুসূচিত জাতি, জনজাতি, অনুন্নত সম্প্ৰদায় আৰু সংখ্যালঘু জনসাধাৰণৰ সুৰক্ষাৰ ব্যৱস্থা থাকিব।

(ঙ) দেশৰ স্বাধীনতা, সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।

(চ)আন্তৰ্জাতিক সু-সম্পৰ্ক, বিশ্ব শান্তি ৰক্ষা আৰু জনগণৰ কল্যাণৰ বাবে ভাৰতবৰ্ষই সম্পূৰ্ণ সহযোগিতা আগবঢ়াব।

(ছ) জনসাধাৰণেই হ'ব সকলো ক্ষমতাৰ উৎস। সাৰ্বভৌম দেশখনৰ চৰকাৰ আৰু সকলো অংগই জনসাধাৰণৰ পৰা ক্ষমতা লাভ কৰিব।

(জ) সংযত যোগ দিয়া সহযোগী দেশীয় ৰাজ্যসমূহে অৱশিষ্ট ক্ষমতাৰ সৈতে স্বায়ত্বশাসনৰ মাজেৰে অংগৰাজ্যৰ মৰ্যাদা লাভ কৰিব।

নেহৰুৰ উপৰোক্ত উদ্দেশ্য সম্পৰ্কিত প্ৰস্তাৱসমূহক মূল আধাৰ কৰি লৈ আৰু দেশৰ হেজাৰ বছৰীয়া সভ্যতা-সংস্কৃতিক গুৰুত্ব দি সংবিধান প্ৰণেতাসকলে সংবিধানৰ আদৰ্শ নিৰ্ধাৰণ কৰিছিল।

৪) ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

উঃ যুক্তৰাষ্ট্ৰ হ'ল পাৰস্পৰিক সন্ধি অথবা চুক্তিৰ দ্বাৰা সন্মিলিত হোৱা কিছুমান ৰাজ্যৰ গোট অথবা সমষ্টি। যুক্তৰাষ্ট্ৰীয় পদ্ধতিটোৱে ভিন্ন ৰাষ্ট্ৰত ভিন্ন ৰূপ গ্ৰহণ কৰিছে। আমাৰ দেশত অংগৰাজ্য সমূহে সাৰ্বভৌম ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অৰ্পণ কৰিছে। ইংলেণ্ডৰ সংসদে প্ৰণয়ন কৰা ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনে আমাৰ দেশত যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল। ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহৰ বিষয়ে অতি আলোচনা আগবাঢ়োৱা হৈছে -

(ক) ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঃ ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰ আৰু অংগৰাজ্যবিলাকৰ চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ বিতৰণ কৰা হৈছে। সংবিধানে তিনিখন সূচীৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ-বিতৰণ কৰিছে।

(খ) লিখিত সংবিধান ঃ ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছি লিখিত সংবিধান। ভাৰতবৰ্ষৰ এক লিখিত সংবিধান আছে। এই সংবিধানক পৃথিৱীৰ ভিতৰতে এখন দীৰ্ঘতম সংবিধান হিচাপে গণ্য কৰা হয়।

(গ) দুই প্ৰকাৰৰ চৰকাৰ ঃ ভাৰতবৰ্ষৰ সংবিধানে ৰাষ্ট্ৰখনত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ ব্যৱস্থা কৰিছে। দুয়োবিধ চৰকাৰে নিজ নিজ ক্ষমতাৰ অধিনত কাৰ্য সম্পাদন কৰে।

(ঘ) স্বাধীন ন্যায়পালিকা ঃ ভাৰতবৰ্ষৰ শাসন ব্যৱস্থাত এখন স্বাধীন আৰু নিৰপেক্ষ আদালতৰ ব্যৱস্থা আছে। ভাৰতবৰ্ষত জিলা পৰ্য্যায়ত জিলা ন্যায়ালয়, ৰাজ্যত উচ্চ ন্যায়ালয় আৰু কেন্দ্ৰত উচ্চতম ন্যায়ালয়ৰ ব্যৱস্থা আছে।

Created by Universal Document Converter

৫) ভাৰতবৰ্ষৰ সংসদীয় পদ্ধতিৰ চৰকাৰৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহৰ ওপৰত ব্যাখ্যা আগবঢ়োৱা।

উঃ সংসদীয় গণতন্ত্ৰ হ'ল এনে এবিধ শাসনব্যৱস্থা য'ত জনপ্ৰতিনিধিৰ দ্বাৰা গঠিত এটা সস্থাৰ ওচৰত শাসনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা হয়। জনপ্ৰতিনিধিৰে গঠিত এনে সস্থাক আমাৰ দেশত সংসদ বুলি কোৱা হয়। ভাৰতীয় সংসদীয় পদ্ধতিৰ চৰকাৰৰ বৈশিষ্টসমূহ হ'ল -

(১) ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। ইয়াৰ সংসদ দুখন সদনেৰে গঠিত। এই দুখন হৈছে লোকসভা আৰু ৰাজ্যসভা। এই দুখন সদনৰ লগতে ভাৰতৰ ৰাষ্ট্ৰপতিজনো ভাৰতৰ সংসদৰ অবিচ্ছেদ্য অংগ। ই সংসদক প্ৰাধান্য দি পৰিচালিত হোৱা এক গণতান্ত্ৰিক ব্যৱস্থা।

(২) ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ প্ৰধানত এখন গণৰাজ্য। ভাৰতৰ ৰাষ্ট্ৰপ্ৰধান জন(ৰাষ্ট্ৰপতি) জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত ব্যক্তি হয়। ৰাষ্ট্ৰপ্ৰধানৰ পদটো বংশানুক্ৰমিক নহয়। ভাৰতবৰ্ষৰ সংসদখন ইমান শক্তিশালী নহয়। মুঠতে ভাৰতবৰ্ষৰ পৰিৱেশ পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ সংবিধানখনে প্ৰৱৰ্তন কৰা সংসদীয় গণতন্ত্ৰই আমাৰ দেশখনক বিশ্বৰ এখন মৰ্যাদাসম্পন্ন সংসদীয় গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাত সফল হৈছে।

(৩) ভাৰতবৰ্ষৰ সংসদীয় পদ্ধতিৰ চৰকাৰ ব্যৱস্থাত মন্ত্ৰীপৰিষদৰ সদস্যসকল লোকসভা নতুবা বিধানসভাৰো সদস্য হয়। সেয়েহে ভাৰতবৰ্ষত কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজত এক নিবিড় সম্পৰ্ক দেখা যায়।

(৪) ভাৰতবৰ্ষৰ সংসদীয় পদ্ধতিৰ চৰকাৰত কাৰ্যপালিকা সকলো কাম কৰাৰ ববে বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ। বিধানমণ্ডলে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিলে মন্ত্ৰীপৰিষদে পদত্যাগ কৰিবলৈ বাধ্য হয়।

৬) সংসদীয় গণতন্ত্ৰ কি? ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰৰ মাজত থকা মূল পাৰ্থক্য কেইটা লিখা। (H.S.L.C. 2019)

উঃ সংসদীয় গণতন্ত্ৰ হ'ল এবিধ শাসন ব্যৱস্থা য'ত জনপ্ৰতিনিধিৰ দ্বাৰা গঠিত এটা সস্থাৰ ওচৰত শাসনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা হয়।

ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰৰ মাজত থকা মূল পাৰ্থক্য হ'ল -

(ক) ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ প্ৰধানতঃ এখন গণৰাজ্য। কিন্তু ইংলেণ্ডৰ সংসদীয় গণৰাজ্য নহয়। ইংলেণ্ডৰ দৰে আমাৰ দেশৰ সংসদীয় গণতন্ত্ৰৰ ৰাষ্ট্ৰপ্ৰধানজন পুৰুষানুক্ৰমে হোৱা ব্যক্তি নহয়। ইংলেণ্ডৰ ৰজা অথবা ৰাণীৰ বিপৰীতে আমাৰ ৰাষ্ট্ৰপ্ৰধান (ৰাষ্ট্ৰপতি) জন জনগণৰ দ্বাৰা নিৰ্বাচিত হোৱা ব্যক্তি।

(খ) ভাৰতবৰ্ষৰ সংসদৰ উচ্চ সদন ৰাজ্যসভাৰ গঠন আৰু ক্ষমতা ইংলেণ্ডৰ উচ্চসদন হাউছ অব লৰ্ডছতকৈ বহু পৃথক।

(গ) ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰত সংসদখন অত্যন্ত শক্তিশালী। কিন্তু ভাৰতবৰ্ষৰ সংসদ ইমান শক্তিশালী নহয়।

xxxxxxxxxxxxxxxxxxxx

Created by Universal Document Converter

অধ্যায় - ২
আন্তজার্তিক সংস্থা - ৰাষ্ট্রসংঘ আৰু অন্যান্য

(১) প্রথম বিশ্বযুদ্ধ কোন চনত আৰম্ভ হৈছিল? ১

উত্তৰ ঃ ১৯১৪ চনত।

(২) জাতিসংঘ কোন চনত আৰু কিয় গঠন হৈছিল? ২

উত্তৰ ঃ প্রথম বিশ্বযুদ্ধৰ পাছত বিশ্বত শান্তি স্থাপন আৰু যুদ্ধক চিৰদিনৰ বাবে বিদায় দিয়াৰ অর্থে ১৯২০ চনত জাতিসংঘৰ গঠন হৈছিল।

(৩) কোন চনৰ কোন তাৰিখে ৰাষ্ট্রসংঘৰ জন্ম হয়? ১

উত্তৰঃ ১৯৪৫ চনৰ ১৪ অক্টোবৰ তাৰিখে ৰাষ্ট্রসংঘৰ জন্ম হৈছিল।

(৪) ৰাষ্ট্রসংঘ দিৱস কোন তাৰিখে পালন কৰা হয়? ১

উত্তৰঃ ২৪ অক্টোবৰ।

(৫) ৰাষ্ট্রসংঘৰ মূখ্য কার্যালয় ক'ত অৱস্থিত? ১

উত্তৰ ঃ আমেৰিকা যুক্তৰাষ্ট্রৰ নিউয়র্ক চহৰত।

(৬) ৰাষ্ট্রসংঘৰ জন্মলগ্ন সদস্য ৰাষ্ট্র কিমান? ১

উত্তৰঃ ৫১ খন ৰাষ্ট্র।

(৭) কোন সম্মিলনৰ জৰিয়তে ৰাষ্ট্রসংঘৰ জন্ম হৈছিল? ১

উত্তৰঃ ছানফ্রাঞ্চিস্কো সম্মিলনৰ জড়িয়তে।

(৮) ৰাষ্ট্রসংঘৰ চনদত মুঠ কিমানটা অনুচ্ছেদ আছে? ১

উত্তৰঃ ১১১ টা।

(৯) ৰাষ্ট্রসংঘৰ আটাইতকৈ গুৰুত্বপূর্ণ অংগটোৰ নাম কি? ১

উত্তৰ ঃ নিৰাপত্তা পৰিষদ।

(১০) ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্র কেইখন? ১

উত্তৰ ঃ ৫ খন।

(১১) ৰাষ্ট্রসংঘৰ ন্যায়িক অংগটোৰ নাম কি? ১

উত্তৰ ঃ আন্তর্জাতিক ন্যায়ালয়।

(১২) ৰাষ্ট্রসংঘৰ বর্তমান সচিব প্রধানজনৰ নাম কি? তেওঁ কোনখন ৰাষ্ট্রৰ? ১+১=২

উত্তৰঃ এনটনিও গুৱেটেৰেছ। তেওঁ পর্টুগালৰ।

(১৩) ৰাষ্ট্রসংঘৰ প্রথম গৰাকী সচিব প্রধানৰ নাম কি? ১

উত্তৰ ঃ নৰৱেৰ ট্রাইভহাস্তান লী। (Trygve Halvdan Lie)

(১৪) ILO ৰ সম্পূর্ণ ৰূপ কি? ১

উত্তৰঃ আন্তঃৰাষ্ট্রীয় শ্রমিক সংঘ (International Labour Organisation)

(১৫) WHO ৰ সম্পূর্ণ ৰূপটো লিখা। ১

উত্তৰ ঃ বিশ্ব স্বাস্থ্য সংস্থা। (World Health Organisation)

Created by Universal Document Converter

(১৬) UNICEF ৰ সম্পূৰ্ণ ৰূপটো লিখা। ১

উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ শিশু পুঁজি। (United Nations International Children's Emergency Fund)

(১৭) UNESCO ৰ সম্পূৰ্ণ ৰূপটো লিখা। ১

উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংগঠন। (United Nations educational Scientific and Cultural Organisation)

(১৮) IMF ৰ সম্পূৰ্ণ ৰূপটো লিখা। ১

উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি। (International monetary Fund)

(১৯) ASEAN ৰ মূখ্য কাৰ্যালয় ক'ত অৱস্থিত? ১

উত্তৰ ঃ জাকার্টা।

(২০) SAARC ৰ মূখ্য কাৰ্যালয় ক'ত অৱস্থিত?

উত্তৰ ঃ কাঠমাণ্ডু।

(২১) আন্তজাৰ্তিক ন্যায়ালয়ৰ ন্যায়াধীশৰ মুঠ সংখ্যা কিমান? ১

উত্তৰ ঃ ১৫ জন।

(২২) ৰাষ্ট্ৰসংঘ কেতিয়া প্ৰতিষ্ঠা হৈছিল? ইয়াৰ মূল লক্ষ্যটো কি? ১+১=২

উত্তৰ ঃ ৰাষ্ট্ৰসংঘ ১৯৪৫ চনৰ ২৪ অক্টোবৰ তাৰিখে প্ৰতিষ্ঠা হৈছিল। ৰাষ্ট্ৰসংঘৰ মূল লক্ষ্যটো হ'ল বিশ্বশান্তি প্ৰতিষ্ঠা কৰা আৰু বিশ্বৰ পৰা যুদ্ধ বন্ধ কৰা।

(২৩) ৰাষ্ট্ৰসংঘৰ প্ৰধান উদ্দেশ্যকেইটা লিখা। ৪

উত্তৰ ঃ (ক) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা।

(খ) সমান অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ ভিত্তিত দেশসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা কৰা।

(গ) আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ ভিত্তিত অৰ্থনৈতিক সামাজিক আৰু সাংস্কৃতিক সমস্যাসমূহৰ সমাধান কৰা আৰু প্ৰত্যেকজন ব্যক্তিয়ে যাতে মানৱ অধিকাৰ আৰু মৌলিক অধিকাৰ উপভোগ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা।

(ঘ) উল্লিখিত উদ্দেশ্যসমূহ সাধনৰ বাবে বিভিন্ন দেশৰ মাজত সম্বন্ধ প্ৰতিষ্ঠাৰ কেন্দ্ৰ হিচাপে কাৰ্য সম্পাদন কৰা।

(২৪) ৰাষ্ট্ৰসংঘৰ প্ৰধান চাৰিটা নীতি লিখা। ৪

উত্তৰ ঃ (ক) সকলো সদস্যৰাষ্ট্ৰৰ সমান সাৰ্বভৌম নীতিৰ ভিত্তিত ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠা হ'ব।

(খ) ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ কৰা নিয়মাৱলী মানি লৈ সকলো সদস্য ৰাষ্ট্ৰই নিজা দায়িত্ব পালন কৰিব লাগিব।

(গ) আন্তঃৰাষ্ট্ৰীয় শান্তি, নিৰাপত্তা আৰু ন্যায়ত কোনো আঘাট নোহোৱাকৈ সকলো সদস্য ৰাষ্ট্ৰই সকলো ধৰণৰ বিবাদ শান্তিপূৰ্ণভাৱে মীমাংসা কৰিব লাগিব।

(ঘ) আন্তৰ্জাতিক সম্পৰ্ক ৰক্ষা কৰাৰ স্বাৰ্থত কোনো সদস্য ৰাষ্ট্ৰই শক্তি প্ৰয়োগ কৰিব নোৱাৰিব।

(২৫) ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰকেইখনৰ নাম লিখা। ৫

উত্তৰ ঃ আমেৰিকা, গ্ৰেট বৃটেইন, ফ্ৰান্স, ৰাছিয়া আৰু চীন।

(২৬) ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানজনক কি দৰে নিয়োগ কৰা হয়? ৰাষ্ট্ৰসংঘৰ প্ৰথম সচিব প্ৰধানজন কোন আছিল? ১+১=২

উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ চনদৰ ৯৭ নং অনুচ্ছেদ মতে নিৰাপত্তা পৰিষদৰ অনুমোদন ক্ৰমে সাধাৰণ সভাই সচিব প্ৰধানক নিয়োগ কৰে। ৰাষ্ট্ৰ সংঘৰ প্ৰথম সচিব প্ৰধান জনৰ নাম হ'ল নৰ'ৱেৰ ট্ৰাহভহাস্তান লী।

Created by Universal Document Converter

(২৭) ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এটা চমু বিৱৰণ দিয়া। ৪

উত্তৰ ঃ নিৰাপত্তা পৰিষদ ৰাষ্ট্ৰসংঘৰ অতি গুৰুত্বপূৰ্ণ অংগ। ৰাষ্ট্ৰসংঘ গঠন হোৱাৰ সময়ত পৰিষদৰ স্থায়ী সদস্য আছিল পাঁচজন আৰু অস্থায়ী সদস্য ছজন। ১৯৬৩ চনত ৰাষ্ট্ৰসংঘৰ চনদৰ ২৩ নং অনুচ্ছেদৰ সংশোধন কৰি অস্থায়ী সদস্য সংখ্যা দহজনলৈ বৃদ্ধি কৰা হয়। নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্যসকলক সাধাৰণ সভাই দুবছৰৰ কাৰণে নিৰ্বাচিত কৰে। স্থায়ী সদস্য ৰাষ্ট্ৰ কেইখন হ'ল - আমেৰিকা, গ্ৰেট বৃটেইন, ফ্ৰান্স, ৰাছিয়া আৰু চীন। নিৰাপত্তা পৰিষদলৈ প্ৰত্যেক সদস্য ৰাষ্ট্ৰই এজনকৈ প্ৰতিনিধি পঠাব পাৰে। প্ৰত্যেক সদস্য ৰাষ্ট্ৰৰে এটা ভোট থাকে। গুৰুত্বপূৰ্ণ বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ হ'লে স্থায়ী ৫ জন সদস্যসহ মুঠ ৯ জন সদস্যৰ সন্মতিৰ প্ৰয়োজন। স্থায়ী সদস্যসকলৰ ভেটো প্ৰয়োগ কৰাৰ ক্ষমতা থাকে। সেয়েহে কোনো গুৰুত্বপূৰ্ণ বিষয়ত স্থায়ী সদস্য ৰাষ্ট্ৰই ভেটো প্ৰয়োগ কৰিলে সেই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাযায়। নিৰাপত্তা পৰিষদৰ প্ৰধান দায়িত্ব হৈছে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষা কৰা।

(২৮) ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ক্ষমতা আৰু কাৰ্যৰ বিষয়ে লিখা। ৪

উত্তৰ ঃ সাধাৰণ পৰিষদ ৰাষ্ট্ৰসংঘৰ বৃহত্তম অংগ। সকলোবোৰ সদস্য ৰাষ্ট্ৰৰে গঠিত সাধাৰণ পৰিষদলৈ প্ৰত্যেক সদস্য ৰাষ্ট্ৰই পাঁচজনকৈ প্ৰতিনিধি পঠাব পাৰে। কিন্তু প্ৰত্যেকখন সদস্য ৰাষ্ট্ৰই এটাকৈ ভোট প্ৰদান কৰিব পাৰে। সাধাৰণ সভাৰ অধিৱেশন বছেৰেকত এবাৰকৈ বহে।

সাধাৰণ সভাৰ ক্ষমতা আৰু কাৰ্যাৱলী তলত দিয়া ভাগত আলোচনা কৰিব পাৰি -

(ক)আলোচনা কৰা আৰু পৰামৰ্শ দিয়া।

(খ) নীতি নিয়ম ৰচনা কৰাৰ ক্ষমতা।

(গ) পৰ্যবেক্ষণৰ ক্ষমতা।

(ঘ) ৰাজনৈতিক ক্ষমতা।

(ঙ) অৰ্থনৈতিক ক্ষমতা।

(চ) নিৰ্বাচন সংক্ৰান্তীয় ক্ষমতা।

(ছ) ৰাষ্ট্ৰসংঘৰ চনদ সংশোধন।

(২৯) তিনিখন নিৰস্ত্ৰীকৰণ চুক্তিৰ নাম লিখা। ৩

উত্তৰ ঃ (ক) SALT - I (খ) SALT - II (গ) START - I

(৩০) CTBT ৰ সম্পূৰ্ণ ৰূপ কি? ১

উত্তৰ ঃ পাৰমাণৱিক অস্ত্ৰ পৰীক্ষা নিষিদ্ধকৰণ চুক্তি। (Comprregensive Test Ban Treaty)

ooooooooooooooo

Created by Universal Document Converter

অর্থনীতি খণ্ড

Created by Universal Document Converter

অধ্যায় - ১
মুদ্রা আৰু বেংক ব্যৱস্থা

A. অতি চমু প্রশ্নাৱলী - **(নম্বৰ - 1)**

1. শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

(i) ভাৰতীয় ষ্টেট বেংক মূলতঃ এটা

(a) কেন্দ্রীয় বেংক (b) বাণিজ্যিক বেংক (c) সমবায় বেংক (d) কৃষি উন্নয়ন বেংক

উত্তৰ ঃ (b) বাণিজ্যিক বেংক।

(ii) ভাৰতীয় কেন্দ্রীয় বেংকটো হ'ল -

(a) ভাৰতীয় ষ্টেট বেংক (b) ভাৰতীয় ৰিজাৰ্ভ বেংক (c) ভাৰতীয় ইউনিয়ন বেংক

(d) ভাৰতীয় ইউনাইটেড বেংক

উত্তৰ ঃ (b) ভাৰতীয় ৰিজাৰ্ভ বেংক।

(iii) তলত উল্লেখ কৰা মুদ্রাৰ প্রকাৰৰ ভিতৰত অবিহিত মুদ্রাটো হ'ল -

(a) কাগজী মুদ্রা (b) ধনাদেশ মুদ্রা (c) ধাতু মুদ্রা (d) আদেশ মুদ্রা

উত্তৰ ঃ (b) ধনাদেশ মুদ্রা।

(iv) তলৰ কোনটো মুদ্রাৰ বৈশিষ্ট্য নহয় -

(a) মুদ্রাৰ সাধাৰণ গ্রহণযোগ্যতা থাকে (b) মুদ্রা সহজে নষ্ট হ'ব পৰা সামগ্রী হ'ব পাৰে

(c) মুদ্রাৰ তাৰল্য গুণ থাকে (d) মুদ্রাৰ মূল্যৰ স্থিৰতা থাকিব লাগিব।

উত্তৰ ঃ (b) মুদ্রা সহজে নষ্ট হ'ব পৰা সামগ্রী হ'ব পাৰে।

(v) "Every time you spend money, you're casting a vote for the kind of world you want".

কথাষাৰ কৈছিল -

(a) আনা লাপ্পে (b) জন হিস্কে (c) জিয়ফ্রি ক্রাউথাৰে (d) চেমুৱেলচনে

উত্তৰ ঃ (a) আনা লাপ্পে।

2. "পন্য বিনিময়" প্রথা কি? 1

উত্তৰ ঃ 'পণ্য বিনিময় প্রথা' লৈছে সামগ্রীৰ বিপৰীতে প্রত্যক্ষ বিনিময় কৰা এটা প্রথা।

3. ভাৰতবর্ষৰ কেন্দ্রীয় বেংকৰ নাম কি? 1

উত্তৰ ঃ ভাৰতবর্ষৰ কেন্দ্রীয় বেংকটোৰ নাম হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংক।

B. চমু প্রশ্নাৱলী ঃ (নম্বৰ - 2)

1. মুদ্রাৰ দুটা কুফল লিখা। 2

মুদ্রাৰ লগত নাইবা সংযোজিত হৈ থকা দুটা অসুবিধা লিখা। 2

উত্তৰ ঃ মুদ্রাই বিনিময় ব্যৱস্থাটো সহজ কৰি তুলিলে। তথাপিও মুদ্রাই কেতবোৰ অসুবিধাৰ সৃষ্টি নকৰাকৈ থকা নাই। বহুকেইটা অসুবিধাৰ ভিতৰত অন্যতম দুটা হৈছে -

(ক) মুদ্রাৰ প্রতি থকা দুর্বলতাই সামাজিক মূল্যবোধৰ অৱক্ষয়ৰ কাৰণ হ'ব পাৰে। দুর্নীতি, অনিয়ম, অবিচাৰৰ গুৰিতেই মুদ্রা বুলি ক'লে অত্যুক্তি কৰা নহয়।

(খ) মুদ্রাৰ পৰা ক'লা মুদ্রাৰ সৃষ্টি হয়। ক'লা মুদ্রা অর্থনৈতিক অপৰাধৰ সৈতে জড়িত। এনেবোৰ অপৰাধৰ ফলত চৰকাৰে বহুতো ৰাজহ হেৰুৱাব লগা হয়।

Created by Universal Document Converter

2. "পন্য বিনিময়" প্রথাৰ দুটা অসুবিধা উল্লেখ কৰা।

নাইবা

বিনিময় প্রথাৰ দুটা অসুবিধা লিখা।

উত্তৰ ঃ আদিম যুগত জনসংখ্যা সীমিত আছিল বাবে বস্তুৰ সলনি বস্তু অর্থাৎ বিনিময় প্রথা কার্যকৰী হৈছিল। কিন্তু সময় বাগৰি যোৱাৰ লগে লগে বিনিময় প্রথাত কেতবোৰ অসুবিধাই দেখা দিলে। তাৰ ভিতৰত দুটা প্রধান অসুবিধা হৈছে -

(ক) সংগতিবিহীন অভাৱ ঃ মানুহৰ অভাৱবোৰ অসীম আৰু বিনিময় প্রথা সাধাৰণতে অভাৱৰ সংগতিৰ ওপৰত নির্ভৰ কৰে। বিনিময় কার্য সম্পাদন কৰিব বিচৰা ব্যক্তি দুজনৰ হাতত থকা সামগ্রীবোৰ পৰস্পৰৰ অভাৱ পুৰণ কৰিব পৰা সামগ্রী হ'ব লাগিব। যদিহে এই চর্ত পূৰণ নহ'লে বিনিময় প্রথা সম্ভৱ নহয়। ধৰা হ'ল 'ক' ই ধান উৎপাদন কৰি 'খ'ৰ পৰা 'কুঁহিয়াৰ' বিচাৰিছে আৰু 'খ'ই 'কুঁহিয়াৰ' উৎপাদন কৰি 'ক'ৰ পৰা মাছহে বিচাৰিছে। তেনে অৱস্থাত 'ক' আৰু 'খ'ৰ মাজত বিনিময় হ'ব নোৱাৰে।

(খ) হিচাপ-নিকাচৰ উমৈহতীয়া এককৰ অভাৱ ঃ বিনিময় প্রথাৰ আন এটা অসুবিধা হৈছে হিচাপ-নিকাচৰ উমৈহতীয়া এককৰ অভাৱ। বিনিময়যোগ্য সামগ্রীৰ সংখ্যা বহুত বা পৃথক হোৱাৰ বাবে প্রতিটো সামগ্রীৰ মূল্য আন সামগ্রীৰ বিনিময় বা প্রকাশ কৰাটো সম্ভৱ নহয়। যেনে - বজাৰত যিমান সামগ্রী আছে সিমান সামগ্রীৰ বিপৰীতে বিনিময় হাৰ থাকিব লাগিব। কিন্তু বজাৰলৈ যাওঁতে এগৰাকী ব্যক্তিয়ে ইমানবোৰ বিনিময় হাৰ মনত ৰখাটো সম্ভৱ নহয়।

3. বিনিময় প্রথাৰ অসুবিধাসমূহ কি কি লিখা। 4

উত্তৰ ঃ বস্তুৰ সলনি বস্তু বিনিময় কৰাটো সহজ আছিল যদিও এই প্রথাৰ মুদ্রা আৱিষ্কাৰ হোৱাৰ পিছৰে পৰা বহুত অসুবিধা আহি পৰিল। তাৰে অন্যতম কেইটামান অসুবিধা হৈছে -

(ক) সংগতিবিহীন অভাৱ ঃ মানুহৰ অভাৱ অসীম আৰু বিনিময় প্রথা সাধাৰণতে অভাৱৰ সংগতিৰ ওপৰত নির্ভৰ কৰে। বিনিময় প্রথাৰে বস্তুৰ সলনি বস্তু বিনিময় কৰিব বিচৰা ব্যক্তি দুজনৰ হাতত থকা সামগ্রীবোৰ পৰস্পৰৰ অভাৱ পুৰণ কৰিব পৰা সামগ্রী হ'ব লাগিব। যদিহে বিনিময়ৰ চর্ত বা অভাৱ পূৰণ নহয় তেন্তে বিনিময় প্রথা সম্ভৱ নহ'ব। গতিকে সংগতিবিহীন অভাৱ বিনিময় প্রথাৰ এক অসুবিধা।

(খ) হিচাপ-নিকাচৰ উমৈহতীয়া এককৰ অভাৱ ঃ বিনিময় প্রথাৰ আন এটা অসুবিধা হৈছে হিচাপ-নিকাচৰ উমৈহতীয়া এককৰ অভাৱ। বিনিময়যোগ্য সামগ্রীৰ সংখ্যা বহুত। প্রতিটো সামগ্রীৰ মূল্য আন সামগ্রীৰ মাধ্যমেৰে প্রকাশ কৰিব লাগিব। যেনে - এটা আপেলৰ বিপৰীতে তিনিটা মধুৰিআমৰ বিনিময় হৈছে। গতিকে এটা আপেলৰ সমান তিনিটা মধুৰিআম। কিন্তু আপেলৰ বিনিময় হাৰ কেৱল এটা হ'লে অসুবিধা হ'ব। বজাৰলৈ ওলাই যাওঁতে এগৰাকী ব্যক্তিয়ে বস্তুবোৰৰ বিনিময় হাৰ মনত ৰখা কথাটো সম্ভৱ নহয়।

(গ) বিভাজনীয়তাৰ অসুবিধা ঃ কিছুমান সামগ্রী আছে যিবোৰ সৰু সৰু অংশলৈ ভাগ কৰিব নোৱাৰি। বিনিময় প্রথাত এনেবোৰ সামগ্রীয়ে অসুবিধাৰ সৃষ্টি কৰে। যেনে - হাতীটোৰ গৰাকীক এক কিলোগ্রাম চাউলৰ প্রয়োজন হৈছে। এক কিলোগ্রাম চাউল আৰু হাতী এটাৰ মূল্য একে নহয়। কিন্তু হাতীটো অবিভাজনীয়, অর্থাৎ হাতীটো সৰু সৰু অংশলৈ ভাগ কৰি চাউলৰ লগত বিনিময় কৰাটো সম্ভৱ নহয়।

(ঘ) মূল্যৰ ভাণ্ডাৰৰ অভাৱ ঃ মূল্য বুলিলে সা-সামগ্রীৰ মূল্যকে বুজা যায়। সামগ্রীবোৰ বেছিদিন নিটিকে। মাছ, গাখীৰ, কণী ইত্যাদি বেছিদিন সাঁচি ৰাখিব নোৱাৰি। বেছি দিন সাঁচি থ'লে সেইবোৰ নষ্ট হৈ যাব। বিনিময় প্রথাত মূল্যৰ ৰূপত সামগ্রীৰ ভাণ্ডাৰ সঞ্চয় কৰিব লাগিব। আনহাতে, সামগ্রীৰ ভাণ্ডাৰ সঞ্চয় কৰি ৰখাটো সুবিধাজনক নহয়। গতিকে মূল্যৰ ভাণ্ডাৰৰ অভাৱ বিনিময় প্রথাৰ আন এটা অন্যতম অসুবিধা।

4. চেক্ এখন মুদ্রানে? তোমাৰৰ উত্তৰৰ সপক্ষে যুক্তি দর্শোৱা। 4

উত্তৰ ঃ চেক্ বা ধনাদেশ অবিহিত মুদ্রা। চেক্ এখন প্রকৃততে মুদ্রা নহয়। সেয়েহে চেক এখন মুদ্রা হিচাপে

Created by Universal Document Converter

বিবেচনা কৰা নহয়, কাৰণ -

(ক) চেক্ এখনৰ বিনিময়ৰ মাধ্যম হিচাপে সাধাৰণ গ্ৰহণযোগ্যতা গুণ নাই।

(খ) চেক্ বা ধনাদেশ হৈছে ধন পৰিশোধৰ এক প্ৰতিশ্ৰুতি পত্ৰ।

(গ) চেক্ এখনক তৎক্ষণাত মুদ্ৰালৈ ৰূপান্তৰিত কৰিব নোৱাৰি অৰ্থাৎ ইয়াৰ তাৰল্য গুণৰ অভাৱ ঘটিছে।

(ঘ) চেক্ সহজবোধগম্য নহয়। চেক্ বাউন্স অৰ্থাৎ মূল্যহীন বুলি বেংকে ঘূৰাই পঠালে লেনদেনত সমস্যাৰ উদ্ভৱ হয়।

Created by Universal Document Converter

Created by Universal Document Converter

অধ্যায় - ২
অর্থনৈতিক উন্নয়ন

১) চমু উত্তৰৰ প্ৰশ্ন ঃ (১ নম্বৰ)

(ক) অৰ্থনৈতিক বিকাশ কাক বোলে?

উঃ দেশ এখনৰ জাতীয় আৰু জনমূৰি আয় বৃদ্ধি হ'ল অৰ্থনৈতিক বিকাশ।

(খ) অৰ্থনৈতিক উন্নয়ন বুলি কি বুজা?

উঃ অৰ্থনৈতিক উন্নয়ন হ'ল এনে এটা প্ৰক্ৰিয়া য'ত জাতীয় আয় বৃদ্ধিৰ লগতে আয় বিতৰণৰ ওপৰতো সমানে গুৰুত্ব দিয়া হয়।

(গ) মানৱ উন্নয়ন বুলিলে কি বুজা?

উঃ মানৱ উন্নয়নৰ ধাৰণাই মানুহৰ স্বাস্থ্য, শিক্ষা, জীৱন ধাৰণৰ মানদণ্ড, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিৱেশ আদিৰ উন্নয়নক বুজায়।

(ঘ) অৰ্থনৈতিক পৰিকল্পনা কাক বোলে?

উঃ নিৰ্ধাৰিত এছোৱা সময়ৰ ভিতৰত কেতবোৰ সুনিদিষ্ট লক্ষ্যত উপনীত হ'বলৈ কেন্দ্ৰীয় কৰ্তৃপক্ষৰ দ্বাৰা দেশৰ অৰ্থনীতিৰ নিয়ন্ত্ৰণ আৰু দিগদৰ্শনেই হ'ল - অৰ্থনৈতিক পৰিকল্পনা।

(ঙ) গণতান্ত্ৰিক পৰিকল্পনা কাক বোলে?

উঃ যি পৰিকল্পনাৰ যুগুতকৰণৰ বিভিন্ন পৰ্য্যায়ত ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত কৰা হয় সেই পৰিকল্পনাই হ'ল গণতান্ত্ৰিক পৰিকল্পনা।

(চ) উদাৰীকৰণ কাক বোলে?

উঃ দেশৰ আৰ্থিক ব্যৱস্থাৰ ওপৰত থকা ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ শিথিলকৰণেই হ'ল উদাৰীকৰণ।

(ছ) ব্যক্তিগতকৰণ কি?

উঃ চৰকাৰী নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ অধীনত থকা প্ৰতিষ্ঠানসমূহ বেচৰকাৰী খণ্ডলৈ মুকলি কৰি দিয়া নীতিয়েই হ'ল ব্যক্তিকৰণ।

(জ) গোলকীকৰণ বা বিশ্বায়ন কাক বোলে?

উঃ দেশ এখনৰ অৰ্থনীতিৰ সৈতে বিশ্বৰ অন্যান্য দেশৰ অৰ্থনীতিৰ সংযোগ স্থাপন কৰা প্ৰক্ৰিয়াটোকে গোলকীকৰণ বা বিশ্বায়ন বোলা হয়।

(ঝ) UNDP সম্পূৰ্ণ ৰূপটো লিখা।

উঃ ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচী (United Nations Development Programme)।

(ঞ) নিটি (NITI) আয়োগৰ সম্পূৰ্ণ ৰূপটো লিখা।

উঃ ভাৰতবৰ্ষৰ ৰূপান্তৰকৰণৰ বাবে ৰাষ্ট্ৰীয় অনুষ্ঠান।

(National Institution for Transforming India AAYOG)

(ট) মিশ্ৰিত আৰ্থিক ব্যৱস্থা বুলিলে কি বুজা?

উঃ যি আৰ্থিক ব্যৱস্থাত ৰাজহুৱা খণ্ড বা চৰকাৰী খণ্ড আৰু ব্যক্তিগতখণ্ডৰ সহাৱস্থান হয়, সেই আৰ্থিক ব্যৱস্থাই হ'ল মিশ্ৰিত আৰ্থিক ব্যৱস্থা।

(ঠ) সেউজ বিপ্লৱ কি?

উঃ আধুনিক প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰি কৃষিখণ্ডৰ উৎপাদন বৃদ্ধি কৰাই হ'ল সেউজ বিপ্লৱ।

Created by Universal Document Converter

চমু উত্তৰৰ প্ৰশ্ন - (২/৩ নম্বৰ)

১) অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ দুটা প্ৰধান পাৰ্থক্য উল্লেখ কৰা। (HSLC 2019)

উঃ অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়ন মাজৰ দুটা পাৰ্থক্য হ'ল -

(ক) দেশ এখনৰ জাতীয় আৰু জনমূৰি আয় বৃদ্ধিয়ে হ'ল - অৰ্থনৈতিক বিকাশ।

কিন্তু , অৰ্থনৈতিক উন্নয়ন হ'ল এনে এটা প্ৰক্ৰিয়া য'ত জাতীয় আয় বৃদ্ধিৰ লগতে আয় বিতৰণৰ ওপৰতো সমানে গুৰুত্ব দিয়া হয়।

(খ) অৰ্থনৈতিক বিকাশৰ অৰ্থ সীমিত।

কিন্তু, অৰ্থনৈতিক উন্নয়নৰ অৰ্থ বহল।

২) মানৱ উন্নয়নৰ তিনিটা সূচক কি কি? (HSLC 2018, 2020)

উঃ মানৱ উন্নয়নৰ তিনিটা সূচক হ'ল ক্ৰমে -

(১) প্ৰত্যাশিত আয়ুস ঃ জন্মৰ সময়ত শিশু এটি কিমান বছৰলৈ জীয়াই থাকিব বুলি যি আশা কৰা যায় সেইটোৱেই হ'ব প্ৰত্যাশিত আয়ুস। এই আয়ুসৰ গড় হিচাব উলিওৱা হয়।

(২) শিক্ষা ঃ শিক্ষাৰ ক্ষেত্ৰত প্ৰাপ্তবয়স্ক স্বাক্ষৰতা আৰু প্ৰাথমিক, মাধ্যমিক আৰু অন্যান্য প্ৰশাখাসমূহৰ সৰ্বমূঠ নামভৰ্তিকৰণৰ অনুপাত নিৰ্ণয় কৰি সেই অনুপাতৰ ভিত্তিত শিক্ষাৰ স্তৰ নিৰ্ণয় কৰা হয়।

(৩) জীৱন যাত্ৰাৰ মান ঃ তৃতীয়টো সূচক জীৱন যাত্ৰাৰ মান। দৰিদ্ৰতা, অনুন্নত শিক্ষা, ব্যৱস্থা আৰু প্ৰয়োজনীয় স্বাস্থ্য সেৱাৰ অভাৱে জীৱন যাত্ৰাৰ মান উন্নীতকৰণত বাধাৰ সৃষ্টি কৰে।

৩) সমষ্টিগত পছন্দৰ বিস্তাৰ সাধন হৈছে বুলিলে কি বুজিবা?

উঃ বিভিন্ন ব্যক্তিৰ পছন্দ অপছন্দ বা ভাল-বেয়াৰ ওপৰত ভিত্তি কৰি সমষ্টিৰ সামূহিক পছন্দ নিৰ্ণয় কৰা হয়। সমষ্টিগত পছন্দই অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পছন্দকো সামৰি লয়। সমষ্টিগত পছন্দৰ লগত মানৱ উন্নয়নৰ প্ৰসঙ্গ জড়িত হৈ আছে। প্ৰকৃততে মানৱ উন্নয়নৰ ধাৰণাই মানুহৰ সামূহিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক বিকাশৰ মাজেদি জীৱন-যাপনৰ মান বৃদ্ধিত গুৰুত্ব দিয়ে। এই মানৱ উন্নয়নে জনসাধাৰণৰ সামূহিক পছন্দৰ বিস্তাৰ হোৱাটো বুজায়।

৪) NITI আয়োগৰ সদস্য সকল কোন কোন? (HSLC 2018)

উঃ NITI আয়োগৰ অধ্যক্ষ হ'ল প্ৰধানমন্ত্ৰী। এই আয়োগৰ অন্য সদস্যসকল হৈছে - এজন উপাধ্যক্ষ, ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকল, চাৰি গৰাকী কেন্দ্ৰীয় মন্ত্ৰী, মুখ্য কাৰ্য্যবাহী বিষয়া আৰু বিশেষজ্ঞসকল।

৫) অৰ্থনৈতিক বিকাশ আৰু মানৱ উন্নয়নৰ মাজত পাৰ্থক্য কি?

উঃ অৰ্থনৈতিক বিকাশ আৰু মানৱ উন্নয়নৰ মাজত পাৰ্থক্য হ'ল - অৰ্থনৈতিক বিকাশে কেৱল মাত্ৰ এটা পছন্দৰ উল্লেখ কৰিছে আৰু সেইটো হৈছে আয়।

কিন্তু মানৱ উন্নয়নৰ ধাৰণাটোৱে সামূহিক পছন্দৰ বিস্তাৰ সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

দীঘল উত্তৰৰ প্ৰশ্ন ঃ (নম্বৰ - ৩)

১) ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছোৱা (১৯৫১-১৯৯১) আৰু দ্বিতীয়ছোৱা (১৯৯১ ৰ পৰা বৰ্তমানলৈকে) ৰ মাজত থকা এটা মূল পাৰ্থক্য ব্যাখ্যা কৰা।

উঃ ভাৰতবৰ্ষৰ পৰিকল্পতি অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছোৱা (১৯৫১-১৯৯১) সময়ত ৰাজহুৱা খণ্ডই ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ গুৰি-বঠা ধৰিছিল। ব্যক্তিগত খণ্ডৰ ভূমিকা আছিল গৌণ। প্ৰায়বিলাক ঔদ্যোগীক নীতি সমাজবাদী

Created by Universal Document Converter

আদর্শৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হৈছিল। অর্থনৈতিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকাই প্ৰাধান্য লাভ কৰিছিল। ষাঠিৰ দশকৰ কৃষি খণ্ডত সংঘটিত সেউজ বিপ্লৱে উত্তৰ ভাৰতৰ কেইখনমান নিদিষ্ট ৰাজ্যৰ বাদে অন্য ৰাজ্যক চুব পৰা নাছিল। দেখা গ'ল, সময়ত দেশৰ অর্থনীতিৰ উন্নয়ন হাৰ আশানুৰূপ নহ'ল।

১৯৯১-৯২ ৰ পৰা বর্তমানলৈকে ভাৰতবর্ষৰ অর্থনীতিৰ এক গুৰুত্বপূর্ণ পৰিবর্তন সাধন হৈছিল। ৰাজহুৱা খণ্ডৰ গুৰুত্ব কমি আহিল। অর্থনীতিত ব্যক্তিগতকৰণ, উদ্যোগীকৰণ, গোলকীকৰণ বা বিশ্বায়নৰ গুৰুত্ব বৃদ্ধি পালে। সময় আগবঢ়াৰ লগে লগে ভাৰতবর্ষৰ অর্থনীতিত এই সংস্কাৰমূলক প্ৰদক্ষেপসমূহৰ সুফল দেখিবলৈ পোৱা গৈছে। দেশৰ অর্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি পাইছে। পাইকাৰী মূল্যসূচী পূর্বৰ তুলনাত হ্ৰাস পাইছে। কেন্দ্ৰীয় বেংকত বৈদেশিক বিনিময়যোগ্য মুদ্ৰাৰ পৰিমাণ বৃদ্ধি পাইছে।

২) ভাৰতবর্ষত অর্থনৈতিক সংস্কাৰ প্ৰৱর্তনৰ তিনিটা মূল কাৰণ চমুকৈ ব্যাখ্যা কৰা।

উঃ ভাৰতবর্ষত অর্থনৈতিক সংস্কাৰ প্ৰৱর্তনৰ তিনিটা মূল কাৰণ হৈছে - (ক) অর্থনৈতিক উন্নয়নৰ প্ৰথমছোৱা (১৯৫১-১৯৯১) সময়ত ৰাজহুৱা খণ্ডত গুৰুত্ব দিয়া হৈছিল। কিন্তু ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহত চৰকাৰী বিনিয়োগ বৃদ্ধিৰ হাৰতকৈ আয় বৃদ্ধি কম হৈছিল ফলত ভালেমান উদ্যোগে লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছিল। ১৯৯০ চনৰ মার্চ মাহত ২৪৪ টা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ভিতৰত ৫৮ টা ই ৰুগ্ন হৈ পৰিছিল।

(খ) বিশেষকৈ সীমিত উৎপাদনৰ বাবে সৃষ্টি হোৱা মুদ্ৰাস্ফীতিয়ে আর্থিক ভাৱে দুর্বল লোকসকলক জুৰুলা কৰিছিল।

(গ) ১৯৯০-৯১ চনত ভাৰতৰ বৈদেশিক বাণিজ্যৰ ছবিখন ভয়াবহ হৈছিল। বিদেশৰ মূলধন অহাটো কমি গৈছিল। ভাৰতীয় অর্থনীতিৰ পৰা মূলধনৰ বহিঃগমন হৈছিল। ফলত ভাৰতবর্ষৰ বৈদেশিক বাণিজ্যৰ ঘাটিৰ পৰিমাণ উদ্বেগজনক হৈ পৰিছিল।

৩) অর্থনৈতিক সংস্কাৰৰ তিনিটা সুফল উল্লেখ কৰা।

উঃ অর্থনৈতিক সংস্কাৰৰ বাবে চৰকাৰে লোৱা পদক্ষেপ সমূহৰ সুফলসমূহ হৈছে -

(ক) অর্থনৈতিক উন্নয়ন হাৰ ক্ৰমান্বয়ে বৃদ্ধি হৈছে।

(খ) পাইকাৰী মূল্যসূচী পূর্বতকৈ হ্ৰাস পাইছে।

(গ) ৰিজর্ভ বেংকত জমা হোৱা বৈদেশিক বিনিময়যোগ্য মুদ্ৰাৰ পৰিমাণ বৃদ্ধি হৈছে।

৪) অর্থনৈতিক সংস্কাৰ প্ৰৱর্তনৰ ফলত সৃষ্টি হোৱা দুটা অসুবিধা চমুকৈ ব্যাখ্যা কৰা।

উঃ অর্থনৈতিক সংস্কাৰ প্ৰৱর্তনৰ ফলত সৃষ্টি হোৱা তিনিটা অসুবিধা হৈছে -

(ক) অর্থনীতিত প্ৰতিযোগিতাৰ প্ৰসাৰ আৰু তীব্ৰতা দুটোয়াই বৃদ্ধি কৰিছে। বজাৰলৈ বিভিন্ন ধৰণৰ ন ন সা-সামগ্ৰী আহিব ধৰিছে। জনসাধাৰণৰ ক্ৰয় ক্ষমতাৰ পৰিমাণ বৃদ্ধি হ'লেহে এই প্ৰতিযোগিতা সুস্থ হ'ব। কিন্তু সকলো জনসাধাৰণৰ আশানুৰূপ বৃদ্ধি হোৱা নাই।

(খ) পণ্যৰ প্ৰতি অত্যাধিক আসক্তিয়ে ভোগবাদী অর্থনীতিৰ সৃষ্টি কৰিলে সি নৈতিকতাৰ প্ৰতি এক ভাবুকি হ'ব পাৰে।

(গ) গোলকীকৰণৰ ফলত দেশখনে বা জনসাধাৰণে নিজৰ আত্মপৰিচয়ৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। গোলকীকৰণৰ বাবে বর্তমান সময়ত নিজস্বতা ধৰি ৰখাটো অতিশয় দুৰূহ কার্য হৈ পৰিছে।

Created by Universal Document Converter

সংকুচিত পাঠ্যক্রম অনুসৰি প্ৰস্তুত কৰা আৰ্হি প্ৰশ্ন কাকত

Section - A

1. 1x8=8

(a) আন্তৰাষ্ট্ৰীয় সম্পদৰ এটি উদাহৰণ হ'ল -

An example of international resource is -

(i) সোণ Gold (ii) ভূমি Land (iii) নদ-নদী River (iv) মহাসাগৰ Ocean

(b) বায়ুমণ্ডলত থকা অক্সিজেনৰ পৰিমাণ হ'ল -

The amount of Oxygen in the atmosphere is -

(i) 20.94 শতাংশ 20.94 % (ii) 21.94 শতাংশ 21.94% (iii) 78.08 শতাংশ 78.08 % (iv) 79.08 শতাংশ 79.08 %

(c) পৃথিৱীৰ মুঠ মাটিকালি -

The total land area of the Earth is -

(i) 510 নিযুত বর্গ কিঃমিঃ 510 million sq.km (ii) 730 নিযুত বর্গ কিঃমিঃ 730 million sq.km

(iii) 540 নিযুত বর্গ কি.মি. 540 million sq. km (iv) 350 নিযুত বর্গ কি.মি. 350 million sq. km

(d) সংবিধান সভাৰ খচৰা কমিটিৰ অধ্যক্ষ আছিল -

The Chairman of Drafting Committee of constituent Assembly was -

(i) ড° ৰাজেন্দ্ৰ প্ৰসাদ Dr. Rajendra Prasad (ii) পণ্ডিত জৱাহৰলাল নেহেৰু Pandit Jawaharlal Nehru

(iii) ড° বি আৰ আম্বেদকাৰ Dr. B. R. Ambedkar (iv) কে এম মুন্সি K. M. Munshi

(e) দ্বিতীয় ঘূৰণীয়া মেজমেলত কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি আছিল -

The only rtepresentative of Congress in the second Round Table conference was -

(i) ৰবীন্দ্ৰনাথ ঠাকুৰ Rabindra Nath Tagore (ii) মহাত্মা গান্ধী Mahatma Gandhi

(iii) জৱাহৰলালা নেহৰু Jawaharlal Nehru (iv) মতিলাল নেহৰু Motilal Nehru

(f) অসমত দাস প্ৰথা নিষিদ্ধ হৈছিল -

Slave system in Assam was abolished in the year -

(i) 1830 চনত 1830 (ii) 1843 চনত 1843 (iii) 1853 চনত 1853 (iv) 1857 চনত 1857

(g) অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ প্ৰথমগৰাকী সভাপতি আছিল -

The First President of the Assam provincial congress committee was -

(i) নবীনচন্দ্ৰ বৰদলৈ Nabin Chandra Bardoloi (ii) কুলধৰ চলিহা Kuladhar Chaliha

(iii) তৰুণৰাম ফুকন Tarunram Phukan (iv) মানিক চন্দ্ৰ বৰুৱা Manik Chandra Baruah

Created by Universal Document Converter

(h) চেৰাও লোকনৃত্য তলত উল্লেখ কৰা কোন জনগোষ্ঠীৰ লগত জড়িত ?

The Cheraw Folk dance is associated with which of the following tribe ?

(i) খাছী (ii) মিজো (iii) মণিপুৰী (iv) গাৰো

Khasi Mizo Manipuri Garo

Section - B

Part - I

2. গান্ধী আৰউইন চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল ? এই চুক্তিৰ মূল উদ্দেশ্য কি আছিল ? 1+1=2

When was the Gandhi - Irwin Pact Signed ? What was the Principal ovjective of this pact ?

3. আছাম এছ'চিয়েছনে কৰা দুটা কামৰ উদাহৰণ দিয়া। 2

Give two examplkes of fgunctions which are done by Assam Association.

4. মধ্যযুগীয় অসমৰ দুটা গুৰুত্বপূর্ণ সাংস্কৃতিক বৈশিষ্ট্য লিখা। 2

Mention two significant cultural characteristics of the medieval period of Assam.

5. বংগদেশৰ স্বদেশী আন্দোলনৰ প্রধান কাৰণটো কি আছিল ? এই আন্দোলনৰ দুটা পৰিণতি উল্লেখ কৰা। 1+2=3

What was the principal cause of the Swadeshi Movement of Bengal? Mention two consequences of the movement.

Or, নাইবা

স্বদেশী আন্দোলন মষিমূৰ কৰিবলৈ ব্রিটিছে কি কি দমনমূলক ব্যৱস্থা গ্রহণ কৰিছিল ? 3

What are the repressive measures of the British crush the Swadeshiu Movement.

6. বংগ-ভংগ আন্দোলনে কেনেদৰে স্বদেশী আন্দোলনৰ ৰূপ লৈছিল, আলোচনা কৰা। 3

How did the movement of the partition of Bengal take the form of Swadeshi Movement.

7. 1861 চনৰ ফুলগুৰি ধাৱাৰ ওপৰত এটি টোকা লিখা। 3

Write a note on Phulguri Dhawa of 1861.

8. অসমত 1857 চনৰ বিদ্রোহৰ কাৰণসমূহ উল্লেখ কৰা। 3

Mention the causes of the revolt of 1857 in Assam.

9. কি কি কাৰণত গান্ধীজীয়ে অসহযোগ আন্দোলন আৰম্ভ কৰিছিলয় গান্ধীজীয়ে কিয় অসহযোগ আন্দোলন স্থগিত কৰাৰ কথা ঘোষণা কৰিছিল ? 3+1=4

What are the causes behind to start the Non-co-operation Movement by Gandhi ? Why did Gandhi declare the postponement of the Non-co-operation Movement.

10. অসমৰ চিত্রকলাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখা। 4

Write briefly on the heritage of the Assamese paintings.

11. অসমত অসহযোগ আন্দোলনৰ কার্যসূচী কিদৰে ৰূপায়িত হৈছিল চমুকৈ আলোচনা কৰা। 5

Write briefly how the programmes of thje Non-co-operation Movement were fulfilled in Assam.

Or/ নাইবা

অসমীয়া ভাষা উন্নতি সাধনী সভাৰ ভূমিকা আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰা।

Discuss the role and functions of the Asomiya Bhasa Unnati Sadhini Sabha.

Created by Universal Document Converter

Part - II

12. নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ মাজৰ পার্থক্য নির্ণয় কৰা। 2

Distinguish between renewable and non-renewable resources.

13. গোলকীয় উত্তাপ বৃদ্ধিৰ দুটা মানৱসৃষ্ট কাৰণ উল্লেখ কৰা। 2

Mention two man-made causes of Global Warming.

14. মহী সোপান আৰু মহীঢাল বুলিলে কি বুজা? 2

What is Continental Shelf and Continental Slope ?

15. অসমৰ দুখন তৈলক্ষেত্রৰ নাম উল্লেখ কৰা। 2

Mention two crude oil field of Assam.

Or / নাইবা

খাৰুৱা তেল ও প্রাকৃতিক গেছ ওপৰত ভিত্তি কৰি গঢ়ি উঠা অসমৰ দুটা উদ্যোগৰ নাম লিখা।

Name two industries of Assam based on crude oil and natural gas.

16. মৰুকৰণ কাক বোলে? মৰুকৰণৰ দুটা মানৱজনিত কাৰণ উল্লেখ কৰা। 1+2=3

What is Desertification ? Mention two man - made causes of Desertification.

17. অসমৰ ৰেচম উদ্যোগৰ বিষয়ে চমুকৈ লিখা। 3

Write in brief about the silk industry of Assam.

Or / নাইবা

2014 চনৰ অসম ঔদ্যোগিক আৰু বিনিয়োগ নীতিৰ তিনিটা লক্ষ্য উল্লেখ কৰা।

Mention three aims of Industrial and Investment policy of Assam , 2014.

18. সম্পদ সংৰক্ষণৰ বুলিলে কি বুজা? সম্পদ সংৰক্ষণৰ প্রয়োজনীয়তা সন্দর্ভত চমুকৈ লিখা। 1+3=4

What is conservation of Resources, write in brief about the necessity of conservation of resources.

19. অসমৰ এখন নক্সা মানচিত্র অংকণ কৰি তাত তলত দিয়াসমূহৰ যিকোনো দুটা নাম সহকাৰে বহুওৱা ঃ 2+2=4

Draw a Sketch - map of Assam and locate there in any two of the following with names :

(a) ডিগৰৈ তেল শোধনাগাৰ (Digboi Refinery)

(b) বাঁহ উদ্যোগ পার্ক (Bamboo industry park)

(c) এখন ৰাষ্ট্রীয় উদ্যান (A National Park)

20. মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সুত্রটোৰ বিষয়ে চমুকৈ আলোচনা কৰা। 5

Discuss briefly about the continental drife theory.

21. অসমৰ অর্থনৈতিক উন্নয়নত খনিজ সম্পদৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা। 5

Asses the importance of Mineral resouces in the economic development of Assam.

Or / নাইবা

অসমলৈ প্রাচীন কালৰ পৰা বর্তমান সময়লৈকে হোৱা জনপ্রব্রপজনৰ সোঁতবোৰ একাদিক্রমে বর্ণনা কৰা।

Describe briefly the different streams of Human migration into Assam sequentially since the ancient times to the Present.

Part - III

22. তলত উল্লেখ কৰা আন্তর্জাতিক অনুষ্ঠান দুটাৰ মুখ্য কার্যালয় ক'ত অৱস্থিত উল্লেখ কৰা ঃ 1+1=2

Created by Universal Document Converter

Mention where the Headquarters of the following two International organizations are :

(a) বিশ্ব অর্থনৈতিক মঞ্চ (World Economic Forum [WEF])

(b) দক্ষিণ এছীয়া আঞ্চলিক সহযোগিতা সংস্থা (South Asian Association for Regional Cooperation [SAARC])

23. মুদ্রাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা। 2

Mention two characteristics of money.

24. গণতান্ত্রিক পৰিকল্পনা বুলিলে কি বুজা ? ভাৰতবর্ষৰ গণতান্ত্রিক পৰিকল্পনাৰ এটা উদাহৰণ দিয়া। 1+1=2

What is Democratic planning ? Give an example of Democratic planning of India.

25. বিশ্ব শান্তি সম্পর্কত ৰাষ্ট্রসংঘই লোৱা পদক্ষেপসমূহ আলোচনা কৰা। 3

Discuss the steps taken by the UNO regarding world Peace.

26. বিনিময় প্রথা কি ? বিনিময় প্রথাৰ দুটা অসুবিধা উল্লেক কৰা। 1+2=3

What is barter system ? Mention two disadvantages of the barter system.

Or / নাইবা

কোনো দেশৰ অর্থনীতিত মুদ্রাৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখা।

Write briefly about the role os money in the Economy of a country.

27. ভাৰতবর্ষত অর্থনৈতিক সংস্কাৰ প্রৱর্তনৰ তিনিটা মূল কাৰণ চমুকৈ ব্যাখ্যা কৰা। 3

Explain briefly three causes of economic reforms in India.

28. ভাৰতবর্ষক কিয় অর্ধযুক্তৰাষ্ট্রৰ বা ব্যতিক্রমধর্মী যুক্তৰাষ্ট্র বুলি কোৱা হয় ? যুক্তি দাঙি ধৰা। 4

Why India is called Quasi federal of Peculiar federation ? Give arguments.

Or / নাইবা

ভাৰতীয় সংবিধানৰ পৰিপ্রেক্ষিতত পণ্ডিত নেহৰুৰ উদ্দেশ্য সম্পর্কিত প্রস্তাৱ কেইটা আলোচনা কৰা। 4

Discuss the objective resolutions put forward by Pandit Nehru in relation to the Indian constitution.

****

Created by Universal Document Converter

সংকুচিত পাঠ্যক্রম অনুসৰি গোলাঘাট জিলাৰ প্ৰি-বৰ্ডৰ প্ৰশ্ন কাকত

(Section - A) 'ক' অংশ

1. (i) When did the Chauri-Chaura violence take place ? 1

চৌৰীচৌৰা সংঘৰ্ষ কেতিয়া সংঘটিত হৈছিল ?

(a) 31st January, 1930 ৩১ জানুৱাৰী, ১৯৩০ (b) 8th August, 1942 ৮ আগষ্ট, ১৯৪২

(c) 5th February, 1922 ৫ ফেব্ৰুৱাৰী, ১৯২২ (d) 6th April, 1919 ৬ এপ্ৰিল, ১৯১৯

Ans : (c) 5th February, 1922 ৫ ফেব্ৰুৱাৰী, ১৯২২

(ii) In which year, the British stopped slavery in Assam ? 1

কোন চনত বৃটিছসকলে অসমত দাসপ্ৰথা বিলুপ্ত ঘটাইছিল ?

(a) 1863 চনত (b) 1857 চনত

(c) 1843 চনত (d) 1860 চনত

Ans : (c) 1843 চনত

(iii) Which one of the following is man-made resource ? 1

তলৰ কোনটো মানৱ-সৃষ্ট সম্পদ ?

(a) Mineral Oil (খনিজ তেল) (b) River (নদী)

(c) Forest (অৰণ্য) (d) Irrigation Canal (জলসিঞ্চন নলা)

Ans : (d) Irrigation Canal (জলসিঞ্চন নলা)

(iv) Acid rain generally occurs in - 1

এছিড বৰষুণ সাধাৰণতে সৃষ্টি হয় -

(a) Grassland areas (ঘাঁহনি অঞ্চলত) (b) Forest areas (অৰণ্য অঞ্চলত)

(c) Industrial areas (ঔদ্যোগিক অঞ্চলত) (d) Polar regions (মেৰু অঞ্চলত)

Ans : (c) Industrial areas (ঔদ্যোগিক অঞ্চলত)

(v) Who was the first Editor of Jonaki ? 1

জোনাকীৰ প্ৰথম সম্পাদক কোন আছিল ?

(a) Lakshminath Bezbaruah লক্ষ্মীনাথ বেজবৰুৱা

(b) Hemchandra Goswami হেমচন্দ্ৰ গোস্বামী

(c) Hemchandra Barua হেমচন্দ্ৰ বৰুৱা

(d) Chandra Kumar Agarwala চন্দ্ৰকুমাৰ আগৰৱালা

Ans : (d) Chandra Kumar Agarwala চন্দ্ৰকুমাৰ আগৰৱালা

(vi) Who was hanged along with Maniram Dewan ? 1

মণিৰাম দেৱানৰ লগত কাক ফাঁচিকাঠত ওলমোৱা হৈছিল ?

(a) Piyali Barua পিয়লি বৰুৱা (b) Dutiram Barua দুতিৰাম বৰুৱা

(c) Jeuram Duliya Barua জিউৰাম দুলীয়া বৰুৱা (d) Gomadhar Konwar গোমধৰ কোঁৱৰ

Ans : (a) Piyali Barua পিয়লি বৰুৱা

Created by Universal Document Converter

(vii) Which word was incorporated in the preamble of Indian constitution through the 42nd amendment? 1

ভাৰতীয় সংবিধানৰ 42 তম সংশোধনীৰ জৰিয়তে প্ৰস্তাৱনাত কোনটো শব্দ সংযোজন কৰা হৈছিল?

(a) Socialist সমাজবাদী (b) Republic গণৰাজ্য

(c) Democratic গণতান্ত্ৰিক (d) Sovereign সাৰ্বভৌম

Ans : (a) Socialist সমাজবাদী

(viii) Who was the first secretary General of the United Nations Organisation?

ৰাষ্ট্ৰসংঘৰ প্ৰথম সচিবপ্ৰধান কোন আছিল? 1

(a) Ban Ki - moon বেন কি মুন (b) Antonio Guterres এণ্টনিও গুটেৰেছ

(c) Trygve Halvdan Lie ট্ৰাইভহাল্ডান লী (d) Kofi - Annan ক'ফি আন্নন

Ans : (c) Trygve Halvdan Lie ট্ৰাইভহাল্ডান লী

Section - B 'খ' অংশ

Part - I / প্ৰথম খণ্ড

2. Write the two terms of the Gandhi - Irwin Pact. 2

গান্ধী-আৰউইন চুক্তিৰ দুটা চৰ্ত লিখা।

Ans : গান্ধী-আৰউইন চুক্তিৰ দুটা চৰ্ত - (ক) চৰকাৰে হিংসাত্মক ঘটনাৰ বাবে দোষি সাব্যস্ত নোহোৱা বন্দি সকলক মুকলি কৰি দিয়াৰ সিদ্ধান্ত লয়।

(খ) চৰকাৰে সাগৰৰ পা�ৰৰ গাঁওবাসীক প্ৰয়োজনীয় নিমখ তৈয়াৰ কৰাৰ অনুমতি প্ৰদান কৰে।

3. Write the names of the President and the Secretary of Assam Association? 2

আছাম এছ'চিয়েচনৰ প্ৰথম সভাপতি আৰু সম্পাদকৰ নাম লিখা।

Ans : আছাম এছ'চিয়েচনৰ প্ৰথম সভাপতি - প্ৰভাত চন্দ্ৰ বৰুৱা।

সম্পাদক - মানিক চন্দ্ৰ বৰুৱা।

4. Mention two causes of the Revolt of 1857 in Assam. 2

অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ দুটা কাৰণ উল্লেখ কৰা।

Ans : অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ দুটা কাৰণ হৈছে -

(ক) মুদ্ৰা অৰ্থনীতি ঃ ইংৰাজে প্ৰৱৰ্তন কৰা টকাৰ মাধ্যমত খাজনা আৰু অন্যান্য কৰ কাটল সংগ্ৰহৰ ব্যৱস্থাই অসমীয়া প্ৰজাৰ অৱস্থা সুচনীয় কৰি তুলিছিল।

(খ) দাস প্ৰথাৰ নিষিদ্ধকৰণ ঃ ১৮৪৩ চনত অসমত পূৰ্বৰে পৰা চলি অহা দাস প্ৰথাৰ নিষিদ্ধকৰণ কাৰ্য্যই এক শ্ৰেণীৰ লোকৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছিল। দাস প্ৰথাৰ বিলুপ্তি ঘটোৱাত ব্ৰাহ্মণ, পুৰোহিত বা অন্যান্য অভিজাত শ্ৰেণীৰ ব্যক্তিসকললৈ তেওঁলোকৰ কৃষিকৰ্মত শাৰীৰিক শ্ৰম কৰা মানুহৰ অভাৱ অনুভৱ কৰিবলৈ লৈছিল।

5. Write the names of two pictorial books written in 'Sanchipat' in Assam? 2

ক্ষুদ্ৰাকাৰ চিত্ৰযুক্ত অসমৰ দুখন 'সাঁচিপতীয়া' পুথিৰ নাম লিখা?

Ans : (ক) আনন্দ লহৰী, (খ) হস্তিবিদ্যাৰ্ণৱ

6. What was 'Partition of Bengal'? Mention its two important consequesces. 1+2=3

'বংগ বিভাজন' কি আছিল? ইয়াৰ দুটা গুৰুত্বপূৰ্ণ ফলাফল উল্লেখ কৰা।

Ans : লৰ্ড কাৰ্জনৰ শাসন কালত সংঘটিত বংগ বিভাজন আছিল ভাৰতৰ ৰাজনৈতিক ইতিহাসৰ এটা যুগান্তকাৰী

Created by Universal Document Converter

ঘটনা। বংগ দেশক দ্বিখণ্ডিত কৰা আৰু খণ্ডিত একাংশ অসমৰ সৈতে সংলগ্ন কৰা প্ৰক্ৰিয়াটোকে ঐতিহাসিক বংগ ভংগ বুলি জনা যায়।

বংগ বিভাজনৰ দুটা গুৰুত্বপূৰ্ণ ফলাফল হ'ল - (ক) বংগ বিভাজনৰ ফলত স্বদেশী আন্দোলন গঢ়ি উঠিছিল। যাৰ ফলত বংগ দেশত জাতীয় সাহিত্য, জাতীয় শিক্ষা, স্বদেশী শিল্প উদ্যোগ আদিৰ বিকাশ সাধন হৈছিল।

(খ) বংগ বিভাজনৰ ফলত হিন্দু আৰু মুছলমানৰ মাজত একতা আৰু সম্প্ৰীতি গঢ়ি উঠিছিল।

7. Mention the impacts of Revolt of 1857 in Assam. 3

অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰভাৱসমূহ উল্লেখ কৰা।

Ans : অসমত ১৮২৬ চনত ইংৰাজ শাসন প্ৰৱৰ্তিত হোৱাৰ পিছৰে পৰা এই শাসনৰ অৱসান ঘটাবলৈ বিভিন্ন ৰাজনৈতিক বিদ্ৰোহ সংঘটিত হৈছিল। ১৮২৮-৩০ চনত সংঘটিত হোৱা গোমধৰ কোঁৱৰৰ বিদ্ৰোহৰ পিছত ১৮৫৭ চনত অসমতো সৰ্বভাৰতীয় চিপাহী বিদ্ৰোহৰ প্ৰভাৱ পৰিছিল।

১৮৫৭ চনৰ বিদ্ৰোহে অসমৰ অভিজাত শ্ৰেণীটোক বৃটিছ শাসন ওফৰাই পুৰণি ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ এক সোনালী সুযোগ প্ৰদান কৰিছিল। সেয়েহে ১৮৫৭ চনৰ বিদ্ৰোহে অসমতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ কিছু সংখ্যক লোকে অসমত অৱস্থান কৰা বৃটিছ সৈন্যবাহিনীত থকা ভাৰতীয় সেনাৰ মাজত অসন্তুষ্টি বিয়পাই অসমতো চিপাহী বিদ্ৰোহৰ উত্থান ঘটাই তেওঁলোকৰ সহায়ত ইংৰাজক খেদি আহোম ৰাজপৰিয়ালৰ এজন কোঁৱৰক অসমৰ ৰজা হিচাপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছিল।

১৮৫৭ চনৰ বিদ্ৰোহে অসমক প্ৰথম বাৰৰ বাবে এক সৰ্বভাৰতীয় ঐতিহাসিক ঘটনাৰ লগত জড়িত কৰিছিল।

এই বিদ্ৰোহৰ প্ৰভাৱ স্বৰূপে অসমত হিন্দু আৰু মুছলমান এই দুটা প্ৰধান সম্প্ৰদায়ে একগোট হৈ বিদ্ৰোহত অংশগ্ৰহণ কৰি জাতীয়তাবোধৰ বিকাশত ইন্ধন যোগাইছিল।

১৮৫৭ চনৰ বিদ্ৰোহৰ পৰা ভাৰতীয় স্বাধীনতা আন্দোলনৰ অন্যান্য সংগ্ৰামীৰ দৰে অসমীয়া সংগ্ৰামীসকলেও মণিৰাম দেৱান তথা সহযোগী সকলৰ কৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল।

8. (a) What were the anti-movement measures taken by the British dominate Swadeshi Movement ? Did the British get support from the leaders of the movement ? 2+1=3

স্বদেশী আন্দোলন দুৰ্বল কৰাৰ বাবে বৃটিছ চৰকাৰে কি কি কৰ্মপন্থা লৈছিল ? আন্দোলনৰ নেতাসকলৰ পৰা চৰকাৰে সঁহাৰি লাভ কৰিছিল নে ?

Ans : স্বদেশী আন্দোলন দুৰ্বল কৰাৰ বাবে বৃটিছ চৰকাৰে বিভিন্ন আন্দোলন বিৰোধী কাৰ্যসূচী গ্ৰহণ কৰিছিল। - যেনে - বৃটিছ চৰকাৰে জাতীয় কংগ্ৰেছৰ উদাৰপন্থী নেতাসকলৰ পৰা সহযোগিতা আশা কৰিছল. এই নেতাসকলক হাতৰ মুঠিত ৰখাৰ উদ্দেশ্যে তেওঁলোকৰ বহুতকে বৃটিছ চৰকাৰ আৰোপিত উপাধি পদক আৰু পদ প্ৰদান কৰিছিল। উদাৰপন্থী কংগ্ৰেছ সদস্যক উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ পদ, বৃটিছ সংসদত সদস্য পদ, ভাইচৰয় পৰিষদৰ সদস্য পদ নতুবা প্ৰাদেশিক পৰ্যায়ৰ লোভনীয় সদস্য পদ যাচি বংগ ভংগ পৰিকল্পনাত তেওঁলোকৰ সমৰ্থন আশা কৰিছিল।

আন্দোলনৰ নেতাসকলৰ পৰা চৰকাৰে সঁহাৰি লাভ কৰা নাছিল।

Or / অথবা

Write briefly the contribution of women in Swadeshi Movement in India.

ভাৰতৰ স্বাধীনতা আন্দোলনত মহিলাৰ অৱদান চমুকৈ লিখা।

Ans : স্বদেশী আন্দোলনৰ সময়ত বংগদেশত নগৰীয়া নাৰী সমাজে পুৰুষৰ লগত সমানে আন্দোলনত অংশগ্ৰহণ কৰিছিল। বংগদেশৰ নাৰীৰ সাহসিকতাই বৃটিছ শাসকক স্তম্ভিত কৰি তুলিছিল। বংগৰ নাৰীৰ সাহসিকতা সম্পৰ্কে

Created by Universal Document Converter

লণ্ডনৰ 'ডেইলী টেলিগ্ৰাফ' কাকতটো প্ৰকাশ পাইছিল। স্বদেশী আন্দোলনৰ অগ্ৰণী নাৰীসকলৰ ভিতৰত প্ৰধান আছিল সৰলা দেৱী চৌধুৰীণী আৰু ভগিণী নিবেদিতা।

সৰলা দেৱীয়ে বিপ্লৱী ভাৱাদৰ্শেৰে স্বদেশী আন্দোলনক আগুৱাই নিবলৈ মহাৰাষ্ট্ৰাৰ শিৱাজী উৎসৱৰ অনুকৰণত বীৰষ্টমী ব্ৰত, প্ৰতাপাদিত্য উৎসৱ, উদয়াদিত্য উৎসৱ, ব্যায়াম সমিতি আদি উৎসৱ-অনুষ্ঠান বংগদেশৰ বিভিন্ন ঠাইত আয়োজন কৰি যুৱক-যুৱতীসকলক লাঠীখেল আৰু কুস্তিৰ প্ৰশিক্ষণ দিয়াইছিল। তাৰোপৰি 'ভাৰতী' নামৰ পত্ৰিকা এখন সম্পাদনা কৰি বংগৰ যুৱশক্তিক জাতীয় আন্দোলনত জপিয়াই পৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

নাৰী আৰু যুৱক-যুৱতীসকলৰ মাজত জাগৰণ সৃষ্টিত প্ৰচুৰ বৰঙণি যোগোৱা আন এগৰাকী নাৰী হ'ল আয়াৰলেণ্ডত জন্মগ্ৰহণ কৰা মাৰ্গাৰেট এলিজাবেথ নবোল যিগৰাকী ভগিনী নিবেদিতা নামে জনাজাত আছিল। এই গৰাকী মহীয়সীয়ে ইয়ংমেনছ হিন্দু ইউনিয়ন, বিবেকানন্দ ছ'চাইটি, ডন ছ'চাইটি আৰু অনুশীলন সমিতিৰ সৈতে জড়িত হৈ নাৰী আৰু যুৱক-যুৱতীসকলক দেশীয় শিল্পৰ যোগেদি স্বনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাইছিল।

9. What do you understand by the term 'Satyagraha'? Briefly write about the three local disputes where Gandhiji first applied the technique of satyagrah in India. 1+3=4

'সত্যাগ্ৰহ' বুলিলে কি বুজা? যি তিনিটা স্থানীয় বিবাদৰ ক্ষেত্ৰত গান্ধীজীয়ে সত্যাগ্ৰহক প্ৰথমতে প্ৰয়োগ কৰিছিল সেই তিনিটাৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ দিয়া।

Ans : 'সত্যাগ্ৰহ' হ'ল সত্যৰ প্ৰতি আগ্ৰহ। অৰ্থাৎ সত্য নিষ্ঠ হৈ কাম কৰা। গান্ধীজীৰ মতে সত্যাগ্ৰহ কেৱল একপক্ষীয় প্ৰতিৰোধ নহয়। ইয়াৰ তাৎপৰ্য্য হ'ল জনতাই গভীৰভাৱে নেৰানেপেৰাকৈ ৰাজনৈতিক কাৰ্য্যকলাপত আত্মনিয়োগ কৰা।

গান্ধীজীয়ে সত্যাগ্ৰহক প্ৰথমতে প্ৰয়োগ কৰা স্থানীয় বিবাদ তিনিটা আছিল - (ক) ১৯১৭-১৮ চনত উত্তৰ বিহাৰৰ চম্পাৰণত তেওঁ ভূ-স্বামীসকলৰ বিপক্ষে সাধাৰণ কৃষকসকলক নেতৃত্ব প্ৰদান কৰিছিল।

(খ) গুজৰাটৰ খেৰাত কৃষকসকলৰ খেতি নষ্ট হোৱাৰ পিছতো চৰকাৰে আৰোপ কৰা অত্যাধিক ৰাজহৰ বিপক্ষে মাত মাতিছিল।

(গ) গান্ধীজীয়ে আহমেদাবাদত বঞ্চিত মিল শ্ৰমিকসকলৰ হৈ মিল মালিকসকলৰ বিপক্ষে থিয় দিছিল।

10. (a) How did the Non Co-operation Movement spread in Assam? 5

অসমত অসহযোগ আন্দোলনে কেনেকৈ প্ৰসাৰ লাভ কৰিছিল?

Ans : ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত অসহযোগ আন্দোলন ১৯২০ চনৰ পৰা ১৯২২ চনলৈ চলিছিল। মহাত্মা গান্ধীৰ সবল নেতৃত্বত দেশবাসীয়ে ভাৰতবৰ্ষক বৃটিছ শাসনৰ পৰা মুক্ত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল। মহাত্মাগান্ধীৰ আহ্বানত সমগ্ৰ দেশৰ লগতে অসমেও অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন কৰি এই আন্দোলনত জপিয়াই পৰিছিল।

১৯২১ চনত মহাত্মা গান্ধীৰ অসম আগমনে এই আন্দোলন অধিক জনপ্ৰিয় কৰি তুলিছিল। গান্ধীজীয়ে ভাষণ প্ৰদান কৰা আৰু অংশ গ্ৰহণ কৰা সভাত বৃহৎ সংখ্যক জনসাধাৰণে অংশগ্ৰহণ কৰিছিল। গান্ধীৰ আহ্বানক্ৰমে অসমৰ জনসাধাৰণে বিদেশী বস্তুসমূহৰ মেজি সাজি জুই লগাই দি ইয়াক বিসৰ্জন দিছিল। চন্দ্ৰনাথ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, মহিবুদ্দিন আহমেদ আদিৰ নেতৃত্বত অসমৰ যুৱক সকলেও চৰকাৰী শিক্ষানুষ্ঠানসমূহ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিছিল। সেইসকলৰ অগ্ৰগণ্য কেইজন হ'ল - লক্ষীধৰ শৰ্মা, ৰোহিনীকান্ত হাতীবৰুৱা, বিমলাকান্ত বৰুৱা, কনক চন্দ্ৰ বৰুৱা, বেনুধৰ শৰ্মা, তিলক শৰ্মা আদি। ছাত্ৰসকলক অনুসৰণ কৰি নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, তৰুণৰাম ফুকন, কামিনী কুমাৰ চন্দ বিষ্ণুৰাম মেধি আদি উকীলসকলেও ওকালতি বাদ দি আন্দোলনত

Created by Universal Document Converter

অংশ লৈছিল। বহুতো চৰকাৰী বিষয়া আৰু শিক্ষকেও তেওঁলোকৰ দায়িত্ব এৰি দিছিল। আন্দোলনৰ বৰ্দ্ধিত প্ৰভাৱৰ ফলতেই গুৱাহাটী, নলবাৰী, যোৱহাট, তেজপুৰ, শিৱসাগৰ, নগাওঁ, কৰিমগঞ্জ মৌলবী বজাৰ আদি ঠাইত জাতীয় শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল। ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত গুৱহাটীত প্ৰথম জাতীয় শিক্ষানুষ্ঠান বাল গংগাধৰ তিলকৰ স্মৃতিত "তিলক সোঁৱৰণী স্কুল" প্ৰতিষ্ঠা কৰা হৈছিল। এই আন্দোলনৰ নেতৃবৃন্দই গঠণমূলক কাৰ্যপন্থাও গ্ৰহণ কৰিছিল।

অসমত এই আন্দোলনৰ উল্লেখযোগ্য প্ৰভাৱ পৰিছিল। কানিৰ প্ৰচলন বন্ধ হৈছিল। কংগ্ৰেছ কৰ্মীসকলে কাণিৰ প্ৰচলন বন্ধ কৰিবৰ বাবে গ্ৰহণ কৰা কাৰ্যপন্থাৰ ফলত কানি বিক্ৰিৰ পৰা উপাৰ্জিত ৰাজহৰ পৰিমান ১৯ লাখ টকা পৰ্যন্ত কমি গৈছিল। এই আন্দোলনৰ আন এটা গঠনমূলক কাম আছিল - খাদী প্ৰচলন জনপ্ৰিয় কৰি তোলাৰ লগতে ইয়াৰ উৎপাদন বৃদ্ধি কৰা। বাগিচাৰ বনুৱাসকলেও অসহযোগ আন্দোলনলৈ পূৰ্ণ সমৰ্থন দিছিল। বৃহৎ সংখ্যক চাহ বাগিচাৰ বনুৱাই এই আন্দোলনৰ দ্বাৰা তেওঁলোকৰ ওপৰত চলা ঔপনিৱেশেক শোষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। মজুৰি বৃদ্ধিৰ দাবী জনোৱাৰ লগতে 'গান্ধী মহাৰাজৰ জয়' ধ্বনি দি তেওঁলোক বাগিচাৰ পৰা ওলাই আহিছিল। মালিক সকলে জিলা প্ৰশাসনৰ সহযোগত বল প্ৰয়োগ কৰি বনুৱাসকলক বাগিচালৈ ওভতাই নিবলৈ চেষ্টা কৰোতে বহুতো বনুৱাৰ মৃত্যু হৈছিল।

এইদৰেই অসম জাতীয় কংগ্ৰেছ কমিটিৰ নেতৃত্বত অসমে গান্ধীজীৰ আহ্বানক্ৰমে অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰিছিল।

Or / অথবা

(b) Explain briefly the role of Assam in Swadeshi Movement.
স্বদেশী আন্দোলনত অসমৰ ভূমিকা সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা।

Ans : বংগদেশত বঙালী জাতীয়তাবাদক ধ্বংস কৰি হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ বৃটিছ চৰকাৰে ১৯০৫ চনৰ ১৬ অক্টোবৰ তাৰিখে বংগভংগ কাৰ্যকৰী কৰিছিল। ফলত বংগ-বিভাজনৰ বিৰুদ্ধে সমগ্ৰ বংগদেশত বিশাল জাতীয় আন্দোলনৰ সূচনা হৈছিল। এই আন্দোলন সময়ত স্বদেশী আন্দোলন নামে জনাজাত হয়। স্বদেশী আন্দোলনৰ কেন্দ্ৰভূমি অবিভক্ত বংগদেশ আছিল যদিও ই বংগদেশৰ ভৌগোলিক সীমা অতিক্ৰম কৰি সৰ্বভাৰতীয় ৰূপ পৰিগ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে স্বদেশী আন্দোলনৰ প্ৰতিক্ৰিয়া অসমলৈও বিস্তাৰিত হৈছিল। অসমত পদ্মনাথ গোহাঞিবৰুৱা অম্বিকাগিৰী ৰায়চৌধুৰী, ত্ৰিগুনা বৰুৱা, ৰক্তিম বৰা আদিয়ে অসমবাসীৰ মাজত বংগভংগৰ বিৰুদ্ধে প্ৰচাৰ চলাইছিল। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবুৰী, গৌৰীপুৰ, গোৱালপাৰা, গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড় আদি নগৰ অঞ্চলত এই আন্দোলনৰ প্ৰভাৱ পৰিছিল। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু গোবিন্দ লাহিড়ীয়ে গুৱাহাটী ছাত্ৰসকলৰ মাজত বিদ্ৰোহী সংগঠন গঢ়ি তুলিছিল। তেওঁলোকে অসমৰ জিলাসমূহত স্বদেশীবস্তু ব্যৱহাৰৰ বাবে প্ৰচাৰ চলাইছিল। পৰিণতি স্বৰূপে অসমৰ মানুহে নিমখৰ পৰিৱৰ্তে খাৰ, বিদেশী চেনিৰ সলনি বেনাৰসৰ চেনি, বিদেশী বস্ত্ৰৰ বিপৰীতে থলুৱা এড়ী, মুগা, কপাহী আৰু খাদ্যবস্তু ব্যৱহাৰ কৰিছিল। গুৱাহাটীৰ এদল ছাত্ৰই সপ্তাহত দুদিন জাহাজঘাটত কুলীৰ কাম কৰি উপাৰ্জন কৰা ধন স্বদেশী আন্দোলনৰ পুঁজিলৈ দান দিছিল। অম্বিকাগিৰীয়ে "বন্দিনী ভাৰত" নামৰ এখন বিদ্ৰোহাত্মক নাটক ৰচনা কৰি মঞ্চস্থ কৰিছিল। পুলিছে নাটকখনৰ পাণ্ডুলিপি বাজেয়াপ্ত কৰিছিল। ক্ষুদিৰাম বসু, বাৰীন্দ্ৰ ঘোষ, উল্লাসকৰ দত্তৰ লগত যোগাযোগ কৰি অম্বিকাগিৰীয়ে "সেৱা সংঘ" নামৰ এটা বিপ্লৱী সংগঠন গঢ়ি তুলিছিল। বৃটিছ চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাবাসীক স্বদেশী আন্দোলনৰ প্ৰভাৱৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিল।

Created by Universal Document Converter

সুৰমা ভেলী এছ'চিয়েছনৰ নেতৃত্বত সুৰমা উপত্যকাত স্বদেশী আন্দোলনে যথেষ্ট জনপ্রিয়তা লাভ কৰিছিল। ইয়াৰ ফলস্বৰূপে শ্রীহট্ট, হৰিগঞ্জ, শ্রীমংগল, লখাই , বনিয়াচংগ, কৰিমগঞ্জ, শিলচৰ আদি ঠাইত বহুতো জাতীয় বিদ্যালয় স্থাপন কৰা হৈছিল।

11. Write briefly on the heritage of paintings in Assam. 5

অসমৰ চিত্রকলাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখা।

Ans : অসমত সপ্তদশ শতিকাৰ পৰা উত্তৰ ভাৰতৰ ক্ষুদ্রাকৃতিৰ পুথি চিত্রসমূহৰ আৰ্হিত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আৰু সত্রীয়া সৃষ্টিৰে চিত্রকলাৰ পৰম্পৰা আৰম্ভ হয়। সেইসময়ৰ কেইখনমান সচিত্র সাঁচিপতীয়া পুথি হৈছে - আনন্দলহৰী, হস্তীবিদ্যার্ণৱ, চিত্র ভাগৱত, গীত গোৱিন্দ, কুমাৰ হৰণ, শংখচূড় বধ, লৱ-কুশৰ যুদ্ধ আদি।

পুথিসমূহৰ চিত্র অংকণ কৰিবলৈ স্থানীয় ভাৱে আহৰণ কৰা প্রাকৃতিক ৰং ব্যৱহাৰ কৰা হৈছিল। প্রথমতে চিত্রৰ পটভূমিত একোটা নির্দিষ্ট ৰং বোলাই লৈ, তাৰ ওপৰত চিত্রসমূহ অঁকা হৈছিল। চিত্রসমূহত বিশেষকৈ ৰজা, ৰাজদৰবাৰ, দেৱী মূর্ত্তি, যুদ্ধৰ চিত্র, হাতী, জীৱ-জন্তু আদি সংশ্লিষ্ট পুথিৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি অঁকা হৈছিল। খালী ঠাইবোৰত ফুল, লতা আদি আঁকি দিয়া হৈছিল।

চিত্রসমূহত প্রধানকৈ ৰঙা, সেউজীয়া, হালধীয়া আৰু ক'লা ৰঙৰ পয়োভৰ দেখা যায়। অৱশ্যে চিত্রসমূহত চিত্র অংকণৰ সূক্ষ্ম কৌশল প্রয়োগ কৰাৰ দক্ষতা দেখা নাযায় যদিও চিত্রবোৰ দৃষ্টি নন্দন আছিল বুলি ক'ব পৰা যায়।

Or / অথবা

Discuss the causes of failure of the Revolt of 1857 in Assam

অসমত ১৮৫৭ চনৰ বিদ্রোহৰ বিফলতাৰ কাৰণ সমূহ আলোচনা কৰা।

Ans : ১৮৫৭-৫৮ চনৰ বিদ্রোহ বিফল হোৱা কাৰণসমূহ হ'ল -

(১) অসমৰ বিদ্রোহীসকলৰ সংখ্যা অতি তাকৰীয়া আছিল। মণিৰাম দেৱানৰ সমর্থকসকল যোৰহাট আৰু শিৱসাগৰতে সীমাবদ্ধ আছিল। নগাঁও, কামৰূপ আৰু গুৱাহাটীত বিশেষ সমর্থন লাভ কৰা নাছিল।

(২) বিদ্রোহৰ নেতাসকলৰ সময় জ্ঞান নাছিল কিয়নো তেওঁলোকে প্রস্তুতি সম্পূর্ণ কৰিও সময়ত কার্যকৰী কৰা নাছিল। যাৰ ফলত ইংৰাজ চৰকাৰে প্রতিৰক্ষাৰ প্রস্তুতিৰ বাবে যথেষ্ট সময় লাভ কৰিছিল।

(৩) বিদ্রোহৰ মুখ্য সংগঠক মণিৰাম দেৱান বিদ্রোহস্থলীৰ পৰা বহুযোজন দূৰৈত অৱস্থান কৰিছিল। সেইসময়ৰ পৰিপ্রেক্ষিতত কলিকতা অসমৰ পৰা বহু দূৰৈত আছিল আৰু তাৰ পৰা চিঠি-পত্রৰ যোগেদি বা আদেশ পঠিয়াই বিদ্রোহ পৰিচালিত কৰাটো বাস্তৱসন্মত নাছিল। মণিৰাম দেৱান সিমান সোনকালে পাৰে কলিকতাৰ পৰা উভতি আহিব লাগিছিল। প্রশাসনিক অভিজ্ঞতা থাকিলেও বিদ্রোহৰ নেতৃত্বৰ বাবে প্রয়োজনীয় দক্ষতা দেৱানৰ নাছিল।

(৪) সমাজৰ প্রতিটো শ্রেণীৰ মানুহকে বিদ্রোহত জড়িত কৰিবলৈ মণিৰাম দেৱান তথা তেখেতৰ সহযোগীসকলে কোনো প্রচেষ্টা হাতত লোৱা নাছিল। নগাঁও আৰু গুৱাহাটীত অসমৰ নতুন মধ্যবিত্ত শ্রেণীৰ লোকসকল বিদ্রোহৰ প্রতি অলপো সহানুভূতিশীল নাছিল। ফলত অসমত বিদ্রোহৰ বুৰবুৰণিহে হৈছিল, বিস্ফোৰণ ঘটিবলৈ পোৱা নাছিল।

(৫) অসমৰ বিদ্রোহীসকলে তেওঁলোকৰ কার্যপন্থাৰ গোপনীয়তা ৰক্ষা কৰাত ব্যর্থ হৈছিল। ফলস্বৰূপে সমগ্র পৰিকল্পনা বৃটিছ চৰকাৰৰ অৱগত হৈছিল আৰু বিদ্রোহ নির্মূল কৰাত চৰকাৰ সফল হৈছিল।

(৬) অসমৰ বিদ্রোহীসকলে প্রয়োজন অনুযায়ী অস্ত্র-শস্ত্রৰ যোগান পোৱা নাছিল। মণিৰাম দেৱানে যদিও অস্ত্রৰ যোগান দিয়াৰ কথা আছিল, কিন্তু তাৰ আগতেই তেওঁ ধৰা পৰিছিল।

Created by Universal Document Converter

(৭) ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো বৃটিছ সৈন্য বাহিনীত থকা ভাৰতীয় সৈন্যই মূল চালিকাশক্তি হিচাপে বিদ্রোহত অংশ লোৱা নাছিল। অসমৰ বিদ্রোহীসকলে মিৰাট, দিল্লী, লক্ষ্ণৌ আদিৰ দৰে চিপাহীসকলৰ সমৰ্থন আদায় কৰিব পৰা নাছিল।

Part - II / দ্বিতীয় খণ্ড

12. What is meant by resource ? Mention any one of its main characteristics. 1+1=2

সম্পদ বুলিলে কি বুজা ? ইয়াৰ প্ৰধান বৈশিষ্ট্য সমূহৰ যিকোনো এটা উল্লেখ কৰা।

Ans : মানুহৰ জীৱন-ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুকে সম্পদ বোলা হয়।

সম্পদৰ এটা বৈশিষ্ট্য হ'ল - উপকাৰিতা।

13. Mention the causes responsible for growth of population in Assam. 2

অসমত জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰ উল্লেখ কৰা।

Ans : অসমৰ জনসংখ্যা বৃদ্ধিৰ দুটা প্ৰধান কাৰণ হ'ল -

(ক) জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধি ঃ জনসংখ্যাৰ প্ৰাকৃতিক বৃদ্ধি জন্ম আৰু মৃত্যু হাৰৰ ওপৰত নিৰ্ভৰশীল।

(খ) বাহিৰৰ পৰা ৰাজ্যখনলৈ হোৱা অধিক মাত্ৰাৰ জনপ্ৰৱজন।

14. Write in brief the main causes of descretification. 2

মৰুকৰণৰ প্ৰধান কাৰণসমূহ চমুকৈ লিখা।

Ans : মৰুকৰণ এনে এটা প্ৰক্ৰিয়া যিয়ে ভূমিৰ জৈৱিকৰ সম্ভাৱনা বা ক্ষমতা বিনষ্ট কৰি অৱশেষত মৰুসদৃশ অৱস্থাৰ সৃষ্টি কৰে। মৰুকৰণৰ প্ৰধান কাৰণসমূহ দুটা ভাগত ভাগ কৰা হৈছে। ইয়াৰে এটা প্ৰাকৃতিক কাৰক আনটো মানৱসৃষ্ট কাৰক।

প্ৰাকৃতিক কাৰকৰ ভিতৰত খৰাং বতৰ গোলকীয় উত্তাপ বৃদ্ধিয়েই প্ৰধান। বৃষ্টিপাতৰ অভাৱত মৰুভূমিত খৰাং অৱস্থাৰ সৃষ্টি হয়। গোলকীয় উত্তাপ বৃদ্ধিয়ে মৰুকৰণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰে। বৰ্তমান আগৰ অধঃমৰু অঞ্চলসমূহ মৰুভূমিলৈ পৰিৱৰ্তন হোৱা দেখা গৈছে।

মানৱসৃষ্ট কাৰকৰ ভিতৰত অত্যাধিক পশুচাৰণ, কৃষিৰ প্ৰসাৰ আৰু বননি ধ্বংসই প্ৰধান। বৰ্তমান সময়ত দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে মৰু আৰু মৰুপ্ৰায় অঞ্চলবোৰত মানুহৰ হেঁচা বঢ়াইছে আৰু মৰুভূমিৰ প্ৰসাৰ ঘটাত এই হেঁচাই যথেষ্ট সহায় কৰিছে।

15. Mention four mineral resources of Assam. 2

অসমৰ চাৰিবিধ খনিজ সম্পদৰ নাম উল্লেখ কৰা।

Ans : অসমৰ চাৰিবিধ খনিজ সম্পদ হ'ল - কয়লা, খাৰুৱা তেল, চুণশীল আৰু প্ৰাকৃতিক গেছ।

16. Write three consequences of global warming. 3

গোলকীয় উত্তাপ বৃদ্ধিৰ তিনিটা ফলাফল লিখা।

Ans : গোলকীয় উত্তাপ বৃদ্ধিৰ তিনিটা ফলাফল তলত উল্লেখ কৰা হ'ল -

(ক) গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত মেৰু অঞ্চলৰ বিশাল বৰফ স্তুপবোৰ গলিবলৈ ধৰিছে। অনুমান কৰা হৈছে যে বায়ুমণ্ডলৰ উত্তাপ ২-৩ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পালে উত্তৰ আৰু দক্ষিণ মেৰুত জমা হৈ থকা বৰফবোৰ গলিব আৰু ইয়াৰ ফলত সাগৰ মহাসাগৰত পানীৰ পৰিমান বৃদ্ধি পাব। সমুদ্রপৃষ্ঠ ক্ৰমে ওপৰলৈ উঠি আহিব।

(খ) গোলকীয় উত্তাপ বৃদ্ধিৰ পোনপটীয়া ফলাফল হ'ব কৃষিৰ ব্যাপক পৰিবৰ্তন, বহু ঠাইত শস্যৰ উৎপাদন হ্ৰাস আৰু দুৰ্ভিক্ষ। উত্তাপ বৃদ্ধিয়ে শুকান পৰিৱেশৰ সৃষ্টি কৰি শস্যৰ উৎপাদন বেয়াকৈ হ্ৰাস কৰিছে।

Created by Universal Document Converter

(গ) বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধিয়ে উদ্ভিদজগতৰ ওপৰত প্রত্যক্ষ প্রভাৱ পেলাইছে। ভূপৃষ্ঠত উদ্ভিদৰ যি বিতৰণ তাৰ লক্ষণীয় পৰিৱর্তন ঘটিছে। বিশেষকৈ মৰুভূমিৰ কাষৰীয়া এলেকাবোৰত উদ্ভিদৰ পৰিমান হ্রাস পাইছে।

17. Write a short note on Earth's Lithosphere. 3

পৃথিৱীৰ স্থলমণ্ডলৰ ওপৰত এটা চমুটোকা লিখা।

Ans : মানুহৰ একমাত্র বাসভূমি পৃথিৱী বিশাল। এই বিশাল পৃথিৱীখন ঘাইকৈ তিনিটা মণ্ডলত বিভক্ত হৈ আছে - স্থলমণ্ডল, জলমণ্ডল আৰু বায়ুমণ্ডল। প্রশ্নৰ লগত সংগতি ৰাখি তলত পৃথিৱীৰ জলমণ্ডল আৰু স্থলমণ্ডলৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

ভূ-পৃষ্ঠৰ সাগৰ-মহাসাগৰকে ধৰি নদ-নদী, হ্রদ আদিৰ পানীৰে আগুৰি থকা বৃহৎ অংশকে জলমণ্ডল বোলা হয়। ভূপৃষ্ঠৰ প্রায় 71 শতাংশ, অর্থাৎ 361 নিযুত বর্গ কিলোমিটাৰ জলভাগে আৱৰি আছে। আনহাতে, সাগৰপৃষ্ঠৰ কিছু ওপৰত মাটিৰে আগুৰি থকা ভূ-পৃষ্ঠৰ আন এটা বৃহৎ অংশক স্থলমণ্ডল বোলে। ভূ-পৃষ্ঠৰ কেৱল প্রায় 29 শতাংশ, অর্থাৎ 149 নিযুত বর্গ কিলোমিটাৰ স্থলভাগে আৱৰি আছে। উল্লেখযোগ্য যে পৃথিৱীৰ এই বৃহৎ জলমণ্ডল আৰু স্থলমণ্ডল দুটা সুকীয়াভাৱে একেলগে থুপ মাৰি থকা নাই। অর্থাৎ জলমণ্ডল আৰু স্থলমণ্ডল দুয়োটা অংশই ইটোৱে সিটোক বিভাজিত কৰি মাজে মাজে সোমাই আছে।

পৃথিৱীৰ স্থলমণ্ডলটো পানীৰে চাৰিওফালে আগুৰি আছে আৰু চাৰিটা বৃহৎ অংশত বিভাজিত হৈ আছে। স্থলমণ্ডলৰ প্রথম অংশটো এছিয়া, ইউৰোপ আৰু আফ্রিকা মহাদেশৰে গঠিত; দ্বিতীয় অংশটো উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা মহাদেশৰে গঠিত; তৃতীয় অংশটো অষ্ট্রেলিয়া আৰু বহু দ্বীপ লগ লাগি সৃষ্টি হোৱা ওছেনিয়া মহাদেশৰে গঠিত আৰু চতুর্থ অংশটো এন্টার্কটিকা মহাদেশৰে গঠিত।

18. What is meant by conservation of resources ? Write in brief about any three method of resource conservation. 1+3=4

সম্পদ সংৰক্ষণ বুলিলে কি বুজা ? সম্পদ সংৰক্ষণৰ যিকোনো তিনিটা পদ্ধতিৰ বিষয়ে চমুকৈ লিখা।

Ans : কোনো ধৰণৰ বিনাশ আৰু অপব্যৱহাৰ নোহোৱাকৈ সম্পদৰ সম্ভাব্যপূর্ণ ব্যৱহাৰ কৰা কার্য্য বা ধাৰণাকে সম্পদ সংৰক্ষণ বোলা হয়।

সম্পদ সংৰক্ষণৰ তিনিটা পদ্ধতি হ'ল - (ক) পূনৰাবর্তন ঃ সীমিত পৰিমাণত থকা কেঁচা সামগ্রীৰ পৰিমাণ হ্রাস কৰিবলৈ ব্যৱহাৰৰ উপযোগী বর্জিত দ্রব্য পুনৰাবর্তন প্রক্রিয়াৰ যোগেদি পুনৰ ব্যৱহাৰ কৰিব পাৰি। উদাহৰণস্বৰূপে পুৰণি পলিথিন বেগ, কাগজ, লোহাৰ সামগ্রী আদি পুনৰাবর্তনৰ জৰিয়তে সংশ্লীষ্ট সম্পদৰ কেঁচা সামগ্রী কিছু পৰিমানে হ'লেও সংৰক্ষণ কৰিব পাৰি।

(খ) অভিযোজন বা নৱপ্রচলন ঃ অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে প্রকৃতিৰ পৰা আহৰণ কৰা সম্পদ ব্যৱহাৰৰ উপযোগী অৱস্থালৈ ৰূপান্তৰিত কৰিবলৈ অভিযোজন বা নৱপ্রচলন প্রক্রিয়াৰ প্রয়োগ কৰা হয়।

(গ) বর্জিত দ্রব্যৰ পৰিমাণ হ্রাস ঃ কেঁচা সামগ্রীৰ পৰা প্রয়োজনীয় সম্পদলৈ ৰূপান্তৰ কৰোতে বর্জিত দ্রব্যৰ উৎপাদন সীমিত কৰি ৰখাৰ ব্যৱস্থা কৰিলে যথেষ্ট পৰিমাণৰ সম্পদ সংৰক্ষণ হ'ব পাৰে।

19. Describe briefly the Continental Drift Theory. 5

মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সূত্রটো চমুকৈ বর্ণনা কৰা।

Ans : পৃথিৱীৰ মহাদেশ আৰু মহাসাগৰৰ গঠন বা সৃষ্টিৰ সন্দর্ভত বিভিন্ন সূত্র উদ্ভাৱন হৈছে যদিও সর্বসন্মত সূত্রটো হৈছে মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সুত্র।

মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সূত্র অনুসৰি আদিতে পুৰাজীৱিয় কল্পৰ পানমিয়ান যুগত, অর্থাৎ আজিৰ পৰা

Created by Universal Document Converter

প্ৰায় 300 নিয়ত বছৰ পূৰ্বে পৃথিৱীখনৰ স্থলমণ্ডল একত্ৰিত হৈ আছিল আৰু ইয়াৰ চাৰিওফালে জলমণ্ডলে আগুৰি আছিল। পৃথিৱীৰ এই অৱস্থাত থকা স্থলমণ্ডলটোক পেঞ্জিয়া আৰু পেঞ্জিয়াৰ চাৰিওফালে আগুৰি থকা জলমণ্ডলটোক পান্থালাছা বোলা হয়। কিছুকাল অতিক্ৰম কৰাৰ পিছত পেঞ্জিয়াৰ প্ৰায় সোমাজেৰে পূৰ্ব-পশ্চিমাকৈ ফাট মেলি এটা সংকীৰ্ণ আৰু দীঘল সাগৰৰ সৃষ্টি হৈছিল। ইয়াক টেথিছ সাগৰ বোলা হয়। এই টেথিছ সাগৰৰ সৃষ্টিয়ে পেঞ্জিয়াটোক উত্তৰা-দক্ষিণাকৈ দুটা ভাগত বিভক্ত কৰিছিল। ইয়াৰ উত্তৰ অংশটোক আঙ্গাৰালেণ্ড অথবা লৰেছিয়া আৰু দক্ষিণ অংশটোক গণ্ডোৱানালেণ্ড বোলা হয়। মধ্যজীৱিয় কল্পৰ সময়ত ভূত্বকৰ ফাটন ক্ৰিয়া আৰু মহাদেশীয় সঞ্চাৰণৰ ফলত লৰেছিয়া আৰু গণ্ডোৱানালেণ্ড পুনৰ বিভাজিত হৈ বিষুৱ আৰু পশ্চিম দিশত গতি কৰি বৰ্তমান অৱস্থাত থকা মহাদেশসমূহৰ সৃষ্টি হৈছিল।

মহাদেশীয় সঞ্চাৰণ সূত্ৰ অনুসৰি লৰেছিয়া বিভাজিত হৈ উত্তৰ আমেৰিকা, গ্ৰীণলেণ্ড আৰু ভাৰত উপমহাদেশৰ উত্তৰে থকা ইউৰোপ আৰু এছিয়া মহাদেশৰ সৃষ্টি হৈছিল। আনহাতে, গণ্ডোৱানালেণ্ড বিভাজিত হৈ দক্ষিণ আমেৰিকা, আফ্ৰিকা, মাদাগাস্কাৰ; ভাৰতবৰ্ষ, আৰব অঞ্চল, মালয়েছিয়া আৰু অন্যান্য দ্বীপসমূহ, অষ্ট্ৰেলিয়া, এণ্টাৰ্কটিকা আদিৰ সৃষ্টি হৈছিল।


20. Draw a sketch map of Assam and locate the followings : 2+3=5

অসমৰ এখন নক্সা মানচিত্ৰ অংকণ কৰি তলত দিয়াবোৰ বহুওৱা ঃ

(a) A coalfield (এখন কয়লাক্ষেত্ৰ)

(b) Bio-Technology Park (জৈৱ-প্ৰযুক্তি পাৰ্ক)

(c) An Oil Refinery (এটা তেল শোধনাগাৰ)



Or / অথবা

(অন্ধ পৰীক্ষাৰ্থীৰ বাবে)

Discuss the role of agriculture to the economy of Assam. 5

অসমৰ অৰ্থনীতিত কৃষিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

21. Explain the causes responsible for degradation of natural resources of Assam. 5

অসমৰ প্ৰাকৃতিক সম্পদৰ অবক্ষয়ৰ কাৰণবোৰ বৰ্ণনা কৰা।

Ans : প্ৰাকৃতিক সম্পদত চহকী অসম ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰাজি বৰ্তমান সুৰক্ষিত অৱস্থাত নাই। দিনে দিনে প্ৰাকৃতিক সম্পদবোৰ ক্ষয় হ'বলৈ ধৰিছে। বৰ্তমান প্ৰাকৃতিক কাৰকতকৈ মানৱজনিত কাৰকবোৰ বেছি প্ৰভাৱশালী ৰূপত সক্ৰিয় হৈ পৰিছে।

সম্প্ৰতি অসমৰ জনসংখ্যা দ্ৰুতগতিৰে বৃদ্ধি পোৱাৰ ফলস্বৰূপে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত জনসংখ্যাৰ হেঁচা বাঢ়ি গৈছে। ফলশ্ৰুতিত জনবসতিৰ প্ৰসাৰ ঘটিছে। সমান্তৰালভাৱে খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰিবলগীয়া হৈছে। এইসকল লোকে কোনো ঠাইত হাবি-জংঘল পৰিষ্কাৰ কৰি, আকৌ কোনো ঠাইত জলাশয় আদি পুতি মানুহে বসতি কৰিবলৈ লৈছে। আনকি সাৱঁৰা পলসুৱা কৃষিভূমি বসতিৰ বাবে ব্যৱহাৰ কৰা হৈছে। এইদৰে জনবসতি সম্প্ৰসাৰণৰ ফলত বনাঞ্চল, জলাশয়, আৰ্দ্ৰভূমি, কৃষিভূমি আদি মূল্যবান সম্পদবোৰ ক্ৰমে হ্ৰাস পাই আহিছে। জনসংখ্যাৰ হেঁচাত ভূমিৰ ব্যৱহাৰৰ পৰিৱৰ্তন হৈছে আৰু অনুচিতভাৱে ভূমি ব্যৱহাৰ কৰা হৈছে. ইয়াৰ ফলত ভূমি ক্ষয়, ভূমিৰ উৰ্বৰতা হ্ৰাস, মৃত্তিকা প্ৰদূষণ আদি সমস্যাৰ সৃষ্টি হৈছে. আনহাতে, বৰ্ধিত জনসংখ্যাৰ বাবে অধিক খাদ্য শস্য উৎপাদনত গুৰুত্ব দিবলগীয়া হোৱাত কৃষিভূমিৰ প্ৰয়োজন হৈছে। কিন্তু জনবসতিৰ বাবেও কৃষিভূমি ব্যৱহাৰ হোৱাত বাবেও কৃষিভূমি হ্ৰাস হ'ব ধৰিছে। সেয়েহে মানুহে অৰণ্যভূমি আৰু আৰ্দ্ৰভূমি কৃষিভূমিলৈ পৰিৱৰ্তন কৰি কৃষিকাৰ্যৰ সম্প্ৰসাৰণ ঘটাইছে। আকৌ অধিক শস্য উৎপাদনৰ উদ্দেশ্যে কৃষিভূমিত অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ ফলতো

Created by Universal Document Converter

কৃষিভূমিৰ প্ৰাকৃতিক গুণাগুণ নষ্ট হৈ পৰিছে।

ভূমি সম্পদৰ দৰে অসমৰ বন সম্পদো মানুহৰ কাৰ্যকলাপৰ দ্বাৰা আক্ৰান্ত হৈছে। বৰ্তমান চলি থকা বন ধ্বংস কাৰ্য যদি এতিয়াই ৰোধ কৰিব পৰা নাযায়, তেন্তে অচিৰেই অসমৰ বনসম্পদ নিঃশেষ হৈ যাব। ৰাজ্যখনত পাৰিবেশিক ভাৰসাম্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় বনাঞ্চলৰ অভাৱ ঘটি গুৰুতৰ পাৰিবেশিক সমস্যাৰ সৃষ্টি হ'ব। সেইদৰে ৰাজ্যখনৰ বিশেষকৈ পৰিবহণ, উদ্যোগ আৰু শক্তি খণ্ডৰ উন্নয়নৰ অৰ্থে খনিজ সম্পদবোৰৰ ব্যৱহাৰ ক্ৰমশঃ বৃদ্ধি পাইছে আৰু নিশ্চিতভাৱে এদিন এই অনবীকৰণীয় সম্পদৰাজিৰ ভাণ্ডাৰ উদং হৈ পৰিব।

বৰ্তমান সময়ত মানুহৰ অৰ্থনৈতিক কাম-কাজৰ পৰিসৰ বৃদ্ধি পাইছে। অসমত নগৰীকৰণ আৰু ঔদ্যোগীকৰণ প্ৰক্ৰিয়া ক্ৰমশঃ অগ্ৰসৰ হৈছে আৰু ফলত প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত ইয়াৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ পৰিছে। উপযুক্ত পৰিকল্পনা অবিহনে নগৰীকৰণ আৰু ঔদ্যোগীকৰণ প্ৰক্ৰিয়া অব্যাহত থাকিলে ৰাজ্যখনৰ বায়ু, ভূমি আৰু জলসম্পদ প্ৰদূষিত হ'ব। যি কি নহওক, এই কথা ঠিক যে প্ৰাকৃতিক সম্পদৰ উচিত আৰু বিবেচনাপূৰ্ণ ব্যৱহাৰ হ'ব লাগে আৰু ইয়াৰ বাবে সম্পদ পৰিকল্পনাৰ (Resource Planning) অতি আৱশ্যক। উপযুক্ত পৰিকল্পনাৰ দ্বাৰা সম্পদ সংৰক্ষণ কৰি সম্পদৰ অপচয় ৰোধ কৰিব লাগিব আৰু তেতিয়াহে অসমৰ সামগ্ৰিক উন্নতি আশা কৰিব পাৰি।

Or / অথবা

Discuss briefly the causes responsible for variation in the distribution of population in Assam.

অসমৰ জনসংখ্যা বিতৰণৰ তাৰতম্যৰ কাৰণবোৰ চমুকৈ আলোচনা কৰা।

Ans : অসমৰ সকলো অঞ্চলতে জনসংখ্যাৰ বিতৰণ (disiribution) একে ধৰণৰ নহয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ভূ-প্ৰকৃতি, জলবায়ু, ভূমি উৰ্বৰতা, পানীৰ উপলব্ধতা, খনিজ পদাৰ্থ প্ৰাচুৰ্য, উদ্যোগ, পৰিবহন আদি ব্যৱস্থাবোৰ একে নোহোৱা বাবে আমি ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ ভিন্ন জনবসতিৰ বিতৰণ দেখিবলৈ পাওঁ। আৰ্থিক কাম-কাজৰ সুচলতা অনুসৰি অসমৰ ভিন্ ভিন্ পৰিৱেশৰ অঞ্চলবোৰত জনসংখ্যাৰ বিতৰণৰ প্ৰতিৰূপৰ পাৰ্থক্য সৃষ্টি হোৱা দেখা যায়। অসমৰ বিভিন্ন অঞ্চলৰ ভিন্ন প্ৰাকৃতিক পৰিৱেশ অনুসৰি ৰাজ্যখনৰ জনসংখ্যা সকলো অঞ্চলতে সমান নহয়। সেয়ে অঞ্চলভেদে জনসংখ্যা ঘনত্বও একে নহয়। ৰাজ্যখনৰ ভিন্ ভিন্ এলেকাত যথাক্ৰমে মালভূমি, ভংগিল পৰ্বত আৰু নদী গঠিত সমভূমি অঞ্চলৰ ভিন্নধৰ্মী ভূপ্ৰাকৃতিক অবয়ব পোৱা যায়। এনে ভিন্ন ভূ-প্ৰাকৃতিক অঞ্চলত আৰ্থিক কাম-কাজো ভিন্ন হয়। অসমৰ মুঠ ভৌগোলিক এলেকাৰ 20 শতাংশ আৱৰি ৰখা পৰ্বত অথবা মালভূমি সমূহৰ অধিকৃত এলেকাসমূহৰ অনুৰ্বৰ আৰু অতিশয় বন্ধুৰ প্ৰকৃতিৰ এলেকাত কৃষিকাৰ্য সুচল নোহোৱা হেতুকে ৰাজ্যখনৰ সমগ্ৰ পাৰ্বত্য ভূমিত জনবসতি সেৱেঙা হোৱা দেখা যায়।

সাধাৰণতে যিবিলাক অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ অনুকুল নহয়, যাতায়াত আৰু অৰ্থনৈতিক অৱস্থা উন্নত নহয়, সেইবিলাক অঞ্চলত জনবসতি সেৱেঙা আৰু জনসংখ্যা কম হয়। ইয়াৰ বিপৰীতে, অনুকূল প্ৰাকৃতিক আৰু অৰ্থনৈতিক অৱস্থা বিৰাজ কৰা অঞ্চলবোৰত জনবসতি ঘন হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমতল ভূমি, সাৱঁৰা মাটি, সুচল কৃষিকাৰ্য্য আৰু যাতায়াত ব্যৱস্থাৰ বাবে তাত জনবসতি ঘন। সেয়েহে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমৰ মুঠ জনসংখ্যাৰ 85 শতাংশ লোকে বসবাস কৰে। ইয়াত জনসংখ্যাৰ ঘনত্ব 2011 চনত প্ৰতি বৰ্গকিলোমিটাৰত 1,502 জন। সেইদৰে ৰাক উপত্যকাৰ সাৱঁৰা সমভূমি অঞ্চলটো কৃষিকৰ্ম আৰু যাতায়াতৰ বাবে সুচল হোৱাৰ কাৰণে এই অঞ্চলটো জনবসতি ঘন। 2011 চনৰ তথ্যমতে ইয়াত জনসংখ্যাৰ ঘনত্ব হৈছে প্ৰতি বৰ্গ কিলোমিটাৰত 545 জন আৰু অসমৰ মুঠ জনসংখ্যা প্ৰায় 11 শতাংশ লোকে এই ৰাক উপত্যকাত বসবাস কৰে। ৰাক আৰু ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকা সমতলৰ মাটি উৰ্বৰ আৰু মানুহৰ জীৱনযাত্ৰাৰ ভৌতিক তথা সাংস্কৃতিক পটভূমিও সাধাৰণ অৰ্থত অনুকূল। সেয়েহে সমগ্ৰ ৰাজ্যখনৰ বৃহত্তম অংশটোৱেই এই দুই নদী উপত্যকাত সিঁচৰতি হৈ আছে। ইয়াৰ বিপৰীতে, ব্ৰহ্মপুত্ৰ আৰু ৰাক উপত্যকাৰ মাজত অৱস্থিত কাৰ্বি আংলং আৰু ডিমা হাচাও পাৰ্বত্য জিলা দুখনক সামৰি লোৱা পাৰ্বত্য অঞ্চলটোৰ প্ৰতিকুল ভূপ্ৰাকৃতিক অবস্থাৰ কাৰণে

Created by Universal Document Converter

তাত জনবসতি পাতল আৰু জনসংখ্যাও কম। এই পার্বত্য অঞ্চলটোত অসমৰ মুঠ জনসংখ্যা প্রায় 3.75 শতাংশ লোকে বাস কৰে। ইয়াত জনসংখ্যাৰ ঘনত্ব অসমৰ আনকেইটা অঞ্চলৰ তুলনাত নিচেই কম। 2011 চনৰ লোকপিয়ল তথ্যমতে পার্বত্য অঞ্চলটোত জনসংখ্যা ঘনত্ব প্রতি বর্গ কিলোমিটাৰত মাত্র 68 জন।

Part - III / তৃতীয় খণ্ড

22 Mention any two disadvantages of the barter system. 2

বিনিময় প্রথাৰ যিকোনো দুটা অসুবিধা উল্লেখ কৰা।

Ans : আদিম যুগত জনসংখ্যা সীমিত আছিল বাবে বস্তুৰ সলনি বস্তু অর্থাৎ বিনিময় প্রথা কার্যকৰী হৈছিল। কিন্তু সময় বাগৰি যোৱাৰ লগে লগে বিনিময় প্রথাত কেতবোৰ অসুবিধাই দেখা দিলে। তাৰ ভিতৰত দুটা প্রধান অসুবিধা হৈছে -

(ক) সংগতিবিহীন অভাৱ ঃ মানুহৰ অভাৱবোৰ অসীম আৰু বিনিময় প্রথা সাধাৰণতে অভাৱৰ সংগতিৰ ওপৰত নির্ভৰ কৰে। বিনিময় কার্য সম্পাদন কৰিব বিচৰা ব্যক্তি দুজনৰ হাতত থকা সামগ্রীবোৰ পৰস্পৰৰ অভাৱ পুৰণ কৰিব পৰা সামগ্রী হ'ব লাগিব। যদিহে এই চর্ত পূৰণ নহ'লে বিনিময় প্রথা সম্ভৱ নহয়। ধৰা হ'ল 'ক' ই ধান উৎপাদন কৰি 'খ'ৰ পৰা 'কুঁহিয়াৰ' বিচাৰিছে আৰু 'খ'ই 'কুঁহিয়াৰ' উৎপাদন কৰি 'ক'ৰ পৰা মাছহে বিচাৰিছে। তেনে অৱস্থাত 'ক' আৰু 'খ'ৰ মাজত বিনিময় হ'ব নোৱাৰে।

(খ) হিচাপ-নিকাচৰ উমৈহতীয়া এককৰ অভাৱ ঃ বিনিময় প্রথাৰ আন এটা অসুবিধা হৈছে হিচাপ-নিকাচৰ উমৈহতীয়া এককৰ অভাৱ। বিনিময়যোগ্য সামগ্রীৰ সংখ্যা বহুত বা পৃথক হোৱাৰ বাবে প্রতিটো সামগ্রীৰ মূল্য আন সামগ্রীৰ বিনিময় বা প্রকাশ কৰাটো সম্ভৱ নহয়। যেনে - বজাৰত যিমান সামগ্রী আছে সিমান সামগ্রীৰ বিপৰীতে বিনিময় হাৰ থাকিব লাগিব। কিন্তু বজাৰলৈ যাওঁতে এগৰাকী ব্যক্তিয়ে ইমানবোৰ বিনিময় হাৰ মনত ৰখাটো সম্ভৱ নহয়।

23. Write two of differences between economic growth and economic development. 2

অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নৰ দুটা পার্থক্য লিখা।

Ans : অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়ন মাজৰ দুটা পার্থক্য হ'ল -

(ক) দেশ এখনৰ জাতীয় আৰু জনমূৰি আয় বৃদ্ধিয়ে হ'ল - অর্থনৈতিক বিকাশ।

কিন্তু , অর্থনৈতিক উন্নয়ন হ'ল এনে এটা প্রক্রিয়া য'ত জাতীয় আয় বৃদ্ধিৰ লগতে আয় বিতৰণৰ ওপৰতো সমানে গুৰুত্ব দিয়া হয়।

(খ) অর্থনৈতিক বিকাশৰ অর্থ সীমিত।

কিন্তু, অর্থনৈতিক উন্নয়নৰ অর্থ বহল।

24. Name any four permanent members of the United Nations Security Council. 2

ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদৰ যিকোনো চাৰিখন স্থায়ী সদস্য ৰাষ্ট্রৰ নাম লিখা।

Ans : ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদৰ যিকোনো চাৰিখন স্থায়ী সদস্য ৰাষ্ট্র হ'ল - (ক) আমেৰিকা, (খ) ৰাছিয়া, (গ) ফ্রান্স আৰু (ঘ) চীন।

25. Write the names of the Headquarters of the following International Organisations : 2

তলত দিয়া আন্তর্জাতিক অনুষ্ঠান কেইটাৰ মুখ্য কার্যালয়ৰ নাম লিখা।

(a) SAARC

(দক্ষিণ এছীয় আঞ্চলিক সহযোগিতা সংস্থা)

Ans : SAARC ৰ মুখ্য কার্যালয় হ'ল নেপালৰ কাঠমাণ্ডু।

Created by Universal Document Converter

(b) FIFA

(আন্তঃৰাষ্ট্ৰীয় ফুটবল ফেডাৰেচন)

Ans : FIFA ৰ মুখ্য কাৰ্যালয় হ'ল ছুইজাৰলেণ্ডৰ জুৰিক।

26. What is NITI Ayog ? When was it formed ? Who is the Chairman of NITI Aayog ? 1+1+1=3

নিটি আয়োগ কি ? ই কেতিয়া গঠিত হৈছিল ? নিটি আয়োগৰ অধ্যক্ষ কোন ?

Ans : নিটি আয়োগ হ'ল ভাৰতবৰ্ষৰ ৰূপান্তৰণৰ বাবে ৰাষ্ট্ৰীয় অনুষ্ঠান। পৰিকল্পনা আয়োগৰ ঠাইত নিটি আয়োগ গঠন কৰা হৈছে।

২০১৫ চনৰ ১ জানুৱাৰীৰ দিনা নিটি আয়োগ গঠিত হৈছিল।

নিটি আয়োগৰ অধ্যক্ষ হ'ল - ভাৰতৰবৰ্ষৰ প্ৰধানমন্ত্ৰী।

27. Write two drawbacks of money ? Is a cheque money ? 2+1=3

মুদ্ৰাৰ দুটা অসুবিধা লিখা। চেক এখন মুদ্ৰানে ?

Ans : মুদ্ৰাই বিনিময় ব্যৱস্থাটো সহজ কৰি তুলিলে। তথাপিও মুদ্ৰাই কেতবোৰ অসুবিধাৰ সৃষ্টি নকৰাকৈ থকা নাই। বহুকেইটা অসুবিধাৰ ভিতৰত অন্যতম দুটা হৈছে -

(ক) মুদ্ৰাৰ প্ৰতি থকা দুৰ্বলতাই সামাজিক মূল্যবোধৰ অৱক্ষয়ৰ কাৰণ হ'ব পাৰে। দুনীতি, অনিয়ম, অবিচাৰৰ গুৰিতেই মুদ্ৰা বুলি ক'লে অত্যুক্তি কৰা নহয়।

(খ) মুদ্ৰাৰ পৰা ক'লা মুদ্ৰাৰ সৃষ্টি হয়। ক'লা মুদ্ৰা অৰ্থনৈতিক অপৰাধৰ সৈতে জড়িত। এনেবোৰ অপৰাধৰ ফলত চৰকাৰে বহুতো ৰাজহ হেৰুৱাব লগা হয়।

চেক এখন মুদ্ৰা নহয়। কিয়নো চেকৰ সকলো ঠাইত গ্ৰহণযোগ্যতা নাথাকে।

28. What is Parliamentary Democracy ? What are the differences between the Parliamentary Democracy System of India and that of England ? 1+3=4

সংসদীয় গণতন্ত্ৰ কি ? ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰৰ মাজত পাৰ্থক্য কি ?

Ans : সংসদীয় গণতন্ত্ৰ হ'ল এবিধ শাসন ব্যৱস্থা য'ত জনপ্ৰতিনিধিৰ দ্বাৰা গঠিত এটা সন্থাৰ ওচৰত শাসনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা হয়।

ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰৰ মাজত থকা মূল পাৰ্থক্য হ'ল -

(ক) ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ প্ৰধানতঃ এখন গণৰাজ্য। কিন্তু ইংলেণ্ডৰ সংসদীয় গণৰাজ্য নহয়। ইংলেণ্ডৰ দৰে আমাৰ দেশৰ সংসদীয় গণতন্ত্ৰৰ ৰাষ্ট্ৰপ্ৰধানজন পুৰুষানুক্ৰমে হোৱা ব্যক্তি নহয়। ইংলেণ্ডৰ ৰজা অথবা ৰাণীৰ বিপৰীতে আমাৰ ৰাষ্ট্ৰপ্ৰধান (ৰাষ্ট্ৰপতি) জন জনগণৰ দ্বাৰা নিৰ্বাচিত হোৱা ব্যক্তি।

(খ) ভাৰতবৰ্ষৰ সংসদৰ উচ্চ সদন ৰাজ্যসভাৰ গঠন আৰু ক্ষমতা ইংলেণ্ডৰ উচ্চসদন হাউছ অব লৰ্ডছতকৈ বহু পৃথক।

(গ) ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰত সংসদখন অত্যন্ত শক্তিশালী। কিন্তু ভাৰতবৰ্ষৰ সংসদ ইমান শক্তিশালী নহয়।

Or / অথবা

Which country is regarded as the 'Homeland of Federation' ? Is India a federal country like that of USA ? Explain.

'যুক্তৰাষ্ট্ৰৰ গৃহভূমি' বুলি কাক কোৱা হয় ? আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ নে ? ব্যাখ্যা কৰা।

Created by Universal Document Converter

Ans : 'যুক্তৰাষ্ট্ৰৰ গৃহভূমি' বুলি আমেৰিকা যুক্তৰাষ্ট্ৰক কোৱা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ দৰে ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ নহয়। ভাৰতবৰ্ষক অৰ্ধ যুক্তৰাষ্ট্ৰ বুলিহে কোৱা হয়। ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় কেইটামান বৈশিষ্ট্য হ'ল -

(ক) ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঃ ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰ আৰু অংগৰাজ্যবিলাকৰ চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ বিতৰণ কৰা হৈছে। সংবিধানে তিনিখন সূচীৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ-বিতৰণ কৰিছে।

(খ) লিখিত সংবিধান ঃ ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছি লিখিত সংবিধান। ভাৰতবৰ্ষৰ এক লিখিত সংবিধান আছে। এই সংবিধানক পৃথিৱীৰ ভিতৰতে এখন দীৰ্ঘতম সংবিধান হিচাপে গণ্য কৰা হয়।

(গ) দুই প্ৰকাৰৰ চৰকাৰ ঃ ভাৰতবৰ্ষৰ সংবিধানে ৰাষ্ট্ৰখনত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ ব্যৱস্থা কৰিছে। দুয়োবিধ চৰকাৰে নিজ নিজ ক্ষমতাৰ অধিনত কাৰ্য সম্পাদন কৰে।

(ঘ) স্বাধীন ন্যায়পালিকা ঃ ভাৰতবৰ্ষৰ শাসন ব্যৱস্থাত এখন স্বাধীন আৰু নিৰপেক্ষ আদালতৰ ব্যৱস্থা আছে। ভাৰতবৰ্ষত জিলা পৰ্য্যায়ত জিলা ন্যায়ালয়, ৰাজ্যত উচ্চ ন্যায়ালয় আৰু কেন্দ্ৰত উচ্চতম ন্যায়ালয়ৰ ব্যৱস্থা আছে।

ooooooooooooooooooo

Created by Universal Document Converter

সংকুচিত পাঠ্যক্রম অনুসৰি কামৰূপ জিলাৰ প্ৰি-বৰ্ডৰ প্ৰশ্ন কাকত

(Section - A) 'ক' অংশ

1. কোনটো আন্দোলনৰ সময়চোৱাত গান্ধীজীয়ে কৰিম কিম্বা মৰিম শ্লগানটো দিছিল? 1

(a) আইন অমান্য আন্দোলন (b) অসহযোগ আন্দোলন

(c) ভাৰত ত্যাগ আন্দোলন (d) স্বদেশী আন্দোলন

2. ব্ৰিটিছৰ বিৰুদ্ধে সংঘটিত হোৱা প্ৰথম কৃষক বিদ্ৰোহটো আছিল - 1

(a) ৰঙিয়াৰ কৃষক বিদ্ৰোহ। (b) লাচিমাৰ কৃষক বিদ্ৰোহ

(c) ফুলগুৰি ধাৰা (d) পথৰুঘাটৰ কৃষক বিদ্ৰোহ

3. আছাম এছ'চিয়েছনৰ প্ৰথমগৰাকী নিৰ্বাচিত সম্পাদক কোন আছিল? 1

(a) জগন্নাথ বৰুৱা (b) প্ৰভাত চন্দ্ৰ বৰুৱা

(c) হেমচন্দ্ৰ বৰুৱা (d) মানিক চন্দ্ৰ বৰুৱা

4. হৰ্ণবিল উৎসৱ কোন ৰাজ্যত পালন কৰা হয়? 1

(a) মণিপুৰ (b) অসম (c) মেঘালয় (d) নগালেণ্ড

5. তলৰ কোনটো বিলুপ্ত প্ৰায় প্ৰাণী ? 1

(a) এশিঙীয়া গঁড় (b) জিৰাফ (c) নল গাহৰি (d) মিথুন

6. বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কিমান? 1

(a) 78.08% (b) 0.035% (c) 20.94% (d) 0.1%

7. পৃথিৱীৰ ক্ষুদ্ৰতম মহাদেশ কোনখন? 1

(a) উত্তৰ আমেৰিকা মহাদেশ (b) ইউৰোপ মহাদেশ

(c) এণ্টাৰ্কটিকা মহাদেশ (d) ওছেনিয়া মহাদেশ

8. সংবিধানৰ কোনটো অনুচ্ছেদত ভাৰতবৰ্ষক এখন "ৰাজ্যসমূহৰ সংঘ" বুলি ঘোষণা কৰা হৈছে? 1

(a) 1 নং অনুচ্ছেদ (b) 2 নং অনুচ্ছেদ (c) 14 অনুচ্ছেদ (d) 32 অনুচ্ছেদ

Section : B (খ-শাখা)

Part - I (প্ৰথম খণ্ড)

1. গান্ধীজীয়ে কিয় অসহযোগ আন্দোলন বন্ধ কৰিছিল? 2
2. "তিলক সোঁৱৰণী স্কুল" কেতিয়া আৰু কাৰ স্মৃতিত প্ৰতিষ্ঠা কৰা হৈছিল? 2
3. "হস্তীবিদ্যাৰ্ণৱ" গ্ৰন্থখনৰ চিত্ৰকৰ দুজনৰ নাম লিখা। 2
4. স্বদেশী আন্দোলনৰ সময়ছোৱাত বংগদেশৰ জাতীয় শিল্পৰ বিকাশ কেনেদৰে হৈছিল? চমুকৈ ব্যাখ্যা কৰা। 2
5. বংগভংগ কাৰ্যকৰী হোৱাৰ দিনা বংগবাসীয়ে কেনেকুৱা কাৰ্যসূচী পালন কৰিছিল লিখা। 3
6. অসমৰ ১৮৫৭ চনৰ বিদ্ৰোহৰ বিফলতাৰ তিনিটা কাৰণ উল্লেখ কৰা। 3

Or / অথবা

ব্ৰিটিছ দিনত অসমৰ কৃষকৰ দুৰৱস্থাৰ তিনিটা কাৰণ লিখা। 3

7. অসমত ইংৰাজে প্ৰৱৰ্তন কৰা ৰাজহ ব্যৱস্থাৰ ওপৰত এটি টোকা লিখা। 3
8. কি ৰাজনৈতিক পৰিস্থিতিত গান্ধী আৰউইন চুক্তি স্বাক্ষৰ কৰা হৈছিল? ইয়াৰ মূল চৰ্ত তিনিটা উল্লেখ কৰা। 1+3=4

Or / অথবা

Created by Universal Document Converter

সত্যাগ্রহ বুলিলে কি বুজা? যি তিনিটা স্থানীয় বিবাদৰ ক্ষেত্রত গান্ধীজীয়ে সত্যাগ্রহক প্রথমতে প্রয়োগ কৰিছিল সেই তিনিটাৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ দিয়া।

10. উত্তৰ-পূৰ্বাঞ্চলৰ এক উমৈহতীয়া সুকীয়া পৰিচয় কেনেকৈ গঢ়ি উঠিছে চমু বৰ্ণনা দিয়া। 4

11. স্বদেশী আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে এটি খটিয়ান দাঙি ধৰা। 5

Or / অথবা

অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ ভূমিকা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰা।

Part - II (দ্বিতীয় খণ্ড)

12. সম্পদ আৰু সম্পত্তিৰ মাজৰ দুটা পার্থক্য লিখা। 2

13. পৃথিৱীৰ কিমান শতাংশ জলভাগ আৰু কিমান শতাংশ স্থলভাগে আৱৰি আছে? 2

14. এছিড বৰষুণ কিদৰে সৃষ্টি হয়? 2

15. অসমৰ অৰণ্য ধ্বংসৰ দুটা ফলাফল উল্লেখ কৰা। 2

16. অসমত উদ্যোগীকৰণৰ গতি মন্থৰ হোৱাৰ তিনিটা কাৰণ লিখা। 3

17. গোলকীয় উত্তাপ বৃদ্ধি কি? ইয়াক কিদৰে ৰোধ কৰিব পাৰি? 3

18. সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা আৰু সেইবোৰৰ ভূমিকা সম্পর্কে চমুকৈ লিখা। 4

Or / অথবা

প্রাকৃতিক সম্পদ বুলিলে কি বুজায়? উদাহৰণসহ চমুকৈ লিখা।

19. মহাদেশীয় বিস্থাপন সূত্র অনুসৰি পৃথিৱীৰ অৱস্থা আদিতে কেনে আছিল? 5

Or / অথবা

পৃথিৱীৰ জলমণ্ডল আৰু স্থলমণ্ডলৰ বিষয়ে চমুকৈ লিখা।

20. অসমৰ এখন নক্সা মানচিত্র অংকন কৰি তলত দিয়া ঠাইবোৰৰ যিকোনো দুটা বহুওৱা। 2+2=4

(i) কামাখ্যা মন্দিৰ (ii) এটা তেল শোধনাগাৰ

(iii) ৰপ্তানী বৃদ্ধি ঔদ্যোগিক পাম (iv) মোনাবাৰী চাহ বাগিচা

Or / অথবা

For blind candidates only

(কেৱল অন্ধ পৰীক্ষার্থীৰ বাবে)

অসমৰ চাহ উদ্যোগৰ বিষয়ে চমুকৈ লিখা। 4

21. অসমৰ অর্থনীতিত কৃষিখণ্ডৰ ভূমিকা সম্পর্কে চমুকৈ আলোচনা কৰা। 5

Or / অথবা

অসমৰ কৃষিখণ্ডত দেখা পোৱা যিকোনো পাঁচটা সমস্যা উল্লেখ কৰা।

Part - III (তৃতীয় খণ্ড)

22. ৰাষ্ট্রসংঘ কোন চনত গঠন হৈছিল? ইয়াৰ মুখ্য কার্যালয় ক'ত? 2

23. সসীম বিহিত আৰু অসীম বিহিত মুদ্রাৰ পার্থক্য লিখা। 2

24. অর্থনৈতিক উন্নয়ন আৰু অর্থনৈতিক বিকাশৰ দুটা পার্থক্য লিখা। 3

25. বিশ্বশান্তিৰ বাবে ৰাষ্ট্রসংঘই লোৱা পদক্ষেপসমূহ লিখা। 3

Created by Universal Document Converter

26. মুদ্রাৰ যিকোনো তিনিটা বৈশিষ্ট্য ব্যাখ্যা কৰা। 3

27. মানৱ উন্নয়নৰ তিনিটা সূচক কি কি? 3

28. সার্বভৌম সমাজবাদী, ধর্মনিৰপেক্ষ , গণতান্ত্রিক আৰু গণৰাজ্য বুলিলে কি বুজা বহলাই লিখা। 4

Or / অথবা

সংসদীয় গণতন্ত্র কি? ভাৰতবর্ষৰ সংসদীয় গণতন্ত্র আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্রৰ মাজত থকা মূল পার্থক্যকেইটা লিখা। 4

29. আভ্যন্তৰীণ মূল্যায়ণ। 10

যোৰহাট জিলাৰ সমাজ বিজ্ঞানৰ ২০২২ চনৰ প্রি-বর্ডৰৎ প্রশ্নকাকত

Pre-Final Assessment Examination, 2022

Class : X

Sub : Social Science

Time : 3 Hrs. Full Marks : 90

(The figures in the margin indicate full marks for the questions.)

SECTION - A

(ক - শাখা)

1. Find Out the Correct Answer :

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(a) What is the proportion of Carbon dioxide in Atmosphere? 1

বায়ুমণ্ডলত কার্বন ডাই অক্সাইডৰ অনুপাত কিমান?

(i) 0.0035% ০.০০৩৫% (ii) 0.035% ০.০৩৫%

(iii) 0.35% ০.৩৫% (iv) 3.35% ৩.৩৫%

(b) Which one of the following is man-made resource? 1

তলৰ কোনটো মানৱ সৃষ্ট সম্পদ?

(i) Rivers / নদ-নদী

(ii) Irrigation /জলসিঞ্চন নলা

(iii) Mineral Oil / খনিজ তেল

(iv) Forest / অৰণ্য

Created by Universal Document Converter

(c) The total surface area of the earth is – 1

পৃথিবীৰ মুঠ মাটিকালি —

(i) 510 million Sq. km / ৫১০ নিযুত বর্গ কি. মি.

(ii) 730 million Sq. km / ৭৩০ নিযুত বর্গ কি. মি.

(iii) 540 million Sq. Km / ৫৪০ নিযুত বর্গ কি. মি.

(iv) 350 million Sq. Km / ৩৫০ নিযুত বর্গ কি.মি.

(d) When did the Chauri-Chaura incident take place? 1

চৌৰী-চৌৰা সংঘর্ষ কেতিয়া সংঘটিত হৈছিল?

(i) 5th February, 1922
৫ ফেব্রুৱাৰী, ১৯২২

(ii) 31st January, 1930
৩১ জানুৱাৰী, ১৯৩০

(iii) 8th August, 1942
৮ আগষ্ট, ১৯৪২

(iv) 6th April, 1919
৬ এপ্রিল ১৯১৯

(e) The re-unification of Bengal took place 1

বংগদেশ পুনৰ একত্রীকৰণ হৈছিল

(i) 12th December, 1911
১৯১১ চনৰ ১২ ডিচেম্বৰ

(ii) 30th December, 1906
১৯০৬ চনৰ, ৩০ ডিচেম্বৰ

(iii) 16th October, 1905
১৯০৫ চনৰ, ১৬ অক্টোবৰ

(iv) 20th July, 1912
১৯১২ চনৰ ২০ জুলাই

(f) Who was hanged along with Maniram Dewan? 1

মণিৰাম দেৱানৰ লগত আৰু কাক ফাঁচী দিয়া হৈছিল?

(i) Piyali Barua
পিয়লি বৰুৱা

(ii) Mayaram Nazir
মায়াৰাম নাজিৰ

(iii) Dutiram Barua
দুটিৰাম বৰুৱা

(iv) Sheikh Farmud Ali
শেখ ফর্মুদ আলি

Created by Universal Document Converter

(g) Who among the following person was the member of the Drafting committee of the constitution of India? 1

তলৰ কোনজন ব্যক্তি ভাৰতৰ সংবিধানৰ খচৰা কমিটিৰ সদস্য আছিল?

(i) Jawaharlal Nehru
জৱাহৰলাল নেহৰু

(ii) Mahatma Gandhi
মহাত্মা গান্ধী

(iii) Rajendra Prasad
ৰাজেন্দ্র প্রসাদ

(iv) K.M. Munshi
কে. এম. মুন্সি

(h) Cheque is a – 1

চেক এটা—

(i) Non-Legal Tender Money
অবিহিত মুদ্রা

(ii) Legal Tender Money
বিহিত মুদ্রা

(iii) Token Money
প্রতীক মুদ্রা

(iv) Fiat Money
আদেশী মুদ্রা

SECTION - B
(খ - শাখা)

2. What were the underlying purposes of the partition of Bengal? 2

বংগ বিভাজনৰ অন্তর্নিহিত উদ্দেশ্য কি আছিল?

15. "Resource is dynamic"– Explain. 3

'সম্পদ পৰিবৰ্তনশীল'— ব্যাখ্যা কৰা।

16. Why do 90% of the world's total population concentrated in the northern hemisphere? 3

পৃথিবীৰ মুঠ জনসংখ্যাৰ প্ৰায় ৯০ শতাংশই উত্তৰ গোলার্ধত পুঞ্জ খাই আছে কিয়?

17. Write briefly about the distribution of Oceans and Continents. 4

মহাসাগৰ আৰু মহাদেশসমূহৰ বিতৰণ সম্পৰ্কে চমুকৈ লিখা।

Or/নাইবা

Discuss briefly the continental drift theory.

মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সূত্ৰটো চমুকৈ ব্যাখ্যা কৰা।

18. Name the major oil fields of Assam. 3

অসমৰ প্ৰধান তৈলক্ষেত্ৰসমূহ উল্লেখ কৰা।

19. Write briefly about Jhum Cultivation carried out in Assam. 4

অসমৰ ঝুম খেতিৰ বিষয়ে চমুকৈ লিখা।

Or/নাইবা

Write briefly about the tea industry of Assam.

অসমৰ চাহ উদ্যোগৰ বিষয়ে চমুকৈ লিখা।

20. Mention the problems of tourism industry of Assam. 4

অসমৰ পৰ্যটন উদ্যোগৰ সমস্যাবোৰ উল্লেখ কৰা।

Created by Universal Document Converter

Or/নাইবা

What are the prospect for Economic development of Assam?

অসমৰ অৰ্থনৈতিক উন্নয়ন সম্ভাৱনাবোৰ কি কি?

21. Draw a sketch map of Assam and locate there in any three of the following with names. 1+3=4

অসমৰ এখন নক্সা মানচিত্ৰ আঁকা আৰু তলত দিয়াসমূহৰ যিকোনো তিনিটা নামসহ বছওৱা।

(a) An oil refinery of Assam.

অসমৰ এটা তেল শোধনাগাৰ

(b) A National Park

এখন ৰাষ্ট্ৰীয় উদ্যান

(c) Nimati Ghat

নিমাতী ঘাট

(d) Bio-technology Park

জৈৱ-প্ৰযুক্তি পাৰ্ক

Or/নাইবা

(For Blind Candidates only/কেবল অন্ধ পৰীক্ষাৰ্থীৰ বাবে)

Write briefly about agro-based industries of Assam.

অসমৰ কৃষি-ভিত্তিক উদ্যোগৰ বিষয়ে চমুকৈ লিখা।

PART - III (তৃতীয় খণ্ড)

22. How is the Secretary General of the UNO appointed? Who is the present Secretary General of the UNO? 1+1=2

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানজনক কিদৰে নিয়োগ কৰা হয়? ৰাষ্ট্ৰসংঘৰ বৰ্তমান সচিব প্ৰধানজন কোন?

3. Which association demanded for the establishment of a University in Assam and in which year? 2

কোন চনত আৰু কোনটো অনুষ্ঠানে অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে দাবী জনাইছিল?

4 How did the National Industries developed during Swadeshi movement? Explain in short. 3

স্বদেশী আন্দোলনৰ সময়ছোৱাত জাতীয় শিল্পৰ বিকাশ কেনেকৈ হৈছিল চমুকৈ বৰ্ণনা কৰা।

Or/ অথবা

Why was the anti-partition of Bengal movement named Swadeshi movement? Discuss britly.

বংগ ভংগ আন্দোলনে কিয় স্বদেশী আন্দোলন নাম পাইছিল চমুকৈ লিখা।

5. What were the positive and negative aspects of Non-Co-operation movement? 3

অসহযোগ আন্দোলনৰ ইতিবাচক আৰু নেতিবাচক দিশ কি কি আছিল?

6. Mention Impacts of Revolt of 1857 in Assam. 3

অসমত ১৮৫৭ চনৰ বিদ্রোহৰ প্ৰভাৱসমূহ উল্লেখ কৰা।

7 Write a note on the First Peasant Revolt of Assam. 3

অসমৰ প্ৰথমটো কৃষক বিদ্রোহৰ বিষয়ে লিখা।

8 What was the background behind Quit India Movement by Gandhiji? How did he lead the movement? 2+2=4

গান্ধীজীৰ চাৰও ভাগ আন্দোলনৰ পটভূমি কি আছিল? এই আন্দোলন তেওঁ কেনেকৈ পৰিচালিত কৰিছিল?

Or/ অথবা

Why Khilafat movement was started in India? Briefly discuss.

ভাৰতত খিলাফৎ আন্দোলন কিয় আৰম্ভ হৈছিল চমুকৈ বৰ্ণনা কৰা।

9. Discuss the role and activities of Asomiya Bhasa Unnati Sadhini Sabha. 4

অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ ভূমিকা আৰু কাৰ্যাবলীৰ বিষয়ে আলোচনা কৰা।

Or/ নাইবা

Give a brief discussion on the creation and role of Assam provincial congress committee?

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ জন্ম আৰু মুখ্য ভূমিকা সম্পৰ্কে লিখা।

10. Write briefly on the heritage of paintings in Assam. 4

অসমৰ চিত্ৰকলাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখা।

11. Why the cultural diversity, assimilation and change are taking place more rapidly in Assam than the other states of the region? 4

উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্য কেইখনৰ তুলনাত অসমত সাংস্কৃতিক বিবিধতা, সংমিশ্ৰণ আৰু বিবৰ্তন কিয় অধিকতৰ হৈছে?

PART -II (দ্বিতীয় খণ্ড)

12. Write in brief the main causes of desertification. 2

মৰুকৰণৰ প্ৰধান কাৰণসমূহ চমুকৈ লিখা।

13. Write in brief about the relationship between resource and science - technology. 2

সম্পদ আৰু বিজ্ঞান প্ৰযুক্তিৰ মাজত থকা সম্পৰ্ক চমুকৈ লিখা।

14. Mention three main causes of environmental change. 3

পৰিবেশ পৰিবৰ্তনৰ তিনিটা কাৰণ উল্লেখ কৰা।

P.T.O.

Created by Universal Document Converter

23. Mention two principles of the UNO. 2
ৰাষ্ট্ৰসংঘৰ দুটা নীতি উল্লেখ কৰা।

24. What is NITI Aayog? When was it formed? 1+1=2
নিটি আয়োগ কি? ই কেতিয়া গঠিত হৈছিল?

25. Discuss the characteristic of Indian Federalism. 3
ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

Or/নাইবা

Why is India called sovereign, socialist, secular, democratic republic?
ভাৰতবৰ্ষক কিয় সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য বোলা হয়?

26. Write three disadvantages of Barter system. 3
বিনিময় প্ৰথাৰ তিনিটা অসুবিধা লিখা।

27. Mention any three Characteristics of Money. 3
মুদ্ৰাৰ যিকোনো তিনিটা বৈশিষ্ট্য লিখা।

28. Write briefly about the three new concepts of Human Development according to Human Development Report 2010. 3
২০১০ চনৰ মানৱ উন্নয়নৰ প্ৰতিবেদন অনুসৰি মানৱ উন্নয়নৰ তিনিটা নতুন ধাৰণাৰ বিষয়ে লিখা।

Or/নাইবা

Write in brief how economic reform in India is influenced by liberalization, privatization and globalization.
ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰৰ ক্ষেত্ৰত উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নে কিদৰে প্ৰভাৱ পেলাইছে, চমুকৈ লিখা।

****

Created by Universal Document Converter



Created by Universal Document Converter